


দৈনিক

# বাতৰি কাকত

সত্য আৰু ন্যায়ৰ সপক্ষে

PUBLISHED SIMULTANEOUSLY FROM GUWAHATI & JORHAT

RNI REGD. NO. ASSASS/2003/15035 • E-paper: centralread.com • email: dainikbatorikakot@gmail.com

VOL XXIII, No. 230 ত্ৰিবিংশ বছৰ, সংখ্যা- ২৩০, ১৯ জুলাই, দেওবাৰ, ২০২৬, ২ শাওন, ১৯৪৫ শক, BATORI KAKOT, Sunday, 19 July, 2026, Guwahati Edition / গুৱাহাটী সংস্কৰণ মূল্য ঃ ৭.০০ টকা




### নীট-ইউ জি পৰীক্ষাত উজ্বলিল হাঠিনাপুৰ গাঁৱৰ কৌস্তুভ

## চাৰিবাৰৰ প্ৰচেষ্টাত সফলতা অৰ্জন




প্ৰাঞ্জল দাস, পাঠশালা, ১৮ জুলাই ঃ বজালীৰ হাঠিনাপুৰ গাঁৱৰ বাসিন্দা তথা গাঁওখনৰ বাসিন্দা কিশোৰ মেধি আৰু পিনাকী মেধিৰ একমাত্ৰ সন্তান কৌস্তুভ মেধিয়ে সদ্যঘোষিত সৰ্বভাৰতীয় 'নীট ইউ জি-২০২৬ ৰ প্ৰৱেশিকা পৰীক্ষাত ৫৩০ নম্বৰ লাভেৰে দেশৰ ভিতৰতে ■ এঘাৰ পৃষ্ঠাত

### মহাকাশ গৱেষণাৰ সোণালী অধ্যায়ৰ সূচনা ঃ ১২ বাজি ৫ মিনিটত ছেটেলাইট উৎক্ষেপণ

# মহাকাশলৈ উৰা মাৰিলে বিক্ৰম-১ৰকেট

### হায়দৰাবাদৰ ষ্টাৰ্ট-আপ কোম্পানী 'স্কাইৰুট এৰ'স্পেচ'ৰ দ্বাৰা নিৰ্মিত ব্যক্তিগত মহাকাশ খণ্ডৰ মাইলৰ খুঁটি



**হায়দৰাবাদ, ১৮ জুলাই ঃ** ভাৰতৰ মহাকাশ গৱেষণাৰ ক্ষেত্ৰত আজি এক সোণালী অধ্যায়ৰ সূচনা। ভাৰতীয় মহাকাশ গৱেষণাৰ ইতিহাসত এক নতুন বিপ্লৱৰ সূচনা কৰি সম্পূৰ্ণ ব্যক্তিগত খণ্ডৰ প্ৰযুক্তিৰে নিৰ্মিত 'বিক্ৰম-ৰ'ৰকেটে মহাকাশলৈ উৰা মাৰিলে। হায়দৰাবাদস্থিত ষ্টাৰ্ট-আপ কোম্পানী 'স্কাইৰুট এৰ'স্পেচ'ৰ দ্বাৰা নিৰ্মিত এই ছেটেলাইটোৰ উৎক্ষেপণক ভাৰতৰ ব্যক্তিগত মহাকাশ খণ্ডৰ বাবে আটাইতকৈ ডাঙৰ মাইলৰ খুঁটি হিচাপে গণ্য কৰা হৈছে। ১২ বাজি ৫ মিনিটত এই ■এঘাৰ পৃষ্ঠাত

## প্ৰধানমন্ত্ৰীলৈ জৰুৰী পত্ৰ কংগ্ৰেছ সভাপতিৰ

### ১৩১তম সংবিধান সংশোধনী বিধেয়ক - সীমা পুনঃনিৰ্ধাৰণ সম্পৰ্কীয় বিধেয়কক লৈ আলোচনাৰ দাবী

**নতুন দিল্লী, ১৮ জুলাই ঃ** কংগ্ৰেছৰ কেন্দ্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেয়ে এক পত্ৰ প্ৰেৰণ কৰিছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীলৈ। কংগ্ৰেছৰ জ্যেষ্ঠ নেতাগৰাকীয়ে ১৩১তম সংবিধান সংশোধনী বিধেয়ক তথা সীমা পুনঃনিৰ্ধাৰণ (Delimitation) সম্পৰ্কীয় বিধেয়কক লৈ প্ৰধানমন্ত্ৰীগৰাকীলৈ প্ৰেৰণ কৰে এই পত্ৰখন। লগতে উক্ত পত্ৰখনৰ ■ এঘাৰ পৃষ্ঠাত

### পৰিষ্কাৰ-পৰিচ্ছন্নতা অক্ষুণ্ণ ৰখাৰ বাবে গুৱাহাটী পৌৰ নিগমৰ কঠোৰ পদক্ষেপ

## পোষ্টাৰ, বেনাৰ-হ'ৰ্ডিং লগালেই পাঁচ হাজাৰ টকাৰ জৰিমনা

**ষ্টাফ ৰিপ'ৰ্টাৰ, ১৮ জুলাই ঃ** গুৱাহাটী মহানগৰীৰ সৌন্দৰ্য ৰক্ষা আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতা অক্ষুণ্ণ ৰখাৰ স্বাৰ্থত এইবাৰ এক অত্যন্ত কঠোৰ পদক্ষেপ গ্ৰহণ কৰিছে গুৱাহাটী পৌৰ নিগমে। এতিয়াৰে পৰা মহানগৰীৰ কোনো ৰাজহুৱা স্থানত অনুমতি অবিহনে পোষ্টাৰ, বেনাৰ বা হোৰ্ডিং লগাব নোৱাৰিব। যদি কোনো ব্যক্তি বা প্ৰতিষ্ঠানে এই নিয়ম উলংঘা কৰে, তেন্তে তেওঁলোকে ৫ হাজাৰ টকা পৰ্যন্ত জৰিমনা ভৰিব লাগিব। জিএমচিৰ তৰফৰ পৰা স্পষ্ট কৰি দিয়া হৈছে যে, চৰকাৰী দেৱাল, উৰণ সেতুৰ তলৰ অংশ, ■ এঘাৰ পৃষ্ঠাত

### জিএছটি ফাঁকিৰ গুৰুতৰ তথ্যৰে অখিল গগৈৰ বিৰুদ্ধে সংবাদমেল ৰাজ্যিক বিজেপিৰ

## মুখ্যমন্ত্ৰী-বিত্তমন্ত্ৰীয়ে বিধানসভাত দাঙি ধৰা তথ্যৰ উত্তৰ দিবলৈ প্ৰত্যাহ্বান

**ষ্টাফ ৰিপ'ৰ্টাৰ, ১৮ জুলাই ঃ** অখিল গগৈৰ নেতৃত্বত পৰিচালিত কাজিৰঙা অৰ্কিড আৰু জৈৱ-বৈচিত্ৰ উদ্যানে জিএছটি ফাঁকি দিয়াৰ গুৰুতৰ অভিযোগ অসম বিধানসভাৰ মজিয়াত বিত্তমন্ত্ৰী জয়ন্ত মল্লবৰুৱাই উত্থাপন কৰাৰ পিছত বিষয়টোক লৈ এইবাৰ সৰৱ হৈছে অসম ৰাজ্যিক বিজেপি। আজি দলৰ ৰাজ্যিক কাৰ্যালয় অটল বিহাৰী বাজপেয়ী ভৱনত আয়োজিত এক সংবাদমেলত মুখপাত্ৰ কমল কুমাৰ মেধিয়ে কয় যে বিত্তমন্ত্ৰী গৰাকীয়ে বিধানসভাত অনা সেই মাৰাত্মক অভিযোগৰ আজিলৈকে পোনপটীয়া উত্তৰ দিব নোৱাৰিলে অখিল গগৈয়ে। কালি এখন সংবাদমেলৰ আয়োজন কৰি শিৱসাগৰৰ বিধায়কগৰাকীয়ে বিষয়টোক লৈ ■ এঘাৰ পৃষ্ঠাত

## আন্তঃৰাজ্যিক সীমান্তৰ বনজ অপৰাধৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ ৰাজ্য চৰকাৰৰ



**বাতৰি কাকত, বিহালী, ১৮ জুলাই ঃ** আন্তঃৰাজ্যিক সীমান্তৰ দুষ্কৃতিকাৰীৰ দ্বাৰা বনাঞ্চলৰ ব্যাপক ধ্বংসৰ খবৰ লাভ কৰাৰ পিছতে আজি অসমৰ পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই বিহালী সংৰক্ষিত বনাঞ্চলৰ এক বিস্তৃত অঞ্চল পৰিদৰ্শন কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশ মৰ্মে মন্ত্ৰীগৰাকীয়ে বন বিভাগৰ জ্যেষ্ঠ বিষয়া, অসম আৰক্ষী আৰু অসামৰিক প্ৰশাসনৰ সৈতে পৰিস্থিতিৰ পৰ্যালোচনা কৰে। ইয়াৰ লগতে সংৰক্ষিত বনাঞ্চলখনৰ সুৰক্ষা, ক্ষতিগ্ৰস্ত অঞ্চলৰ পুনৰুদ্ধাৰ আৰু ■এঘাৰ পৃষ্ঠাত

### ককৰোচ জনতা পাৰ্টিৰ প্ৰতিবাদ অব্যাহত

## কাইলৈ সংসদ চলো অভিযান ঘোষণা

### সোনম ৱাংছুকক হাস্পতাললৈ নিলে দিল্লী আৰক্ষীয়ে

**নতুন দিল্লী, ১৮ জুলাই ঃ** জন্তৰ-মন্তৰৰ চিজেপিৰ প্ৰতিবাদস্থলীত এক অঘটন সংঘটিত হয়। সাংবাদিকৰ সৈতে বাৰ্তালাপ কৰি থকা অৱস্থাত 'ককৰোচ জনতা পাৰ্টি'ৰ প্ৰতিষ্ঠাপক সভাপতি অভিজিৎ দীপকেৰ মুখত চিয়াঁহী চটিয়াই এগৰাকী মহিলাই। ঘটনাৰ পিছতে দিল্লী আৰক্ষীয়ে অভিযুক্ত মহিলাগৰাকীক আটক কৰে। এই ঘটনাক লৈ দেশজুৰি ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য যে, আজিৰে পৰা অভিজিৎ দীপকেয়ে আমৰণ অনশন আৰম্ভ কৰাৰ কথা ঘোষণা কৰিছে। তেওঁ লগতে উল্লেখ কৰে যে, ২০ জুলাইৰ 'সংসদ চলো' অভিযান নিৰ্ধাৰিত সূচী অনুসৰিয়েই অনুষ্ঠিত হ'ব। তেওঁ দেশবাসীক নিজ নিজ ৰাজ্যত শান্তিপূৰ্ণভাৱে প্ৰতিবাদ সাব্যস্ত কৰাৰ আহ্বান জনায়। ইফালে, সোনম ৱাংছুকক দিল্লী আৰক্ষীয়ে ■এঘাৰ পৃষ্ঠাত

## কালমুৱা কাপলাবড়িত গাঞ্জাসহ এজনক গ্ৰেপ্তাৰ

**বাতৰি কাকত, দৌলাশাল, ১৮ জুলাই ঃ** নলবাৰী জিলাৰ মুকালমুৱা থানাৰ উপ পৰিদৰ্শক অনিৰ্বাণ ৰাংহাঙৰ নেতৃত্বত মুকালমুৱা আৰক্ষীৰ দল এটাই আজি অভিযান চলাই গাঞ্জাসহ এটা সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে । আৰক্ষীৰ দলটিয়ে গোপন খবৰৰ ভিত্তিত মুকালমুৱাৰ কাপলাবড়িত অভিযান চলাই গাঞ্জাসহ আটক কৰে জাহেদুৰ ৰহমানক । গাঞ্জা ব্যৱসায়ী জাহেদুৰ ৰহমানে এখন মটৰচাইকেলৰে মুকালমুৱা দিশৰ পৰা ৰামপুৰ-দৌলাশাল দিশে গাঞ্জাখিনি কঢ়িয়াই নি থাকোঁতেই ■ এঘাৰ পৃষ্ঠাত

### মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান

## ৰাজ্যত আৰম্ভ হৈছে শক্তিশালী উদ্যোগ গঢ়াৰ পৰিৱেশ



**ষ্টাফ ৰিপ'ৰ্টাৰ, ১৮ জুলাই ঃ** মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান যি ২৩ ছেপ্টেম্বৰ ২০২৩ ত আৰম্ভ কৰা হৈছিল। অসম চৰকাৰৰ এক মুখ্য উদ্যোগী বিকাশমূলক আঁচনি। ইয়াৰ মূল উদ্দেশ্য হৈছে আত্মনিয়োজন আৰু উদ্যোগ গঢ়ি তোলাত উৎসাহ যোগোৱা আৰু সমগ্ৰ ৰাজ্যত এক শক্তিশালী উদ্যোগী পৰিৱেশ গঢ়ি তোলা। এই আঁচনিৰ অধীনত বিত্তীয় সহায়, উদ্যোগ বিকাশ কাৰ্যসূচী (Entrepreneurship Development Programme – EDP)ৰ প্ৰশিক্ষণ আৰু আগ্ৰহী ■ এঘাৰ পৃষ্ঠাত

### নীট-ইউ জি পৰীক্ষা

## সুখ্যাতিৰে উত্তীৰ্ণ নাজিৰাৰ দীক্ষিতা কলিতা

**ষ্টাফ ৰিপ'ৰ্টাৰ, নাজিৰা, ১৮ জুলাই ঃ** সদ্য ঘোষিত নিট পৰীক্ষাৰ ফলাফলত সুখ্যাতিৰে উত্তীৰ্ণ হৈ নাজিৰা তথা শিৱসাগৰ জিলালৈ গৌৰৱ কঢ়িয়াই আনিছে দীক্ষিতা কলিতাই । নাজিৰাৰ শ্ৰী শ্ৰী চলিহা বাৰেঘৰ সত্ৰৰ নিবাসী সদৌ অসম প্ৰাথমিক শিক্ষক সন্মিলনীৰ উপ - সম্পাদক তথা নাজিৰা মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সম্পাদক - প্ৰধান শিক্ষক শৈলেন্দ্ৰ কলিতা আৰু প্ৰণামী কলিতাৰ কন্যা দীক্ষিতা কলিতাই ২০২৬ বৰ্ষৰ নিট পৰীক্ষাত অৱতীৰ্ণ হৈ ৯৮.৭ শতাংশ নম্বৰ লাভ কৰি সুখ্যাতিৰে উত্তীৰ্ণ হয়। মুঠ ৫৬৬ নম্বৰ লাভ কৰা দীক্ষিতা ■ এঘাৰ পৃষ্ঠাত

## ৰূপহীহাটৰ শিঙিমাৰীত দুৰ্ঘটনাত দৈৱক্ৰমে প্ৰাণ ৰক্ষা শিশুৰ

**বাতৰি কাকত, লাওখোৱা, ১৮ জুলাই ঃ** ৰূপহীহাটৰ শিঙিমাৰীত আজি ৰাতিপুৱা এক পথ দুৰ্ঘটনাৰ ঘটনা সংঘটিত হয়। এএছ-ৰচ-বিচি-৪৩৭১ নম্বৰৰ এখন তীব্ৰ বেগী বলেৰো পিকআপ বাহনে নিয়ন্ত্ৰণ হেৰুৱাই এটি পাঁচ বছৰীয়া শিশুক খুন্দা মাৰে। ফলত শিশুটি গুৰুতৰভাৱে আহত হয়। স্থানীয় ৰাইজৰ তৎপৰতাত শিশুটিক প্ৰথমে শিঙিমাৰী প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ভৰ্তি কৰায় যদিও অৱস্থা অতি সংকটজনক হোৱাত উন্নত চিকিৎসাৰ বাবে নগাঁও মেডিকেল ■ এঘাৰ পৃষ্ঠাত

### শ্ৰীমন্ত শংকৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়ৰ সজাগতা সভাত স্বাস্থ্যমন্ত্ৰী সিংহল

## সুস্থ চিকিৎসক অবিহনে সুস্থ সমাজ অসম্ভৱ




**ষ্টাফ ৰিপ'ৰ্টাৰ, ১৮ জুলাই ঃ** যুৱ প্ৰজন্ম আৰু চিকিৎসা বিজ্ঞানৰ শিক্ষাৰ্থীসকলৰ মাজত স্বাস্থ্যকৰ জীৱনশৈলীৰ প্ৰতি সজাগতা বৃদ্ধিৰ লক্ষ্যৰে শ্ৰীমন্ত শংকৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়ৰ উদ্যোগত গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত বৃহস্পতিবাৰে 'আপোনাৰ ভৱিষ্যত' স্বাস্থ্যকৰ জীৱন শৈলীৰ অভ্যাসসমূহ শীৰ্ষক এদিনীয়া স্বাস্থ্য সজাগতা কাৰ্যসূচী সফলতাৰে অনুষ্ঠিত হয়। সামৰণি ■ এঘাৰ পৃষ্ঠাত

### শুৱালকুছিৰ বস্ত্ৰশিল্প পৰিদৰ্শন মন্ত্ৰী দৈমাৰীৰ

## বস্ত্ৰশিল্পক বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠা কৰাই লক্ষ্য ৰাজ্য চৰকাৰৰ

**বাতৰি কাকত,শুৱালকুছি,১৮ জুলাই ঃ** শুৱালকুছিৰ বিশ্ব বিনন্দীয়া পাট-মুগাৰ বস্ত্ৰশিল্পক লৈ এক নতুন পৰিকল্পনা কৰা হৈছে। ঐতিহ্যমণ্ডিত এই শিল্পীটো বিশ্বৰ দৰবাৰত প্ৰতিস্থা কৰিবলৈ অসম চৰকাৰৰ হস্তাতঁত বস্ত্ৰশিল্প বিভাগে এক নতুন আচনি যুগুত কৰিছে। এই আঁচনিৰ জৰিয়তে শিল্পীটোৰ লগত প্ৰত্যক্ষ বা পৰোক্ষভাৱে লাগি থকা সকলোৰে যাতে উপকৃত হ'ব পাৰে তাৰ চিন্তা-চৰ্চা কৰা হৈছে। এই মন্তব্য ৰাজ্য চৰকাৰৰ হস্তাতঁত বস্ত্ৰশিল্প বিভাগৰ মন্ত্ৰী বিশ্বজিৎ দৈমাৰীৰ। আজি পুৱা শুৱালকুছিৰ বস্ত্ৰশিল্প পৰিদৰ্শন কৰিবলৈ আহি মন্ত্ৰী দৈমাৰীয়ে শুৱালকুছিৰ পাট-মুগাৰ শিল্পটি সকলো দিশ পৰ্যবেক্ষণ কৰে। ■ এঘাৰ পৃষ্ঠাত




### বটদ্ৰৱাত ভুৱা ডেকা সত্ৰাধিকাৰ বিতৰ্ক

# বটদ্ৰৱাত সংবাদমেল সম্বোধন কৰি মুখ খুলিলে টিকেন্দ্ৰজিৎ দেৱ গোস্বামীয়ে

**বাতৰি কাকত, বটদ্ৰৱা, ১৮ জুলাই ঃ** মহাপুৰুষ গুৰুজনা শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱাক কেন্দ্ৰ কৰি সৃষ্টি হোৱা 'ডেকা সত্ৰাধিকাৰ' বিতৰ্কই নতুন মোৰ লৈছে। বটদ্ৰৱা নৰোৱা সত্ৰৰ সত্ৰাধিকাৰ আৰু ভকত-বৈষ্ণৱে তেওঁক 'ভুৱা ডেকা সত্ৰাধিকাৰ' বুলি অভিযোগ কৰাৰ পিছতে সংবাদমেল অনুষ্ঠিত কৰি নিজৰ স্থিতি স্পষ্ট কৰে টিকেন্দ্ৰজিৎ দেৱ গোস্বামীয়ে। তেওঁ সংবাদমেলত দাবী কৰে যে তেওঁ দীৰ্ঘদিন ধৰি সত্ৰীয়া সংস্কৃতি, নাম-প্ৰসংগ আৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শ প্ৰচাৰত নিয়োজিত হৈ আহিছে। তেওঁৰ বিৰুদ্ধে উত্থাপন কৰা অভিযোগসমূহ সম্পূৰ্ণ ভিত্তিহীন আৰু উদ্দেশ্যপ্ৰণোদিত বুলি তেওঁ মন্তব্য কৰে। তেওঁ স্পষ্টকৈ কয় যে তেওঁ কেতিয়াও নিজকে 'সত্ৰাধিকাৰ' বুলি পৰিচয় দিয়া নাই। তেওঁ নৰোৱা সত্ৰৰ 'ডেকা সত্ৰীয়া' বা 'ডেকা গোঁসাই' হিচাপেহে পৰিচিত। লিডু-মাঘেৰিটাৰ এক ধৰ্মীয় অনুষ্ঠানত আয়োজক পক্ষৰ ভুলবশতঃ তেওঁক 'ডেকা সত্ৰাধিকাৰ' বুলি সম্বোধন কৰাৰ ফলতেই এই বিভ্ৰান্তিৰ সৃষ্টি হয় আৰু সেই অনুসৰিয়েই সংবাদ মাধ্যমত বাতৰি প্ৰকাশ পাইছিল বুলি তেওঁ ব্যাখ্যা কৰে। ইয়াৰ উপৰিও, লিডু-মাঘেৰিটা কেন্দ্ৰীয় নামঘৰ পৰিচালনা সমিতিয়ে ইতিমধ্যে আনুষ্ঠানিকভাৱে ভুল স্বীকাৰ কৰি দুখ প্ৰকাশ কৰাৰ লগতে অসমবাসীৰ ওচৰত ক্ষমা বিচৰা বুলিও তেওঁলৈ প্ৰেৰণ কৰা এখন পত্ৰৰ কথা উল্লেখ কৰে। উল্লেখ্য যে টিকেন্দ্ৰজিৎ দেৱ গোস্বামীক ইতিপূৰ্বে মাৰ্ঘেৰিটা মহকুমা নামঘৰ সমূহৰ সৌজন্যত অনুষ্ঠিত ২০২৩ আৰু ২০২৪ বৰ্ষৰ গুৰু জয়ন্তী উৎসৱত ডেকা গোসাঁই আৰু ডেকা সত্ৰীয়া বুলি সম্বৰ্দ্ধনা জ্ঞাপন কৰিছিল। ডেকা সত্ৰাধিকাৰ বিতৰ্কৰ এই ঘটনাক কেন্দ্ৰ কৰি বটদ্ৰৱা তথা সত্ৰীয়া সমাজত বিতৰ্ক আৰু আলোচনা অব্যাহত আছে। সংবাদমেলত উত্থাপিত দাবীসমূহ সংশ্লিষ্ট পক্ষসমূহৰ মতামত, আৰু বিষয়টো লৈ বিভিন্ন পক্ষৰ ভিন্ন স্থিতি অব্যাহত আছে। বটদ্ৰৱাৰ সচেতন ৰাইজে ডেকা সত্ৰাধিকাৰ বিতৰ্কৰ বিষয় সমাপ্ত কৰিবলৈ উভয় পক্ষক আহ্বান জনাইছে।

# নাজিৰাত ইলোৰা বিজ্ঞান মঞ্চৰ ৰান্ধনীশালত বিজ্ঞান শীৰ্ষক স্বাস্থ্য সজাগতামূলক কৰ্মশালা

**নাজিৰা, ১৮ জুলাই ঃ** শিৱসাগৰ শাখাৰ ইলোৰা বিজ্ঞান মঞ্চৰ উদ্যোগত সদৌ অসম মধ্যাহ্ন ভোজন কৰ্মচাৰী ইউনিয়ন নাজিৰা শিক্ষাখণ্ডৰ সহযোগত মেজেঙ্গা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ৰান্ধনীশালত বিজ্ঞান শীৰ্ষক স্বাস্থ্য সজাগতামূলক কৰ্মশালা আয়োজন কৰে। শিৱসাগৰ শাখাৰ ইলোৰা বিজ্ঞান মঞ্চৰ সাধাৰণ সম্পাদক ব্ৰজেন ফুকনে আঁতধৰা সভাপতি দিলীপ ফুকনৰ সঞ্চালনাত আয়োজিত উক্ত কৰ্মশালাত জ্যেষ্ঠ চিকিৎসক ডাঃ উপেন গগৈ, জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ অধ্যাপক তীৰ্থ বৰুৱা সমল ব্যক্তি হিচাপে উপস্থিত থাকি বক্তব্য আগবঢ়াই।অনুষ্ঠানত সদৌ অসম মধ্যাহ্ন ভোজন কৰ্মচাৰী ইউনিয়ন নাজিৰা শিক্ষাখণ্ডৰ সম্পাদিকা প্ৰণামী গগৈ,ইলোৰা বিজ্ঞান মঞ্চৰ কেন্দ্ৰীয় সমিতিৰ সদস্য মিহিৰ ভৰালী, শিৱসাগৰ শাখাৰ ইলোৰা বিজ্ঞান মঞ্চৰ প্ৰাক্তন সভাপতি ড° যুগল খাৰঘৰীয়া, শিক্ষাবিদ অসমী গগৈ বৰুৱা,ইলোৰা বিজ্ঞান মঞ্চৰ হাঁহচৰা শাখাৰ সভাপতি নিৰঞ্জন চেতীয়া, ইলোৰা বিজ্ঞান মঞ্চৰ সদস্য গোবিন গগৈ, সৌৰভ নেওগ,ইন্দিৰা খনিকৰ, মিতালী শৰ্মাৰ লগতে সদৌ অসম মধ্যাহ্ন ভোজন কৰ্মচাৰী ইউনিয়ন নাজিৰা শিক্ষাখণ্ডৰ সদস্য সকল উপস্থিত থাকে।কৰ্মশালাত শিক্ষাবিদ অসমী গগৈ বৰুৱাই শুভেচ্ছামূলক বক্তব্য আগবঢ়াই ইলোৰা মঞ্চই হাতত লোৱা এনে পদক্ষেপক শলাগ লয়। অনুষ্ঠানত উপস্থিত অসম মধ্যাহ্ন ভোজন কৰ্মচাৰীসকলে সমল ব্যক্তিৰ লগত বিভিন্ন বিষয়ত মত বিনিময় কৰাৰ লগতে কেইবাটাও বিষয়ত আলোচনা কৰে।

— — — — — — — —

**DECLARATION**

I Shahiz Uddin Ahmed S/o- late Kalim Uddin here by solemnly affirm and declare that I am a citizen of India by birth and permanent resident of the below mentioned address. That my actual and correct name is Shahiz Uddin Ahmed which is correctly recorded in my Adhaar card vide No.2452 9136 6578 and in my some other relevant documents.That my name has been wrongly recorded as Shahiz Uddin & Khaimuddin Mia instead of Shahiz Uddin Ahmed in the land record vide patta No.20,Dag No.408 and wrongly as recorded Mahimuddin Mia instead of Shahiz Uddin Ahmed in the land record vide patta No.270, Dag No.368 and wrongly recorded as Md.Shahiz Uddin instead of Shahiz Uddin Ahmed in the land record vide patta No.112,Dag No.157& 159 situated at village:- Rubhi, Mouza:- Jania under Baghbar Revenue Circle, Dist- Barpeta (Assam). That Shahiz Uddin Ahmed, Shahiz Uddin, Khaimuddin Mia,Mahimuddin Mia, and Md Shahiz Uddin is the one and same person i.e.myself.That I made this Affidavit before the Notary public Barpeta to produce it is a piece of documents before the authority concern.

**Shahiz Uddin Ahmed.**
S/o:- late Kalim Uddin.
Vill+ PO:-Balikuri.
PS:-Kalgachia.
Dist:-Barpeta (Assam).
PIN:-781319.

**শুধৰণি**

মোৰ প্ৰকৃত আৰু শুদ্ধ নাম সদানন্দ দত্ত। মোৰ পিতা- স্বৰ্গীয় হৰিচন্দ্ৰ দত্তৰ পৈত্ৰিক সম্পত্তি ৩৫ নং পট্টা আৰু ৯২৮ নং দাগৰ ভূমি কনক চন্দ্ৰ দত্ত আৰু সদানন্দ দত্তৰ নামত পঞ্জীয়ন হয়। উক্ত পঞ্জীয়নৰ জমাবন্দী কপিত সদানন্দ দত্তৰ ঠাইত দীপক দত্ত বুলি ভুলকৈ উল্লেখ হৈছে। ১৭ জুলাই ২০২৬ ইং তাৰিখে নলবাৰী নটাৰী আদালতত সদানন্দ দত্ত আৰু দীপক দত্ত এজনেই ব্যক্তি বুলি শপতনামা দাখিল দিয়া হৈছে।

ইতি-
**সদানন্দ দত্ত**
পিতা- স্বৰ্গীয় হৰিচন্দ্ৰ দত্ত
গাঁও- কৃষ্ণ নগৰ, ৱাৰ্ড নং (২)
পোঃ অঃ- নলবাৰী
থানা ও জিলা- নলবাৰী

— — — — — — — —

**সাৰ্বজনীন জাননী**

খালোইগাঁও গ্ৰিড উপ-কেন্দ্ৰৰ পৰা বেবেজীয়া ট্ৰেকচন উপ-কেন্দ্ৰলৈ ১৩২ কে. ভি. সঞ্চালন লাইন ২০-৩১ জুলাই, ২০২৬ৰ ভিতৰত AEGCLৰ অনুমতি সাপেক্ষে চালু হ'ব। লাইনটোত উচ্চ ভোল্টেজ বিদ্যুৎ প্ৰবাহিত হ'ব। সুৰক্ষাৰ স্বাৰ্থত সৰ্বসাধাৰণক লাইন, টাৱাৰ বা সংশ্লিষ্ট সঁজুলিৰ ওচৰ নাযাবলৈ অনুৰোধ জনোৱা হৈছে।

স্বাক্ষৰিত
মুখ্য বৈদ্যুতিক অভিযন্তা (নিৰ্মাণ)ৰ হৈ
উত্তৰ-পূব সীমান্ত ৰে'লৱে
মালিগাঁও

**DECLARATION**

I khodeja khatun W/o-Shahar Ali here by solemnly affirm and declare that I am a citizen of India by birth and permanent resident of the below mentioned address.That my actual and correct name is Khodeja khatun which is recorded in my Aadhaar card vide No. 2129 5771 1345 .But my name has been wrongly recorded as Khodeja Begum instead of Khodeja khatun and my husband name has been wrongly recorded sahar Ali instead of shahar Ali in the Bank passbook of AGVB Kalgachia Branch.Khodeja khatun and Khodeja Begum is the one and same person i.e.myself and Sahar Ali and Shahar Ali is the one and same person i.e.my husband.That I made this Affidavit before the executive Magistrate Barpeta to produce it is a piece of documents before the authority concern.

**Khodeja khatun**
W/o:- Shahar Ali
Vill+PO:- Kalgachia
PS:- Kalgachia
Dist:- Barpeta (Assam)
PIN:-781319

### বটদ্ৰৱা চিত্ৰকলা বিদ্যালয়ৰ নৱম বাৰ্ষিক সমাৰোহ

# বটদ্ৰৱা অঞ্চলৰ সমাজ, সংস্কৃতি আৰু শিক্ষাৰ ক্ষেত্ৰত বিশেষ বৰঙনি যোগাই অহা ব্যক্তিক সম্বৰ্ধনা




**বাতৰি কাকত, বটদ্ৰৱা, ১৮ জুলাই ঃ** 'বটদ্ৰৱাকে অসমৰ প্ৰথম চিত্ৰকলাৰ আৰম্ভণি হৈছিল। সপ্ত বৈকুণ্ঠৰ চিত্ৰপট অংকনৰ মাজেৰে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে অসমীয়া চিত্ৰকলাৰ বিকাশ সাধন কৰিছিল'— এই মন্তব্য নগাঁও জিলাৰ আয়ুক্ত দেৱাশীষ শৰ্মাৰ। আজি নগাঁও জিলাৰ বটদ্ৰৱা চিত্ৰকলা বিদ্যালয় নৱম বাৰ্ষিক সমাৰোহত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি জিলা আয়ুক্ত গৰাকীয়ে কয় মহাপুৰুষ গুৰুজনাৰ চিত্ৰকলা আৰু ভাস্কৰ্যৰ নিদৰ্শন অতুলনীয়। আজি দিনযোৱা কাৰ্যসূচীৰে বটদ্ৰৱা শ্ৰীমন্ত শংকৰদেৱৰ গৱেষণা প্ৰতিষ্ঠানৰ মুকলি মঞ্চত অনুষ্ঠিত অনুষ্ঠানটিৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে গৱেষণা প্ৰতিষ্ঠানৰ সাধাৰণ সম্পাদক ইন্দ্ৰমোহন বৰুৱাই। বটদ্ৰৱা চিত্ৰকলা বিদ্যালয় বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি মোহন বৰুৱা, অধ্যক্ষ ধ্ৰুৱজ্যোতি শৰ্মা বৰুৱাই আঁত ধৰা অনুষ্ঠানটিৰ আৰম্ভণিতে সত্ৰীয়া নৃত্য পৰিৱেশন কৰে ক্ষেমাশ্ৰী মহন্তই। অনুষ্ঠানটিত বিশিষ্ট সত্ৰীয়া শিল্পী ৰঞ্জিত মহন্ত, উপেন বায়ন, যোগেন কলিতা নামলগোৱা, প্ৰদীপ দেৱগোস্বামী, ৰঞ্জিত বৰা, নৱজ্যোতি পাঠক আৰু কুইজৰ পৰিচালক ,সাংবাদিক দিব্যজ্যোতি বৰুৱাক বটদ্ৰৱা চিত্ৰকলা বিদ্যালয়ৰ নৱম বাৰ্ষিক অধিৱেশনৰ তৰফৰ পৰা বিশেষ সম্বৰ্ধনা হিচাপে গামোছা, প্ৰসস্তি পত্ৰ, ছবি আৰু উপহাৰৰ টোপোলা প্ৰদান কৰা হয়। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত বটদ্ৰৱা থান পৰিচালনা সমিতিৰ সাধাৰণ সম্পাদক লাচিত বৰদলৈ, বটদ্ৰৱা শ্ৰীশ্ৰী শংকৰদেৱ মহাবিদ্যালয়ৰ অধ্যক্ষা ড° নমিতা কলিতা, বটদ্ৰৱা শ্ৰীশ্ৰী শংকৰদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা হীৰামনি বৰুৱা, বটদ্ৰৱা শ্ৰীমন্ত শংকৰদেৱ গৱেষণা প্ৰতিষ্ঠানৰ ভাৰপ্ৰাপ্ত সভাপতি অতুল মহন্ত, বটদ্ৰৱা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া গৌৰৱ জ্যোতি মহন্ত, দলংঘাট ১৬ এ পি বি এনৰ উপ আৰক্ষী অধীক্ষক কল্পনা দেৱী, ধনীয়া ভেটি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ৰফিকুল ইছলাম,সমাজকৰ্মী সুনিল বৰুৱা, বটদ্ৰৱা শংকৰদেৱ শিশু নিকেতনৰ প্ৰধান আচাৰ্য সোনামনি কলিতা, সাংবাদিক, কবি কন্দৰ্প কুমাৰ কলিতা, পংকজ কলিতা, জীতেন বৰদলৈ, সুৰুজ হাজৰিকা, চিন্ময় শৰ্মা, মীনাবালা বৰুৱা, সবিতা বৰাকে আদি কৰি অভিভাৱক-অভিভাবিকা, ছাত্ৰ-ছাত্ৰী, অতিথি সহ সহস্ৰাধিক লোক উপস্থিত থাকে। বৰগীত, সত্ৰীয়া নৃত্য, আধুনিক গীত-নৃত্য, অসমীয়া সাজ পাৰ প্ৰতিযোগিতা, কবিতা আবৃত্তি আদি বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ সমাহাৰে অনুষ্ঠিত অনুষ্ঠানটিৰ শেষত বঁটা বিতৰণী কৰা হয়। ইফালে বটদ্ৰৱা চিত্ৰকলা বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ সৃষ্ট সুন্দৰ ছবি সমূহৰ এখনি প্ৰদৰ্শনীও অনুষ্ঠিত হয়। অনুষ্ঠানটিত উপস্থিত ছাত্ৰ-ছাত্ৰী সকলক শিল্পী ৰাজীৱ মহন্তৰ তৰফৰ পৰা সাধুকথা আৰু চিত্ৰকলাৰ কিতাপ প্ৰদান কৰা হয়।

# ৰৌতা আদৰ্শ চিকিৎসালয়ে লাভ কৰিলে 'মুস্কান'ৰ অধীনত গুণগত মান স্বীকৃতিপত্ৰ

**বাতৰি কাকত, ওদালগুৰি, ১৮ জুলাই ঃ** ওদালগুৰি ওদালগুৰি জিলাৰ বাবে এক গৌৰৱৰ বিষয় যে ৰৌতা আদৰ্শ চিকিৎসালয়ে 'মুস্কান'ৰ অধীনত গুণগত মান প্ৰমাণ পত্ৰ লাভ কৰিছে। ২৭ এপ্ৰিলত ৰৌতা আদৰ্শ চিকিৎসালয়ত ৰাষ্ট্ৰীয় স্বাস্থ্য প্ৰণালী সম্পদ কেন্দ্ৰ (National Health Systems Resource Centre বা NHSRC) অধীনত 'মুস্কান' কাৰ্যক্ৰমৰ অধীনত জিলাখনৰ ভিতৰতেই প্ৰথম মূল্যায়ন (assessment) কৰা হৈছিল। 'মুস্কান' (MusQan) হৈছে ২০২১ চনত NHSRC ৰ অধীনত মুকলি কৰা এক পদক্ষেপ, যাৰ লক্ষ্য হৈছে ৰচ বছৰ বয়সলৈকে শিশুসকলৰ প্ৰতিৰোধযোগ্য মৃত্যু আৰু অসুস্থতা হ্ৰাস কৰিবলৈ উন্নত মানদণ্ডৰ আৰু শিশু-অনুকূল স্বাস্থ্য সেৱা নিশ্চিত কৰা। চিকিৎসালয়খনৰ গুণগত মান নিৰূপণ কৰিছিল ৰাষ্ট্ৰীয় পৰ্যায়ৰ মূল্যায়ক ডাঃ প্ৰকাশ বৈষ্ণৱ আৰু ড° সুগন্ধিৰা এছে। ৰাষ্ট্ৰীয় গুণমান নিশ্চয়তা মানদণ্ড (National Quality Assurance Standards চমুকৈ NQAS) ৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ মূল্যায়ক দুগৰাকীয়ে চিকিৎসালয়খনৰ চিকিৎসক, নাৰ্চ তথা আন আন কৰ্মচাৰীসকলৰ লগত বাৰ্তালাপ কৰাৰ লগতে চিকিৎসালয়খনৰ বিভিন্ন দিশ, বিশেষকৈ নৱজাতক স্থিৰীকৰণ কক্ষ (New born Stabilization Unit), শিশু চিকিৎসা সম্বন্ধীয় সকলো দিশ পৰ্যবেক্ষণ কৰি মূল্যায়ন কৰিছিল। এই ৰাষ্ট্ৰীয় মূল্যায়নৰ ভিত্তিত চিকিৎসালয়খনে ৮৯.৬৭ নম্বৰ লাভ কৰি গুণগত মানৰ স্বীকৃতি লাভ কৰে। এই স্বীকৃতিয়ে স্বাস্থ্য প্ৰতিষ্ঠানখনক ভৱিষ্যতে অধিক মানসম্পন্ন আৰু ৰোগী-কেন্দ্ৰিক স্বাস্থ্যসেৱা আগবঢ়োৱাৰ বাবে উৎসাহিত কৰিব। লগতে ৰাষ্ট্ৰীয় স্বাস্থ্য প্ৰণালী সম্পদ কেন্দ্ৰৰ পৰামৰ্শ অনুসৰি গুণগত মান বৰ্তাই ৰখাৰ ক্ষেত্ৰত নিয়মীয়া পদক্ষেপ গ্ৰহণ কৰিব।

# মধ্য ওদালগুৰি ৰাজহুৱা ৰাখাল নামঘৰত সত্ৰীয়া নৃত্যৰ কৰ্মশাল

**ওদালগুৰি, ১৮ জুলাই ঃ** সত্ৰীয়া সংস্কৃতি চৰ্চা আৰু গৱেষণা পৰিষদ, অসমৰ সৌজন্যত আৰু সত্ৰীয়া সংস্কৃতি প্ৰশিক্ষণ কেন্দ্ৰ, মধ্য ওদালগুৰি ৰাজহুৱা ৰাখাল নামঘৰ, ওদালগুৰিৰ উদ্যোগত যোৱা ৫ জুলাইৰ পৰা ১৪ জুলাইলৈ ১০ দিনীয়া 'সত্ৰীয়া নৃত্য কৰ্মশালা'খনি ১৫ জুলাইত সফলতাৰে সামৰণি পৰে। উক্ত ১০ দিনীয়া 'সত্ৰীয়া নৃত্য কৰ্মশালাত ২২ গৰাকী প্ৰশিক্ষাৰ্থীয়ে অংশ গ্ৰহণ কৰে। তেওঁলোকক বিশেষকৈ সত্ৰীয়া নৃত্য,বৰগীত আৰু বায়ন বিদ্যাৰ ওপৰত প্ৰশিক্ষণ প্ৰদান কৰা হয়। সত্ৰীয়া সংস্কৃতি প্ৰশিক্ষণ কেন্দ্ৰৰ পৰিচালনা সমিতিৰ সভাপতি পৰমানন্দ ৰাজবংশী আৰু ৰাজহুৱা ৰাখাল নামঘৰৰ সম্পাদক যাদৱ ডেকাকে প্ৰমুখ্যে কৰি আন বিষয়ববীয়া সকলৰ ঐক্যান্তিক চেষ্টাৰ ফলশ্ৰুতিত সত্ৰীয়া সংস্কৃতি চৰ্চা আৰু গৱেষণা পৰিষদ, অসমৰ অন্তৰ্ভুক্ত সত্ৰীয়া সংস্কৃতি প্ৰশিক্ষণ কেন্দ্ৰ নামেৰে ওদালগুৰি চহৰৰ মাজ মজিয়াত সত্ৰীয়া সংগীতৰ অনুষ্ঠানৰ শুভাৰণি কৰা হয়। যোৱা ৫ জুলাইৰ আবেলি ৫ বজাত সত্ৰীয়া নৃত্য কৰ্মশালাৰ সামৰণি পৰা অনুষ্ঠানত সম্পাদক যাদৱ ডেকাই আঁতধৰা সভাত ৰাজহুৱা ৰাখাল নামঘৰ পৰিচালনা সমিতিৰ সভাপতি সুচেন ওজাই সভাপতিত্বত কৰা কৰ্মশালা সামৰণি অনুষ্ঠানত উপস্থিত থাকে ক্ৰমে সত্ৰীয়া সংস্কৃতি চৰ্চা আৰু গৱেষণা পৰিষদ, অসমৰ সচিব পংকজ শইকীয়া,সদস্য সচিব তথা বৰঙ্গাজুলি শাখা কাৰ্যালয়ৰ তত্ত্বাৱধায়ক যতীন্দ্ৰ নাথ কৃষ্ণদাস,ভোগপুৰ সত্ৰৰ সত্ৰীয়া ,পৰিৱেশ্য কলাৰ স্নাতকোত্তৰ প্ৰশান্ত পাচনি,সত্ৰ সংগীত পৰীক্ষা পৰিষদৰ অধাক্ষ ৰিঞ্জুমণি শইকীয়াৰ লগতে ওদালগুৰিৰ বিশিষ্ট লোক সকল উপস্থিত আছিল। সামৰণি অনুষ্ঠানত সত্ৰীয়া সংস্কৃতি চৰ্চা আৰু গৱেষণা পৰিষদ, অসমৰ সচিব পংকজ শইকীয়া,সদস্য সচিব তথা বৰঙ্গাজুলি শাখা কাৰ্যালয়ৰ তত্ত্বাৱধায়ক যতীন্দ্ৰ নাথ কৃষ্ণদাস,সত্ৰ সংগীত পৰীক্ষা পৰিষদৰ অধাক্ষ ৰিঞ্জুমণি শইকীয়াই সত্ৰীয়া সংস্কৃতিক পৰম্পৰাক ধৰি ৰখাৰ লগতে সত্ৰীয়া সংগীত যেনে সত্ৰীয়া নৃত্য-গীত-বাদ্যৰ শিক্ষা প্ৰতিটো পৰিয়ালে আদৰি লোৱাত ইয়াৰ চৰ্চা অব্যাহত ৰখাৰ ওপৰত গুৰুত্ব আৰোপ কৰি বক্তব্য ৰাখে। তেতিয়াহে জাতীয় জীৱনৰ অস্তিত্ব সুৰক্ষিত হৈ থাকিব বুলি তেওঁলোকে বক্তব্যত উল্লেখ কৰাৰ উপৰিও মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ মাধৱদেৱে অসমীয়া সমাজক দি যোৱা অপূৰ্ব সৃষ্টি ৰাজিক উত্তৰ প্ৰজন্মৰ হাতত তুলি দিয়াৰ এয়া এক আদৰণিয় প্ৰয়াস।মধ্য ওদালগুৰি ৰাজহুৱা ৰাখাল নামঘৰ, ওদালগুৰিত আয়োজিত গুৰু ঘোষাৰে আৰম্ভণি অনুষ্ঠানটিত কৰ্মশালাত শিকোৱা সত্ৰীয়া নৃত্য, বৰগীত আৰু খোল বাদন কাৰ্যসূচী প্ৰশিক্ষাৰ্থী সকলৰ দ্বাৰা পৰিৱেশন কৰা হয়।উক্ত কৰ্মশালাত প্ৰশিক্ষক হিচাপে প্ৰশিক্ষণ প্ৰদান কৰে দূৰদৰ্শন স্বীকৃতিপ্ৰাপ্ত সত্ৰীয়া নৃত্য শিল্পী ৰিমি চন্দ্ৰামিতা বায়নে আৰু সত্ৰীয়া সংস্কৃতিৰ সাধক অৱনি ভকতে।

# গৰৈমাৰীত হেৰ'ইনসহ এজন আটক

**বাতৰি কাকত সোণতলী, ১৮ জুলাই ঃ** কামৰূপ জিলাৰ গৰৈমাৰী আৰক্ষীয়ে ড্ৰাগছ বিৰোধী অভিযান চলাই নিষিদ্ধ হেৰ'ইন, নগদ ধন আৰু আন সামগ্ৰীসহ এজন লোকক আটক কৰিছে। প্ৰাপ্ত তথ্য মতে, ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া উপ-পৰিদৰ্শক আব্দুল মমিনৰ নেতৃত্বত কানহাৰা গাঁৱত চলোৱা অভিযানত জছিমুদ্দিন কাজী (৩৮) ক আটক কৰা হয়। আটকাধীন লোক জনৰ পৰা ৭টা প্লাষ্টিকৰ কন্টেইনাৰ থকা নিষিদ্ধ হেৰ'ইন (৯.৩৩ গ্ৰাম), ৭টা খালী কন্টেইনাৰ, ২টা ছিৰিঞ্জ, নগদ ২৫,০১২ টকা আৰু ২ টা মোবাইল ফোন জব্দ কৰে। অভিযান কালত বকো-ছয়গাওঁ সম-জিলা উপ আৰক্ষী অধীক্ষক জানকিশোৰ গগৈয়ে ড্ৰাগছৰ বিৰুদ্ধে কঠোৰ স্থিতি আগলৈও অব্যাহত ৰাখিব বুলি জানিবলৈ দিয়ে।

# নাজিৰা বিধান সমষ্টিত গ্ৰীষ্মকালীন কৰ্মশালা

**বাতৰি কাকত, নাজিৰা, ১৮ জুলাইঃ** অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত তথা নাজিৰা সমজিলা প্ৰশাসনৰ সহযোগত বৃহস্পতিবাৰে নাজিৰা বিধানসভা সমষ্টিৰ অন্তৰ্গত বাউলী মৈদাম উচ্চ মাধ্যমিক বিদ্যালয়ত সমষ্টি ভিত্তিক গ্ৰীষ্মকালীন কৰ্মশালা—২০২৬ৰ শুভাৰম্ভ কৰা হয়। বন্তি প্ৰজ্বলনেৰে এই অনুষ্ঠানৰ শুভ উদ্বোধন কৰে নাজিৰা সমজিলাৰ সহকাৰী আয়ুক্ত অৰুণাভ সোণোৱালে। তদুপৰি বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে নাজিৰা বিধান সভা সমষ্টিৰ বিধায়কৰ প্ৰতিনিধি তথা নাজিৰা আঞ্চলিক পঞ্চায়তৰ উপ সভানেত্ৰী ভাগ্যশ্ৰী সন্দিকৈ, নাজিৰা গাঁও পঞ্চায়তৰ সভানেত্ৰী ৰূপা মহন্ত, বাউলী মৈদাম উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক অচ্যুৎ কলিতা আৰু কৰ্মশালা পৰিচালনা সমিতিৰ সদস্য ক্ৰমে অনন্ত কুমাৰ গগৈ আৰু ৰেখা বৰুৱা। উল্লেখ্য যে, এই কৰ্মশালাখন ১৬ জুলাইৰ পৰা ৩০ জুলাই লৈ অনুষ্ঠিত হ'ব। কৰ্মশালাত অসমৰ চিৰ যুগমীয়া অসমীয়া গীতৰ ওপৰত বিশেষ প্ৰশিক্ষণ প্ৰদান কৰিব অভিজ্ঞ প্ৰশিক্ষক দিবাকৰ চুতীয়া আৰু সহযোগী প্ৰশিক্ষক শান্তনু দত্তই। এই অনুষ্ঠানত বিশিষ্ট অতিথি সকলে ছাত্ৰ-ছাত্ৰীসকলৰ সৃজনশীল প্ৰতিভাৰ বিকাশ, অসমৰ সমৃদ্ধ লোক-সংস্কৃতি, সংগীত আৰু ঐতিহ্যৰ সংৰক্ষণৰ ক্ষেত্ৰত এনে কৰ্মশালাৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰে। লগতে সুপ্ত প্ৰতিভাসমূহক আগুৱাই লৈ যোৱাৰ পোষকতা কৰে।

# কলগাছিয়াস্থিত বৰপেটা অসামৰিক চিকিৎসালয়ত বিধায়ক শ্বেৰমান আলী আহমেদৰ বিৰুদ্ধে আশা কৰ্মীৰ প্ৰতিবাদ




**বাতৰি কাকত, কলগাছিয়া, ১৮ জুলাই ঃ** কলগাছিয়াস্থিত বৰপেটা অসামৰিক চিকিৎসালয়ত আজি আশা কৰ্মীসকলে নৱগঠিত মন্দিয়া বিধান সভা সমষ্টিৰ বিধায়ক শ্বেৰমান আলী আহমেদৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰাক কেন্দ্ৰ কৰি বৃহত্তৰ কলগাছিয়া অঞ্চলত এক চাঞ্চল্যৰ সৃষ্টি হৈছে। উল্লেখযোগ্য যে, অলপতে মন্দিয়া বিধানসভা সমষ্টিৰ বিধায়ক শ্বেৰমান আলী আহমেদে বিধানসভাৰ মজিয়াত প্ৰশ্ন -উত্তৰ শিতানত কলগাছিয়াৰ আশা কৰ্মী সকলক দালাল বুলি অভিহিত কৰাৰ অভিযোগ উত্থাপিত কৰিছে কৰ্মৰত আশা কৰ্মী সকলে। আশাকৰ্মী সকলে ব্যক্তিগত চিকিৎসালয়ত দালালী কৰে বুলি আন এক অভিযোগ উত্থাপিত কৰিছে বিধায়ক শ্বেৰমান আলী আহমেদৰ বিৰুদ্ধে। পবিত্ৰ বিধান সভাৰ মজিয়াত এনেধৰনে কৰা বক্তব্যত ক্ষুব্ধ হৈ উঠিছে আশা কৰ্মী সন্থা। সেয়ে আজি অসম ৰাজ্যিক আশা ইউনিয়ন কলগাছিয়া ব্লক পি এইচ ছি কমিটিৰ উদ্যোগত শ শ আশাকৰ্মী সকলে একত্ৰিত হৈ সাব্যস্ত কৰে এই প্ৰতিবাদী কাৰ্যসূচী। লগতে আশাকৰ্মী সকলৰ কেইবাটাও দাবীৰ ভিত্তিত বৰপেটা অসামৰিক চিকিৎসালয়ৰ অধীক্ষক নেকিব আহমেদৰ হাতত এখন সমূহীয়া স্মাৰক পত্ৰও প্ৰেৰণ কৰে আশা কৰ্মীসকলে। আশাকৰ্মীসকলে মন্দিয়া সমষ্টিৰ বিধায়ক শ্বেৰমান আলী আহমেদক ৰাজহুৱাকৈ ক্ষমা খোজাৰ দাবী জনায় অন্যথায় আৰু ব্যাপক হাৰত গণ আন্দোলন গঢ়ি তোলা হ'ব বুলি ভাবুকি প্ৰদান কৰে আশাকৰ্মীসকলে।

# কাহিলীপাৰাৰ অহল্যা কাকতিৰ দেহাৱসান

**গুৱাহাটী, ১৮ জুলাই ঃ** মহানগৰীৰ কাহিলীপাৰাৰ বিনোৱা নগৰ নিবাসী মুক্তিযুঁজাৰু প্ৰয়াত ধৈৰ্যনাথ কাকতিৰ সহধৰ্মিনী অহল্যা কাকতিৰ আজি পুৱা ৮-৪৫ বজাত নিজ বাসভৱনত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৯৬ বছৰ। আজি বিয়লি ভূতনাথ শ্মশানত আত্মীয়-স্বজন আৰু ভালেমান গুণমুগ্ধৰ উপস্থিতিত তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হয়। সামাজিক ভাৱে অতি সৰবৰহী ভক্তপ্ৰাণ অহল্যা কাকতিৰ জন্ম হৈছিল কামৰূপ জিলাৰ পছৰীয়াত। কমলপুৰৰ বৰুৱাজানীৰ ধৈৰ্যনাথ কাকতিৰ সৈতে বিবাহপাশত আবদ্ধ হোৱা অহল্যা কাকতিয়ে বিগত প্ৰায় ষাঠি বছৰ ধৰি গুৱাহাটীৰ বাসিন্দা হৈ আছিল। মৃত্যুৰ সময়ত তেওঁ ছয়গৰাকী পো, বোৱাৰী, দুগৰাকী জীয়াৰী আৰু কেইবাগৰাকী নাতি-নাতিনী সমন্বিতে ভালেমান আত্মীয়ক এৰি গৈছে। বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানে সৰবৰহী মহিলা গৰাকীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে।

# নীটত উজলিল উত্তৰ গুৱাহাটী ফেকাল্টি হায়াৰ ছেকেণ্ডাৰীৰ অশ্বিন শৰ্মা



**গুৱাহাটী, ১৮ জুলাই ঃ** এইবাৰ ২০২৬ বৰ্ষৰ নীট অৰ্থাৎ চিকিৎসা বিজ্ঞানৰ সৰ্বভাৰতীয় যোগ্যতা আৰু প্ৰৱেশ পৰীক্ষাত উত্তৰ গুৱাহাটী ফেকাল্টী হায়াৰ ছেকেণ্ডাৰী স্কুলৰ মেধাৱী ছাত্ৰ অশ্বিন শৰ্মাই সুখ্যাতিৰে উত্তীৰ্ণ হৈ বিদ্যালয় খনলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। কালি ঘোষণা কৰা নীট পৰীক্ষাৰ ফলাফল অনুসৰি অশ্বিন শৰ্মাই নীট পৰীক্ষাত মুঠ ৭২০ নম্বৰৰ ভিতৰত ৬০৭ নম্বৰ লাভ কৰিছে। তেওঁ প্ৰাণীবিজ্ঞানত ৯৯.৮৬৩০৯২৮ পাৰ্চেন্টাইল, পদাৰ্থ বিজ্ঞানত ৯৯.৫৯৪৩২৮৭ পাৰ্চেন্টাইল, আৰু ৰসায়ন বিজ্ঞানত ৯৬.৮৬৯৭৩৫৭ পাৰ্চেন্টাইল, সৰ্বমুঠ ৯৯.৫৯৪৩২৮৭ পাৰ্চেন্টাইল নম্বৰ লাভ কৰি সুখ্যাতিৰে উত্তীৰ্ণ হৈছে। তেওঁ সৰ্বভাৰতীয় ৰেংক ৭৮৬১ আৰু জেনেৰেল কেটেগৰী ৰেংক ৩৩৬১ ।উল্লেখযোগ্য যে মেধাৱী ছাত্ৰ অশ্বিন শৰ্মাই সৰ্বভাৰতীয় ইঞ্জিনিয়াৰিঙৰ যুটীয়া প্ৰৱেশ পৰীক্ষাতো (JEE Main) ৯৭.২ পাৰ্চেন্টাইল পাই যোগ্যতা অৰ্জন কৰিছিল আৰু আইজাৰৰ (ISSER) পৰীক্ষাতো সৰ্বভাৰতীয় ২০০০ ৰেংকিঙত থাকি সুখ্যাতিৰে যোগ্যতা অৰ্জন কৰিছিল। আনহাতে কেন্দ্ৰীয় শিক্ষা বৰ্ডৰ অধীনত অনুষ্ঠিত হোৱা উচ্চতৰ মাধ্যমিক পৰীক্ষাতো ৯৬.৬ শতাংশ নম্বৰ লাভ কৰি উত্তীৰ্ণ হৈছিল। অশ্বিনে এতিয়া এগৰাকী সু চিকিৎসক হোৱাৰ আশা কৰি চিকিৎসা বিজ্ঞানত নাম ভৰ্তি কৰিব বুলি জানিব দিছে। অশ্বিন শৰ্মা গুৱাহাটী জাপৰিগোগ নিবাসী ডঃ ৰাজীৱ শৰ্মা আৰু ডঃ মধুস্মিতা ভাগৱতীৰ একমাত্ৰ সন্তান। ডঃ ৰাজীৱ শৰ্মা গুৱাহাটী ডাইন টাউন বিশ্ববিদ্যালয়ৰ প্ৰবক্তা আৰু ডঃ মধুস্মিতা ভাগৱতী ফেকাল্টী হায়াৰ ছেকেণ্ডাৰী স্কুলৰ প্ৰাণী বিজ্ঞান বিভাগৰ বিষয় শিক্ষয়িত্ৰী। মেধাৱী ছাত্ৰ অশ্বিনক স্কুলৰ সঞ্চালিকালয়া সিংহা, অধ্যক্ষ যুগল বৰা আৰু শিক্ষক সকলে পঢ়াৰ ক্ষেত্ৰত সদায় উৎসাহিত কৰি আছিল বুলি জানিব দিছে। আজি তেওঁৰ এই সাফল্যত সকলো শিক্ষক শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰী উৎফুল্লিত হৈ পৰিছে।

## লংকাত গ্ৰীষ্মকালীন কবিতা আবৃত্তি-আকস্মিক বক্তৃতা-যোগাসন কৰ্মশালা

বাতৰি কাকত, লংকা, ৰজ্জ্ব জুলাইঃ লংকাৰ এজাৰবাৰীত আজিৰ পৰা , দিনিয়া কাৰ্ঞ্জয্যসূচীৰে হোজাই জিলা ভিত্তিত কণ কণ শিশুকে ধৰি শিক্ষাৰ্থীৰ মাজত অনুষ্ঠিত কবিতা আবৃত্তি,ঘোষক, বক্তৃতা, অভিনয় আৰু যোগাসনৰ গ্ৰীষ্মকালীন কৰ্মশালা ।। লংকা এজাৰবাৰী প্ৰাথমিক বিদ্যালয়ৰ ব্যৱস্থাপনাত ৰজ্জ্ব ,ৰজ্ঝ আৰু চপ্ত জুলাই তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত উক্ত কৰ্মশালা ।আজিৰ উক্ত শুভ উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে অসমীয়া চেটেলাইট চেনেল ত্বডডচ্ছ্ৰ ৰ মুখ্য সম্পাদক ৰাজদ্বীপ বাইলুং বৰুৱা ।উক্ত অনুষ্ঠানত ত্বডডচ্ছ্ৰ ৰ মুখ্য সম্পাদক গৰাকীৰ উপৰিও উপস্থিত থাকে নগাঁওৰ মিমিক্ৰি শিল্পী হিমাংশু বৰ্মন,লংকা যোগ নিকেতনৰ অধ্যক্ষ সজল বিশ্বাস সহ হোজাই জিলাখনৰ কেইবাজনো গণ্যমান্য ব্যক্তি, অৱসৰ প্ৰাপ্ত শিক্ষক,শিক্ষাৰ্থী আৰু অভিভাৱকসকল ।। আজি শুভ উদ্বোধনী অনুষ্ঠানত কবিতা আবৃত্তি, যোগাসন, গীত-নৃত্য আদি অনুষ্ঠিত হোৱাৰ লগতে মিমিক্ৰি শিল্পী হিমাংশু বৰ্মনে ৰাজ্যৰ মুখ্যমন্ত্ৰী আৰু প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মিমিক্ৰি কৰে ।লগতে উক্ত অনুষ্ঠানত উপস্থিত বিশিষ্ট আমন্ত্ৰিত ব্যক্তি সকলে নিজৰ বহুমূলীয়া ভাষণ প্ৰদান কৰে ।

### তামুলপুৰৰ কুমাৰীকাটাত ট্ৰাক মালিক সন্থাৰ সাধাৰণ সভা

# বন মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাক সমস্যা সমাধানৰ বাবে অনুৰোধ



**বাতৰি কাকত, তামুলপুৰ, ১৮ জুলাই ঃ** তামুলপুৰ মহকুমা ট্ৰাক মালিক সন্থাৰ উদ্যোগত আজি কুমাৰীকাটাৰ ছহিদ সুজিত নাৰ্জাৰী স্মাৰক প্ৰেক্ষাগৃহত কামৰূপ, ওদালগুৰি, নলবাৰী, বৰপেটা, বাক্সা আৰু তামুলপুৰ মহকুমা ট্ৰাক মালিক সন্থাৰ এখন সাধাৰণ সভা অনুষ্ঠিত হয়। তামুলপুৰ মহকুমা ট্ৰাক মালিক সন্থাৰ সভাপতি মইনুল হক চৌধুৰীৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত উপস্থিত থাকি ট্ৰাক মালিক সকলে অসম চৰকাৰৰ বন বিভাগে লোৱা নতুন নিয়মীয়াবলী ওপৰত দেখা দিয়া সমস্যা সমূহৰ ওপৰত বিতংভাৱে আলোচনা কৰে। সভাত উপস্থিত মালিক সকলে বক্তব্য ৰাখি ট্ৰাক মালিক সকলক কিছু কিছু ৰেহাই দি ট্ৰাক সমূহ চলাবলৈ আহ্বান জনোৱাৰ লগতে চালন সমূহ সহজলভ্য কৰি দিয়াৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈও চৰকাৰক আহ্বান জনায়। আনহাতে আজিৰ সভাতে বন মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাক সাক্ষাৎ কৰি ট্ৰাক মালিক সন্থাৰ সমস্যা সমাধানৰ বাবে সভাত সিদ্ধান্ত গ্ৰহণ কৰে। ইপিনে ট্ৰাক মালিক সন্থাৰ সমস্যা সমাধান নহ'লে অনাগত দিনত ট্ৰাক সমূহ বন্ধ ৰাখি প্ৰতিবাদ সাব্যস্ত কৰিবলৈ প্ৰস্তুত থকা বুলিও জানিব দিয়ে মালিক সকলে। আজিৰ এই সভাত তামুলপুৰ মহকুমা ট্ৰাক মালিক সন্থাৰ সাধাৰণ সম্পাদক ৰূপজিৎ পাঠক, বিশিষ্ট ব্যৱসায়ী আলাউদ্দিন আহমেদৰ লগতে বিভিন্ন জিলাৰ ট্ৰাক মালিক সন্থাৰ সদস্য সকল উপস্থিত থাকে। আনহাতে আজিৰ এই সভাত উপস্থিত থকা ৬ খন জিলাৰ মালিক সকলক লৈ এখন আহ্বায়ক সমিতি গঠন কৰি পৰৱৰ্তী সময়ত অসম ভিত্তিত ট্ৰাক মালিক সন্থা গঠন কৰাৰ বাবেও সভাত সিদ্ধান্ত গ্ৰহণ কৰা হয়।

### মানাহত গঠন হ'ল শক্তিশালী জাতি-জনগোষ্ঠীয় সমন্বয়ৰক্ষী সমিতি

# ৰাজ্যৰ সাম্প্ৰতিক জটিল সময়ত একত্ৰিত হ'ল বিভিন্ন জাতি-জনগোষ্ঠী

**বাতৰি কাকত, শালবাৰী, ১৮ জুলাই ঃ** ৰাজ্যৰ বৰ্তমানৰ জটিল পৰিস্থিতি, সামাজিক সমস্যা আৰু বিভিন্ন জাতি-জনগোষ্ঠীৰ ন্যায্য অধিকাৰ সুৰক্ষাৰ লক্ষ্য আগত ৰাখি মানাহৰ বাঁহবাৰী ৰেঞ্জৰ অতিথিশালাত কালি (১৭ জুলাই) এক ঐতিহাসিক পদক্ষেপ গ্ৰহণ কৰা হয় ।শালবাৰী মহকুমাৰ অন্তৰ্গত কেইবাটাও শক্তিশালী জাতীয় দল-সংগঠনৰ নেতৃত্বই একত্ৰিত হৈ গঠন কৰিলে 'জাতি-জনগোষ্ঠীয় সমন্বয়ৰক্ষী সমিতি', শালবাৰী নামৰ এক শক্তিশালী মঞ্চ। অঞ্চলটোৰ বিভিন্ন সমস্যাসমূহক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰা সভাত অংশগ্ৰহণকাৰীসকলে একমুখে কয় যে বিচ্ছিন্ন হৈ থকাৰ ফলত আমাৰ সমস্যাবোৰ গুৰুত্বহীন হৈ পৰিছে। সেয়েহে, এটা শক্তিশালী মঞ্চৰ জৰিয়তে চৰকাৰৰ ওচৰত আমাৰ প্ৰাপ্যসমূহ আদায় কৰি লোৱাই হ'ব এই সমিতিৰ মূল উদ্দেশ্য। সভাত শিক্ষা, যাতায়াত আৰু সামাজিক নিৰাপত্তাৰ দৰে গুৰুত্বপূৰ্ণ বিষয়সমূহৰ ওপৰত বিস্তৃত আলোচনা কৰি



কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। এই ঐতিহাসিক সভাখনত উপস্থিত থকা সকলো প্ৰতিনিধিৰ সন্মতিক্ৰমে সমিতিখনৰ কেন্দ্ৰীয় সমিতিৰ নতুন বিষয়ববীয়াসকলক নিৰ্বাচিত কৰা হয়। সেইমৰ্মে নতুন সমিতিখনৰ সভাপতি মানছুখ ছানখাড়িকা, উপ-সভাপতি প্ৰাঞ্জল ডেকা আৰু বলোৰাম সূত্ৰধৰ, যুটীয়া সম্পাদক কপিল দেৱ সিংহ আৰু ছাইফুল ইছলাম খান, সহকাৰী সম্পাদক: জুবিন দাস, সাহাদত হুছেইন, কৈল্যাশ দাস, এচাউ এম হেমৰম আৰু নৱজ্যোতি কোঁচ। সমিতিখনৰ প্ৰচাৰৰ দায়িত্বত থাকিব শালবাৰী মহকুমা সাংবাদিক সন্থা। নৱগঠিত সমিতিৰ সভাপতি মানছুখ ছানখাড়িকাই সংবাদ মাধ্যমৰ আগত কয় যে আমি কোনো এটা জাতি বা জনগোষ্ঠীৰ বিৰুদ্ধে নহয়, বৰঞ্চ সকলো জাতি-জনগোষ্ঠীৰ সৰ্বাংগীন উন্নতিৰ বাবে এই মঞ্চখন গঢ়ি তুলিছোঁ। আমি অতি শীঘ্ৰে চৰকাৰৰ সংশ্লিষ্ট বিভাগৰ সৈতে এক আলোচনাত মিলিত হ'ম আৰু আমাৰ সমস্যাসমূহ সমাধানৰ বাবে হেঁচা প্ৰয়োগ কৰিম। এই মঞ্চ গঠনক লৈ স্থানীয় ৰাইজৰ মাজত ব্যাপক উৎসাহ দেখিবলৈ পোৱা গৈছে। স্থানীয় ৰাইজে আশা কৰিছে যে, এই সমিতিখনে কেৱল আলোচনাতেই সীমাবদ্ধ নাথাকি বাস্তৱত ৰূপায়ণ কৰিবলৈ সক্ষম হ'ব তেওঁলোকৰ প্ৰাপ্য অধিকাৰ। অনাগত দিনত এই শক্তিশালী মঞ্চখনে ৰাজ্যৰ ৰাজনীতিত তথা সামাজিক ক্ষেত্ৰত কি ভূমিকা গ্ৰহণ কৰে, সেয়াই এতিয়া চৰ্চাৰ কেন্দ্ৰবিন্দু।

# মৰিগাঁও জিলা কৃষি বিভাগৰ উদ্যোগত উদ্যান শস্যৰ বীজ-কৃষি সামগ্ৰী বিতৰণ

**বাতৰি কাকত, ভূৰাগাঁও, ১৮ জুলাই ঃ** উদ্যান শস্যৰ জৰিয়তে মৰিগাঁও জিলাৰ কৃষি খণ্ডক অধিক গতিশীল কৰাৰ লক্ষ্যৰে আজি জিলা কৃষি বিভাগে উত্তৰ-পূৰ্ব আৰু হিমালয়ৰ ৰাজ্যসমূহৰ উদ্যান শস্য আঁচনি (HMNEH)-ৰ অধীনত যোগ্য কৃষকসকলৰ মাজত উদ্যান শস্যৰ বীজ আৰু বিভিন্ন কৃষি সামগ্ৰী আনুষ্ঠানিকভাৱে বিতৰণ কৰে। জিলা কৃষি বিষয়া দিলীপ কুমাৰ বৰাৰ সঞ্চালনাত ঔজাৰী বীজ ফাৰ্মত আয়োজিত এই অনুষ্ঠানত অতিৰিক্ত জিলা আয়ুক্ত (কৃষি) ড° ময়ূৰপংখী বৰা মুখ্য অতিথি হিচাপে উপস্থিত থাকি কৃষকসকলক উদ্দেশ্যি ভাষণৰ জৰিয়তে তেওঁ কৃষকসকলক চৰকাৰী আঁচনিসমূহৰ সুফল গ্ৰহণ কৰি আধুনিক আৰু বাণিজ্যিক কৃষিৰ দিশত আগবাঢ়িবলৈ আহ্বান জনায়। অনুষ্ঠানত প্ৰায় ৫০০ গৰাকী কৃষকক



মধুৰি আম, ড্ৰেগন ফল আৰু জালুকৰ বীজ বিতৰণ কৰা হয়। ইয়াৰ উপৰিও কৃষি উৎপাদন বৃদ্ধি আৰু আধুনিক কৃষি ব্যৱস্থা শক্তিশালী কৰাৰ উদ্দেশ্যে চক্সলাৰ বাবুল ড্ৰায়াৰ, এগ্ৰ' ছেড নেট, মালচিং সামগ্ৰী, কেঁচুসাৰ বেডৰ লগতে বিভিন্ন কৃষি সজুলিও কৃষকসকলৰ মাজত বিতৰণ কৰা হয়। কৃষি উপ-পৰিদৰ্শক দিব্যজ্যোতি হাজৰিকাই আঁত ধৰা অনুষ্ঠানত HMNEH আঁচনিৰ ন'ডেল বিষয়া তথা মহকুমা কৃষি তথ্য বিষয়া গৌতম নাথ, কৃষি বিজ্ঞান কেন্দ্ৰ, মৰিগাঁওৰ মুৰব্বী ড° ৰিজুস্মিতা শৰ্মা ডেকা, কৃষি উন্নয়ন বিষয়াসকল, কৃষি সম্প্ৰসাৰণ সহায়কসকলৰ লগতে জিলা কৃষি বিভাগৰ আন আন বিষয়া-কৰ্মচাৰী উপস্থিত থাকে। এই কাৰ্যসূচীয়ে জিলাখনৰ কৃষকসকলৰ মাজত উচ্চ মূল্যৰ উদ্যান শস্যৰ খেতি সম্প্ৰসাৰণ, আধুনিক কৃষি প্ৰযুক্তিৰ ব্যৱহাৰ আৰু কৃষকৰ আয় বৃদ্ধিত বিশেষভাৱে সহায়ক হ'ব বুলি জিলা কৃষি বিভাগে আশা প্ৰকাশ কৰে।

# মৰিগাঁও জিলা কৃষি বিভাগৰ উদ্যোগত HMNEH আঁচনিৰ অধীনত উদ্যান শস্যৰ বীজ-কৃষি সামগ্ৰী বিতৰণ

**বাতৰি কাকত, মৰিগাঁও, ১৮ জুলাই ঃ** উদ্যান শস্যৰ জৰিয়তে মৰিগাঁও জিলাৰ কৃষি খণ্ডক অধিক গতিশীল কৰাৰ লক্ষ্যৰে আজি জিলা কৃষি বিভাগে উত্তৰ-পূৰ্ব আৰু হিমালয়ৰ ৰাজ্যসমূহৰ উদ্যান শস্য আঁচনি (HMNEH)ৰ অধীনত যোগ্য কৃষকসকলৰ মাজত উদ্যান শস্যৰ বীজ আৰু বিভিন্ন কৃষি সামগ্ৰী আনুষ্ঠানিকভাৱে বিতৰণ কৰে। জিলা কৃষি বিষয়া দিলীপ কুমাৰ বৰাৰ সঞ্চালনাত ঔজাৰী বীজ ফাৰ্মত আয়োজিত এই অনুষ্ঠানত অতিৰিক্ত জিলা আয়ুক্ত (কৃষি) ড° ময়ূৰপংখী বৰা মুখ্য অতিথি হিচাপে উপস্থিত থাকি কৃষকসকলক উদ্দেশ্যি ভাষণৰ জৰিয়তে তেওঁ কৃষকসকলক চৰকাৰী আঁচনিসমূহৰ সুফল গ্ৰহণ কৰি আধুনিক আৰু বাণিজ্যিক কৃষিৰ দিশত আগবাঢ়িবলৈ আহ্বান জনায়। অনুষ্ঠানত প্ৰায় ৫০০ গৰাকী কৃষকক মধুৰি আম, ড্ৰেগন ফল আৰু জালুকৰ বীজ বিতৰণ কৰা হয়। ইয়াৰ উপৰিও কৃষি উৎপাদন বৃদ্ধি আৰু আধুনিক কৃষি ব্যৱস্থা শক্তিশালী কৰাৰ উদ্দেশ্যে চ'লাৰ বাবুল ড্ৰায়াৰ, এগ্ৰ' ছেড নেট, মালচিং সামগ্ৰী, কেঁচুসাৰ বেডৰ লগতে বিভিন্ন



কৃষি সজুলিও কৃষকসকলৰ মাজত বিতৰণ কৰা হয়। কৃষি উপ-পৰিদৰ্শক দিব্যজ্যোতি হাজৰিকাই আঁত ধৰা অনুষ্ঠানত HMNEH আঁচনিৰ ন'ডেল বিষয়া তথা মহকুমা কৃষি তথ্য বিষয়া গৌতম নাথ, কৃষি বিজ্ঞান কেন্দ্ৰ, মৰিগাঁওৰ মুৰব্বী ড° ৰিজুস্মিতা শৰ্মা ডেকা, কৃষি উন্নয়ন বিষয়াসকল, কৃষি সম্প্ৰসাৰণ সহায়কসকলৰ লগতে জিলা কৃষি বিভাগৰ আন আন বিষয়া-কৰ্মচাৰী উপস্থিত থাকে। এই কাৰ্যসূচীয়ে জিলাখনৰ কৃষকসকলৰ মাজত উচ্চ মূল্যৰ উদ্যান শস্যৰ খেতি সম্প্ৰসাৰণ, আধুনিক কৃষি প্ৰযুক্তিৰ ব্যৱহাৰ আৰু কৃষকৰ আয় বৃদ্ধিত বিশেষভাৱে সহায়ক হ'ব বুলি জিলা কৃষি বিভাগে আশা প্ৰকাশ কৰে।

## ভেলেউগুৰিত বিহুনাচ-ঢোল বাদন-পেঁপা-গগনা কৰ্মশালাৰ সফল সামৰণি

**বাতৰি কাকত, চামগুৰি, ১৮ জুলাই ঃ** নগাওঁ জিলাৰ চামগুৰি ভেলেউগুৰি নাট্য চৰাত চেনীমাই নগএঞা বিহু দলৰ ব্যৱস্থাপনাত দহ দিনীয়া বিহুনাচ, ঢোল বাদন, পেঁপা আৰু গগনা কৰ্ম শালাৰ ৰছ জুলাইত বৰ্ণাঢ্য কাৰ্যসূচীৰে সফল সামৰণি পৰে। ৫ জুলাই পৰা ১৫ জুলাই লৈ অনুষ্ঠিত হোৱা এই কৰ্মশালাত পঞ্চাছ জনৰো অধিক ছাত্ৰ-ছাত্ৰী সকলে অংশগ্ৰহণ কৰে। ৫ জুলাইত শুভ উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকি সুধাকণ্ঠ ভূপেন হাজৰিকা জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে যুৱ সমাজ সেয়ক লক্ষ্মিৰঞ্জন কাকতি আৰু পুথভঁৰালৰ সভাপতি ডম্বৰু বৰাই। চেনীমাই নগএঞা বিহুৱা দলৰ উদ্যোগত অনুষ্ঠিত হোৱা দহ দিনীয়া কৰ্মশালা খনিত প্ৰশিক্ষক হিচাপে উপস্থিত থাকে ৰাষ্ট্ৰীয় বঁটা প্ৰাপক জগৃতি কলিতা, লোক সংস্কৃতিৰ সাধক পদুম প্ৰসাদ শইকীয়া, বৰ বিহুৱা চন্দ্ৰ শইকীয়া , ঢোল বাদনৰ প্ৰশিক্ষক হিচাপে উপস্থিত থাকে গৌৰাংগ শইকীয়া, নবৰঞ্জন বৰা , দেৱাশিছ শইকীয়া আৰু বিহু নাচৰ প্ৰশিক্ষক হিচাপে ৰাজশ্ৰী মেধি, প্ৰাপ্তি কাকতি, প্ৰিয়ংকা কলিতা। ১৬ জুলাইত সামৰণি অনুষ্ঠানত প্ৰশিক্ষণ প্ৰাপ্ত ছাত্ৰ ছাত্ৰী সকলৰ মাজত অনুষ্ঠিত হোৱা বিভিন্ন নিত্য, ঢোল বাদন,পেঁপা বাদনে উপস্থিত থকা শ্ৰোতা দৰ্শকক আপ্লুত কৰে ।উক্ত অনুষ্ঠানত প্ৰশিক্ষণ লোৱা ছাত্ৰ-ছাত্ৰী সকলক একোখন কৈ মানপত্ৰ প্ৰদান কৰে। অঞ্চলৰ অৱসৰ প্ৰাপ্ত শিক্ষক প্ৰভাত বৰাই ছাত্ৰ-ছাত্ৰী সকলক উদ্দেশ্যি বিহুৰ বিভিন্ন দিশৰ ওপৰত ভাষণ প্ৰদান কৰে । উক্ত অনুষ্ঠানত ছাত্ৰ-ছাত্ৰী সকলৰ লগতে কণমানি ছাত্ৰী গঙ্গুত্ৰী গাৰ্গে নিত্য প্ৰদৰ্শন কৰি ৰাইজক আপ্লুত কৰে। চেনী মাই নগএঞা বিহু দলৰ তত্বাৱধানত থকা যুৱ সমাজ কৰ্মী ভাৰ্গব জ্যোতি বৰাই আঁত ধৰা উক্ত অনুষ্ঠানটোত স্থানীয় যুৱক দুলাল শৰ্মা, জিতু বৰা মন্টু বৰা ৰিন্টু বৰাকে ধৰি কেইবাজনো ব্যক্তিক সম্বৰ্ধনা জনাই। উক্ত অনুষ্ঠানত হিমাংশু ভূএঞা, দিপজ্যোতি ভূএঞা, ভাৰ্গৱ বৰা, প্ৰীয়মজ্যতি কাকতি, পল বৰা, উৎপল শইকীয়া, অংকিত বৰা, গাওঁ প্ৰধান দিপজ্যোতি বৰাকে ধৰি বহুকেইজন লোক উপস্থিত থাকে।

### চেণ্টাৰ ফৰ মাইক্ৰ'ফাইনেন্স এণ্ড লাইভলিহুড সংস্থাৰ

# তামুলপুৰত বিদ্যালয় বহিৰ্ভূত শিশুক শিক্ষাৰ মূল সুঁতিলৈ আনিবলৈ বিশেষ পদক্ষেপ




**বাতৰি কাকত, তামুলপুৰ, ১৮ জুলাই ঃ** শিক্ষাৰ পোহৰৰ পৰা বঞ্চিত জিলাখনৰ ৭৫ গৰাকী দেৱশিশুৰ জীৱনলৈ আশাৰ নতুন বতৰা কঢ়িয়াই আনিছে টাটা ট্ৰাষ্টৰ সহযোগত চলি থকা 'চেণ্টাৰ ফৰ মাইক্ৰ'ফাইনেন্স এণ্ড লাইভলিহুড' (চি এম এল) নামৰ সংস্থাটোৱে। সংস্থাটোৰ তামুলপুৰ শিক্ষা প্ৰকল্পৰ উদ্যোগত কলিয়াপুৰ প্ৰাথমিক বিদ্যালয়, হৰটোলা প্ৰাথমিক বিদ্যালয় আৰু বেলখুটি প্ৰাথমিক বিদ্যালয়ত ১০ দিনীয়া কাৰ্যসূচীৰে আয়োজিত এক ব্যতিক্ৰমী প্ৰেৰণামূলক অভিৰোচন শিবিৰ আজি সফলতাৰে সম্পন্ন হয়। এই শিবিৰৰ মূল লক্ষ্যই আছিল বিভিন্ন কাৰণবশতঃ বিদ্যালয়ৰ পৰা আঁতৰি থকা ৬-১ পৰা ১৪ বছৰীয়া শিশুসকলক মৰমেৰে পুনৰ শিক্ষাৰ মূল সুঁতিলৈ ঘূৰাই অনা। ১০ দিনীয়া এই সময়ছোৱাত শিশুসকলক চিত্ৰাংকন, সাধু কোৱা, গীত-মাত, শিক্ষামূলক খেল-ধেমালি আৰু বিভিন্ন সৃজনশীল কাৰ্যকলাপৰ মাধ্যমেৰে বিদ্যালয়মুখী কৰাৰ এক সুন্দৰ প্ৰয়াস কৰা হয়, যাৰ ফলত শিশুসকলৰ মাজত এক অপূৰ্ব উৎসাহ আৰু আত্মবিশ্বাস গঢ়ি উঠে। উল্লেখনীয় যে এই শিবিৰটি আৰম্ভ কৰাৰ পূৰ্বে চি এম এল-ৰ শিক্ষা সহায়কসকলে গাঁৱে-গাঁৱে, ঘৰে-ঘৰে গৈ তেনে শিশুসকলক চিনাক্ত কৰাৰ লগতে তেওঁলোকৰ অভিভাৱক আৰু স্থানীয় ৰাইজৰ মাজত এক ব্যাপক সজাগতা সৃষ্টি কৰিছিল। অতিশয় প্ৰশংসনীয় এই কাৰ্যসূচীৰ নৰম দিনা তামুলপুৰ জিলাৰ জিলা আয়ুক্ত চিমি কৰণ আৰু সহকাৰী আয়ুক্ত বিদিশা বৰা নিজে শিবিৰস্থলীত উপস্থিত হৈ শিশুসকলৰ সৈতে অন্তৰংগ বাৰ্তালাপত মিলিত হয় আৰু তেওঁলোকক মৰমেৰে উৎসাহিত কৰে। ইয়াৰ উপৰিও তামুলপুৰৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া অৰুণজয় খুংগুৰ ব্ৰহ্মা, বিদ্যালয় পৰিদৰ্শক ৰুবী ভাৰতী, গোৰেশ্বৰৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া অনসীমা দৈমাৰী আৰু খণ্ড সম্পদ ব্যক্তি দেবেশ্বৰ ৰাভাইও উপস্থিত থাকি শিশুসকলৰ ভৱিষ্যত যাত্ৰাৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে। জানিব পৰা মতে, এই শিবিৰ সমাপ্ত হোৱাৰ পিছতে আটাইকেইটি শিশুক ওচৰৰে চৰকাৰী বিদ্যালয়সমূহত নামভৰ্তিৰ দিহা কৰাৰ লগতে পৰৱৰ্তী পৰ্যায়তো তেওঁলোকে যাতে নিয়মিতভাৱে বিদ্যালয়লৈ যায়, তাৰ বাবে চি এম এল-ৰ শিক্ষা সহায়কসকলে অহৰহ নিৰীক্ষণ আৰু প্ৰয়োজনীয় সকলো সহায় আগবঢ়াই যাব।

### প্ৰশাসনক ভূমি বেদখলমুক্ত কৰাৰ দাবী

# গোসাঁইগাঁওত আদালতৰ ৰায়দানৰ পিছতো নিজৰ মাটি লাভৰ পৰা বঞ্চিত আছুৰুদ্দিন

**বাতৰি কাকত, কচুগাঁও, ১৮ জুলাই ঃ** আদালতৰ ৰায়দান আৰু চৰকাৰী নামজাৰী থকাৰ পিছতো নিজৰ ক্ৰয় কৰা ভূমি পুনৰ উদ্ধাৰ কৰিব নোৱাৰাৰ অভিযোগ উত্থাপন কৰিছে আছুৰুদ্দিন মিএঞা নামৰ এজন ব্যক্তিয়ে। তেওঁ গোসাঁইগাঁও মহকুমা প্ৰশাসনৰ ওচৰত শীঘ্ৰে উক্ত ভূমিখিনি বেদখলমুক্ত কৰি প্ৰকৃত গৰাকী হিচাপে নিজৰ অধিকাৰ ঘূৰাই দিয়াৰ দাবী জনাইছে। জানিব পৰা মতে, যোৱা ১৯৯০ চনত (১৯৯৬ চনৰ পূৰ্বে) গোসাঁইগাঁও ৰাজহ চক্ৰৰ অন্তৰ্গত পদ্মবিলস্থিত ২ নং ৰিপুৰ ১৩৫ নং দাগ আৰু ৭১ নং পাট্টাৰ ভূমি আছুৰুদ্দিনে বৈধভাৱে ক্ৰয় কৰিছিল। ক্ৰয়ৰ পিছত চৰকাৰী নিয়ম অনুসৰি তেওঁৰ নামত উক্ত ভূমিৰ নামজাৰীও সম্পন্ন হয়। অভিযোগ অনুসৰি, ১৯৯৬ চনত সংঘটিত গোষ্ঠীগত সংঘৰ্ষৰ সময়ত কিছুমান আদিবাসী পৰিয়ালে উক্ত ভূমিত অস্থায়ী আশ্ৰয় শিবিৰ স্থাপন কৰি বসবাস কৰিবলৈ আৰম্ভ কৰে। পিছত আছুৰুদ্দিনে খবৰ পাই ঘটনাস্থলীত উপস্থিত হৈ আদিবাসীসকলৰ সৈতে আলোচনা কৰাত পৰিস্থিতি স্বাভাৱিক হোৱাৰ পিছত স্থান এৰি যোৱাৰ আশ্বাস দিছিল বুলি আছুৰুদ্দিনে দাবী উত্থাপন কৰিছে। পৰৱৰ্তী সময়ত অধিকাংশ পৰিয়াল আঁতৰি গ'লেও এটা পৰিয়ালে কিছুদিন ভাড়াত থাকিবলৈ অনুমতি বিচৰাত মানৱীয় দৃষ্টিভংগীৰে তেওঁ থাকিবলৈ দিছিল বুলি উল্লেখ কৰে। কিন্তু সেই পৰিয়ালটোৱে পিছলৈ স্থায়ীভাৱে ঘৰ নিৰ্মাণ কৰি আজিও উক্ত ভূমিত বসবাস কৰি আছে বুলি অভিযোগ উত্থাপন কৰিছে।দীৰ্ঘদিন ধৰি ভূমিখিনি উদ্ধাৰৰ চেষ্টা বিফল হোৱাৰ পিছত আছুৰুদ্দিনে আদালতৰ কাষ চাপিছিল। বহু বছৰৰ আইনী প্ৰক্ৰিয়াৰ অন্তত তেওঁ মামলাত



ডিক্ৰী লাভ কৰে। তথাপিও আদালতৰ ৰায়দান কাৰ্যকৰী কৰি ভূমিখিনি বেদখলমুক্ত কৰিব পৰা হোৱা নাই বুলি তেওঁ অভিযোগ উত্থাপন কৰিছে। ইফালে, দীৰ্ঘদিন ধৰি উক্ত ভূমিত বসবাস কৰি থকা পৰিয়ালটোক উচ্ছেদ কৰাৰ সম্ভাৱনাৰ খবৰ বিয়পি পৰাৰ পিছত পৰিয়ালটোৰ লগতে আদিবাসী সংগঠনে আপত্তি প্ৰকাশ কৰে। তেওঁলোকৰ দাবী নিজা ভূমি কোনো পৰিস্থিতিতেই এৰি দিয়া নহ'ব। স্থানীয় সচেতন মহলত এতিয়া প্ৰশ্ন উত্থাপিত হৈছে,আদালতৰ ৰায়ত জয়ী হোৱা আছুৰুদ্দিনে কেতিয়া নিজৰ বৈধ ভূমিৰ অধিকাৰ ঘূৰাই পাব? গোসাঁইগাঁও মহকুমা প্ৰশাসনে আদালতৰ আদেশ কাৰ্যকৰী কৰি ভূমিখিনি কেতিয়া বেদখলমুক্ত কৰিব। আদালতৰ ৰায় পোৱা উক্ত ভূমি বেদখলমুক্ত কৰি দিবলৈ প্ৰশাসনক দাবী জনাইছে আছুৰুদ্দিনে।

গ্ৰন্থ আলোচনা ঃ

# নিঃসংগ শংখৰ ছাঁ

■ পৱন বৰ্মন

ঋতুবাস্তৱ হাজৰিকাৰ কবিতা সংকলন 'নসংগ শংখৰ ছাঁ' পঢ়িলোঁ। এমুঠি ভাল লগা কবিতাৰে সংকলনখন সজাই তুলিছে। কবিতাৰ পাঠক হিচাপে মই একেবাৰে অপৰিপক্ক, তৎসত্বেও কবি হাজৰিকাৰ কবিতা সংকলনখন পঢ়োঁতে মনৰ মাজত উকমুকাই থকা কিছু কথা প্ৰকাশ কৰিব মন গ'ল ।

কবিতানো কি?

কবিতা কি তাৰ সঠিক উত্তৰ হয়তো নোলাব, কিন্তু কবিতা সম্পৰ্কত আমাৰ কিছু ছাঁ-পোহৰৰ দৰে ধাৰণা আছে। তাহানিৰে পৰা মুনিহ-জ্ঞানীসকলে কবিতা চৰ্চা কৰি আহিছে, কবিতাৰ ওপৰত বিস্তাৰিত আলোচনা হৈছে। মানুহে প্ৰকৃতিৰ বিভিন্ন দিশ নিপুণ ভাৱে পৰ্যবেক্ষণ কৰি থাকোঁতে মন-মগজুত সৃষ্টি হোৱা অলেখ স্পষ্ট-অস্পষ্ট ভাৱবোৰ কবিয়ে শব্দৰ যাদুকৰী ভাষাৰে প্ৰকাশ কৰে। ঋতুবাস্তৱ হাজৰিকাৰ কবিতা পঢ়ি অনুমান কৰিব পাৰিছোঁ তেখেত এজন অনুভৱী লগতে কৌশলী কবি। তেওঁৰ কবিতাত যিদৰে বিচাৰি পাও প্ৰেম আৰু বিষাদ তেনেকৈ তেওঁক ক'ব পাৰি বিদ্ৰোহী কবি বুলিও। সমাজৰ বিভিন্ন দিশৰ ঘটনা প্ৰবাহ দেখি-শুনি কবিৰ মন-মগজুত সৃষ্টি হোৱা অলেখ স্পষ্ট-অস্পষ্ট ভাৱনাবোৰ কবিয়ে শব্দৰে সঠিক জোখ-মাপত ব্যৱহাৰ কৰিছে যেন অনুমান হয় । কবি হাজৰিকাৰই শ্লেষপূৰ্ণ কাব্যভংগীমাৰে আমি আমাকে ক'বলগীয়া কথাবোৰ কবিতাৰে চিত্ৰিত কৰিবলৈ যত্ন কৰিছে ।

সংকলন খনৰ প্ৰথম কবিতাটিতে কবিয়ে কৈছে-

'কথাবোৰ যেতিয়া তোৰ-মোৰ হ'ল
ভাল নলগা হ'ল
তোৰ - মোক
মোৰ - তোক - (সহোদৰ)

এই কবিতাটিত কবিয়ে অলংকাৰ অবিহনে আমাৰ সেই দৃশ্যটো তুলি ধৰিছে য'ত (শৈশৱ) আমাৰ ভাই-ভনীৰ মাজত তোৰ-মোৰ বুলি বিশেষ একো নাথাকে, সকলো আমাৰ আৰু যেতিয়ালৈ আমাৰ হৈ থাকে আমি সুখী। ডাঙৰ হৈ অহাৰ লগে লগে আমাৰ মগজুত বাহ লয় এক দুৰাকাংক্ষি ব্যাধি, ফলত আমি হৈ পৰোঁ স্বাৰ্থপৰ। আমি নিচিনা হৈ পৰোঁ আমাৰ সহোদৰকো, ইজনে সিজনৰ প্ৰতি বিদ্বেষী হৈ পৰোঁ। এয়া আমাৰ বাবে অনাকাংক্ষিত এখন জীয়া ছবি ।

'শামুক' কবিতাটি চুটি কিন্তু পাঠকে নিজস্ব ভাৱনাৰে সজাই ল'ব পৰা এটি ঘন অৰ্থৱহ কবিতা।

আমাৰ নবীন কবিসকলৰ মনত সাধাৰণতে প্ৰেম আৰু বিদ্ৰোহৰ কবিতাই বাহ সাজে। এই দুই ধৰণৰ কবিতাই আমাক বৰকৈ আকৰ্ষিতও কৰে। বিদ্ৰোহী কবিতাৰ ভাষা কঠোৰ। যিমানে ভাষাৰ কঠোৰতা বেছি হয় সিমানেই বিদ্ৰোহী কবিতাই পাঠকক আকৰ্ষিত কৰি মনত ঝংকাৰৰ সৃষ্টি কৰে। কবি হাজৰিকাৰৰ তেনে এটি কবিতা 'বাদানুবাদ'।

'নাতিদূৰৈত পাগলী তিৰোতা এজনীৰ স্তন খামুচি কান্দি আছে এটা জাৰজ (শিশু) এনেদৰে

শৰীৰৰ প্ৰত্যেক অংগ প্ৰত্যংগৰ বাদানুবাদত মই হৈ পৰিছোঁ এটা অকামিলা মানুহ - (বাদানুবাদ)

কবি হাজৰিকাই বাদানুবাদ কবিতাটিত শ্লেষপূৰ্ণ কাব্যভংগীমাৰে সমাজৰ মানুহ হিচাপে জীৱ শ্ৰেষ্ঠ হ'বলৈ ক'বলগীয়া বহু কথা কবিতাটিৰ দ্বাৰা প্ৰকাশ কৰিছে। আমি নিজেই জীৱ শ্ৰেষ্ঠ খিতাপ দখল কৰা জীৱ আৰু সেই কথা আমাক কেতিয়াবা সোঁৱৰাই দিবলগীয়া হয়। আমি আমাৰ মাজতে সৃষ্টি কৰি লৈছোঁ উচ্চ-নীচ, ধনী-দুখীয়া, ক'লা-বগা কিমান যে কি! কোনোৱে উদৰ পূৰাই খায় কোনোৱে খুদ-কণৰো ভাগ্য নহয়! আমাৰ মাজত কিয় এই বিভাজন কিয় এই বাদানুবাদ? আমি হেৰুৱাইছোঁ নেকি আমাৰ ভিতৰৰ মানৱতা!

'কোঠাৰ ভিতৰত মই আকৌ মৰিছোঁ'

মই (কবি) মানুহ হিচাপে জীয়াই আছোঁ নে? নে মোৰ আত্মা ইতিমধ্যে মৰি গৈছে! হয় আমি যেন মৰিছোঁ, মৰিছে আমাৰ মানৱতা আৰু হৈ পৰিছোঁ পিশাচ সদৃশ অকামিলা মানুহ।

কবি হাজৰিকাৰ অনুভৱ বৰ চিন্তাগধুৰ কেতিয়াবা কবিৰ মনত কিছু কথাই আউল লগাই -কাৰোবাৰ মুখলৈ চাই কৈ দিব নোৱাৰি বুকুৰ যন্ত্ৰনা অথবা বিদ্ৰোহৰ কথা - (সহজতে একোৱে কৈ দিব নোৱাৰি)

আমি একোৱে ঘপহকৈ কৈ দিব নোৱাৰো। কেতিয়াবা হাঁহিৰ আঁৰৰ ছবি খনো কৰুণ হৈ পৰে। ঠিক তেনেকৈ চকুলোৰ পিছতো থাকে কপটতা।

'সময়' কবিতাটি আমাৰ প্ৰত্যেকৰে বাবে, আমি জীয়াই থাকিবলৈ সংগ্ৰাম কৰিবই লাগিব। নহ'লে আমি হৈ পৰিম নিস্কৰ্মা, এলেহুৱা। তেতিয়া সময়ে আমাক ক্ষমা নকৰিব আৰু তেতিয়া আমি ভাগ্যক দোষীলে নহ'ব। প্ৰাণবায়ু থকালৈ নিজক জীয়াবলৈ আপ্ৰাণ চেষ্টা কৰিব লাগিব। জীৱনত দুখ-বেদনা আছে থাকিব, দুঃসময় পাৰ হ'ব এই বিশ্বাসেই অদৃশ্য দুহাত। এই দুহাত খামুচি পাৰ কৰিব লাগিব জীৱন যুদ্ধ।

'মৃত শব্দবোৰ' কবিতাটি চুটি যদিও কবিতাটি পাঠকে নিজা অনুভৱেৰে চিত্ৰায়ন কৰি ল'ব পাৰে - এইখিনিতে লুকাই থাকে কবিৰ সাৰ্থকতাও। কবিতাটি পঢ়ি আমাৰ অনুভৱ হৈছে - কবিৰ মনলৈ অতীতৰ স্মৃতি বৈ আহি কবিক আমনি কৰিছে, কবিৰ মনটো গধুৰ হৈ পৰিছে, কবিক ঘেৰি ধৰিছে এক অকল্পনীয় বেদনাই। কবি ইয়াৰ পৰা পৰিত্ৰাণ বিচাৰিছে, লিখিব বিচাৰিছে কবিতা, যেন শব্দৰ মাজত বিলীন হৈ পৰিব।

'ৰাতিবাদ' পঢ়ি বিভোৰ হৈ পৰিছোঁ, কবিতাটি একেবাৰে সৰল যদিও চিত্ৰকল্প সাংঘাতিক, শ্লেষ আৰু কৌতুকময়তাৰে পূৰ্ণ এটি চিন্তাগধুৰ কবিতা।

'পৃথিৱীৰ বহু বদনামৰ ভাৰ জাপি দিয়া হয় ৰাতিক বহু জঘন্য সময়ৰ সাক্ষী ৰাতি' - (ৰাতিবাদ)

ৰাতি বদনামী কিন্তু ৰাতিৰ দোষ বা কি! পোহৰ নোহোৱা সুযোগত কোনো জাপি দিয়ে ৰাতিক সেই বদনাম? ৰাতি মাথোঁ নিৰৱ সাক্ষী সেই নাৰকীয় ঘটনাবোৰৰ, সেইবাবেই ৰাতি বদনামী। ৰাতি কিছুলোকৰ (ভোকৰ ভাত) কিছুলোকৰ 'হাট' - যিদৰে কবি ৰাতিকলৈ সংকিত তেনেকৈ ৰাতিকলৈ আশাবাদীও। কাৰণ ৰাতিৰ আশ্ৰয়তে বহু লোকে গোটাইছে পেটৰ ভাতমুঠি। ৰাতিবাদ থাকিব কিন্তু বিষয় হ'ল মানুহ হিচাপে ৰাতি বিশ্ৰাম ল'ম নে মুখাপিন্ধি ঘূৰিম!

'বাঁহ ফুলিছে' এটি বাঙ্ময় কবিতা। কবিতাটিত এটি লোকবিশ্বাসকলৈ কায়দাৰে চিত্ৰাংকন কৰিছে - বাঁহ ফুলা আমাৰ লোকবিশ্বাস মতে অশুভ লক্ষণ। বাঁহ ফুলিলে দুৰ্ভিক্ষ হয় বুলি জনমানসত এক ধাৰণা আছে। কবিয়ে অনুভৱ কৰিছে যেন আমাৰ সমাজখনতো দুৰ্ভিক্ষই দেখা দিছে। ৰাতি পাহাৰত গুলী ফুটিছে! কিন্তু গুলী কিয় ফুটে? নিশ্চিতভাৱে কাৰোবাক হত্যা কৰা হ'ব। অকাল মৃত্যু ঘটিব মানুহ নতুবা কোনোবা অজলা-আপচু জীৱৰ। ইয়াৰ আঁৰত থাকে সংকিৰ্ণ স্বাৰ্থ, হিংসা ইত্যাদি। এই কপটতা ভয়াৱহ।

'শেষ নিশা চৰাইৰ বাঁহবোৰেত কোনোৱে জুই দি গোপনে আঁতৰি গৈছে' কিমান নিষ্ঠুৰ হ'লে জুই দিব পাৰে বাসস্থানত? কিন্তু কাহানিও জীৱকুলৰ মানুহৰ বাহিৰে অন্য জীৱৰ মাজত এনে হিংসা নাই, আঁচৰিত আমি মানুহ! কবিৰ চিন্তা হৈছে সমাজখন কোনপিনে গতি কৰিছে? কবিৰ এই সংশয় বাস্তৱিক। কবি উপলব্ধি কৰিছে এই দুৰ্ভিক্ষৰ ভয়াৱহতা সেয়ে সাৱধান কৰি দিছে। বাঁহ ফুলিছে।

'ভৰিচেলেকাৰ জাত নাই'- (ভৰিচেলেকা) সমাজ ব্যৱস্থাৰ আটাইতকৈ ভয়াৱহ তথা মেৰুদণ্ডহীন প্ৰাণী এইবিধ দুঠেঙীয়া। তাতকৈ চিন্তনীয় কথাটো হৈছে এই ভৰিচেলেকাৰ সংখ্যাটো কম নহয়। ইহঁতৰ কোনো জাত নাই, কোনো ধৰ্ম নাই, নাই কোনো বৰণ হঠাৎ সলনি হৈ যায়। কবিয়ে দেখিছে ভৰিচেলেকিলে কেনেকৈ বিপুল সম্পদৰ গৰাকী হ'ব পাৰি কিন্তু তেওঁলোক কেতিয়াও মূৰ তুলি খোজ দিব নোৱাৰে।

কবি দেখিছে যদি মূৰ তুলি থাকিব লাগে, যদি বিবেক বিক্ৰী নকৰে তেতিয়া কঠোৰ শ্ৰম কৰিবলগীয়া হয়, প্ৰাপ্যৰ পৰাও বঞ্চিত হৈ পৰে আৰু যদি তৈলমৰ্দন কৰিব পাৰে কোনো কথা নাই সকলো যেন সম্ভৱ।

'মোৰ চকুযোৰ কাব্যিক সেইবুলি মৃত্যুত কবিতা নেদেখোঁ' - (কাব্যিক চকু)

কবিয়ে প্ৰকৃতিৰ প্ৰতিটো বস্তুকে সুক্ষ্মভাৱে পৰ্যবেক্ষণ কৰে। কবিতা লিখাতো সহজ কাৰবাৰ নহয়। সেইবাবে বিভিন্ন সময়ত বিজ্ঞজনে কবিতাক স্বৰ্গীয়, ৰহস্যময়ী আদি অভিধাৰে অভিব্যঞ্জিত কৰিছে। কবি সকলে প্ৰকৃতিৰ আমি দেখা সাধাৰণ ছবিকো কাব্যিক দৃষ্টিৰে অসাধাৰণ ৰূপে চিত্ৰকল্প কৰিব পাৰে। কবি হাজৰিকাৰইয়ো এই ধৰণীৰ সকলো বস্তুকে কাব্যিক দৃষ্টিৰে চোৱা চেষ্টা কৰিছে কিন্তু বেয়াক ভাল আৰু ভালক বেয়া ৰূপে প্ৰতিষ্ঠা কৰিব বিচৰা নাই।

'নিজৰাবোৰ একোজনী চঞ্চলা গাভৰু
আৰ্ত শিশুবোৰ আন্ধাৰ' - (কাব্যিক চকু)

কবিয়ে দেখিছে পাহাৰৰ দাঁতিত চঞ্চলা গাভৰুই নাচি আছে কবিৰ মন পুলকিত কৰি তুলিছে একে সময়তে আৰ্ত শিশুবোৰে কবিক বধিৰ কৰি তুলিছে। ভৱিষ্যত হীন সপোনবোৰে কবিলৈ হাত মেলি ৰৈ আছে। শিশুবোৰে পাব লাগে সকলো সম্ভাৱনাময় উৎকৰ্ষ সাধনাৰ এক সুস্থ পৰিৱেশ তেনেস্থলত যদি তেওঁলোকেই ভাৱাক্ৰান্ত সমাজ খনে কেনেকৈ জ্যোতিষ্কৰ পিনে ধাৱমান হ'ব?

'চকু বুৰাই সামৰি থ'লোঁ বুকুৰ শোক
মুঠি মাৰি সামৰি থ'লোঁ ক্ষোভ' - (নিঃসংগ শংখৰ ছাঁ)

মানুহ সামাজিক প্ৰাণী, মানুহে অতীজৰে পৰা সমাজ পাতি বাস কৰি আহিছে আৰু ইজনে সিজনৰ প্ৰতি দায়বদ্ধ। আমি সুখ-দুখ সকলোতে কাৰোবাৰ সংগ বিচাৰোঁ, বিচাৰোঁ হৃদয়ৰ অকৃত্ৰিম ভালপোৱা কিন্তু;কবি যেন নিঃসংগ! শোকত ভাঙি পৰা সময়তো চকুলোকে আপোন কৰি, মনৰ প্ৰচণ্ড ক্ষোভ কষ্টেৰে নিয়ন্ত্ৰণ কৰিছে। প্ৰকৃততে আমাৰ বহুতৰে একেই দশা, ভিৰৰ মাজতো নিঃসংগ।

নিজক হেৰুৱা বৰ কষ্টকৰ।কবি (এডজাষ্ট)কৰোঁতে কৰোঁতে যেন নিজস্বতা নোহোৱা হৈ যোৱাৰ উপক্ৰম হৈছে কিন্তু কবিৰ এই মৰ্মবেদনা কোনেও যেন উপলব্ধি কৰিব পৰা নাই।

'যাৰেই কোলাত গুজিছোঁ মুখ
সিয়ে পিঠিত গোপনে বহুৱাই ছুৰী' - (আত্মশ্লেষ)

আমি সকলে জানো বিশ্বাসঘাটতাৰ সমান ডাঙৰ শত্ৰু আৰু কোনো নাই। কবি বাৰে বাৰে বিশ্বাসঘাটকতাৰ বলি হৈছে। শত্ৰুক সমুখ-সমৰৰ পৰা যুঁজ দিয়া আত্মবিশ্বাস গোটাব পাৰি কিন্তু যদি আপোন হৈ পিছফালে খাপপিতি ৰয় তেতিয়া সেই শত্ৰুৰ পৰা পৰিত্ৰাণ পোৱা দুৰূহ। কবিৰ এই দুঃসময়ত কবি অকলশৰীয়া চাৰিওফালে বিশ্বাসঘাটকতাৰ দাৱানল। এই সকলোৰে লগত যুঁজ দিওঁ কবি কিন্তু মনোবল হেৰুৱা নাই, পৰি উঠি আকৌ নতুম উদ্যমেৰে জীৱন যুদ্ধত অৱতীৰ্ণ হৈছে। এই যুঁজ যেন আমাৰো।

সামাজিক সমস্যাসমূহৰ ক্ষেত্ৰত কবি হাজৰিকাৰ অধিক সৰব, সমাজখনৰ নীৰিহ মানুহখিনিৰ অভাৱ, অভিযোগ তেওঁলোকৰ ভাৱাক্ৰান্ত জীৱনৰ আৰ্তনাদ কবিতাৰে প্ৰতিবাদ কৰিছে। তেখেতৰ ক্ষোভ আছে সমাজখনৰ বিভিন্ন দিশত, সেয়েহে কবি কৈছে -'আধিকাৰ বিচাৰি ৰাজপথত সমদল হয় ৰাষ্ট্ৰীৰ ভেল্কিবাজীত কঙাল দেশৰ মানুহ মুখ থাকিও নিমাত বৌদ্ধিক সমাজ' - (ৰৈ যাওঁ)

হত্যা, ধৰ্ষণ, প্ৰতাৰণা... সাধাৰণ জনতাৰ ন্যায় ক'ত? অন্ন, বস্ত্ৰ, বাসস্থান সকলোতে অনিয়ম, ভ্ৰষ্টাচাৰ! বৰ্তমানৰ সমাজখন আমি দেখিছোঁ, দেখিছোঁ সাধাৰণ জনতাৰ মৰ্মবেদনা আৰু দেখিছোঁ ৰাষ্ট্ৰৰ প্ৰতাৰণা। নেতাৰ ভেল্কিবাজী কথা আৰু মৰি মৰি জীয়াই থকা জনতা। এই শোষিত, নিষ্পেষিত মানুহ খিনি সদায়ে এনেকৈ থাকিব নেকি? বৌদ্ধিক সমাজ নিমাত কিয়? তেওঁলোকৰ বিবেক বিক্ৰী হৈ গ'ল নেকি! কবি আচৰিত! যদি সমাজৰ বৌদ্ধিক মহল ৰাষ্ট্ৰৰ লগত লীন হৈ যায় সমাজৰ নীৰিহ মানুহখিনি ক'লৈ যাব কি কৰিব? তেওঁলোক নিৰুপায়, নিৰুপায় কবি নিজেও।

কবিতা পঢ়িতাৰ ওপৰত কথা কোৱা কাৰবাৰটো সহজ নহয়। ইয়াৰ বাবে লাগে গভীৰ অধ্যয়ন আৰু নিৰৱ সাধনা য'ত মই একেবাৰে চালুকীয়া। এয়া মাথোঁ সংকলনখনৰ দুটিমান কবিতাৰ ওপৰত মোৰ অনুভৱ, হয়তো কবি আৰু অন্য পাঠকৰ ভাৱনাৰ সৈতে মোৰ অনুভৱৰ কোনো মিল নহ'বও পাৰে। কবিতাৰ সাধক সকলৰ দৃষ্টিত হয়তো হাজৰিকাৰ কবিতাসমূহত অধিক ঘন অৰ্থ ঘণীভূত হৈ আছে।

শেষত কবি হাজৰিকাৰ কাব্য প্ৰতিভাৰ উত্তৰোত্তৰ কামনা কৰিলোঁ। নতুন কবি সকলকলৈ আমি আশাবাদী। হাজৰিকাৰো এইখন প্ৰথম কবিতা পুথি, আহি থকা সময়ত তেখেতে অধিক পুৰঠ কবিতা উপহাৰ দিব বুলি বিশ্বাস ৰাখিছোঁ।

ফোন নং ঃ ৯৬১৩১-৭৪৭১০

# নিজৰ গুণবোৰ নিজে বখান কৰি নুফুৰিব

চন্দ্ৰ শেখৰ পৰাজুলী

আজিৰ সময়ত আমাৰ জীৱন প্ৰণালী ইমানেই জটিল হৈ পৰিছে যে, আজিকালি কিছুমান মানুহে কেৱল খ্যাতি অৰ্জনৰ পাছতহে দৌৰিবলৈ আৰম্ভ কৰি দিছে। অৰ্থাৎ এতিয়াৰ সময়ত কিছুমান মানুহৰ মনত কেৱল বিখ্যাত ব্যক্তি হোৱাৰ এক মানসিক বাসনাৰ সৃষ্টি হোৱা দেখিবলৈ পোৱা যায়। সেই অনুসৰি মানুহে আজিকালি নিজকে আনতকৈ পৃথক বা আনতকৈ অধিক গুণসম্পন্ন বুলি সমাজৰ আগত নানান নিদৰ্শন দাঙি ধৰা দেখা যায়। আচলতে আমাৰ সমাজত বিৰাজমান ভণ্ড কিন্তু জ্ঞানী ব্যক্তিসকলে সঁচা অৰ্থত ক'বলৈ গ'লে প্ৰকৃততে এজন গুণসম্পন্ন ব্যক্তিৰ প্ৰধান আৰু একেবাৰে সাধাৰণ বৈশিষ্ট্য কি সেয়াই নিৰূপণ কৰিব নোৱাৰে। মই এতিয়ালৈকে উপলব্ধি কৰা মতে, এজন প্ৰকৃত জ্ঞানী আৰু গুণসম্পন্ন ব্যক্তি এজনে নিজে কৰা কাৰ্যবোৰৰ বা নিজৰ গুণসমূহ নিজে বখান কৰি নুফুৰে। অৰ্থাৎ নিজ মুখেদি নিজৰ প্ৰশংসা বুটলি আৰু আনৰ আগত নিজকে একেবাৰে ডাঙৰ মানুহ সাজি বৰ বেয়া পায় প্ৰকৃত অৰ্থত এজন গুণসম্পন্ন ব্যক্তিয়ে।

চাওঁক আপুনি যদি প্ৰকৃততে এজন জ্ঞানী আৰু গুণসম্পন্ন ব্যক্তি বুলি নিজকে বিবেচনা কৰে তেন্তে নিজৰ গুণবোৰ নিজে বখান কৰি নুফুৰিব। বৰ্তমান সময়ত নিজে নিজকে শ্ৰেষ্ঠ সাজিবলৈ বিচৰা ভণ্ড আৰু মূৰ্খ মানুহৰ সংখ্যা এই সংসাৰত অজস্ৰ আছে। কিন্তু তেওঁলোকে জ্ঞানী মানুহৰ লগত তুলনা কৰিবলৈ গৈ মুখা পৰিধান কৰা সত্বেও তেওঁলোকৰ প্ৰকৃত পৰিচয় জগতৰ আগত উজাগৰ হৈ পৰে। আপুনি কেনেকুৱা মানুহ, আপুনি প্ৰকৃততে কি বিচাৰে,কি কৰে অন্যান্য সকলোখিনি কথা-বতৰা লগতে আপোনাৰ ব্যক্তিত্ব, স্বভাৱ চৰিত্ৰৰ বিষয়ে আপোনাৰ ঘৰৰ মানুহবোৰতকৈ অন্য বাহিৰৰ মানুহে বৰকৈ লক্ষ্য কৰি থাকে। গতিকে আপুনি নিশ্চিত হৈ আপোনাৰ যাত্ৰা অব্যাহত ৰাখক। আৰু আপুনি সচাঁকৈ যদি সমাজ এখনৰ বাবে শলাগনীয় পাত্ৰ তেন্তে লাহে লাহে হ'লেও সমাজৰ অন্যান্য মানুহে নিজে নিজেই আপোনাক আদৰ, মৰম, সন্মান প্ৰদানৰ উপৰিও আপোনাৰ সৎ আৰু মহান ব্যক্তিত্বৰ পৰিচয় ঠায়ে ঠায়ে দাঙি ধৰিব। মোৰ মতে আপুনি যদি পাৰে তেন্তে নিজে কেৱল নিজৰ বেয়া দিশবোৰ লৈয়ে মানুহবোৰৰ আগত চৰ্চা কৰক। এনেধৰণৰ প্ৰক্ৰিয়াৰ জৰিয়তে এসময়ত গৈ আপুনি নিজৰ ভুল সমূহ নিজে সংশোধন কৰিবলৈ সক্ষম হ'ব।

# অসমীয়া ভাষাৰ উদ্ধাৰ কৰ্তা মাইলচ ব্ৰনচন চাহাবক আমি অসমীয়াই কিমান মনত ৰাখিছো ?

মুৰুলী বৰুৱা

এটা জাতিৰ নিজৰ মাতৃভাষাক বাদ দি বা আওকাণ কৰি সেই জাতিটোৰ জাতীয় সংস্কৃতি, পৰম্পৰা আৰু ইতিহাস ধৰি ৰখাটো কেতিয়াও সম্ভৱ নহয়। একে আষাৰে ক'বলৈ গ'লে যি জাতিয়ে নিজৰ মাতৃভাষা হেৰুৱাই সেই জাতিয়ে কালক্ৰমত এদিন নিজৰ শিপাও হেৰুৱাই পেলায়। এনেকৈয়ে এদিন ইতিহাসৰ পৃষ্ঠাত অদৃশ্য হৈ পৰে সেই জাতিটোৰ অস্তিত্ব। অসমীয়া ভাষালৈও এদিন এনে এক সঙ্কট আহিছিল। কিন্তু অসমীয়া ভাষা আৰু অসমীয়া জাতিৰ বাবে সৌভাগ্যৰ কথা যে এদিন হঠাৎ সাত-সাগৰ-তেৰ-নদীৰ সিপাৰৰ পৰা আমাৰ চেনেহী ভাষাটোক উদ্ধাৰ কৰিবলৈ এজন দেৱদূত সদৃশ আমেৰিকান বাপ্টিষ্ট মিছনেৰীৰ পদাপৰ্ণ ঘটিছিল অসমত। তেওঁৰ অসমলৈ অহাৰ উদ্দেশ্য আছিল ধৰ্মপ্ৰচাৰ। কিন্তু এটা সময়ত অসমীয়া ভাষা, অসমীয়া মানুহ অসমৰ প্ৰেমত পৰিছিল তেওঁ। তেতিয়াই তেওঁ আন্তৰিকতাৰে হৃদয়ঙ্গম কৰিছিল অসমীয়া সংস্কৃতি, অসমীয়া আৰু অসমৰ অস্তিত্বক জীয়াই ৰখাৰ লগতে অসমীয়া মানুহখিনিৰ মাজত ভাৱ বিনিময় কৰিবলৈ হ'লে অসমীয়া ভাষাটোক উদ্ধাৰ কৰিব লাগিব। এক বিজ্ঞানসন্মত প্ৰণালীবদ্ধ প্ৰক্ৰিয়াৰে অসমীয়া ভাষাটোক যদি প্ৰতিষ্ঠা কৰা বা উদ্ধাৰ কৰা নহয়, তেতিয়া এই ভাষাটো এদিন নোহোৱা হৈ যাব। সাত-সাগৰ-তেৰ-নদীৰ সিপাৰৰ এই গৰাকী অসমীয়া ভাষাৰ উদ্ধাৰকৰ্তাই অসমলৈ অহাৰ পূৰ্বে কোনোদিনেই তেওঁ লগ পোৱা নাছিল অসমীয়া মানুহ বা কেতিয়াও শুনা নাছিল অসমীয়া ভাষা। তেওঁ অসমত পদাৰ্পণ কৰিয়েই এক ঐশ্বৰিক শক্তিৰ বলতেই হয়তো হৃদয়ঙ্গম কৰি লৈছিল অসমীয়া ভাষাটো। অতি কম সময়ৰ ভিতৰতেই বুজি পাইছিল, আয়ত্ত কৰিছিল অসমীয়া শব্দ। শিক্ষা আৰু ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যৰে অসমলৈ অহা মাইলচ ব্ৰনচন চাহাবে বুজি পাইছিল মাতৃভাষাক বাদ দি কেতিয়াও এটা জাতিৰ মাজত শিক্ষাৰ প্ৰসাৰ সম্ভৱ নহয়। সেয়ে তেওঁ এক যুগান্তকাৰী সিদ্ধান্তৰে অসমীয়া ভাষাটোক উদ্ধাৰ, প্ৰতিষ্ঠা আৰু সংৰক্ষণৰ বাবে নতুন পৰিকল্পনাৰে অভিযান আৰম্ভ কৰিলে। আৰম্ভ হ'ল অসমীয়া ভাষা উদ্ধাৰৰ এক নতুন বিপ্লৱ। যিটো কাম তেতিয়ালৈকে কোনো অসমীয়াই কৰিব পৰা নাছিল। ব্ৰনচন চাহাবে অসমীয়া ভাষাৰ উদ্ধাৰৰ ক্ষেত্ৰত আৰম্ভ কৰা এই যুগান্তকাৰী অভিযান তেওঁৰ সৃষ্টি আৰু কৰ্মৰ কথা অসমীয়া জাতীয় ইতিহাসত সদায়ে সোণালী আখৰেৰে লিপিবদ্ধ হৈ থাকিব।

মাইলচ ব্ৰনচন চাহাবৰ অসম আগমন আৰু পৰিচয় ঃ

অসমীয়া ভাষাৰ উদ্ধাৰ আৰু প্ৰতিষ্ঠাৰ ক্ষেত্ৰত জীৱনৰ আধাখিনি সময় পাৰ কৰা মাইলচ ব্ৰনচন চাহাবৰ জন্ম হৈছিল ১৮১২ চনৰ ২০ জুলাই তাৰিখে আমেৰিকা যুক্তৰাষ্ট্ৰৰ নিউয়ৰ্ক চহৰত। তেওঁ এগৰাকী বাপ্টিষ্ট আছিল। ১৮৩৬ চনত ব্ৰনচন চাহাবৰ বন্ধু জেকব থমাচ আৰু সপৰিয়ালে ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে সুদূৰ আমেৰিকাৰ পৰা অসম অভিমুখে ৰাওনা হৈছিল। তেওঁলোক অসমলৈ আহিছিল American Commissioners for foreign Board ৰ অনুমতি সাপেক্ষে। সুদূৰ আমেৰিকাৰ পৰা এই দুই পৰিয়ালে সুকলমে আহি কলিকতা পোৱাৰ পাছত অতি বিপদ সংকুল যাত্ৰাৰে ১৮৩৭ চনৰ ১৭ জুলাইত তেওঁলোক শদিয়া পাইছিলগৈ। কিন্তু দুৰ্ভাগ্যবশতঃ অসমলৈ অহাৰ পথতেই ভৰ বাৰিষা ব্ৰহ্মপুত্ৰইদি উজাই আহোঁতে নাও দুৰ্ঘটনাত ব্ৰনচন চাহাবৰ বন্ধু জেকব থমাচৰ মৃত্যু হয়। তাতোকৈ দুৰ্ভাগ্যৰ কথা পৰৱৰ্তী সময়ত এই অসম ভূমিতেই ব্ৰনচন চাহাবৰ পত্নী, ভগ্নীৰো মৃত্যু হৈছিল। সকলো আত্মীয়ক অকালতে হেৰুৱাই অকলশৰীয়া হৈ পৰিছিল তেওঁ। ভাবিলে আচৰিত লাগে আত্মীয় বিয়োগজনিত শোক তল পেলাই তেওঁ মূল লক্ষ্য ধৰ্ম প্ৰচাৰ আৰু অসমীয়া ভাষাৰ উদ্ধাৰৰ হ'কে আশাশুধীয়াভাৱে কাম কৰি গৈছিল। বিচলিত হোৱা নাছিল মূল লক্ষ্যৰ পৰা। যি আশা বুকুত বান্ধি তেওঁ সাত-সাগৰ-তেৰ-নদীৰ সিপাৰৰ পৰা অসম পাইছিল, শদিয়াত কেন্দ্ৰ স্থাপন কৰিছিল, সেই সপোনে প্ৰথম অৱস্থাত সফলতা লাভ কৰা নাছিল। আৰম্ভ হৈছিল তেওঁলোকৰ ওপৰত একাংশ স্থানীয় খাম্‌তি, চিংফৌ আদি জনজাতীয় লোকৰ আক্ৰমণ। প্ৰথম অৱস্থাত এই সকল সহজ-সৰল জনজাতীয় লোকৰ বাবে মিছনাৰী সকল আছিল তেনেই অচিনাকি। এনেবোৰ কাৰণতে ১৮৩৮ চনত ব্ৰনচন চাহাবে তেওঁ ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে প্ৰতিষ্ঠা কৰা শদিয়াৰ কেন্দ্ৰটি তাৰ পৰা উঠাই জয়পুৰলৈ লৈ গৈছিল। সেইখিনি সময়তেই চিংফৌ আৰু নগা জনগোষ্ঠীয় লোকসকলৰ কথিত ভাষাত অসমীয়া ভাষাৰ লগত সংযোগ সাধন কৰাৰ উদ্দেশ্যে তেওঁ লিখি উলিয়াইছিল - a spelling Book and vocabulary in English, Assamese, Singphow and Naga নামৰ এখন গ্ৰন্থ। কিন্তু বিভিন্ন অসুবিধা তথা কাৰকৰ বাবে মিছনৰ কেন্দ্ৰ তাৰ পৰাও উঠাই আনিব লগীয়া হৈছিল তেতিয়া। উপযুক্ত পৰিবেশৰ অভাৱৰ বাবেই বাৰ্কাৰ পৰিয়াল, ব্ৰাউন পৰিয়াল আৰু কাট্টাৰে শিৱসাগৰত আৰম্ভ কৰে নতুন কেন্দ্ৰ। উল্লেখ্য যে, ১৮৪১ চনৰ ১৩ মে তাৰিখে নিধিৰাম নামৰ এগৰাকী অসমীয়া ডেকাক খ্ৰীষ্ট ধৰ্মত দীক্ষিত কৰাইছিল আৰু তেওঁৰে আছিল প্ৰথমগৰাকী অসমীয়া খ্ৰীষ্টান লোক।

মাইলচ ব্ৰনচন আৰু নগাঁও ঃ ১৮৪ৰ চনৰ চ অক্টোবৰ তাৰিখে এইগৰাকী মনিষীৰ পদাৰ্পণ ঘটে নগাঁৱত। ধৰ্ম প্ৰচাৰৰ সামন্তৰালভাৱে শিক্ষাৰ প্ৰসাৰ আৰু প্ৰচাৰৰ মহৎ উদ্দেশ্যৰে নগাঁৱত ভৰি দিয়ে। দুখীয়া আৰু গৃহহীন ল'ৰা-ছোৱালীবোৰৰ বাবে প্ৰথমেই তেওঁ এখন বিদ্যালয় খোলাৰ পৰিকল্পনা কৰে। তেওঁৰ একক প্ৰচেষ্টাতেই প্ৰতিষ্ঠা কৰিছিল 'Orphan institute' নামেৰে এখন অনাথ আশ্ৰম। সেইখিনি সময়তেই তেওঁ স্ত্ৰী শিক্ষাৰ ওপৰতো গুৰুত্ব প্ৰদান কৰি কিছু কাম কৰিছিল। উল্লেখ্য যে, তেওঁ প্ৰতিষ্ঠা কৰা এই শিক্ষা প্ৰতিষ্ঠানেই এটা সময়ত নগাঁও মিচন স্কুল ৰূপে পৰিচিত হৈছিল। যিখন প্ৰতিষ্ঠান এতিয়া সমগ্ৰ অসমৰ শৈক্ষিক ক্ষেত্ৰখনৰ এক উল্লেখযোগ্য শিক্ষানুষ্ঠান ৰূপে সমাদৃত। এই প্ৰতিষ্ঠানৰ জৰিয়তেই স্ত্ৰী শিক্ষা আৰু অসমীয়া ল'ৰাক বিজ্ঞান সন্মত কৃষি পদ্ধতি আৰু উদ্যান বিষয়ৰ জ্ঞান দিয়াৰ প্ৰথম প্ৰয়াস কৰিছিল তেওঁ। তেওঁৰেই ১৮৪৫ চনত নগাৱঁত বাপ্টিষ্ট মণ্ডলী (গীৰ্জা) প্ৰতিষ্ঠা কৰিছিল। ৰেভাঃ মাইলচ ব্ৰনচন চাহাবেই আছিল এই মণ্ডলীৰ প্ৰথম গৰাকী পালক (Pastor), তেঁৱেই প্ৰথমে নগাঁৱত তেতিয়া বহুলভাৱে প্ৰচলিট ফটিকা আৰু কানিৰ প্ৰচলন বন্ধ কৰিবৰ বাবে সেইখিনি সময়ৰ নগাঁৱৰ sub-asistant কমিচনাৰ আনন্দৰাম ঢেকিয়াল ফুকনলৈ পত্ৰ লিখি অসমীয়া সমাজখন সংস্কাৰৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা লৈছিল। ইয়াৰ উপৰিও চনত নগাৱঁত এখন দাঁতৱ চিকিৎসালয় প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত তেওঁ নিজে আৰ্থিক সাহায্য আগবঢ়াই বিশেষ উদ্যোগ গ্ৰহণ কৰিছিল।

অসমীয়া ভাষা প্ৰসাৰ আৰু প্ৰতিষ্ঠাত মাইলচ ব্ৰনচম চাহাবৰ অৱদানঃ

মৃতপ্ৰায় অসমীয়া ভাষাটোৰ পুনৰ উদ্ধাৰ প্ৰতিষ্ঠা আৰু প্ৰসাৰৰ ক্ষেত্ৰত মাইলচ ব্ৰনচন চাহাবে যিখিনি কাম কৰিলে, যি ত্যাগ স্বীকাৰ কৰিলে তাৰ বাবে প্ৰতিজন অসমীয়াই যুগ যুগান্তৰলৈ তেওঁৰ ওচৰত কৃতজ্ঞ হৈ থাকিব লাগিব। তেওঁ সুদীৰ্ঘ ১২ বছৰ কঠোৰ পৰিশ্ৰম কৰি চৈধ্য হাজাৰ শব্দ সম্বলিত ইংৰাজী অসমীয়া অভিধান ( dictionary in Asamese and English) ১৮৬৭ চনত প্ৰকাশ কৰি উলিয়ায়। ইংৰাজী ভাষাৰ এই প্ৰথমখন অভিধান ছপা হৈছিল শিৱসাগৰৰ আমেৰিকান বাপ্টিষ্ট মিচন প্ৰেচত। অভিধানখন প্ৰথম প্ৰকাশত ৮০০ কপি ছপা কৰা হৈছিল। অসমীয়া ভাষাৰ ইতিহাসৰ মাইলৰ খুঁটি স্বৰূপ এই অভিধানখন অসমীয়া ভাষা আৰু জাতীয় জীৱনৰ স্বতন্ত্ৰতাৰ এক বলিষ্ঠ পদক্ষেপ বুলি ইতিহাসৰ পৃষ্ঠাত সদায় সোণালী আখৰেৰে লিপিবদ্ধ হৈ ৰ'ব। অসমীয়া ভাষাৰ হ'কে যুঁজ দিয়া এইগৰাকী সেনাধ্যক্ষক ১৮৫৪ চনত গুণাভিৰাম বৰুৱাই অতি উচ্ছ প্ৰশংসাৰে উপচাই পেলাইছিল। তেওঁৱেই প্ৰথম অসমীয়া ভাষা চৰকাৰী ভাষা হ'ব লাগে বুলি ৰাইজৰ চহী সংগ্ৰহ কৰিছিল। এই গৰাকী মিচনাৰীয়ে সৰ্বতে অসমীয়া ভাষা প্ৰচলনৰ বাবে এক আন্দোলন গঢ়ি তুলিছিল। তেঁৱেই প্ৰথম ১৮৫৫ চনৰ ২৫ মে' তাৰিখে কলিকতাৰ পৰা প্ৰকাশিত এখন কাকতত অসমত অসমীয়া ভাষা প্ৰচলনৰ ক্ষেত্ৰত যুক্তি সহকাৰে চিঠি লিখিছিল। সুদীৰ্ঘ ৩৭ বছৰ অসমীয়া ভাষাৰ হ'কে যুঁজ দিয়াৰ মূৰত ১৮৬৭চনৰ ১৯ এপ্ৰিলত বৃটিছ চৰকাৰৰ শিক্ষা বিভাগৰ সিধান্ত মৰ্মে সেই বছৰৰে ২৫ জুলাই তাৰিখত অসমৰ আদালত আৰু বিদ্যালয় সমূহত অসমীয়া ভাষাৰ প্ৰচলন হয়। উল্লেখ্য যে, খ্ৰীষ্টধৰ্মৰ বহু ইংৰাজী ধৰ্মীয় গীত তেওঁ অসমীয়ালৈ অনুবাদ কৰিছিল। যি সমূহ গীত আজিও অসমীয়া খ্ৰীষ্টীয় সমাজত প্ৰচলিত হৈ আছে। অসমীয়া ভাষা প্ৰতিষ্ঠা আন্দোলনৰ তেওঁ আছিল প্ৰথম গৰাকী সেনাপতি। বাইবেলৰো বহু স্তুতি তেওঁ অসমীয়া ভাষালৈ অনুবাদ কৰিছিল। ব্ৰনচন চাহাবে প্ৰকাশ কৰা প্ৰথমখন ইংৰাজী অসমীয়া অভিধানত অতি নিভাঁজ অসমীয়া শব্দই ঠাই পোৱাৰ লগতে ইয়াৰ আখৰ জোঁটনি আৰু বানান সমূহ উচ্ছাৰণৰ ৰীতিৰ ওপৰত দৃষ্টি ৰাখি কৰা হৈছিল। সতেন্দ্ৰনাথ শৰ্মাৰ 'অসমৰ সমীক্ষাত্মক ইতিবৃত্ত দশম সংস্কৰণ'ৰ ২৫৩/২৫৪ পৃষ্ঠাত উল্লেখ থকা তথ্যমতে তেতিয়াৰ অসমৰ শিক্ষাধিকাৰ ৰবিনচন চাহাবে অসমৰ সকলোবোৰ চৰকাৰী কাম-কাজত অসমীয়া ভাষা প্ৰচলনৰ বিপৰীতে ওকালতি কৰাৰ বিপৰীতে মাইলচ ব্ৰনচন চাহাবে অকাট্য যুক্তিসহ ইয়াৰ প্ৰতিবাদ কৰি অসমত অসমীয়া ভাষাক প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত অতি বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰাৰ তথ্য প্ৰকাশ পাইছে। (আগলৈ)

## নাথকুছি মেগাফুড পাৰ্ক পৰিদৰ্শন উদ্যোগ মন্ত্ৰী বিমল বৰাৰ

# মেগাফুড পাৰ্কত স্থানীয় যুৱক-যুৱতী সকলে কৰ্মসংস্থান লাভ কৰিছে



**কুমুদ বৰ্মন, টিহু , ১৮ জুলাই ঃ** নলবাৰী জিলাৰ টিহুৰ নাথকুছিস্থিত মেগা ফুডপাৰ্কত আজি উদ্যোগ-বানিজ্য ৰাজহুৱা প্ৰতিষ্ঠান, সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰাই উপস্থিত হৈ কোম্পানী সমুহ পৰিদৰ্শন কৰি বিষয়ববীয়াৰ লগত মতবিনিময় কৰে । মত বিনিময়ৰ অন্তত মন্ত্ৰী গৰাকীয়ে নাথকুছিত মেগাফুড পাৰ্কত উদ্যোগ সমুহ গঢ়ি তোলাৰ বাবে এই অঞ্চলৰ স্থানীয় যুৱক-যুৱতী সকলে কৰ্মসংস্থাপন লাভ কৰি নিজৰ লগতে পৰিয়ালৰ পোহপাল দিবলৈ সক্ষম হৈছে বুলি কয় । তেও লগতে এই উদ্যোগ সমুহে কৃষিক্ষেত্ৰখনত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰা বুলি কয় ।উদ্যোগ সমূহৰ দ্বাৰাই এই অঞ্চল সমুহত কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰাৰ লগতে ফুড প্ৰচেচিংত ইউনিট সমুহৰ যি কেচা মালৰ চাহিদা পুৰণ কৰাৰ উদ্দেশ্যেও যাতে চৌপাশৰ অঞ্চলৰ আৰ্থ-সামাজিক কৃষিভিত্তিক এটা অৰ্থনীতি গঢ়ি তোলা যায় তাৰ প্ৰতি লক্ষ্য ৰাখি নাথকুছিত এই ফুড পাৰ্কখন স্থাপন কৰা হৈছিল বুলি কয় । ভাৰত চৰকাৰৰ অৰ্থসাহাৰ্য্যৰে ইতিমধ্যে ইয়াৰে ৭ টা বিভিন্ন খাদ্য প্ৰস্তুত কৰণ উদ্যোগ কাৰ্যক্ষম হোৱাৰ কথা উল্লেখ কৰি ৯টা মান উদ্যোগ প্ৰচেছত থকা বুলি কয় । তেও আগন্তুক দিনত ফুড প্ৰচেচিংৰ ওপৰত এখন ৰোডছো পতাৰ কথাও উল্লেখ কৰে । তেও ফুড প্ৰচেচিংৰ ওপৰত ৰোডচোত অসম চৰকাৰ আৰু ভাৰত চৰকাৰৰ পলিচি সমুহ যাতে উদ্যোগপতি সকলক জনাব পাৰে আৰু তেওলোকে যাতে অসমত উদ্যোগ স্থাপন কৰিব পাৰে আৰু সমান্তৰালভাৱে স্থানীয় উদ্যোগী সকলেও যাতে এনেকুৱা ক্ষেত্ৰখনত অধিক মনোনিবেশ কৰিব পাৰে তাৰবাবে পদক্ষেপ গ্ৰহণ কৰাৰ কথা দোহাৰে । তেও লগতে কয় যে অসমৰ মুখ্যমন্ত্ৰীয়ে অসমত এটা উদ্যোগীক বাতাবৰণ গঢ় দিয়াৰ উদ্দেশ্যে এডভান্টেজ এচাম ২,০ আৰম্ভ কৰাৰ কথা কয় । ইপিনে পৰিদৰ্শনকালত উদ্যোগ মন্ত্ৰী গৰাকীক সংগ দিয়ে বৰক্ষেত্ৰী সমষ্টিৰ বিধায়ক নাৰায়ণ ডেকা, নলবাৰী জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰীকেধৰি উদ্যোগপতি সকল।

## কামৰূপত মানৱ সৰবৰাহ প্ৰতিৰোধ বিষয়ক সজাগতামূলক সভা

**ষ্টাফ ৰিপৰ্টাৰ, আমিনগাঁও, ১৮ জুলাইঃ** কামৰূপ জিলা সমাজ কল্যাণ বিষয়াৰ কাৰ্যালয়ৰ অধীনস্থ সংকল্প — ডিষ্ট্ৰিক্ট হাব ফৰ এম্পাৱাৰমেণ্ট অৱ উইমেন (DHEW), কামৰূপৰ উদ্যোগত ৰঙিয়াস্থিত শ্বহীদ ভৱনত মানৱ সৰবৰাহ প্ৰতিৰোধ বিষয়ক এখন সজাগতামূলক কাৰ্যসূচী অনুষ্ঠিত হয়। মহিলা আৰু শিশুৰ সুৰক্ষা নিশ্চিত কৰাৰ লগতে মানৱ সৰবৰাহ প্ৰতিৰোধ সম্পৰ্কে জনসচেতনতা বৃদ্ধি কৰাৰ উদ্দেশ্যে এই কাৰ্যসূচীৰ আয়োজন কৰা হয়। অনুষ্ঠানত উপস্থিত সমল ব্যক্তিসকলে মানৱ সৰবৰাহৰ ক্ৰমবৰ্ধমান সমস্যাৰ ওপৰত আলোকপাত কৰাৰ লগতে ডাইনী অপবাদ আৰু বাল্যবিবাহৰ দৰে সামাজিক কু-প্ৰথাসমূহ সম্পৰ্কেও অংশগ্ৰহণকাৰী সকলক সজাগ কৰে। তেওঁলোকে এইধৰণৰ অপৰাধ আৰু সামাজিক ব্যাধি প্ৰতিৰোধৰ ক্ষেত্ৰত শিক্ষা, সজাগতা আৰু সমাজৰ সক্ৰিয় অংশগ্ৰহণৰ গুৰুত্বৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰে। ইয়াৰ উপৰিও উপস্থিত সমল ব্যক্তিসকলে কিশোৰীসকলক শিক্ষা, দক্ষতা বিকাশ আৰু আৰ্থিক স্বাৱলম্বিতাৰ জৰিয়তে আত্মনিৰ্ভৰ হোৱাৰ বাবে উৎসাহিত কৰে। সমাজৰ প্ৰতিজন ব্যক্তিৰ সচেতনতা আৰু সহযোগিতাই মহিলা আৰু শিশুসকলৰ বাবে অধিক সুৰক্ষিত আৰু সশক্ত পৰিৱেশ গঢ়ি তোলাত সহায় কৰিব বুলি উল্লেখ কৰে। অনুষ্ঠানত ৰঙিয়াৰ সম-জিলা আয়ুক্ত নৱজিত পাঠক, বিশিষ্ট সমাজকৰ্মী সুজাতা মিশ্ৰ, কামৰূপৰ জিলা সমাজ কল্যাণ বিষয়া, সমল ব্যক্তি তথা প্ৰাক্তন শিক্ষয়িত্ৰী আৰু সদৌ অসম লেখিকা পৰিষদৰ সদস্যা অনিমা ঠাকুৰীয়া, কমলপুৰ-ৰঙিয়া সংহত শিশু উন্নয়ন প্ৰকল্পৰ শিশু উন্নয়ন প্ৰকল্প বিষয়া (CDPO), ছুপাৰভাইজাৰসকল, অংগনবাড়ী কৰ্মী আৰু সহায়িকা, কিশোৰীসকল আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।

## ডাঃ পল্লৱ বৰাৰ জাতিগত প্ৰমাণপত্ৰ বাতিল

**বাতৰি কাকত, গুৱাহাটী, ১৮ জুলাই ঃ** জালিয়াতিৰে অনুসূচিত জাতিৰ প্ৰমাণপত্ৰ উলিয়াই ৰাজ্যত কেইবাহাজাৰ লোকে অবৈধভাবে চাকৰি কৰি থকাৰ অভিযোগ উত্থাপন হৈঅহাৰ সময়তে লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ডাঃ পল্লৱ বৰাৰ অনুসূচিত জাতিৰ প্ৰমাণপত্ৰ বাতিল কৰাত অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদে সন্তোষ প্ৰকাশ কৰিছে। অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদৰ সভাপতি সঞ্জীৱ দাসে এই বিবৃতি যোগে প্ৰকাশ কৰা মতে, অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদে দাখিল কৰা অভিযোগৰ ভিত্তিত ডাঃ পল্লৱ বৰাৰ বিৰুদ্ধে অনুসূচিত জাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ সঞ্চালকালয়ে তদন্ত ঘোষণা কৰিছিল।ৰাজ্যিক পৰ্যায়ৰ পুনৰীক্ষণ সমিতি আৰু অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান বিভাগে কৰা তদন্তত ডাঃ পল্লৱ বৰাই অনুসূচিত জাতিৰ প্ৰমাণপত্ৰখন জালিয়াতিৰ সংগ্ৰহ কৰা বুলি প্ৰমাণিত হয়। ৰাজ্যিক পৰ্যায়ৰ পুনৰীক্ষণ সমিতিৰ পৰামৰ্শ মতে যোৰহাটৰ জিলা আয়ুক্তই প্ৰমাণ পত্ৰখন আনুষ্ঠানিকভাৱে বাতিল কৰিছে। প্ৰমাণপত্ৰখন বাতিল কৰাই নহয় বিহীত ব্যৱস্থা গ্ৰহণ কৰিবলৈ চৰকাৰৰ সংশ্লিষ্ট বিভাগ আৰু লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষৰ পত্ৰ প্ৰেৰণ কৰিছে। সঞ্জীৱ দাসে বিবৃতিত উল্লেখ কৰা মতে, ডাঃ পল্লৱ বৰা কোনো কাৰণত অনুসূচিত জাতিৰ লোক নহয়। ডাঃ পল্লৱ বৰাৰ ঘৰ হৈছে যোৰহাট জিলাৰ ৰংদৈ গাঁৱত। ৰংদৈ গাঁৱত চৰজমিন তদন্ত কৰাৰ অন্তত এটা কথা স্পষ্ট হৈছিলো যে ডাঃ পল্লৱ বৰাই জালিয়াতিৰে প্ৰমাণপত্ৰখন উলিয়াইছিল। কেৱল সংৰক্ষিত পদত চাকৰি পাবৰ বাবে জালিয়াতিৰে প্ৰমাণপত্ৰখন উলিয়াই প্ৰকৃত অনুসূচিত জাতিৰ লোকক বঞ্চিত কৰাত আমাৰ সংগঠনে অভিযোগ দাখিলৰ সিদ্ধান্ত লৈছিল। দাসে জাতিগত প্ৰমাণপত্ৰ জালিয়াতিৰ এটা বৃহৎ চক্ৰ থকাৰ বুলি উল্লেখ কৰি কয়।

## হাজো শুৱালকুছি সমষ্টিত ক্ৰীড়াৰ নতুন জোৱাৰ

**বাতৰি কাকত, শুৱালকুছি, ১৮ জুলাই ঃ** ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ প্ৰচেস্টাত সমগ্ৰ অসমতে আজি ক্ৰীড়া এক সুন্দৰ পৰিৱেশ সৃষ্টি হৈছে। বিশেষকৈ হাজো-শুৱালকুছি বিধান সভা সমষ্টিত ক্ৰীড়াৰ এক নতুন জোৱাৰ উঠিছে। প্ৰতিদিনে শুৱালকুছিৰ নতুনকৈ উদ্বোধন কৰা ক্ৰীড়া প্ৰকল্পত খেলুৱৈ সকলে অধিক উদ্যমৰে ক্ৰীড়াৰ অনুশীন কৰা দৃশ্যই সকলোকে আকৰ্ষিত কৰিছে। ঠিক তেনেদৰে হাজো আৰু বংশৰ ষ্টেডিয়ামতো ক্ৰীড়া পৰিৱেশে এক নতুন দিগন্তৰ সৃষ্টি সূচনা কৰিছে। এই মন্তব্য হাজো-শুৱালকুছি সমষ্টিৰ বিধায়ক প্ৰকাশ চন্দ্ৰ দাসৰ। আজি স্পোৰ্টছ একাডেমীৰ পঞ্চম বৰ্ষ পূৰ্তি উপলক্ষে আয়োজন কৰা এক বিশেষ সম্বৰ্ধনা অনুস্থানত অংশ গ্ৰহণ কৰি বিধায়ক গৰাকীয়ে কয় যে এই সমগ্ৰ অঞ্চলটোত এনেদৰে নিত্য নৈমিত্তিক ভাবে খেলৰ প্ৰশিক্ষণ বা অনুশীলন চলি থাকিলে হাজো-শুৱালকুছি সমষ্টিৰ পৰা ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ খেলত অসম তথা ভাৰতবৰ্ষৰ হৈ প্ৰতিনিধিত্ব কৰাৰ সুযোগ পাব। তেওঁ আনকি অলিম্পিক খেলিবলৈ সুবিধা পোৱাৰো আশা ব্যক্ত কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই গ্ৰামাঞ্চল সমুহত সুন্দৰ আন্ত গাঁথনিৰে ষ্টেডিয়াম নিৰ্মাণ কৰি শিক্ষাৰ সমানে খেলকো আগবঢ়াই নিয়া বুলি উল্লেখ কৰি তেওঁ কয় যে যাৰ ফলত অসমত ক্ৰীড়াৰ নৱজাগৰণৰ সৃষ্টি হৈছে। স্পোৰ্টছ একাডেমিৰ সফলতাক তেওঁ ভিজ ভূয়সী প্ৰশংসা কৰে। অনুস্থান উপস্থিত থাকি দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ অধ্যাপক মানস প্ৰতীম বৰুৱাই ভাষণত কয় যে খেলুৱৈ সকলে সুন্দৰ স্বাস্থ্যৰ অধিকাৰী হোৱাৰ লগতে সুন্দৰ মনৰো অধিকাৰী হ'ব লাগে বুলি দোহাৰে। তেওঁ প্ৰতিগৰাকী খেলুৱৈক নিয়মীয়াকৈ অনুশীলন কৰিবলৈ আহ্বান জনায়। স্পোৰ্টছ একাডেমী অফ শুৱালকুছিৰ সভাপতি ৰূপক বৈশ্যই আতঁধৰা অনুষ্ঠানত শ্ৰেষ্ঠ খেলুৱৈৰ বটাঁ প্ৰদান কৰে সংগীতা বড়াক আৰু শ্ৰেষ্ঠ শিক্ষাৰ্থীৰ বটাঁ প্ৰদান কৰে হিয়ামণি বড়াক। অনুষ্ঠানত আন কেইবাগৰাকী খেলুৱৈক বিভিন্ন বটাঁ প্ৰদান কৰা হয়। অনুষ্ঠানত কামৰূপ জিলাৰ ক্ৰীড়া বিষয়া বন্দিতা গগৈ, মহকুমা ক্ৰীড়া বিষয়া পংকজ ভৰালী, শুৱালকুছি জিলা পৰিষদৰ সদস্য ধীৰাজ মহন্ত, বিশিষ্ট সমাজকৰ্মী তথা এস্ক ৰাই জেদৰ প্ৰযোজক হেমন্ত কলিতা প্ৰমুখ্যে কেবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

## সমাজকৰ্মী ছোনম ৱাংচুকক প্ৰতিবাদস্থলীৰ পৰা টানি-আঁজুৰি লৈ যোৱাক তীব্ৰ গৰিহণা মুছাৰ

**বাতৰি কাকত, লাহৰীঘাট, ১৮ জুলাই ঃ** দিল্লীৰ যন্তৰ মন্তৰত ছাত্ৰ-ছাত্ৰীৰ ন্যায্য দাবী আৰু অধিকাৰৰ সমৰ্থনত অনুষ্ঠিত শান্তিপূৰ্ণ প্ৰতিবাদ কাৰ্যসূচীত অংশগ্ৰহণ কৰি থকা বিশিষ্ট সমাজকৰ্মী, পৰিৱেশবিদ আৰু শিক্ষাবিদ ছোনম ৱাংচুকক আৰক্ষীয়ে বলপূৰ্বকভাৱে টানি-আঁজুৰি লৈ যোৱাৰ ঘটনাক তীব্ৰ গৰিহণা জনাইছে মুছলিম ছাত্ৰ সন্থা, অসম (মুছা)-ৰ কেন্দ্ৰীয় সভাপতি আশ্বিক ৰাব্বানীয়ে। এক প্ৰেছ বিবৃতিত আশ্বিক ৰাব্বানীয়ে কয় যে, গণতান্ত্ৰিক ব্যৱস্থাত ছাত্ৰ-ছাত্ৰী আৰু সাধাৰণ নাগৰিকসকলে শান্তিপূৰ্ণভাৱে মত প্ৰকাশ, প্ৰতিবাদ আৰু নিজৰ দাবী উত্থাপন কৰাৰ অধিকাৰ ভাৰতীয় সংবিধানে নিশ্চিত কৰিছে। এনে পৰিস্থিতিত গণতান্ত্ৰিক পদ্ধতিৰে আন্দোলন কৰি থকা ছোনম ৱাংচুকক বলপূৰ্বকভাৱে আঁতৰাই নিয়াৰ ঘটনা অতি উদ্বেগজনক, নিন্দনীয় আৰু গণতান্ত্ৰিক মূল্যবোধৰ পৰিপন্থী। তেওঁ লগতে কয় যে, দেশৰ শিক্ষা ব্যৱস্থা, পৰিৱেশ সংৰক্ষণ, সামাজিক ন্যায় আৰু জনস্বাৰ্থজড়িত বিভিন্ন বিষয়ত ছোনম ৱাংচুকে দীৰ্ঘদিন ধৰি গঠনমূলক ভূমিকা পালন কৰি আহিছে। তেওঁৰ দৰে এজন সন্মানীয় সমাজকৰ্মীৰ সৈতে এনে আচৰণ কৰাটো কেতিয়াও গ্ৰহণযোগ্য নহয়। আশ্বিক ৰাব্বানীয়ে কেন্দ্ৰীয় চৰকাৰ আৰু সংশ্লিষ্ট কৰ্তৃপক্ষক গণতান্ত্ৰিক অধিকাৰ, মত প্ৰকাশৰ স্বাধীনতা আৰু শান্তিপূৰ্ণ প্ৰতিবাদৰ অধিকাৰৰ প্ৰতি সন্মান জনাবলৈ আহ্বান জনায়। লগতে তেওঁ কয় যে, ছাত্ৰ-ছাত্ৰীৰ ন্যায্য দাবীসমূহ গুৰুত্বসহকাৰে বিবেচনা কৰি আলোচনা আৰু সংলাপৰ মাধ্যমে সমাধানৰ পথ উলিয়াব লাগে। মুছলিম ছাত্ৰ সন্থা, অসম (মুছা)-এ এই ঘটনাৰ তীব্ৰ নিন্দা জনোৱাৰ লগতে দেশৰ সকলো গণতান্ত্ৰিক, প্ৰগতিশীল আৰু ছাত্ৰ সংগঠনক গণতান্ত্ৰিক অধিকাৰ সুৰক্ষাৰ স্বাৰ্থত সজাগ আৰু ঐক্যবদ্ধ হ'বলৈ আহ্বান জনাইছে।

## বিশিষ্ট নাগৰিক অৱসৰপ্ৰাপ্ত তেল গেছ নিগমৰ কৰ্মচাৰী প্ৰকাশ বৰাৰ মৃত্যু

**খাইৰুদ্দিন আহমেদ, শিৱসাগৰ, ১৮ জুলাই ঃ** শিৱসাগৰ নগৰৰ সমীপৰ ঐতিহাসিক ধুলীয়াপাৰ অঞ্চলৰ বিশিষ্ট সমাজকৰ্মী তথা তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী প্ৰকাশ বৰা ওৰফে পুতু (৭০) ৰ কালি নিশা চ্যুকাফা হাস্পাতালত শেষ নিঃশ্বাস ত্যাগ কৰে। অতি অমায়িক আৰু নম্ৰ স্বভাৱৰ বিশিষ্ট সমাজকৰ্মীগৰাকীৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে অগণন গুণমুগ্ধ তেখেতৰ ধুলীয়াপাৰস্থিত বাসগৃহত উপস্থিত হৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। উল্লেখ্য যে, ধুলীয়াপাৰ অঞ্চলত জন্মগ্ৰহণ কৰা প্ৰকাশ বৰাই অঞ্চলটোৰ বিভিন্ন সামাজিক তথা ধৰ্মীয় অনুষ্ঠানসমূহত নিবিড়ভাৱে জড়িত হৈ পৰিছিল। বিশেষভাৱে তেখেতে ধুলীয়াপাৰ ৰাস সমাজ, ধুলীয়াপাৰ বৰনামঘৰ সমাজ, ভাগৱত সমাজ আৰু ধুলীয়াপাৰ ৪৩৭ নং প্ৰাথমিক বিদ্যালয়ৰ লগত জড়িত হৈ সেৱা আগবঢ়াইছিল। কালি নিশা তেখেতৰ বাসগৃহত অনুষ্ঠিত কৰা হয় এখনি ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান। অৱসৰপ্ৰাপ্ত শিক্ষক মুকুল বৰাই আঁত ধৰা অনুষ্ঠানত ধুলীয়াপাৰ ৰাস সমাজ, বৰনামঘৰ সমাজ, ভাগৱত সমাজ, যুৱ সমাজৰ লগতে নামঘৰীয়া ধৰ্ম বৰা, জেষ্ঠ নাগৰিক সূৰ্য বৰা, প্ৰদীপ বৰা, ঐশ্বৰ্য্য বৰা, ৪৩৭ নং ধুলীয়াপাৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী জেকীয়া ফিৰদৌচ নিগাৰ, ৰুদ্ৰসাগৰ গাওঁ পঞ্চায়তৰ সদস্য পাৰ্থপ্ৰতিম বৰাকে ধৰি কেইবাটাও অনুষ্ঠানৰ প্ৰতিনিধিয়ে তেখেতৰ নশ্বৰদেহত পুষ্পাঞ্জলিৰে শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। মৃত্যুৰ সময়ত পত্নীসহ এজন পুত্ৰ, এগৰাকী কন্যাৰ লগতে এটি বৃহৎ পৰিয়ালক ইহসংসাৰত এৰি থৈ যায়। কালি নিশাই অগণন গুণমুগ্ধৰ উপস্থিতিত ধুলীয়াপাৰ ৰাজহুৱা শ্মশানত শেষকৃত্য সম্পন্ন কৰা হয়।

## মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ সম্বৰ্দ্ধনা



**মৰিগাঁও, ১৮ জুলাই ঃ** মৰিগাঁৱৰ জিলা আয়ুক্ত অনামিকা তেৱাৰীক কালি নিশা মৰিগাঁও জিলা সাংবাদিক সংস্থাই আনুষ্ঠানিক ভাবে সম্বৰ্দ্ধনা জনায়। মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ কাৰ্যালয়ত অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ সম্বৰ্দ্ধনা অনুষ্ঠানত গামোচা, বঁটা, মানপত্ৰ আদিৰে জিলা আয়ুক্ত গৰাকীক বিপুল ভাবে সম্বৰ্দ্ধনা জনায় মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ সভাপতি অজিত শৰ্মাই। সংস্থাৰ সম্পাদক গুলজাৰিলাল শৰ্মা আৰু সহকাৰী সম্পাদক জোন ফৰিদ ঠাকুৰীয়াই আঁতধৰা উক্ত অনুষ্ঠানটোত মৰিগাঁও জিলা পৰিষদৰ সভানেত্ৰী প্ৰণতি কলিতা ডেকা, জিলা পৰিষদ ভাৰপ্ৰাপ্ত মুখ্য কাৰ্যবাহী বিষয়া হৃদয় কুমাৰ দাস, মৰিগাঁও পৌৰসভাৰ পৌৰপতিক যোগেশ তামুলী, ৱাৰ্ড সদস্য মঞ্জু শৰ্মা বৰুৱা আৰু জিলা জনসংযোগ বিষয়া অনন্যা গগৈক সম্বৰ্দ্ধনা জনোৱা হয়। সম্বৰ্দ্ধনা অনুষ্ঠানটোত এটা চমু ভাষণ প্ৰদান কৰি মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ সভাপতি অজিত শৰ্মাই বিগত দিন সমূহত জিলা প্ৰশাসনৰ মুৰব্বী হিচাপে জিলা আয়ুক্ত গৰাকীয়ে সাংবাদিক সকলক কৰা সহযোগিতা আৰু সংস্থাৰ আন্তঃগাঁথনিৰ উন্নয়নত লাভ কৰা সহায়-সহযোগৰ বাবে তেখেতৰ প্ৰতি ধন্যবাদ আৰু কৃতজ্ঞতা প্ৰকাশ কৰে। ইয়াৰ সমান্তৰালকৈ অনুষ্ঠানটোত সম্বৰ্দ্ধিত বিষয়া আৰু জনপ্ৰতিনিধি সকলকো সংস্থাৰ প্ৰতি থকা সদিচ্ছা আৰু সহায়-সহযোগৰ বাবে ধন্যবাদ জনায়। ইপিনে জিলা আয়ুক্ত অনামিকা তেৱাৰীয়েও এটা শুভেচ্ছামূলক ভাষণ প্ৰদান কৰি জিলা সাংবাদিক সংস্থাৰ বিষয়ববীয়া আৰু সদস্য সকলৰ লগতে জিলাখনৰ সাংবাদিক সকলৰ নিষ্ঠা, সততা আৰু কষ্টসাধ্যক সংবাদ সেৱাক প্ৰসংশা কৰি অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰে। অনুষ্ঠানটোত মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ প্ৰাক্তন সভাপতি ক্ৰমে প্ৰতাপ হাজৰিকা, বিৰিঞ্চি কুমাৰ শৰ্মা, জগদীশ নাথ, উপ-সভাপতি কল্পতৰু চৌধুৰী, প্ৰাক্তন সম্পাদক প্ৰণৱ ভট্টাচাৰ্য, জ্যেষ্ঠ সদস্য ৰিতুমণি মহন্ত প্ৰমুখ্যে কেবাগৰাকীও জ্যেষ্ঠ সদস্য উপস্থিত থাকে।


**নাম শুধৰণি**

মৰিগাঁও জিলাৰ দহালী মকৰীয়া কিছামৰ ১৫৪ আৰু ৪২ নং পটাৰ ১৪৬, ১৪৮, ১৭০, ১৯৩, ১৯৪, ১৬৭, আৰু ১৬৮ নং দাগৰ মাটিৰ পটাত মোৰ পিতৃৰ নামটো নৰেশ্বৰ বাহাদুৰ, পিতা- শ্বৰ বাহাদুৰ বুলি ভুলকৈ লিপিবদ্ধ হৈ আছে। প্ৰকৃততে হ'ব লাগে নৰেশ্বৰ বৰদলৈ, পিতা-গুন্টেশ্বৰ বৰদলৈ।

**সোনমনি বৰদলৈ (জীয়ৰী)**
পিতা- গুন্টেশ্বৰ বৰদলৈ (মৃত)
দহালী মকৰীয়া
ডাক -শিলচাং
জিলা ঃ নগাঁও (অসম)


## কামপুৰৰ দুই ছাত্ৰৰ কৃতিত্ব

**বাতৰি কাকত, কচুৱা, ১৮ জুলাই ঃ** কামপুৰ অঞ্চলৰ দুই কৃতীমান ছাত্ৰ স্নিগ্ধ পৰান শইকীয়া আৰু ময়ুৰ ৰাজ বৰাই নীট ইউ জি পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ হৈ কামপুৰলৈ গৌৰৱ কঢ়িয়াই আনিছে। কামপুৰ ডেকাপতীয়া গাঁৱৰ স্নিগ্ধ পৰাণ শইকীয়াই ৫৭১ নম্বৰ লাভ কৰাৰ বিপৰীতে কামপুৰ পাছনিজাৰৰ ময়ূৰ ৰাজ বৰাই ৫৩৩ নম্বৰ লাভ কৰি নীট ইউ জি পৰীক্ষাত উত্তীৰ্ণ হৈছে। কৃতী ছাত্ৰ স্নিগ্ধ পৰাণ শইকীয়া কামপুৰৰ সঞ্জীৱ শইকীয়া আৰু স্বপ্নালী শইকীয়াৰ পুত্ৰ আৰু ময়ূৰ ৰাজ বৰা মুকুল বৰা আৰু জ্যোতিকা বৰাৰ পুত্ৰ। দুয়োগৰাকী ছাত্ৰৰে উজ্জ্বল ভৱিষ্যত কামনা কৰিছে কামপুৰৰ সচেতন নাগৰিকে।


**Name Correction**

My father's actual and correct name is Uttam Das.that Land Document chitha and jamabandi covered by dag no -296 of k.p.patta no -102 of revenue village-2 no kulhati under mouza-Hajo, revenue circle Hajo in the district Kamrup"Assam.which my father's name has been wrongly written as Lalit Keot.that Uttam Das and Lalit Keot is the same and one person.

**Jogesh Das**
S/o-Late Uttam Das"Vill-Bonghsar
P.s-Kamrup, Assam.



## গোলাঘাটৰ অভিৰুহন প্ৰিয়ম ৬৬০ শীৰ্ষস্থান

### ৭৫০ৰো অধিক শিক্ষাৰ্থীৰ উজ্জ্বল কৃতিত্ব




**বাতৰি কাকত হোজাই, ১৮ জুলাই ঃ** নীট ২০২৬ পৰীক্ষাত আজমল ফাউণ্ডেচনৰ অধীনস্থ আজমল ছুপাৰ ৪০-এ পুনৰবাৰ অভূতপূৰ্ব সফলতা অৰ্জন কৰিছে। এইবাৰ ৭৫০ গৰাকীতকৈ অধিক শিক্ষাৰ্থীয়ে নীট পৰীক্ষাত সফলতা লাভ কৰি ৰাজ্য তথা উত্তৰ-পূৰ্বাঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিছে। এইবাৰৰ ফলাফলত গোলাঘাটৰ অভিৰুহন প্ৰিয়মে ৭২০ৰ ভিতৰত ৬৬০ নম্বৰ লাভ কৰি আজমল ছুপাৰ ৪০ৰ শীৰ্ষ স্থান দখল কৰে। উল্লেখযোগ্য যে অভিৰুহনে সম্পূৰ্ণ বিনামূলীয়াকৈ আজমল ছুপাৰ ৪০ত অধ্যয়ন কৰিছিল। ইয়াৰ উপৰিও আৰিয়ান হুছেইন (৬৫৭), মুজতবা এ. মামুন (৬৫৩), জাবেদ আখতাৰ (৬৫২), ছুজেন কুমাৰ ৰয় (৬৩৭), চাহিল তানবিৰ (৬৩৬), আৰিফ হুছেইন (৬২৮) আৰু জাইনুৰ আলি (৬২৬)-এ উল্লেখযোগ্য ফলাফল প্ৰদৰ্শন কৰে। ফলাফল ঘোষণাৰ লগে লগে আজি হোজাইৰ বৰপুখুৰীস্থিত নাজিৰ আজমল কলেজ অৱ এডুকেশ্বনৰ চৌহদত সফল শিক্ষাৰ্থীসকলক ফুলাম গামোচা, জাপি আৰু শৰাইৰে সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত অভিভাৱক, শিক্ষক-শিক্ষয়িত্ৰী আৰু আজমল ফাউণ্ডেচনৰ বিষয়ববীয়াসকলে কেক কাটি এই সফলতা উদ্‌যাপন কৰে। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে উলিউল্লাহ আজমল। উল্লেখ্য যে দৰিদ্ৰ আৰু মেধাসম্পন্ন শিক্ষাৰ্থীসকলক চিকিৎসক আৰু অভিযন্তা হোৱাৰ সপোন বাস্তৱায়িত কৰাৰ লক্ষ্যৰে আজমল ফাউণ্ডেচনে আজমল ছুপাৰ ৪০ৰ জৰিয়তে সম্পূৰ্ণ বিনামূলীয়া কোচিং, আবাসন, খাদ্য আৰু অন্যান্য প্ৰয়োজনীয় সুবিধা আগবঢ়াই আহিছে। এই ঐতিহাসিক সফলতাৰ বাবে আজমল গ্ৰুপ অৱ কোম্পানীজৰ মুৰব্বী আমিৰ উদ্দিন আজমল, আজমল ফাউণ্ডেচনৰ ন্যাসৰক্ষী মৌলানা বদৰুদ্দিন আজমল, মুখ্য ন্যাসৰক্ষী ছিৰাজুদ্দিন আজমলকে ধৰি আজমল পৰিয়ালে সফল শিক্ষাৰ্থী, শিক্ষক-শিক্ষয়িত্ৰী আৰু আজমল ছুপাৰ ৪০ৰ সৈতে জড়িত সকলোকে আন্তৰিক অভিনন্দন জ্ঞাপন কৰে। আজমল ফাউণ্ডেচনৰ সঞ্চালক ড° খচৰুল ইছলামে এই সফলতাৰ বাবে শিক্ষক-শিক্ষয়িত্ৰী সকলৰ নিষ্ঠা আৰু শিক্ষাৰ্থীসকলৰ অধ্যৱসায়ক কৃতিত্ব প্ৰদান কৰি ভৱিষ্যতেও এই উৎকৰ্ষতাৰ ধাৰা অব্যাহত থাকিব বুলি আশাবাদ ব্যক্ত কৰে। আনহাতে, আজমল ছুপাৰ ৪০ৰ প্ৰজেক্ট হেড আব্দুল কাদিৰে কয় যে, এই সফলতাৰ ধাৰা আগন্তুক সময়তো অব্যাহত ৰাখিবলৈ তেওঁলোকে নিষ্ঠাৰে কাম কৰি যাব।

# গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ নতুন অধ্যক্ষ ডাঃ বাবুল কুমাৰ বেজবৰুৱাক উষ্ম আদৰণি



**গুৱাহাটী,১৮জুলাইঃ** গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ নতুন অধ্যক্ষ তথা মুখ্য অধীক্ষক হিচাপে শুকুৰবাৰে আনুষ্ঠানিকভাৱে কাৰ্যভাৰ গ্ৰহণ কৰে বিশিষ্ট অধ্যাপক ডাঃ বাবুল কুমাৰ বেজবৰুৱাই। অসম চৰকাৰৰ চিকিৎসা শিক্ষা আৰু গৱেষণা বিভাগৰ বিগত ৬ জুলাইৰ ৰাজ্যপালৰ আদেশমৰ্মে প্ৰকাশিত অধিসূচনা অনুসৰি তেওঁ এই গুৰু দায়িত্বভাৰ গ্ৰহণ কৰিছে। উল্লেখ্য যে, প্ৰচুৰ অভিজ্ঞতাসম্পন্ন ডাঃ বেজবৰুৱাই ইয়াৰ পূৰ্বে ২০১৮ চনত শিলচৰ মেডিকেল কলেজ আৰু ২০২০ চনৰ পৰা নলবাৰী মেডিকেল কলেজৰ অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰি চিকিৎসা মহাবিদ্যালয় দুখনৰ সৰ্বাংগীণ উন্নতিৰ ক্ষেত্ৰত এক বিশেষ মাত্ৰা প্ৰদান কৰিছিল। ইয়াৰ উপৰিও তেওঁ গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ উপাধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ লগতে ২০১৬ চনৰ পৰা ২০১৮ চনলৈ শ্ৰীমন্ত শংকৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক হিচাপেও সফলতাৰে কাৰ্যনিৰ্বাহ কৰিছিল। শুকুৰবাৰে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ কৰ্মচাৰী পৰিষদে নতুন অধ্যক্ষগৰাকীক এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানৰ জৰিয়তে উষ্ম আদৰণি জনায় বুলি পৰিষদৰ সাধাৰণ সম্পাদক দিলীপ চাংমাই জানিবলৈ দিয়ে। অতি আড়ম্বৰপূৰ্ণভাৱে আয়োজিত এই আদৰণি অনুষ্ঠানত গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ উপাধ্যক্ষ ডাঃ জয়দেৱ শৰ্মাই নতুন অধ্যক্ষ ডাঃ বেজবৰুৱাক সম্বৰ্ধনা জ্ঞাপন কৰে। আদৰণি গ্ৰহণ কৰি নতুন অধ্যক্ষগৰাকীয়ে তেওঁৰ চমু ভাষণত কয় যে, 'চিকিৎসা মহাবিদ্যালয়খনৰ সৰ্বাংগীণ উন্নয়ন আৰু পৰিচালনা কাৰ্য সুচাৰুৰূপে চলাই নিবলৈ কৰ্মচাৰীসকলৰ নিষ্ঠা, সহযোগিতা আৰু কৰ্মস্পৃহা অত্যন্ত প্ৰয়োজনীয়। সেয়েহে তেওঁ সমূহ কৰ্মচাৰীক নিষ্ঠাৰে কাম কৰিবলৈ আহ্বান জনায়। এই আদৰণি অনুষ্ঠানত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ অধীক্ষক ডাঃ দেৱজিৎ চৌধুৰী, ফাও ভাস্কৰ শৰ্মা, প্ৰধান সচিব কাকলি মহন্ত, মুখ্য সহায়ক ভগৱান বড়ো, কৰ্মচাৰী ববিতা নাথকে আদিকে ধৰি বহুসংখ্যক চিকিৎসক আৰু কৰ্মচাৰী উপস্থিত থাকে।

# খোচলাৰাঘুৰ এলবাম 'আৰজু'ৰ গীত 'বেৰজাহ' মুক্তি

**গুৱাহাটী, ১৮ জুলাইঃ** মুম্বাইৰ জনপ্ৰিয় দ্বৈত ইণ্ডি-পপ সংগীতশিল্পী 'খোচলাৰাঘু'-এ সুৰীয়া কণ্ঠৰে লাখ লাখ শ্ৰোতাৰ হৃদয় জয় কৰিবলৈ পুনৰ উভতি আহিছে। তেওঁলোকৰ বহু প্ৰত্যাশিত পাঁচটা গীতৰ এলবাম 'আৰজু'ৰ প্ৰথমটো গীত 'বেৰজাহ' মুকলি কৰিছে। ঋষভ ৰঘুবংশী আৰু সঞ্চিত খোচলাৰ এই যুটিটোৱে তেওঁলোকৰ হৃদয়স্পৰ্শী কাহিনী আৰু সুৰীয়া কণ্ঠৰে ইতিমধ্যে শ্ৰোতাৰ মন জয় কৰিবলৈ সক্ষম হৈছে। 'বেৰজাহ' গীতটোত প্ৰেমৰ প্ৰাৰম্ভিক মূহুৰ্তবোৰ- যেনে কাৰোবাৰ প্ৰতি আকৰ্ষিত হোৱা, উজাগৰী নিশা কটোৱা আৰু মনৰ ভিতৰত চলা মিঠা খেলিমেলিবোৰ অতি সুন্দৰকৈ ফুটাই তোলা হৈছে। এই গীতটোৰ জৰিয়তেই তেওঁলোকৰ সমগ্ৰ এলবামটোৰ যাত্ৰা আৰম্ভ হৈছে, যিয়ে প্ৰেম, বিৰহ, আশা আৰু শান্তনাৰ বিভিন্ন ৰূপক প্ৰতিফলিত কৰিব। 'বেৰজাহ' গীতটোৱে শ্ৰোতাক কাহিনীটোৰ প্ৰথমটো পৃষ্ঠাৰ সৈতে পৰিচয় কৰাই দিয়াৰ বিপৰীতে, 'আৰজু' এলবামটোৰ বাকী চাৰিটা গীত- মিলে জো সুকুন, হৌচলে, নেইনা চাৰন আৰু তেৰী আদতেৰ সৈতে আগবাঢ়িব। ইয়াৰ প্ৰতিটো গীতেই প্ৰেমৰ সৈতে জড়িত একোটা সুকীয়া আৱেগক অন্বেষণ কৰিব। এই এলবামটো হৈছে হৃদয়স্পৰ্শী কাহিনীৰ এক সংগ্ৰহ, য'ত বহুতো মানুহে নিজৰ জীৱনৰ একোটা অংশ বিচাৰি পাব। গীতটিৰ বিষয়ে খোচলাৰাঘুৱে কয়, 'বেৰজাহ হৈছে কাৰোবাক ইমান গভীৰভাৱে ভাল পোৱাৰ কথা, যাৰ চিন্তাই আপোনাৰ মনটোক সম্পূৰ্ণৰূপে আৱৰি ৰাখে। এই অনুভৱটো বৰ ধুনীয়া। কিন্তু ইয়াৰ মাজতে এটা বেদনাও সোমাই থাকে কাৰণ আপুনি জানে যে প্ৰতিটো প্ৰেম কাহিনীয়ে আপুনি বিচৰা ধৰণে সমাপ্তি লাভ নকৰে। সেই হেঁপাহৰ অনুভৱটোৰ ওপৰতে 'আৰজু' গঢ়ি উঠিছে। দিল্লীৰ সোহেল নামৰ শিল্পীজনৰ চিতাৰৰ সুৰে এই গীতটাত এক নতুন মাত্ৰা যোগ কৰিছে। ঋষভ ৰঘুবংশী আৰু সঞ্চিত খোচলাক লৈ গঠিত 'খোচলাৰাঘু'ৱে এটা সৰল বিশ্বাসেৰে নিজৰ যাত্ৰা আৰম্ভ কৰিছিল- 'প্ৰথমে বন্ধুত্ব, তাৰ পিছত সংগীত'। বৰচে মোৰে নেইনা, দুৰিয়াঁ, নাকাবিল আদি জনপ্ৰিয় গীতৰ জৰিয়তে এক নিষ্ঠাবান শ্ৰোতা সমাজ গঢ়ি তোলা এই যুটিটোৱে শ্ৰোতাৰ মন স্পৰ্শ কৰি গৈছে আৰু ভাৰতৰ ইণ্ডি-পপ সংগীত জগতত খোচলাৰাঘুক অন্যতম এক শক্তিশালী কণ্ঠ হিচাপে প্ৰতিষ্ঠা কৰিছে।

# মুখ্যমন্ত্ৰীক সাক্ষাৎ প্ৰতিমা বৰুৱা পাণ্ডে কলা-কৃষ্টি প্ৰতিষ্ঠানৰ

**গুৱাহাটী,১৮জুলাইঃ** মহানগৰীৰ অন্যতম সামাজিক সাংস্কৃতিক অনুষ্ঠান প্ৰতিমা বৰুৱা পাণ্ডে কলা-কৃষ্টি প্ৰতিষ্ঠানৰ সভাপতি অজিত বৰ্মন আৰু সাধাৰণ সম্পাদক অজিত ঠাকুৰীয়াৰ নেতৃত্বত এটি ছয়জনীয়া দলে ১৬ জুলাইত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰে।দলটোৱে



মুখ্যমন্ত্ৰীগৰাকীক ফুলাম গামোচা, জাপিৰে সম্বৰ্ধনা জনায়। অনুষ্ঠানটোৱে বৰ্তমান ব্যৱহাৰ কৰি থকা কাৰ্যালয়ৰ ভূমি স্থায়ী কৰি দিয়া প্ৰতিষ্ঠানৰ কাৰ্যালয় অত্যাধুনিকভাৱে নিৰ্মাণ কৰি দিবলৈ আৰু লগতে থকা ফিল্ডখন প্ৰতিষ্ঠানৰ নামত আবণ্টন দিয়া আৰু অন্যান্য গুৰুত্বপূৰ্ণ সমস্যা সন্দৰ্ভত মুখ্যমন্ত্ৰীক অৱগত কৰায়। মুখ্যমন্ত্ৰীৰ আন্তৰিকতাপূৰ্ণ পদক্ষেপক প্ৰতিমা বৰুৱা পাণ্ডে কলা-কৃষ্টি প্ৰতিষ্ঠানৰ দলটোৱে আদৰণি জনায়।

# গৌৰৱ পাণ্ডেক ক্ৰীমলাইন ডেইৰীৰ মুখ্য কাৰ্যবাহী বিষয়া নিযুক্তি গড্ৰেজ এগ্ৰ'ভেটৰ

**গুৱাহাটী, ১৮ জুলাইঃ** গড্ৰেজ এগ্ৰ'ভেট লিমিটেডে গৌৰৱ পাণ্ডেক গড্ৰেজ জাৰ্চি ব্ৰেণ্ডৰ অধীনৰ কোম্পানী ক্ৰীমলাইন ডেইৰী প্ৰডাক্টছ লিমিটেডৰ মুখ্য কাৰ্যবাহী বিষয়া হিচাপে নিযুক্তি দিছে। দক্ষিণ ভাৰতত নিজৰ বজাৰ আধিপত্য শক্তিশালী কৰা আৰু বিকাশৰ পৰৱৰ্তী পৰ্যায়লৈ আগবাঢ়ি যোৱাৰ লক্ষ্যৰেই প্ৰতিষ্ঠানটোৱে এই সিদ্ধান্ত গ্ৰহণ কৰিছে। নতুন দায়িত্ব লাভ কৰি পাণ্ডেই ব্যৱসায়িক ৰূপান্তৰ, উৎপাদনৰ উদ্ভাৱন, গ্ৰাহককেন্দ্ৰিক পদক্ষেপ আৰু গুৰুত্বপূৰ্ণ বজাৰসমূহত ব্ৰেণ্ডটোৰ উপস্থিতি বৃদ্ধিৰ ওপৰত গুৰুত্ব আৰোপ কৰি প্ৰতিষ্ঠানটোৰ বিকাশৰ ৰণনীতিক নেতৃত্ব দিব।গৌৰৱ পাণ্ডেই নিজৰ নিযুক্তি সন্দৰ্ভত মন্তব্য কৰি কয় যে, 'গ্ৰাহকৰ পৰিৱৰ্তিত পছন্দ, মূল্য সংযোজিত সামগ্ৰীৰ বৰ্ধিত চাহিদা আৰু গুণগত মান তথা পুষ্টিৰ ওপৰত অধিক গুৰুত্ব দিয়াৰ বাবে ভাৰতৰ দুগ্ধ খণ্ডত বৰ্তমান উল্লেখনীয় পৰিৱৰ্তন ঘটিছে।'তেওঁ লগতে কয় যে, ক্ৰীমলাইন ডেইৰীয়ে গড্ৰেজ জাৰ্চি ব্ৰেণ্ড আৰু এক সংহত দুগ্ধ ব্যৱস্থাৰ জৰিয়তে এক শক্তিশালী ভেটি গঢ়ি তুলিছে, যাৰ দ্বাৰা গ্ৰাহক আৰু দুগ্ধ উৎপাদক কৃষক উভয়েই উপকৃত হৈছে। তেওঁ উদ্ভাৱন খৰতকীয়া, গ্ৰাহকৰ অভিজ্ঞতা উন্নত, কোম্পানীৰ পৰিসৰ বৃদ্ধি আৰু এক ভৱিষ্যদৰ্শী দুগ্ধ ব্যৱসায় গঢ়ি তুলিবলৈ আশাবাদী বুলি উল্লেখ কৰে। ক্ৰীমলাইন ডেইৰী প্ৰডাক্টছ লিমিটেড হৈছে অন্ধ্ৰ প্ৰদেশ, তেলেংগানা, তামিলনাডু আৰু কৰ্ণাটকত কাৰ্যকলাপ থকা দক্ষিণ ভাৰতৰ অন্যতম আগশাৰীৰ ব্যক্তিগত খণ্ডৰ দুগ্ধ প্ৰতিষ্ঠান। পাণ্ডেৰ খাদ্য, কুইক-ছাৰ্ভিচ ৰেষ্টুৰেণ্ট আৰু উপভোক্তা সামগ্ৰী খণ্ডত ২২ বছৰতকৈও অধিক সময় কাম কৰাৰ অভিজ্ঞতা আছে। অলপতে তেওঁ ভাৰতত এটা ডাঙৰ আন্তঃৰাষ্ট্ৰীয় কিউএছআৰ ব্ৰেণ্ডৰ মুকলি আৰু সম্প্ৰসাৰণৰ নেতৃত্ব দিছিল। ইয়াৰ পূৰ্বেও পাণ্ডেই একাধিক গ্ৰাহক বজাৰ ব্যৱসায়ত বজাৰ সম্প্ৰসাৰণ, উদ্ভাৱন আৰু লাভজনকতা বৃদ্ধিৰ দৰে গুৰুত্বপূৰ্ণ পদত কাৰ্যনিৰ্বাহ কৰিছিল।

# প্ৰথম ত্ৰৈমাসিকত ৪,৬৬৬ কোটি আগবঢ়াই আইচিআইচিআই প্ৰুডেন্সিয়েল লাইফ ইন্সিওৰেন্সে

**গুৱাহাটী,১৮ জুলাইঃ** আইচিআইচিআই প্ৰুডেন্সিয়েল লাইফ ইন্সিওৰেন্সে চলিত বৰ্ষৰ জুন মাহত সমাপ্ত হোৱা প্ৰথম ত্ৰৈমাসিকত ৩৮৬ কোটি টকাৰে বাৰ্ষিক হিচাপত ২৭.৮শতাংশ অধিক মুঠ লাভ অৰ্জন কৰিবলৈ সক্ষম হৈছে। এই সময়ছোৱাত প্ৰতিষ্ঠানটোৰ টাৰ্ম প্লেনৰ ব্যৱসায়ো বাৰ্ষিক হিচাপত ৬০.৪শতাংশ বৃদ্ধি পায়। ইপিনে প্ৰতিষ্ঠানটোৰ পৰিচালন মণ্ডলীয়েও ইয়াৰ নাম সলনি কৰি 'আইচিআইচিআই লাইফ ইন্সিওৰেন্স লিমিটেড' ৰখাৰ প্ৰস্তাৱত অনুমোদন জনাইছে।প্ৰতিষ্ঠানটোৰ পৰিচালন সঞ্চালক আৰু মুখ্য কাৰ্যবাহী বিষয়া অনুপ বাগচিয়ে কয়, 'গ্ৰাহকৰ প্ৰয়োজনীয়তা পূৰণ কৰাটোৱে আমাৰ ৰণনীতিৰ মূল আধাৰ হৈ আহিছে। ২০২৭ বিত্তীয় বৰ্ষৰ প্ৰথম ত্ৰৈমাসিকত আমাৰ দাবী নিষ্পত্তিৰ অনুপাত ৯৯.৩ শতাংশ হয়, যি উদ্যোগটোৰ ভিতৰতে সবাতোকৈ উত্তম। তদন্ত নকৰাকৈ দাবী নিষ্পত্তিৰ বাবে মাত্ৰ ১ দিনৰ গড় টাৰ্ণআউট সময়ে এই কথা প্ৰমাণ কৰে যে, যেতিয়া গ্ৰাহক আৰু তেওঁলোকৰ পৰিয়ালক আমাৰ আটাইতকৈ বেছি প্ৰয়োজন হয় তেতিয়া তেওঁলোকক সহায় কৰিবলৈ আমি সম্পূৰ্ণৰূপে প্ৰতিশ্ৰুতিবদ্ধ। এই ত্ৰৈমাসিকৰ সময়ছোৱাত আমি ১,৩০৬ কোটি মৃত্যুৰ দাবী নিষ্পত্তি কৰাৰ লগতে মেচিউৰিটি আৰু জীয়াই থকাৰ সুবিধা প্ৰদানৰ নামত ৩,৩৬০ কোটি টকা আগবঢ়োৱা হৈছে, যিয়ে আমাৰ পলিচিধাৰীসকলক সময়মতে আৰ্থিক সুৰক্ষা আৰু মানসিক শান্তি প্ৰদান কৰাত আমাৰ অবিৰত মনোনিৱেশ প্ৰতিফলিত কৰে। ২০২৬ বিত্তীয় বৰ্ষত আমি ৫,১৪৯ কোটি টকাৰ মৃত্যুৰ দাবী নিষ্পত্তি কৰো আৰু মেচিউৰিটি আৰু জীয়াই থকাৰ সুবিধা প্ৰদানৰ নামত ১৫,৩৬৩ কোটি টকা আগবঢ়োৱা হয়।' প্ৰতিষ্ঠানটোৰ কৰ পৰিশোধৰ পিছত লাভ বাৰ্ষিক হিচাপত ২৭.৮শতাংশ বৃদ্ধি পাই ২০২৭ বিত্তীয় বৰ্ষৰ প্ৰথম ত্ৰৈমাসিকত ৩৮৬কোটি টকা হৈছে। উল্লেখযোগ্য যে আমি ২০২৭ বিত্তীয় বৰ্ষৰ প্ৰথম ত্ৰৈমাসিকত আমাৰ খুচুৰা সুৰক্ষা ব্যৱসায়ত বছৰৰ পিছত বছৰ ধৰি ৬০.৪শতাংশ শক্তিশালী বিকাশ পঞ্জীয়ন কৰো, যিয়ে ভাৰতৰ সুৰক্ষাৰ প্ৰয়োজনীয়তাসমূহ পূৰণৰ দিশত আমাৰ অবিৰত দায়বদ্ধতা প্ৰদৰ্শন কৰে ।দক্ষতা বৃদ্ধি আৰু গ্ৰাহকৰ অভিজ্ঞতা বৃদ্ধিৰ বাবে প্ৰযুক্তি, কৃত্ৰিম বুদ্ধিমত্তা আৰু ডিজিটেল ক্ষমতাৰ ব্যৱহাৰ অব্যাহত ৰাখিম।

# বিশ্বৰ আটাইতকৈ বেছি বিক্ৰী হোৱা হুইস্কি ব্ৰেণ্ড হিচাপে পৰিগণিত ৰয়েল ষ্টেগ



**গুৱাহাটী, ১৮ জুলাইঃ** শেহতীয়া আইডব্লিউএছআৰ ২০২৫ৰ ৰেংকিং অনুসৰি পাৰ্নড ৰিকাৰ্ড ইণ্ডিয়াই শুকুৰবাৰে সদৰি কৰে যে প্ৰতিষ্ঠানটোৰ ধ্বজাবাহী ব্ৰেণ্ড ৰয়েল ষ্টেগ ২০২৫ বৰ্ষৰ বিশ্বৰ আটাইতকৈ বেছি বিক্ৰী হোৱা হুইস্কি ব্ৰেণ্ড হিচাপে পৰিগণিত হৈছে। ব্ৰেণ্ডটোৱে এইবৰ্ষত ৩২.৬ মিলিয়ন কেচ বাৰ্ষিক বিক্ৰীৰে অভিলেখ গঢ়িছে।পাৰ্নড ৰিকাৰ্ড ইণ্ডিয়াৰ চিইঅ' জিন তৌবুলে এই বিষয়ে কয় যে, 'এই স্বীকৃতিয়ে বিগত ৩০বছৰত গ্ৰাহকে ৰয়েল ষ্টেগৰ ওপৰত ৰখা আস্থাকে প্ৰতিফলিত কৰিছে। ব্ৰেণ্ডটোৰ এই সফলতাই প্ৰমাণ কৰে যে কেনেকৈ ধাৰাবাহিক উদ্ভাৱন, সাংস্কৃতিক প্ৰাসংগিকতা আৰু গ্ৰাহকৰ আকাংক্ষাৰ সৈতে খোজ মিলাই আগবাঢ়ি যোৱাৰ বাবেই ই এক বিশ্বজোৰা ব্ৰেণ্ড হিচাপে আত্মপ্ৰকাশ কৰিবলৈ সক্ষম হৈছে।১৯৯৫ চনত মুকলি কৰা ৰয়েল ষ্টেগে ব্যাপক ভাৰতীয় গ্ৰাহকৰ মাজত গ্ৰেইন হুইস্কিৰ পৰিচয় কৰাই দিছিল আৰু বিগত বৰ্ষসমূহত ৰয়েল ষ্টেগ বেৰেল চিলেক্ট আৰু ৰয়েল ষ্টেগ ডাবল ডাৰ্কৰ দৰে সামগ্ৰীৰে নিজৰ পৰ্টফলিঅ' সম্প্ৰসাৰণ কৰিছে। প্ৰতিষ্ঠানটোৱে জানিবলৈ দিয়ে যে ব্ৰেণ্ডটোৱে নিজৰ মাৰ্ক অৱ পিয়ৰিটী কাৰ্যসূচী আৰু ডাবল টেম্পাৰ-এভিডেণ্ট টেকন'লজী ক্লজাৰ আদি পদক্ষেপৰ জৰিয়তে গুণগত মানদণ্ড অধিক শক্তিশালী কৰি তুলিছে। বৰ্তমান ৰয়েল ষ্টেগ পৃথিৱীৰ ৩৩ খন দেশত উপলব্ধ।পাৰ্নড ৰিকাৰ্ড ইণ্ডিয়াৰ মুখ্য বিপণন বিষয়া দেৱাশ্ৰী দাসগুপ্তাই কয় যে, 'ক্ৰিকেট, সংগীত আৰু যুৱ সংস্কৃতিৰ দৰে ক্ষেত্ৰত ৰয়েল ষ্টেগ বুমবক্স আৰু আইচিচি টি-২০ বিশ্বকাপ আদি অংশীদাৰিত্বৰ জৰিয়তে ধাৰাবাহিকভাৱে গ্ৰাহকৰ সৈতে জড়িত থকা আৰু উদ্ভাৱনৰ বাবেই ব্ৰেণ্ডটোৱে এই বিশ্বব্যাপী নেতৃত্ব অৰ্জন কৰিবলৈ সক্ষম হৈছে।পাৰ্নড ৰিকাৰ্ড ইণ্ডিয়াই প্ৰকাশ কৰা অনুসৰি, এই মাইলৰ খুঁটিয়ে ভাৰতৰ পৰা উৎপত্তি হোৱা এনে ব্ৰেণ্ডসমূহক বিশ্বজুৰি সমাদৃত ব্ৰেণ্ড হিচাপে গঢ়ি তোলাৰ লক্ষ্যক অধিক সুদৃঢ় কৰিলে।

# আজি লখৰাত বৃহত্তৰ বেতকুছি সাহিত্য সভাৰ কবি সন্মিলন

**গুৱাহাটী,১৮জুলাইঃ** অসম সাহিত্য সভাৰ অন্যতম শক্তিশালী শাখা 'বৃহত্তৰ বেতকুছি স্বৰ্ণদল শাখা সাহিত্য সভা'ৰ সৌজন্যত অহা ১৯ জুলাই, দেওবাৰে পুৱা ১০ বজাৰ পৰা লখৰাস্থিত 'উদয়ন কৃষ্টি সংঘ' প্ৰাংগনত এখন কবি সন্মিলনৰ আয়োজন কৰা হৈছে বুলি শাখা সভাৰ সভাপতি বেণুধৰ তুমুং আৰু সম্পাদক হৰেণ দাসে জনাইছে। উক্ত কবি সন্মিলনত বিশিষ্ট অতিথি হিচাপে অংশ ল'ব বিশিষ্ট কবি কিশোৰ কুমাৰ জৈন, অৰুণ কুমাৰ মহন্ত, ড° অৰুণ শৰ্মা, দুৰ্গেশ্বৰ পাঠক, দীপক শৰ্মা, অন্নদা বড়ো ৰংপী, দিপ্তী বৰা, বিভা দেৱ চৌধুৰীয়ে। যিসকল কবিয়ে এই কবি সন্মিলনত অংশ ল'ব বিচাৰে তেওঁলোকক যথাসময়ত উপস্থিত থাকিবলৈ উদ্যোক্তাসকলে আহ্বান জনাইছে।

# জনপ্ৰিয় কণ্ঠশিল্পী নীল আকাশক দলৰ ব্ৰেণ্ড এম্বেছেদৰ ঘোষণা ডিব্ৰুগড় ৱাৰিয়ৰ্ছৰ



**গুৱাহাটী, ১৮জুলাইঃ**প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হ'বলগীয়া অসম প্ৰিমিয়াৰ লীগ চমুকৈ এপিএলৰ বাবে ইতিমধ্যে সাজু হৈ উঠিছে সকলো ক্ৰিকেট ফ্ৰেঞ্চাইজি। ইণ্ডিয়ান প্ৰিমিয়াৰ লীগৰ আৰ্হিৰে অসমৰ মাটিত প্ৰথমবাৰলৈ অনুষ্ঠিত হ'বলগা এই ক্ৰিকেটৰ ৰোমাঞ্চকৰ যুঁজৰ বাবে বিশেষ প্ৰস্তুতি আৰম্ভ কৰিছে ডিব্ৰুগড় ৱাৰিয়ৰ্ছেও। এনে পৰিপ্ৰেক্ষিততে জনপ্ৰিয় অসমীয়া কণ্ঠশিল্পী নীল আকাশক দলৰ ব্ৰেণ্ড এম্বেছেডৰ হিচাপে ঘোষণা কৰিছে ফ্ৰেঞ্চাইজিটোৱে। একে সময়তে মুকলি কৰা হৈছে ডিব্ৰুগড় ৱাৰিয়ৰ্ছৰ উদ্দীপনাময় অফিচিয়েল এন্থেমো। উজনি অসমৰ অদম্য চেতনা আৰু যুঁজাৰু মানসিকতাক দাঙি ধৰাৰ লক্ষ্যৰে প্ৰস্তুত কৰা এই এন্থেমে ৰাজ্যজুৰি সমৰ্থকসকলক অধিক উৎসাহিত কৰাৰ লগতে বিভিন্ন ষ্টেডিয়ামৰ পৰিৱেশতো নতুন উদ্দীপনা যোগাব বুলি আশা কৰা হৈছে। এই এন্থেম মুকলি অনুষ্ঠানতে ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ বৰ্তমানৰ উপ-সভাপতি তথা ফ্ৰেঞ্চাইজিৰ উপদেষ্টা ভাস্কৰ পাপুকন গগৈকো সম্বৰ্ধনা জনোৱা হয় ।ইফালে, প্ৰথমটো সংস্কৰণত শক্তিশালী আৰম্ভণিৰ লক্ষ্যৰে তেওঁলোকৰ প্ৰশিক্ষক আৰু সহযোগী কৰ্মকৰ্তাৰ তালিকাও ঘোষণা কৰে ডিব্ৰুগড় ৱাৰিয়ৰ্ছে। সেই অনুসৰি, দলৰ মুখ্য প্ৰশিক্ষকৰ দায়িত্বত থাকিব অসমৰ প্ৰাক্তন ক্ৰিকেটাৰ ধীৰাজ গোস্বামী। তেওঁক সহায় কৰিব সহকাৰী প্ৰশিক্ষক নীলেশ শৰ্মাই। বলিং প্ৰশিক্ষক হিচাপে দায়িত্ব পালন কৰিব প্ৰাক্তন প্ৰথম শ্ৰেণীৰ ক্ৰিকেটাৰ সুজয় তৰফদাৰে। আনহাতে, ষ্ট্ৰেংথ এণ্ড কণ্ডিচনিং প্ৰশিক্ষকৰ দায়িত্বত থাকিব ভাৰ্গৱ শৰ্মা। ইয়াৰ উপৰি সহযোগী কৰ্মকৰ্তা হিচাপে আৰু একাধিক সদস্যক নিয়োজিত কৰা হৈছে ।ফ্ৰেঞ্চাইজিৰ কৰ্তৃপক্ষই এই সন্দৰ্ভত কয়, 'অসম প্ৰিমিয়াৰ লীগত প্ৰথমবাৰৰ বাবে অংশগ্ৰহণ কৰিবলৈ পাই আমি অত্যন্ত আনন্দিত হৈছোঁ। আমাৰ বিশ্বাস, এই প্ৰতিযোগিতাই উত্তৰ-পূব ভাৰতৰ ক্ৰীড়া জগতত এক বৈপ্লৱিক পৰিৱৰ্তনৰ সূচনা কৰিব।' ফ্ৰেঞ্চাইজিৰ স্বত্বাধিকাৰ অৰুণ কুমাৰ ৰায়ে কয়, 'অসমৰ প্ৰতিভাৱান স্থানীয় ক্ৰিকেটাৰসকলক বিচাৰি উলিয়াই তেওঁলোকক আগবাঢ়ি যোৱাৰ সুযোগ প্ৰদান কৰিবলৈ এপিএল এক আদৰ্শ মঞ্চ। নীল আকাশক ব্ৰেণ্ড এম্বেছেডৰ হিচাপে জড়িত কৰা, উজনি অসমৰ প্ৰকৃত চেতনা প্ৰতিফলিত কৰা এন্থেম মুকলি আৰু অভিজ্ঞ প্ৰশিক্ষক দলক একত্ৰিত কৰাৰ জৰিয়তে আমি এক শক্তিশালী ভেটি গঢ়ি তুলিছোঁ। ডিব্ৰুগড় ৱাৰিয়ৰ্ছ এতিয়া আত্মবিশ্বাসেৰে উজ্জীৱিত। সমৰ্থকসকলক গৌৰৱান্বিত কৰিব পৰা এনে এক যুঁজাৰু তথা ৰোমাঞ্চকৰ ক্ৰিকেট উপহাৰ দিবলৈ আমি ব্যাকুল হৈ আছোঁ।'

# 'বন্দেমাতৰম'ৰ ১৫০ বছৰ পূৰ্ণ হোৱা উপলক্ষে 'স্বাধীনতাৰ জ্যোতি' নাটৰ সফল মঞ্চায়ন



**গুৱাহাটী, ১৮জুলাইঃ** ৰাষ্ট্ৰীয় গীত 'বন্দেমাতৰম'ৰ ১৫০বছৰ পূৰ্ণ হোৱা উপলক্ষে শুকুৰবাৰে পিএমশ্ৰী কেন্দ্ৰীয় বিদ্যালয়, বায়ুসেনা স্থান, বৰঝাৰত সুৰজিৎ একাডেমীৰ উদ্যোগত দেশপ্ৰেমমূলক নাট 'স্বাধীনতাৰ জ্যোতি' সফলভাৱে মঞ্চস্থ কৰা হয়। অনুষ্ঠানটোত বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী, শিক্ষাৰ্থী আৰু বিশিষ্ট অতিথিসকলে উপস্থিত থাকি শিল্পীসকলক উৎসাহিত কৰে।স্বাধীনতা সংগ্ৰামী ভোগেশ্বৰী ফুকননীৰ বীৰত্ব, দেশপ্ৰেম আৰু আত্মত্যাগৰ জীৱনগাঁথাৰ আধাৰত ৰচিত এই নাটখনৰ ৰচনা আৰু পৰিচালনা কৰে সীমান্ত শৰ্মাই আৰু সহকাৰী পৰিচালনাৰ দায়িত্ব পালন কৰে বিনীতা দেৱীয়ে। নাটখনে স্বাধীনতা সংগ্ৰামৰ মূল্যবোধ নতুন প্ৰজন্মৰ মাজত সুন্দৰভাৱে উপস্থাপন কৰি উপস্থিত দৰ্শকক গভীৰভাৱে আপ্লুত কৰে।নাটখনত অভিনয় কৰে কৰিস্মিতা তালুকদাৰ, কৃষ্টি ৰাজবংশী, অংশুমান দাস, আৰিত্ৰিকা বৰুৱা, দেৱ প্ৰতীম গোস্বামী, হাৰ্দিক শৰ্মা, ধ্ৰুৱ জ্যোতি কলিতা, লিয়ানা দেৱ, আৰিয়া জিব্ৰান আৰু পলক কৈৰীয়ে। সংগীত পৰিকল্পনা কৰে কৃতাৰ্থ শৰ্মা আৰু দীপা মহন্তই। সাজসজ্জাত তৃষ্ণা কলিতা আৰু মমী কলিতা, ৰূপসজ্জাত হিমাংশু দাস আৰু মঞ্চসজ্জাত প্ৰণৱ জ্যোতি ৰাভা আৰু মনোজ নাথে বিশেষ ভূমিকা পালন কৰে।অনুষ্ঠানটোৱে দেশপ্ৰেম, জাতীয় চেতনা আৰু স্বাধীনতা সংগ্ৰামীসকলৰ ত্যাগৰ প্ৰতি শ্ৰদ্ধাবোধ জাগ্ৰত কৰাৰ লগতে সাংস্কৃতিক শিক্ষাৰ গুৰুত্বও প্ৰতিফলিত কৰে।

# ২ আগষ্টত গুৱাহাটীত দ্বিতীয় প্ৰজ্ঞা অসমীয়া শিকন কৰ্মশালা

**গুৱাহাটী, ১৮জুলাইঃ**অসমীয়া ভাষাৰ শুদ্ধ, শৈল্পিক আৰু ফলপ্ৰসূ ব্যৱহাৰ শিক্ষা আৰু সাংবাদিকতা ক্ষেত্ৰত অধিক শক্তিশালী কৰি তোলাৰ লক্ষ্যৰে মিডিয়াহাইপৰ অন্তৰ্গত প্ৰজ্ঞা মিডিয়াহাইপ পাব্লিকেচন আৰু স্ক'লাৰ গ্ৰ'ভ লাৰ্নিং-এ অহা ২ আগষ্ট দেওবাৰে উজান বজাৰৰ কুমাৰ ভাস্কৰ নাট্য মন্দিৰত পুৱা ১১বজাৰ পৰা আবেলি ৪ বজালৈ 'দ্বিতীয় প্ৰজ্ঞা অসমীয়া শিকন কৰ্মশালা (শিক্ষক আৰু সাংবাদিকৰ বাবে) আৰু শিক্ষক সম্বৰ্ধনা অনুষ্ঠান-২০২৬' আয়োজন কৰিছে। ৰাষ্ট্ৰীয় শিক্ষা নীতি-২০২০ আৰু ৰাষ্ট্ৰীয় পাঠ্যক্ৰম কাঠামো-২০২৩ৰ লক্ষ্য আৰু আদৰ্শৰ সৈতে সংগতি ৰাখি আয়োজিত এই কৰ্মশালাৰ মূল উদ্দেশ্য হৈছে অসমীয়া ভাষা শিক্ষণৰ আধুনিক আৰু ফলপ্ৰসূ পদ্ধতিৰ প্ৰচাৰ, সাংবাদিকতাত শুদ্ধ আৰু দায়িত্বশীল ভাষা ব্যৱহাৰক উৎসাহিত কৰা আৰু অসমৰ ভাষা-সংস্কৃতি সংৰক্ষণত সমূহীয়া প্ৰচেষ্টা শক্তিশালী কৰা। তেওঁলোকৰ ভিতৰত আছে প্ৰফেছৰ সুৰেন তালুকদাৰ (অৱসৰপ্ৰাপ্ত অধ্যাপক, কটন বিশ্ববিদ্যালয়), ড° দীপামণি হালৈ মহন্ত (সহযোগী অধ্যাপক, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়), ড° পুলক কুমাৰ ভট্টাচাৰ্য (ডীন অৱ ষ্টাডিজ, ইণ্টাৰনেশ্যনেল স্কুল, গুৱাহাটী), সাহিত্য অকাডেমি বঁটা-২০২৫ প্ৰাপক দেৱব্ৰত দাস, চিবিএছইৰ প্ৰাক্তন আঞ্চলিক সঞ্চালক কে কে চৌধুৰীৰ লগতে আন বহু বিশিষ্ট শিক্ষাবিদ, সাহিত্যিক, ভাষা বিশেষজ্ঞ আৰু প্ৰশাসনিক বিষয়া।অনুষ্ঠানটোৰ অন্যতম আকৰ্ষণ হ'ব শিক্ষক আৰু অধ্যক্ষ সম্বৰ্ধনা অনুষ্ঠান, য'ত অসমীয়া ভাষা শিক্ষা ক্ষেত্ৰলৈ অসামান্য অৱদান আগবঢ়োৱা বিশিষ্ট শিক্ষক-শিক্ষয়িত্ৰীসকলৰ লগতে সমাজলৈ আগবঢ়োৱা উল্লেখযোগ্য অৱদানৰ স্বীকৃতি স্বৰূপে কেইবাজনো বিদ্যালয়ৰ অধ্যক্ষকো সম্বৰ্ধনা জনোৱা হ'ব। আয়োজকসকলে অসমৰ বিভিন্ন বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয়, সংবাদ মাধ্যম আৰু সাংবাদিকসকলক এই ব্যতিক্ৰমী অনুষ্ঠানত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। সংবাদ মাধ্যমসমূহক তেওঁলোকৰ সাংবাদিক, উপ-সম্পাদক, কপি এডিটৰ আৰু সম্পাদকীয় কৰ্মীসকলক কৰ্মশালাত মনোনয়ন দি প্ৰেৰণ কৰিবলৈও অনুৰোধ জনোৱা হৈছে। অংশগ্ৰহণ কৰিবলৈ ইচ্ছুকসকলে ২৫জুলাইৰ ভিতৰত ৯৮৬৪২-০৪৭২৮ নম্বৰত যোগাযোগ কৰি নিজৰ অংশগ্ৰহণ নিশ্চিত কৰিবলৈ অনুৰোধ জনোৱা হৈছে। আয়োজকসকলৰ মতে, এই কৰ্মশালাই অসমীয়া ভাষা শিক্ষা, সাংবাদিকতাৰ ভাষাৰ মান উন্নীতকৰণ আৰু শিক্ষা-সাংবাদিকতা-সাহিত্যৰ মাজত এক সুস্থ সমন্বয় গঢ়ি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।

# তিনিটাকৈ দৰ্শনীত হাউছফুলৰে 'আৰ আৰ চিনেমাছ'ত চলি আছে 'ককা দেউতা নাতি আৰু হাতী- ২'

**গুৱাহাটী, ১৮ জুলাইঃ** শেহতীয়াভাৱে অসমীয়া চিনেমাৰ জগতলৈ কিছুদিনৰ পৰা নতুনত্বৰ সমান্তৰালভাৱে ইখনৰ পাছত সিখন ছবিৰ বাণিজ্যিক সফলতাই নতুন আশাৰ ৰেঙনি কঢ়িয়াই অনাটো নিশ্চিতভাৱে এক ইতিবাচক দিশ হিচাপে পৰিগণিত হৈছে। ভাল ছবি নিৰ্মাণ কৰিলে যে দৰ্শকে আঁকোৱালি লয় সেইটো প্ৰমাণিত হ'ল প্ৰাইড ইষ্ট এণ্টাৰটেইনমেণ্ট প্ৰাইভেট লিমিটেডৰ প্ৰযোজনা আৰু বিশ্বজিৎ বৰাৰ পৰিচালনাত নিৰ্মিত 'ককা দেউতা নাতি আৰু হাতী- ২'নামৰ অসমীয়া চিনেমাখনত। বিশেষকৈ অসমৰ মুক্তিৰ দিনাৰ পৰাই আজিলৈকে অসমৰ বহু চিত্ৰগৃহতে চিনেমাখন 'হাউছফুল'। ইফালে গুৱাহাটীৰ পশ্চিম প্ৰান্তৰ জালুকবাৰী সমষ্টিৰ অন্যতম ব্যস্ত অঞ্চল হিচাপে পৰিচিত আৰু বৰঝাৰস্থিত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰৰ কাষৰীয়া আজাৰা ভি আই পিস্থিত 'আৰ আৰ চিনেমাছ' নামৰ আধুনিক সা -সুবিধাযুক্ত চলচিত্ৰ গৃহটোত দুই সপ্তাহ পাৰ হোৱাৰ পাছতো চলি আছে 'ককা দেউতা নাতি আৰু হাতী -২'চিনেমাখন। চলচ্চিত্ৰ গৃহটোৰ স্বত্বাধিকাৰী ৰাজীৱ কুমাৰ দত্তই জানিবলৈ দিয়া মতে যোৱা ৩ জুলাইত ৰাজ্যৰ আন বহু চলচিত্ৰ গৃহৰ দৰে তেওঁলোকৰ আৰ আৰ চিনেমাছতো ককা দেউতা নাতি আৰু হাতী-২ চিনেমাখন মুক্তি দিয়া হৈছিল। দুটা সপ্তাহ পাৰ হৈ যোৱাৰ পাছতো দৰ্শকৰ বিপুল সহাৰিৰ বাবে চিনেমাখন তিনিটাকৈ দৰ্শনীত চলি আছে। প্ৰথমতে এটা সপ্তাহ চলচিত্ৰ গৃহটোত চাৰিটা দৰ্শনী ক্ৰমে - দিনৰ ১১.৩০ বজা, বিয়লি ২ বজা, সন্ধিয়া ৫.৩০ বজা আৰু নিশা ৮বজাত আটাইকেইটাতে হাউছফুল হিচাপে চিনেমাখন চলি আছিল। তাৰ পাছত একেৰাহে দুটা সপ্তাহ পাৰ হোৱাৰ পাছতো তিনিটা দৰ্শনী ক্ৰমে-দিনৰ ১১.৩০ বজা, বিয়লি ২ বজা সন্ধিয়া ৫.৩০বজাৰ দৰ্শনীত চিনেমাখন চলি আছে। আনকি অনা অসমীয়া দৰ্শকেও বিশেষকৈ বৰঝাৰস্থিত ভাৰতীয় বিমানবন্দৰ প্ৰাধিকৰণকে ধৰি অঞ্চলটোত থকা সৰ্বভাৰতীয় পৰ্যায়ৰ বহু অনুষ্ঠান- প্ৰতিষ্ঠানৰ বিষয়া- কৰ্মচাৰী আৰু তেওঁলোকৰ পৰিয়ালৰ লোকেও চিনেমাখন উপভোগ কৰিছে। প্ৰতিটো প্ৰজন্মৰ মাজতে চিনেমাখন জনপ্ৰিয় হৈ পৰিছে। নিশ্চিতভাৱে ই অসমীয়া ছবিলৈ এক ভাল খবৰ। ইফালে ৰাজীৱ কুমাৰ দত্তই জানিবলৈ দিয়া অনুসৰি ২০২২ বৰ্ষৰ ১৮ মাৰ্চত জনপ্ৰিয় অভিনেত্ৰী আইমী বৰুৱাই চলচিত্ৰ গৃহটো মুকলি কৰিছিল। উল্লেখ্য যে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই শৈশৱকালতে অভিনয় কৰা পুৰণি বোলছবি ককাদেউতা নাতি আৰু হাতী এক মধুৰ নষ্টালজিয়া হৈ ককাদেউতা নাতি আৰু হাতী-২ৰ ৰূপত পুনৰ উভতি আহিছে অসমৰ ছবিগৃহলৈ। ককাদেউতা নাতি আৰু হাতী বোলছবিক নতুনত্বৰ সঞ্জীৱনী প্ৰদৰ্শনেৰে উজ্জীৱিত কৰা নতুন বোলছবিখন দৰ্শকে উপভোগ কৰি প্ৰাইড ইষ্ট এণ্টাৰটেইনমেণ্টছ প্ৰাইভেট লিমিটেডৰ প্ৰচেষ্টাক একেমুখে প্ৰশংসা কৰা পৰিলক্ষিত হয়।



# ইছৰ'ত ৰোকেটৰ আৰ্হি নিৰ্মানৰ প্ৰক্ৰিয়াত অংশ গ্ৰহণ সুদীপ্তৰ

**বাতৰি কাকত, মুকালমুৱা, ১৬ জুলাই ঃ** মহাকাশ বিজ্ঞান আৰু প্ৰযুক্তিৰ সহায়ত দেশ আৰু মানৱ জাতিৰ উন্নতিৰ বাবে কাম কৰা ভাৰতীয় মহাকাশ গৱেষণা সংস্থা (ইছৰ')ত স্থান লাভ কৰি নলবাৰীলৈ গৌৰৱ কঢ়িয়াই আনিছে ককয়াৰ অতি মেধাসম্পন্ন সুদীপ্ত কুমাৰ মিশ্ৰ নামৰ অধ্যয়নৰত ছাত্ৰজনে। জিলাখনৰ ককয়া গাঁৱৰ ৰাজীৱ কুমাৰ মিশ্ৰ আৰু মনিকা দেৱীৰ একমাত্ৰ পুত্ৰ সন্তান সুদীপ্তৰ সৰুৰে পৰাই আছিল এগৰাকী বিজ্ঞানী হোৱাৰ সপোন। নলবাৰীৰ বানেকুছিস্থিত পি এম শ্ৰী জৱাহৰ নবোদয় বিদ্যালয়ৰ দশম শ্ৰেণীৰ মেধাৱী ছাত্ৰ সুদীপ্ত কুমাৰ মিশ্ৰই ভৱিষ্যতে এগৰাকী মহাকাশ বিজ্ঞানী হোৱাৰ দুৰ্বাৰ হেঁপাহ লৈ 'ইছৰ' ভ্ৰমণ কৰি ঘৰলৈ উভতিছে। উল্লেখ্য যে ভাৰতবৰ্ষৰ মুঠ ৪৫০ গৰাকীৰ ভিতৰত অসমৰ ১৩ গৰাকীয়ে 'ইছৰ' ভ্ৰমণৰ সুযোগ লাভ কৰিছিল। সৰুৰে পৰাই বিজ্ঞানী হোৱাৰ সপোন ৰচা সুদীপ্তই 'ইছৰ'ৰ বিশেষ কাৰ্যসূচীৰ অধীনত সুযোগ সন্ধানী খবৰত যোৱা মাৰ্চ মাহত আবেদন কৰিছিল আৰু উক্ত আবেদনৰ ভিত্তিতেই তেওঁৰ 'ইছৰ' ভ্ৰমণৰ সৌভাগ্য ঘটিছিল । 'ভাৰতীয় মহাকাশ গৱেষণা সংস্থা'ৰ মুখ্য কাৰ্যালয় কৰ্ণাটকৰ বাংগালুৰুত সুদীপ্তই মহাকাশ অভিযানৰ বহুকেইটা অতি দৰকাৰী দিশ নিচেই ওচৰৰ পৰা প্ৰত্যক্ষ কৰা বুলি জানিব দিয়ে। তেওঁ সংস্থাটোৰ বিজ্ঞানীসকলৰ তত্বাৱধানত নিজেই ৰকেটৰ আৰ্হি প্ৰস্তুতৰ দৰে জটিল প্ৰক্ৰিয়াতো ভাগ লৈছিল। নিজেই ৰকেট নিৰ্মাণৰ অভিজ্ঞতাই তেওঁক অভিভূত কৰি তোলা বুলিও উল্লেখ কৰে । ৰৰ মে'ৰ পৰা ২২ মে'লৈ বাংগালুৰুত চলা কাৰ্যসূচীত তেওঁ এক বিৰল অভিজ্ঞতা আহৰণ কৰা বুলি ব্যক্ত কৰে । লগতে সুদীপ্তই মহাকাশত মহাকাশচাৰীসকলে কেনেকুৱা ধৰণৰ খাদ্য গ্ৰহণ কৰে, তেওঁলোকে আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰত থকাৰ ব্যৱস্থাৰ লগতে বিজ্ঞানীসকলে চন্দ্ৰলৈ গৈ কেনেদৰে গৱেষণা চলাই এই সকলোবোৰ অভিজ্ঞতা তেওঁ ভ্ৰমণৰ সময়ছোৱাত লাভ কৰে । চিকিৎসক নতুবা অভিযন্তা হোৱাৰ মন নেমেলা সুদীপ্তই সৰুৰে পৰাই পুহি ৰাখিছে এগৰাকী বিজ্ঞানী হোৱাৰ। মনত যদি ইচ্ছা শক্তি থাকে তেনেহক্সলে কোনো কামেই কঠিন নহয় বুলি তেওঁ দৃঢ়তাৰে ব্যক্ত কৰে । সমগ্ৰ অসমলৈ গৌৰৱ কঢ়িয়াই অনা সুদীপ্ত সৰুৰে পৰা আৱিষ্কাৰ মনোভাৱেৰে বিজ্ঞানীৰ লক্ষণ দেখা পোৱা বুলি পিতৃ ৰাজীৱ কুমাৰ মিশ্ৰ আৰু মাতৃ মনিকা দেৱীয়ে জানিবলৈ দিয়ে। উল্লেখ্য যে ভিতৰুৱা গ্ৰামাঞ্চলৰ পৰা 'ভাৰতীয় মহাকাশ গৱেষণা সংস্থা'ত স্থান দখল কৰা নে ককয়াৰ সুদীপ্তৰ এই সাফল্যত পিতৃ-মাতৃ,বিদ্যালয় কৰ্তৃপক্ষৰ লগতে গাঁওবাসীক আনন্দিত কৰি তুলিছে।

# ধুবুৰীত জিলা ন্যায়িক কৰ্মচাৰী সন্থাৰ সৰ্বাত্মক কৰ্মবিৰতি

**ষ্টাফ ৰিপ'ৰ্টাৰ, ধুবুৰী, ১৬ জুলাই ঃ** ধুবুৰী জিলা ন্যায়িক কৰ্মচাৰী সন্থাৰ কৰ্মচাৰী সকল তেওঁলোকৰ ন্যায্যপ্ৰাপ্তিৰ দাবী উত্থাপন কৰি দুদিনীয়া কৰ্মবিৰতিৰ কাৰ্যসূচী ৰূপায়ন কৰে। সদৌ অসম ন্যায়িক কৰ্মচাৰী সন্থাৰ আহ্বানত আজি অসমৰ বিভিন্ন জিলাৰ লগতে ধুবুৰী জিলাতো কৰ্মৰত ন্যায়িক কৰ্মচাৰী সকল নিজ কৰ্মস্থলীৰ পৰা ওলাই আহি জিলা ন্যায়িক আদালত চৌহদত প্ৰতিবাদ সাব্যস্ত কৰে। চেট্ৰী আয়োগৰ পৰামৰ্শৱলীৰ ভিত্তিত উচ্চতম ন্যায়ালয়ৰ এক গোচৰৰ হুকুম সম্পূৰ্ণভাবে কাৰ্যকৰী নকৰাৰ প্ৰতিবাদত আৰু অন্যান্য ন্যায্যপ্ৰাপ্তিৰ দাবীত দুদিনীয়া সৰ্বাত্মক কৰ্মবিৰতি কাৰ্যসূচী ৰূপায়ন কৰে। আজিৰে পৰা আৰম্ভ হোৱা কৰ্মবিৰতি কাৰ্যসূচীত কৰ্মচাৰীসকল তেওঁলোকৰ বিভিন্ন দাবী সমূহ লৈ হাতে হাতে প্লে-কাৰ্ড বেনাৰ লৈ বিভিন্ন শ্লোগানেৰে প্ৰতিবাদ সাব্যস্ত কৰে। অসম চৰকাৰে কৰ্মীচাৰীসকলৰ দাবী মানি নললে অনাগত দিনত গনতান্ত্ৰিক আন্দোলন গঢ়ি তোলাৰ হুংকাৰ প্ৰদান কৰে কৰ্মচাৰী সকল।

# বিশিষ্ট কবি-গীতিকাৰ নলীন কোঁৱৰলৈ 'অসম গৌৰৱ সন্মান' বঁটা


**বাতৰি কাকত, গোলাঘাট, ১৬ জুলাই ঃ** গোলাঘাটৰ চেলেঙী গাঁৱৰ বিশিষ্ট কবি, গীতিকাৰ, সাংস্কৃতিক কৰ্মী তথা সমাজকৰ্মী নলীন কোঁৱৰলৈ আগবঢ়োৱা হৈছে ২০২৬ বৰ্ষৰ 'অসম গৌৰৱ সন্মান' বঁটা। গুৱাহাটীৰ অগ্ৰণী সামাজিক-সাংস্কৃতিক অনুষ্ঠান 'বৰলুইত ফাউণ্ডেশ্যনে' নলীন কোঁৱৰে সমাজ জীৱনলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে এই বঁটা আগবঢ়াইছে। অহা ১৯ জুলাইত গুৱাহাটীৰ সোণাপুৰৰ কমাৰকুছি পঞ্চায়ত প্ৰেক্ষাগৃহত দিনৰ ১ বজাৰ পৰা অনুষ্ঠিত হ'বলগীয়া এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত বিশিষ্ট সাংস্কৃতিক কৰ্মীগৰাকীক আনুষ্ঠানিকভাৱে এই বঁটা প্ৰদান কৰা হ'ব। উল্লেখ্য যে, ১৯৭৫ চনৰ পৰা বৰ্তমানলৈকে সুদীৰ্ঘ কাল ধৰি নীৰৱে সাহিত্য আৰু সংস্কৃতিৰ সাধনাত ব্ৰতী হৈ থকা নলীন কোঁৱৰে ইয়াৰ পূৰ্বেও কেইবাটাও গুৰুত্বপূৰ্ণ সন্মানেৰে বিভূষিত হৈছে। ২০১২ চনত তেওঁৰ অভিনয় সমৃদ্ধ 'মনত পৰেনে অৰুন্ধতী' নামৰ কাব্য ভিচিডিখন প্ৰযোজনা কৰাৰ বাবে 'শ্ৰেষ্ঠ প্ৰযোজকৰ এনাজৰী বঁটা' লাভ কৰিছিল। ইয়াৰ পিছত ২০২০ বৰ্ষত 'মাতৃভূমি বিশেষ বঁটা', ২০২২ চনত 'অসম সুবাস জেউতি বঁটা' আৰু ২০২৩ বৰ্ষত যোৰহাটৰ অগ্ৰণী অনুষ্ঠান 'মাতৃভূমি'য়ে আগবঢ়োৱা 'মাতৃভূমি কৰ্মপ্ৰেৰণা বঁটা' লাভ কৰিবলৈ সক্ষম হৈছিল। নলীন কোঁৱৰলৈ আগবঢ়োৱা এই নতুন সন্মানে এতিয়া সমগ্ৰ গোলাঘাট জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনিছে আৰু গুণমুগ্ধসকলে তেওঁক আন্তৰিক অভিনন্দন জনাইছে।

# কপাহবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সোণালী জয়ন্তী উদ্‌যাপন উপলক্ষে সমিতি গঠন

**বাতৰি কাকত, হোজাই, ১৬ জুলাই ঃ** হোজাই জিলাৰ বিন্নাকান্দি বিধানসভা সমষ্টিৰ অন্তৰ্গত কপাহবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ আগন্তুক সোণালী জয়ন্তী উদ্‌যাপন উপলক্ষে বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলনৰ এখন গুৰুত্বপূৰ্ণ সাধাৰণ সভা অলপতে বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত হয়। সভাত সভাপতিত্ব কৰে বিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক মইন উদ্দিন আহমেদে। সভাত আগন্তুক দুবছৰীয়া কাৰ্যকালৰ বাবে নেছাৰ আহমেদ আৰু হেলাল আহমেদক উপদেষ্টা, দিলাল আহমেদক সভাপতি, ছিৰাজুল ইছলামক কাৰ্যকৰী সভাপতি, ইব্ৰাহীম আলী, হাৰুন আহমেদ, নিৰেন দাস, বদৰুল ইছলাম আৰু লুৎফুৰ ৰহমানক উপ-সভাপতি, লগতে আনৱাৰ হুছেইনক কোষাধ্যক্ষ হিচাপে লৈ প্ৰুৰ জনীয়া কাৰ্যনিৰ্বাহক সমিতি গঠন কৰা হয়। ইয়াৰ উপৰিও সোণালী জয়ন্তী উদযাপনৰ বাবে এখন পৃথক অভ্যৰ্থনা সমিতিও গঠন কৰা হয়। অভ্যৰ্থনা সমিতিৰ সভাপতি হিচাপে নেছাৰ আহমেদক বাছনি কৰাৰ লগতে বিষয় শিক্ষক ছিৰাজুল ইছলামক কাৰ্যকৰী সভাপতি, হাৰুন আহমেদ, বদৰুল ইছলাম আৰু হবিবুৰ ৰহমান লস্কৰক উপ-সভাপতি হিচাপে দায়িত্ব অৰ্পণ কৰা হয়। দুয়োখন সমিতিৰ পদেন সদস্য-সচিব হিচাপে দায়িত্ব পালন কৰিব বিদ্যালয়ৰ প্ৰধান শিক্ষক নেৱাজ উদ্দিন আহমেদে। সভাৰ আৰম্ভণিতে অকাল মৃত্যুক আকোঁৱালি লোৱা কপাহবাৰীৰ বিশিষ্ট সমাজকৰ্মী চাহাবুদ্দিনৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি এক মিনিট মৌন প্ৰাৰ্থনা পালন কৰা হয় আৰু শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ আন্তৰিক সমবেদনা জ্ঞাপন কৰা হয়। উল্লেখ্য যে , কবি দিলাল আহমেদে আঁত ধৰা সভাত প্ৰায় দুই শতাধিক প্ৰাক্তন শিক্ষাৰ্থী, শিক্ষক আৰু স্থানীয় বহু কেইজন লোক উপস্থিত থাকি সোণালী জয়ন্তী অনুষ্ঠান সফল ৰূপায়ণৰ বাবে সৰ্বাত্মক সহযোগিতাৰ আশ্বাস প্ৰদান কৰে।

# অসম প্ৰকাশন পৰিষদৰ ৰিপেন বড়ো, সুশান্ত নাব্লা মুছাহাৰী আৰু পাদুলাল ৰামচিয়াৰীলৈ 'গ্ৰন্থবৰ্ষ ২০২৫ ফেল'শ্বিপ'





**ষ্টাফ ৰিপৰ্টাৰ, টংলা, ১৬ জুলাই ঃ** অসম চৰকাৰে ঘোষণা কৰা গ্ৰন্থবৰ্ষ-২০২৫ৰ সৈতে সংগতি ৰাখি অসম প্ৰকাশন পৰিষদৰ উদ্যোগত লেখক তথা বৌদ্ধিক ক্ষেত্ৰৰ সৈতে জড়িত ব্যক্তিসকলক সামৰি আয়োজন কৰা অভিলাষী প্ৰকল্প 'গ্ৰন্থবৰ্ষ-২০২৫ ফেল' শ্বিপ' প্ৰাপকসকলৰ নাম ঘোষণা কৰা হৈছে। বড়ো ভাষাত ফেল'শ্বিপ লাভ কৰি ওদালগুৰি জিলা খনলৈ এইবাৰ গৌৰৱ কঢ়িয়াই আনিছে বনফুল (অনুবাদ)ৰ বাবে ৰিপেন বড়ো,বাথৌ ধৰ্ম আৰু খেৰাই উৎসৱ পাণ্ডুলিপিৰ বাবে সুশান্ত নাবলা মুছাহাৰী আৰু ট্ৰঢ়ৰে মহাসাগৰ পৰিভ্ৰমণ পাণ্ডুলিপিৰ বাবে পদুলাল ৰামচিয়াৰীক আগবঢ়োৱা হয় গ্ৰন্থবৰ্ষ ২০২৫ ফেল'শ্বিপ'। উল্লেযোগ্য যে বিশিষ্ট লেখক, অভিধান প্ৰণেতা, অসম প্ৰকাশন পৰিষদৰ উপাধ্যক্ষ সুমন্ত চলিহাৰ অধ্যক্ষতাত গঠিত দহজনীয়া সমিতিয়ে দীৰ্ঘদিনীয়া বাছনি প্ৰক্ৰিয়াৰ জৰিয়তে ফেল'শ্বিপ প্ৰাপকসকলৰ তালিকা প্ৰস্তুত কৰা হয়। অসম প্ৰকাশন পৰিষদে অসমীয়া, বাংলা আৰু বড়ো ভাষাৰ লগতে অসমৰ জনগোষ্ঠীয় ভাষাৰ গ্ৰন্থকাৰসকলৰ বাবে মুঠ বাইছটা বিষয় ধাৰ্য কৰি লেখকসকলৰ পৰা আহ্বান কৰা পাণ্ডুলিপিসমূহৰ পৰা বিচাৰকসকলে এই তালিকা নিৰ্বাচিত কৰে। বিভিন্ন বিষয়ৰ ফেল' শ্বিপৰ বাবে ৫১২ গৰাকী লেখকৰ পৰা মুঠ ৫৪৭টা পাণ্ডুলিপি জমা পোৱা গৈছিল আৰু উক্ত পাণ্ডুলিপিসমূহ পৰীক্ষা কৰি বিচাৰকসকলে ৪৯গৰাকী লেখকৰ পাণ্ডুলিপি নিৰ্বাচন কৰে। 'গ্ৰন্থবৰ্ষ ২০২৫ ফেল'শ্বিপ' লাভ কৰা লেখকসকলে ৫০ হাজাৰ টকাৰ লগতে একোখনি প্ৰমাণ পত্ৰ লাভ কৰিব বুলি অসম প্ৰকাশন পৰিষদ তৰফৰ পৰা জানিব পৰা গৈছে।

# মৰিগাঁৱৰ কৃষি চক্ৰত ক্ষীপ্ৰতাৰে আৰম্ভ হৈছে কৃষক পঞ্জীয়ন শিবিৰ

**বাতৰি কাকত, ভূৰাগাঁও, ১৬ জুলাই ঃ** কৃষক পঞ্জীয়ন প্ৰক্ৰিয়া ক্ষীপ্ৰতৰ কৰাৰ বাবে কৃষক ৰাইজৰ মাটিৰ নামজাৰিৰ সমস্যা সমাধান কৰাটো অতিকৈ প্ৰয়োজনীয়। এই উদ্দেশ্যে আগত ৰাখিয়েই, মৰিগাঁও জিলা প্ৰশাসনৰ উদ্যোগত আৰু কৃষি বিভাগৰ সহযোগত ইতিমধ্যে কৃষকৰ সুবিধা নিশ্চিত কৰাৰ লক্ষ্যৰে ৰাজ্য চৰকাৰৰ নিৰ্দেশনা অনুসৰি মাটিৰ উত্তৰাধিকাৰী সূত্ৰে নামজাৰী আৰু কৃষক পঞ্জীয়ন অভিযান সফলভাৱে ৰূপায়ণ কৰি আছে। অভিযানৰ অধীনত কৃষি উন্নয়ন বিষয়া, কৃষি পৰিদৰ্শক, সহকাৰী কৃষি পৰিদৰ্শক আৰু কৃষি সম্প্ৰসাৰণ সহায়কসকলে গাঁওভিত্তিকভাৱে কৃষকৰ ঘৰে ঘৰে উপস্থিত হৈ পঞ্জীয়ন নকৰা কৃষকসকলৰ তাৎক্ষণিক পঞ্জীয়ন সম্পন্ন কৰাৰ ব্যৱস্থা কৰিছে। বুধবাৰেও



কৃষি বিভাগৰ বিষয়া কৰ্মচাৰী সকলে কাৰ্যসূচী সফলতাৰে ৰূপায়ণ কৰে। কৃষকৰ দুৱাৰমুখত চৰকাৰী সেৱা আগবঢ়োৱাৰ এই জনমুখী পদক্ষেপে কৃষকৰ সময়, ব্যয় আৰু কষ্ট হ্ৰাস কৰাৰ লগতে কৃষি খণ্ডত স্বচ্ছ, সহজলভ্য আৰু ফলপ্ৰসূ সেৱা নিশ্চিত কৰি কৃষক আৰু কৃষি বিভাগৰ মাজত আস্থা অধিক সুদৃঢ় কৰিছে। উল্লেখযোগ্য যে, মৰিগাঁও জিলা কৃষি বিভাগে সৰ্বাধিক কৃষকৰ পঞ্জীয়ন নিশ্চিত কৰাৰ লক্ষ্যৰে জিলা খনৰ আটাইকেইটা কৃষি উন্নয়ন চক্ৰ সামৰি ধাৰাবাহিক ভাৱে বিশেষ শিবিৰৰ আয়োজন কৰি আহিছে। কোনো যোগ্য যাতে কৃষক পঞ্জীয়ন নিশ্চিত নকৰাৰ ফলত আঁচনিৰ সুবিধা লাভৰ পৰা বঞ্চিত হ'ব লগীয়া নহয় সেই উদ্দেশ্যে কৃষি বিভাগে পদক্ষেপ গ্ৰহণ কৰিছে।

# লাহৰীঘাটৰ চেনিমাৰীত পুখুৰীত পৰি সলিল সমাধি

**বাতৰি কাকত, লাহৰীঘাট, ১৬ জুলাই ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট আৰক্ষী থানাৰ অন্তৰ্গত চেনিমাৰি গাঁৱত এক মৰ্মান্তিক ঘটনা সংঘটিত । পুখুৰীৰ পানীত ডুবি দুটি শিশুৰ সলিল সমাধি ঘটে ।এই ঘটনাত অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। মৃত দুই শিশু হৈছে দাতিয়ালবড়ীৰ জেহিৰুল ইছলামৰ ৯ বছৰীয়া পুত্ৰ আব্দুল আনছাৰী আৰু চেনিমাৰিৰ ৰাজিবুল ইছলামৰ ছ বছৰীয়া কন্যা ৰাইনা আফ্ৰিণ । ঘটনাৰ বিৱৰণী অনুসৰি , ৰাইনা আফ্ৰিণৰ ঘৰত ফুৰিবলৈ আহি তেওঁৰ সমন্ধীয় ভাই আব্দুল আনছাৰী। আবেলিৰ ফালে দুয়ো ঘৰৰ ওচৰত খেলিবলৈ যায়। খেলি থকা অৱস্থাত ঘৰৰ ওচৰত থকা এটা পুখুৰীৰ পানীত পৰি যায় । বহু সময় ঘৰলৈ উভতি নহাত পৰিয়ালৰ লোক আৰু স্থানীয় লোকসকলে সন্ধান আৰম্ভ কৰে। পিছত স্থানীয় লোকসকলে বহুত সন্ধান কৰি পুখুৰীৰ পৰা দুটি শিশুক উদ্ধাৰ কৰে আৰু তৎক্ষণাৎ লাহৰীঘাট চিকিৎসালয়লৈ লৈ যায়। কিন্তু চিকিৎসালয়ৰ চিকিৎসকসকলে ইতিমধ্যে তেওঁলোকৰ মৃত্যু হোৱা বুলি জনায়। ঘটনাস্থলীত লাহৰীঘাট আৰক্ষী থানাৰ আৰক্ষীৰ দল উপস্থিত হৈ পৰিস্থিতিৰ পৰ্যবেক্ষণ কৰে আৰু মৰণোত্তৰ পৰীক্ষাৰ বাবে শিশু দুটিৰ মৃতদেহ মৰিগাঁও অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণৰ ব্যৱস্থা কৰে ।

# ৫৮লাখ টকাৰ গহনা লৈ উধাও হোৱা মহিলাক গ্ৰেপ্তাৰ

**বাতৰিকাকত, তেজপুৰ, ১৬জুলাইঃ** তেজপুৰৰ গহনা প্ৰতিষ্ঠানৰ পৰা ৫৮-লাখ টকা মূল্যৰ গহনা চেক যোগে মূল্য আদায় দিয়াৰ নামত প্ৰৱঞ্চনাৰে লৈ উধাও হোৱা এগৰাকী মহিলাক তেজপুৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে।উল্লেখ্য যে, এম এছ অঞ্জনা গ'ল্ড আৰু পাৰুল জুৱেলাৰ নামৰ গহনা প্ৰতিষ্ঠানৰ পৰা প্ৰিয়ংকা পেটেল নামৰ মহিলাগৰাকীয়ে এই ঘটনা সংঘটিত কৰিছিল।এই সমগ্ৰ ঘটনা সন্দৰ্ভত আজি দুপৰীয়া প্ৰায় ১২-৩০ বজাত শোণিতপুৰৰ উপ আৰক্ষী অধীক্ষক অংকিতা শৰ্মাই সংবাদমাধ্যমৰ আগত সবিশেষ প্ৰকাশ কৰি কয় যে যোৱা চাৰি জুলাইত তেজপুৰ চহৰৰ পাৰুল জুৱেলাৰী এণ্ড চনছ তথা অঞ্জনা গল্ড নামৰ প্ৰতিষ্ঠানখনৰ পৰা প্ৰিয়ংকা পেটেল নামৰ মহিলা গৰাকীয়ে ক্ৰয় কৰিছিল প্ৰায় ৫৮ লাখ টকাৰ সোণৰ বিভিন্ন গহনা।পূৰ্বে বিশ্বনাথৰ বৌবজাৰৰ আৰু বৰ্তমান বিবাহসূত্ৰে গুজৰাটৰ আহমেদাবাদৰ মহিলাগৰাকী গহনা প্ৰতিষ্ঠানখনৰ স্বত্বাধিকাৰীৰ আত্মীয় হোৱা হেতু মহিলা গৰাকীয়ে সামান্য টকা পৰিশোধ কৰি বাকী ৫০লাখৰ অধিক ধন তিনিখন চেকৰ জৰিয়তে প্ৰদান কৰে। পিতৃৰে স'তে আহি গহনা ক্ৰয় কৰি নিয়ৰ পিছত তেওঁ ফোন সংযোগ বিচ্ছিন্ন কৰাৰ বিপৰীতে গহনা প্ৰতিষ্ঠানৰ গৰাকীয়ে চেক তিনিখনৰ ধন মোকলাবলৈ বেংকলৈ যোৱাৰ পিছত জানিব পাৰে প্ৰৱঞ্চিত হোৱাৰ বিষয়ে। কাৰণ মহিলা গৰাকীয়ে আদায় দিয়া তিনিওখন চেকৰ একাউন্টটো ২০২৪ তেবন্ধ কৰা হৈছিল। উপায়ন্তৰ হৈ গহণা বিক্ৰেতা কাষ চাপে শোণিতপুৰৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষকৰ। পিছত আৰক্ষী অধীক্ষকৰ নিৰ্দেশ অনুসৰি অঞ্জনা গল্ডৰ স্বত্বাধিকাৰীয়ে দাখিল কৰা এজাহাৰমৰ্মে তেজপুৰ আৰক্ষীয়ে ৰুজু কৰা ৩৮৯ ২০২৬নম্বৰ গোচৰপঞ্জীয়ন কৰি ক্ষীপ্ৰতাৰে তদন্ত আৰম্ভ কৰে। আৰক্ষীৰ তদন্তত মহিলা গৰাকী ৰে'লৰে গুজৰাট অভিমুখে ৰাওনা হোৱাটো নিশ্চিত হয় আৰু তেজপুৰ আৰক্ষীৰ এটা দল মহিলা গৰাকীৰ সন্ধানত তেজপুৰৰ পৰা ৰাওনা হোৱাৰ বিপৰীতে আহ্মেদাবাদ আৰক্ষীৰ অপৰাধ শাখাৰে যোগাযোগ কৰা হয়। আনহাতে মহিলা গৰাকীয়ে আহমেদাবাদত এখন গহনা প্ৰতিষ্ঠানত তেওঁ তেজপুৰৰ পৰা নিয়া সোণৰ গহনাবোৰ বিক্ৰী কৰিবলৈ যাওঁতেই আহমেদাবাদ আৰক্ষীৰ সহযোগত তেজপুৰ আৰক্ষীৰ দলে হাতেলোটে কৰায়ত্ত কৰিবলৈ সক্ষম হয়। মহিলা গৰাকীৰ কবলৰ পৰা আৰক্ষীয়ে প্ৰায় প্ৰুজ্জ্ব লাখ টকাৰ সকলো গহনা উদ্ধাৰ কৰে। উল্লেখযোগ্য যে বৰ্তমান মহিলাগৰাকী তেজপুৰ জিলা আৰু সত্ৰ ন্যায়াধীশৰ আদালতে ৰচজুলাইলৈকে আৰক্ষীৰ জিন্মালৈ প্ৰেৰণ কৰে আৰু আৰক্ষীয়ে তেওঁক সোধপোছ অব্যাহত ৰাখিছে।

# সদৌ অসম ভিত্তিত দিহানাম প্ৰতিযোগিতা

**বাতৰি কাকত, জাগীৰোড, ১৬ জুলাই ঃ** জাগীৰোডৰ সমীপৱৰ্তী পশ্চিম জোনবিল মহিলা সকলৰ সৌজন্যত দিনযোৰা কাৰ্যসূচীৰে ২২ জুলাইত প্ৰথম বাৰ্ষিক সদৌ অসম ভিত্তিত দিহানাম প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। কাৰ্যসূচী অনুসৰি সিদিনা পুৱা ৮:০০ বজাত পতাকা উত্তোলন কৰিব অনুষ্ঠানৰ সভানেত্ৰী প্ৰমিলা দেউৰীয়ে। ৮:৩০ বজাত বন্তিপ্ৰজ্বলন কৰিব সম্পাদিকা ববিতা বৰদলৈয়ে। সেইদৰে ৯:০০ বজাত প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জনোৱাৰ পিছতে ১০:০০ বজাত সমাজ সেৱক সঞ্জীৱ দেৱনাথে মঞ্চ উদ্বোধন কৰিব। ১০:৩০ বজাত গাঁৱৰ মহিলা সকলৰ দ্বাৰা দিহানাম পদৰ্শন কৰা হ'ব। অনুষ্ঠানত কৃষি আৰু জলসিঞ্চন মন্ত্ৰী পীযুষ হাজৰিকা,বাঘজাপ গাঁও পঞ্চায়তৰ সভাপতি প্ৰদীপ দেউৰী, ৱাৰ্ড সদস্যা বিপাক্ষী শইকীয়া, জাগী ভকত গাঁও শাখা সাহিত্য সভাৰ সভাপতি মিনতি দেৱী, জাগী ভকতগাঁও শাখা সাহিত্য সভাৰ উপ সভাপতি সুমিত্ৰা ডেকা প্ৰমুখ্য বৃহত্তৰ অঞ্চলটোৰ বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকিব। দিহানাম প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ দহ হাজাৰ এক টকা।দাতা জোনবিলৰ দিগন্ত কোঁৱৰ।দ্বিতীয় পুৰস্ক্াৰ পাঁচ হাজাৰ এক টকা ।দাতা ৰাজীৱদেউৰী জোনবিল। তৃতীয় পুৰস্কাৰ তিনি হাজাৰ এক টকা। দাতা অসম সত্ৰ মহা সভা মৰিগাঁও জিলা সমিতিৰ উপদেষ্টা ক্ষীৰোদ গোস্বামী। ইয়া উপৰিও তিনিগৰাকীৰ বাবে থাকিব নিচুকনি বঁটা। শ্ৰেষ্ঠ নামতি এক হাজাৰ এক টকা। দাতা বিদ্যুৎ শইকীয়া, শ্ৰেষ্ঠ নাগাৰা বাদক এক হাজাৰ এক টকা। দাতা চুচেন ডেকা। আৰু শ্ৰেষ্ঠ তাল বাদক এক হাজাৰ এক টকা ।দাতা, মনি ডেকা। প্ৰতিযোগিতাৰ ভৰ্তি মাচুল তিনি শ এক টকা ধাৰ্য কৰা হৈছে। সেয়ে সমূহ কাৰ্যসূচীত অসমবাসী ৰাইজৰ উপস্থিতিতি আন্তৰিকতাৰে কামনা কৰিছে উদ্যোক্তা মণ্ডলীৰ হৈ সভাপতি প্ৰমিলা দেউৰী আৰু সম্পাদক নীতিপ্ৰিয়া ডেকা আৰু ববিতা বৰদলৈয়ে। আনহাতে ইচ্ছুক প্ৰতিযোগী সকলক নিম্ন উল্লিখিত নম্বৰত যোগাযোগ কৰিবলৈ উদ্যোক্তা সকলে আহ্বান জনাইছে। ম'বাইল নং ৮৪৮৬৮৫৯৮৪১ ৯১০১৮০৫১৮০।

# শোকাবহ ঘটনাক লৈ চিন্তিত ঃ প্ৰায় এঘন্টা ধৰি ৰৈ থাকিল নামনিমুৱা ইন্টাৰচিটি এক্সপ্ৰেছ

**বাতৰি কাকত, ষ্টাফ ৰিপ'ৰ্টাৰ, ১৬ জুলাই ঃ** ষ্টেচনত নহয়, নলবাৰীৰ ৰেলআলিত হঠাতে ৰখাই দিলে নামনিমুৱা এক্সপ্ৰেছ। নলবাৰীৰ বাউসীপাৰাৰ ৰেলআলিত এঘন্টা ধৰি ৰখাই দিয়া হ'ল নামনিমুৱা ইন্টাৰচিটি এক্সপ্ৰেছ। মুহূৰ্ততে হুৱা দুৱা । চৌদিশে লাগিল হুৱা দুৱা । এক ভয়ংকৰ দুৰ্ঘটনাক লৈ মুহূৰ্ততে হাহাকাৰময় পৰিস্থিতিৰ সৃষ্টি হয় নলবাৰীৰ বাউসীপাৰাত । বাউসীপাৰা ৰেলআলিত নিশা সংঘটিত হয় দুখজনক ঘটনাটো। বাউসীপাৰাৰ ৰেলআলিত উদ্ধাৰ হয় এগৰাকী ৩২ ৩৩ বছৰীয়া যুৱকৰ নিঠৰ দেহ । সন্দেহ কৰা মতে নামনিমুৱা মানস ৰাইনো এ'প্ৰেছৰ খুন্দাত চিন্ন ভিন্ন হৈ পৰে যুৱকজন । বাউসীপাৰাৰ ৰেলগেটৰ সমীপতে সংঘটিত হয় এই দুখজনক ঘটনাটো । এই দুখজনক ঘটনাটো সংঘটিত হোৱাৰ পিছতে ঘটনাস্থলী পাইছিল নামনিমুৱা ইন্টাৰচিটি এক্সপ্ৰেছ ৰেলখনে । ঘটনাৰ খৱৰ পাই নামনিমুৱা ইন্টাৰচিটি এক্সপ্ৰেছ ৰেলখন ৰখাই দিয়া হক্সল । ৰেল আৰক্ষীৰ লোক আহি নোপোৱা পৰ্যন্ত নামনিমুৱা এক্সপ্ৰেছ ৰখাই দিলে চালকে । মৃতদেহৰ ওপৰেৰে ৰেলখন পাৰ কৰি নিনিলে চালকে । এঘন্টা পিছত ৰেল আৰক্ষীৰ লোক উপস্থিত হৈ যুৱকজনৰ ক্ষত বিক্ষত দেহটো আতৰ কৰি দিয়াৰ পিছতহে ইন্টাৰচিটি এক্সপ্ৰেছখন পাৰ হৈ যায় । পিছত যুৱকজনৰ পকেটত থকা নথি পত্ৰৰ পৰা যুৱকজনক নলবাৰী চহৰৰ বৰকুৰাৰ জ্যোতিষ বৰ্মন বুলি চিনাক্ত কৰিছে ৰেল আৰক্ষীয়ে। ইতিমধ্যে আৰক্ষীয়ে যুৱকজনৰ দেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে নলবাৰীৰ ছহিদ মুকুন্দ কাকতি চিকিৎসালয়লৈ প্ৰেৰণ কৰিছে । কি কাৰনত যুৱকজনে এনে ঘটনা সংঘটিত চৰিলে সেয়া এতিয়াও পোহৰলৈ অহা নাই । মুলত বাউসীপাৰা ৰেলগেটটো বন্ধ কৰি থোৱাৰ বাবেই এনে ঘটনা বৃদ্ধি পোৱা বুলি ৰাইজে মত ব্যক্ত কৰে । ৰাইজৰ অভিযোগ মতে ৰেলগেটটো বন্ধ হৈ থকাৰ ফলত ৰাইজে হাৰাশাস্তিৰ সম্মুখীন হৈ অহাৰ উপৰি এনে দুখজনক ঘটনা বৃদ্ধি হৈ আহিছে । মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী জয়ন্ত মল্লবৰুৱা আৰু স্থানীয় বিধায়ক চন্দ্ৰমোহন পাটোৱাৰীক শীঘ্ৰেই ৰেলগেটটো মুকলি কৰি দিয়াৰ বাবে আহ্বান জনাইছে ৰাইজে।

**LOST**

I have lost my HSLC registration certificate session 2000. My roll - R6-389 No 0153. Someone find it Plese return to me. Hibjur Rahman. Dhaniabhati. Nagaon,

M- 9365257129

**শুধৰণি**

মোৰ শুদ্ধ নাম আলটাফৰ ৰহমান আৰু পিতা মজিবৰ ৰহমান হ'ব লাগে। পূৱ বৰক্ষেত্ৰী মৌজাৰ সুতাৰকুছি গাঁৱৰ খেৰাজ ম্যাদী ৮০৮ নং প্ৰট্টাৰ ১১৪৪নং দাগত দুইজনৰ নাম ভুল হৈ আছিল। জবানবন্দীত আলতাফ আলী পিতা মজিবৰ আলী নাম দুওজনৰ ভুল হৈ আছে। আচলতে পিতা পুত্ৰৰ দুইজনৰ শুদ্ধ নাম আলটাফৰ ৰহমান পিতা মজিবৰ ৰহমান হ'ব লাগে।

**আলটাফৰ ৰহমান**
পিতা - মজিবৰ ৰহমান
গাঁও -- সুতাকুছি
থানা -- মুকালমুৱা
ডাকঘৰঃ আদাবাৰী
জিলা -- নলবাৰী শ্চঅসমগ্ন
ফোন নং ঃ ৭০০২৬৮৯৮৯৫

**শুধৰণি**

মোৰ শুদ্ধ নাম জল্টি চৰন দাস আৰু পিতা বাণেশ্বৰ দাস হ'ব লাগে। উত্তৰ বৰক্ষেত্ৰী মৌজাৰ পাইকান বুনমাজা গাঁৱৰ খেৰাজ ম্যাদী ২০৮ নং প্ৰট্টাৰ ৯২১নং দাগত দুইজনৰ নাম ভুল হৈ আছিল। জবানবন্দীত জল্টি বৰন দাস পিতা বানো ৰাম কৈৱৰ্ত নাম দুটাজনৰ ভুল হৈ আছে। আচলতে পিতা পুত্ৰৰ দুইজনৰ শুদ্ধ নাম জল্টি চৰন দাস আৰু পিতা বাণেশ্বৰ দাস হ'ব লাগে।

**জল্টি চৰন দাস**
পিতা ঃ বাণেশ্বৰ দাস
গাঁও ঃ পাইকান বুনমাজা
থানা ঃ মুকালমুৱা
ডাকঘৰ ঃ বুনমাজা
জিলা ঃ নলবাৰী (অসম)
ফোন নং ঃ ৯১০১৩৭০০০৬

**শুধৰণি**

মোৰ নাম মনেশ্বৰ দাস, বয়স ৪৮ বছৰ, পিতাঃ স্বৰ্গীয় নন্দেশ্বৰ দাস। মোৰ জীয়েকৰ প্ৰকৃত শুদ্ধ নাম মণিমালা শৰণীয়া। এই নামটো সকলো প্ৰাসংগিক নথিপত্ৰত, যেনে হাইস্কুল শিক্ষান্ত পৰিক্ষাৰ এডমিড কাৰ্ডৰ ৰোল- ২৫-০০৮০, নং ০১৭১ আৰু জন্মৰ প্ৰমাণপত্ৰ ৰেজিং নং. ২৪৬৪ ৫৯৪ ২০২০, তাৰিখ ১৪-০৭-২০২৫ ত লিপিবদ্ধ আছে। কিন্তু মোৰ জীয়েকৰ আধাৰ কাৰ্ডত কাৰ্ড নং- ৬৪৭৯-৮৮৪০-৫৪৭২-ত ভুলবশতঃ নাম ৰিম্পি শৰণীয়া হৈ আছে। আচলতে মোৰ জীয়েকৰ শুদ্ধ নামটো মণিমালা শৰণীয়া হ'ব লাগে। মণিমালা শৰণীয়া আৰু ৰিম্পি শৰণীয়া একেজন ব্যক্তি, অৰ্থাৎ দুয়োটা নামেই মোৰ জীয়েকক বুজায়।

**গাঁও ঃ চামেৰীদ্বাৰ**
ডাকঘৰ ঃ গেৰুৱা
থানা ঃ বৰবৰী
জিলা ঃ বাক্সা, অসম
পিন ঃ ৭৮১৩৪৪
ফোন নং ঃ ৯১৮১৯১০৯৮৫

# ডিব্ৰুগড়ত অনুষ্ঠিত জিলা বিজেপিৰ সাংগঠনিক প্ৰশিক্ষণৰ সামৰণি

**ডিব্ৰুগড়, ১৬ জুলাইঃ** ডিব্ৰুগড়ত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা পণ্ডিত দীনদয়াল উপাধ্যায় প্ৰশিক্ষণ মহা অভাযান ২০২৬ৰ অংশ হিচাপে জিলা বিজেপিৰ সাংগঠনিক কৰ্মশালাৰ সামৰণি পৰে। ভাৰতীয় জনতা পাৰ্টি, অসম প্ৰদেশৰ ৰাজ্যিক সমিতিৰ আহ্বান মৰ্মে ডিব্ৰুগড় জিলা সমিতিৰ উদ্যোগত ডিব্ৰুগড়ৰ জীৱন ফুকন নগৰস্থিত বিজেপিৰ মাণ্ডলিক কাৰ্যালয়ত অনুষ্ঠিত হোৱা প্ৰশিক্ষণৰ দ্বিতীয় দিনৰ সপ্তম সত্ৰত আমাৰ আৰ্দশগত আধাৰ সম্পৰ্কে বিজেপিৰ ৰাজ্যিক সমিতিৰ প্ৰাক্তন সাধাৰণ সম্পাদক প্ৰদীপ ঠাকুৰীয়া,অষ্টম সত্ৰত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ আঁচনি সম্পৰ্কে প্ৰাক্তন বিধায়ক তথা ৰাজ্যসভাৰ সাংসদ তেৰছ গোৱালা, নৱম সত্ৰৰ ব্যৱহাৰিক সত্ৰত ঘৰ ঘৰ সম্পৰ্ক, দেৱাল লিখন আদি সম্পৰ্কে অন্যান্য পিছপৰা শ্ৰেণী মৰ্চাৰ ৰাজ্যিক সভাপতি সুভাষ দত্ত , দশম সত্ৰত কৰ্যকৰ্তাৰ বিকাশ, তত্ত্বাৰধান আৰু বিকাশ সম্পৰ্কে আৰ এছ এছৰ নেতা সুভাষ জী যোশী আৰু একাদশ তথা অন্তিম সত্ৰত স্থায়ী কাৰ্যক্ৰম বুথ প্ৰৱন্ধন আৰু মন কী বাত সম্পৰ্কে বিজেপিৰ ৰাজ্যিক সম্পাদক তথা জিলা সহ প্ৰভাৰী লক্ষীনাথ তাছা উপস্থিত থাকি দলীয় কাৰ্যকৰ্তাসকলক উদ্দেশ্যি বক্তব্য প্ৰদান কৰে। প্ৰশিক্ষণৰ সামৰণি অনুষ্ঠানত অংশ গ্ৰহণ কৰি জিলা সভাপতি দুলাল বৰাই সকলোকে ধন্যবাদ :াপন কৰে। সামৰণি অনুষ্ঠানত নাহৰকটীয়া সমষ্টিৰ বিধায়ক তথা মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব তৰংগ গগৈ অংশ গ্ৰহণ কৰে। শলাগ জ্ঞাপন কৰে জিলা উপ-সভাপতি তথা জিলা আহ্বায়ক অসীম হাজৰিকা। দুলাল বৰা, জিলা সভাপতি আৰু দীপজয় শইকীয়া, জিলা আহ্বায়কে প্ৰেছ বিজ্ঞপ্তি ৰূপে জানিবলৈ দিয়ে।




# চৰাইদেউত সীমা নিৰ্ধাৰণৰ পৰা মৈদাম অন্তৰ্ভুক্তকৰণ, পথ-দলং-শিক্ষাৰ আন্তঃগাঁথনি উন্নয়নক সন্দৰ্ভত চৰকাৰক সকীয়নি

**চৰাইদেউ, ১৬ জুলাইঃ** চৰাইদেউ জিলাৰ দীৰ্ঘদিনীয়া সমস্যা আৰু উন্নয়নৰ ক্ষেত্ৰত চলি থকা অৱহেলাৰ বিৰুদ্ধে সোণাৰিত গৰজি উঠিল সদৌ চৰাইদেউ জিলা ছাত্ৰ সন্থা। জিলাখনৰ সীমা নিৰ্ধাৰণ, আন্তঃৰাজ্যিক সীমা সমস্যা, বিশ্ব ঐতিহ্যক্ষেত্ৰ চৰাইদেউ মৈদামৰ উন্নয়ন, শিক্ষানুষ্ঠানসমূহৰ দুৰৱস্থা, জৰাজীৰ্ণ পথ-দলং আৰু ক্ষুদ্ৰ চাহ খেতিয়কৰ সংকটকে ধৰি একাধিক জ্বলন্ত বিষয়ক কেন্দ্ৰ কৰি সংগঠনটোৱে ৰূপায়ণ কৰা অৱস্থান-বিক্ষোভ কাৰ্যসূচীয়ে সোণাৰি নগৰত এক প্ৰতিবাদী পৰিৱেশৰ সৃষ্টি কৰে। প্ৰতিবাদস্থলীত ছাত্ৰ নেতাসকলে স্পষ্ট ভাষাত কয় যে ২০১৫ চনত চৰাইদেউ জিলা গঠন হোৱাৰ পাছত এযুগ অতিক্ৰম হ'বলৈ ওলাইছে যদিও আজিলৈকে জিলাখনৰ সীমা-সংক্ৰান্তীয় সমস্যা সমাধান নহ'ল। আটাইতকৈ তাৎপৰ্যপূৰ্ণ বিষয় হৈছে-বিশ্ব ঐতিহ্যক্ষেত্ৰৰ স্বীকৃতি লাভ কৰা চৰাইদেউ মৈদাম আজিও সম্পূৰ্ণৰূপে চৰাইদেউ জিলাৰ প্ৰশাসনিক পৰিসীমাৰ অন্তৰ্গত নহয়। ইয়াক চৰাইদেউবাসীৰ সন্মান আৰু আত্মমৰ্যাদাৰ সৈতে জড়িত বিষয় বুলি উল্লেখ কৰি ছাত্ৰ সন্থাই চৰকাৰৰ ভূমিকাক সমালোচনা কৰে। চুকাফা আৰু লেঙীবৰ গাঁও পঞ্চায়ত আজিও চৰাইদেউ জিলাৰ আওতাৰ বাহিৰত থকাৰ ফলত অঞ্চলবাসীয়ে এক অদ্ভুত প্ৰশাসনিক জটিলতাৰ সন্মুখীন হৈ আছে। সাধাৰণ নাগৰিকে চৰাইদেউ জিলা প্ৰশাসনৰ লগতে ৰাজহ সম্পৰ্কীয় কামৰ বাবে নাজিৰা ৰাজহ চক্ৰৰ কাৰ্যালয়ৰ দ্বাৰস্থ হক্লব লগা হোৱা ব্যৱস্থাক "জনসাধাৰণৰ ওপৰত অন্যায় বোজা" বুলি আখ্যা দিয়ে প্ৰতিবাদকাৰীসকলে। আনহাতে, ভজো আৰু দিচাংপানীত দিচাং নদীৰ ওপৰত থকা পুৰণি দলং দুয়োখনৰ জৰাজীৰ্ণ অৱস্থাক লৈও তীব্ৰ উদ্বেগ প্ৰকাশ কৰে সংগঠনটোৱে। একে স্থানত নিৰ্মাণ হৈ থকা নতুন দলং দুয়োখনৰ কাম বছৰ বছৰ ধৰি লেহেমীয়া গতিত চলি থকাত যিকোনো সময়তে ভয়ংকৰ দুৰ্ঘটনা সংঘটিত হোৱাৰ আশংকা বৃদ্ধি পাইছে। "কোনো নিৰীহ লোকৰ জীৱন হেৰুওৱাৰ পাছতহে চৰকাৰ-প্ৰশাসন সাৰ পাব নেকি?"-এই প্ৰশ্ন উত্থাপন কৰি ছাত্ৰ সন্থাই তাৎক্ষণিকভাৱে দলং নিৰ্মাণ সম্পূৰ্ণ কৰাৰ দাবী জনায়। জিলাখনৰ শিক্ষাখণ্ডৰ পঁয়ালগা ছবিও প্ৰতিবাদৰ কেন্দ্ৰবিন্দু হৈ পৰে। বহু বিদ্যালয়ত শিক্ষক-কৰ্মচাৰীৰ তীব্ৰ অভাৱ, জৰাজীৰ্ণ ভৱন, ফুটা টিনপাত, পৰ্যাপ্ত ডেস্ক-বেঞ্চৰ অভাৱ আৰু সামান্য বৰষুণতে বিদ্যালয় চৌহদ পানীত ডুব যোৱা সমস্যাই শিক্ষাৰ্থীসকলৰ ভৱিষ্যৎক অনিশ্চয়তাৰ দিশলৈ ঠেলি দিছে বুলি মন্তব্য কৰে বক্তাসকলে। শিক্ষা ব্যৱস্থাৰ এই সংকট দূৰীকৰণৰ বাবে চৰকাৰক অবিলম্বে ব্যৱস্থা গ্ৰহণৰ আহ্বান জনায় সংগঠনটোৱে। উল্লেখ্য যে, এই অৱস্থান-বিক্ষোভ কাৰ্যসূচীত সদৌ অসম ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক অনুপজ্যোতি ভূএঃা, ৰাজ্যিক কাৰ্যনিৰ্বাহক প্ৰশান্ত দত্ত, সদৌ চৰাইদেউ জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা দিলীপ বড়া আৰু ফটিক গগৈ, ভাৰপ্ৰাপ্ত সভাপতি বৈকুণ্ঠ গগৈ, সাধাৰণ সম্পাদক মৃণ্ময় বড়াৰ লগতে শতাধিক ছাত্ৰ কৰ্মীয়ে অংশগ্ৰহণ কৰে। কাৰ্যসূচীৰ অন্তত ছাত্ৰ সন্থাই সকীয়াই দিয়ে যে চৰাইদেউবাসীৰ দীৰ্ঘদিনীয়া দাবীসমূহৰ প্ৰতি যদি চৰকাৰ আৰু প্ৰশাসনে শীঘ্ৰে ইতিবাচক পদক্ষেপ গ্ৰহণ নকৰে, তেন্তে আগন্তুক দিনত অধিক তীব্ৰ গণতান্ত্ৰিক আন্দোলনৰ পথ বাচি ল'বলৈ সংগঠনটো বাধ্য হ'ব।

# নৱগঠিত কাৰ্বি কল্যাণ স্বায়ত্তশাসিত পৰিষদৰ বিজয় উৎসৱ উদ্‌যাপন

**বাতৰি কাকত বিশেষ,নগাঁও, ১৬জুলাইঃ** নগাঁও জিলাৰ দক্ষিণ গমাৰিআটি সামুহিক ভৱনত কাৰ্বি কল্যাণ স্বায়ত্ত শাসিত পৰিষদৰ বিজয় উৎসৱ উদ্‌যাপন সভাখনি দিনযোৱা কাৰ্যসূচীৰে অনুষ্ঠিত হয় সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তথা ১১১ নং ৰংখাং বিধানসভা সমষ্টিৰ নবনিৰ্বাচিত বিধায়ক ডাঃ তুলিৰাম ৰংহাং। সভাত নৱ গঠিত কাৰ্বি কল্যান স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য ডাঃ চাৰচিং ইংতি কাঠাৰ আৰু আন সদস্য-সদস্যা সকল উপস্থিত থাকে। সভাত উপস্থিত থাকি তুলিৰাম ৰংহাংয়ে নৱ গঠিত কাউঞ্চিলক কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ পৰা আৰু কাৰ্বি আংলং বাসীৰ হৈ ধন্যবাদ জনাই। ৬ বিদ্ৰোহী সংগঠনৰ লগত হোৱা শান্তি আলোচনা চুক্তিৰ ফলতে গঠন হৈছে এই কাৰ্বি কল্যান স্বায়ত্তশাসিত পৰিষদ। কাৰ্বি কল্যাণ স্বায়ত্ব শাসিত পৰিষদ খন ২৬ জন সদস্য আৰু সদস্যাৰে গঠিত হৈছে। প্ৰথমবাৰৰ বাবে গঠন হোৱা কাৰ্বি কল্যাণ স্বায়ত্তশাসিত পৰিষদক বাজেটত ৫০ কোটি ধাৰ্য কৰিছে তাৰ কাৰণে অসমৰ সবাতোকৈ জনপ্ৰিয় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জ্ঞাপন কৰে তুলিৰাম ৰংহাংঙে। সভাত নগাঁও জিলাৰ লগতে অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহা কাৰ্বি জনজাতি লোক সকল উপস্থিত থাকে।

# ঘগ্ৰাজানৰ পুতিগন্ধময় অৱস্থাই কাঢ়িছে বৃহত্তৰ ঘগ্ৰাপাৰৰ সৌন্দৰ্য

**বাতৰি কাকত, ঘগ্ৰাপাৰ ,১৬ জুলাইঃ** নলবাৰী জিলা ঘগ্ৰাপাৰ ৰাজহ চক্ৰ অন্তৰ্গত ঘগ্ৰাজানৰ পুতিগন্ধময় অৱস্থাই কাঢ়িছে বৃহত্তৰ ঘগ্ৰাপাৰ অঞ্চলৰ সৌন্দৰ্য। উল্লেখ্য যে ঘগ্ৰাজানৰ উৎস হ'ল পশ্চিম বনভাগ মৌজাৰ খাটিকুছি বনভাগ নলবাৰী। ইয়াৰ পৰা দক্ষিণ লৈ কিছু দুৰ বৈ অহাৰ পিছতে নোনা নৈৰ লগত সংলগ্ন হৈ কিছুদুৰ অহাৰ পিছত এটি সুকীয়া সুঁতি এটা ঘগ্ৰাপাৰৰ বাঘমাৰা গাঁৱৰ মাজেৰে ঘগ্ৰা নামলৈ পাৰ হৈ গৈছে। বহুতে ইয়াক পাগলাদিয়া নদীৰ অন্য এটা সুঁতি বুলিও ক'ব খোজে। কিয়নো ঘগ্ৰানদীক কিংবদন্তি অনুসৰি পাগলাদিয়া নদীৰ ভাগিন বুলিও জনপ্ৰবাদ আছে।যি কাৰণতে নৌহওঁক জানটোৰ নাম যে ঘগ্ৰাজান ই কালৰে পৰা পৰিচিতি হৈ আহিছে। ঘগ্ৰা নামটোৰ সৃষ্টিৰ আঁৰত কেইবাটাও সৰু সৰু কাহিনী আছে। উপলব্ধি কৰা মতে এই জানটোত আছিল অসংখ্য মাছৰ ভড়াল। মাছ মাৰিবৰ বাবে সেই সময়ত ঘাগৰি (ঘাগ্ৰী) নামৰ এবিধ বাঁহৰ সজুঁলি ব্যৱহাৰ কৰিছিল। ঘাগৰি ব্যৱহাৰ কৰি মাছ ধৰা এই জানটোৰ নামেই শেষত হয়তো ঘাগ্ৰীপাতা জান আৰু শেষলৈ মানুহৰ মুখ বাগৰি বাগৰি অহাত ঘাগ্ৰীজান আৰু শেষত ঘগ্ৰাজানলৈ পৰিবৰ্তিত হ'ল।আন একাংশৰ মতে এই জানটোৰ পানী যিহেতু পাগলা দিয়া নদীৰ পৰা ফালি আহিছে, ইয়াৰ সোঁত নিশ্চয় প্ৰবল আছিল আৰু অনবৰতে ঘৰ ঘৰ শব্দ কৰি জানটোৰে পানী বাগৰি আছিল। ঘৰ ঘৰজান শেষত ঘগ্ৰাজানলৈ সলনি হ'ব পৰা নুই কৰিব নোৱাৰি। ঘগ্ৰানদীৰ লগত এই অঞ্চলৰ এক সাংস্কৃতিক ইতিহাসো দলিয়াই পেলাব নোৱাৰি। ঘগ্ৰাপাৰ অঞ্চলত এটা সময়ত ভাঁওনা-সবাহ নোহোৱা বুলি ধৰি ল'লেও খুলীয়া ভাওঁনাই যে ঠাই পাইছিল ই তেনেই ধুৰূপ। কিয়নো সমগ্ৰ নলবাৰী জিলা, কামৰূপ জিলা এসময়ত খুলীয়া ভাওঁনাই অধিকাৰ কৰি আছিল। বাঘমাৰা অঞ্চলত ইয়াৰ অৱদান আছিল বাবেই পৰৱৰ্তী সময়ত যাত্ৰা-পাৰ্টীৰ ঘাটি স্বৰূপে পৰিগণিত হৈছিল বাঘমাৰা, বিলপাৰ, কটকীয়া এই অঞ্চল খুলীয়া ভাওঁনাত মতা মানুহে মাইকী মানুহৰ পোছাক ঘাগৰি পিন্ধি (ঘাগ্ৰী) অভিনয় কৰিছিল। আমাৰ সমাজত এক পৰম্পৰা আজিও অব্যাহত আছে যে ৰাজহুৱা স্থান বা পুখুৰীত মাইকী মানুহৰ বিশেষকৈ মেখলা জাতীয় কাপোৰ ধুব নোৱাৰে। ঠিক তেনেদৰে ঘাগৰি (ঘাগ্ৰী) যদিও মতা মানুহে পিন্ধি ছিল, এই কাপোৰ ধোবাৰ বাবে এই অঞ্চলটোৰ জানটোৰ পানীয়ে ব্যৱহাৰ কৰিছিল। ঘাগ্ৰী ধোৱাজান শেষত গৈ ঘগ্ৰাজান নোহোৱা বুলি থাউকতে উৰুৱাই দিব নোৱাৰি। ঘগ্ৰাজানৰ পাৰত থকা ঠাই খণ্ডকে সময়ত বৃটিছসকলে উনৈশ শতিকাৰ আৰম্ভণিতে প্ৰতিষ্ঠা কৰা ৰেল ষ্টেচনটোৰ নামাকৰণ কৰিলে ঘগ্ৰাপাৰ ৰেলৰে ষ্টেচন। শেষত ই জনাজাত হৈ পৰিল ঘগ্ৰাপাৰ হিচাপে। সম্প্ৰতি ঘগ্ৰাপাৰ কেন্দ্ৰ কৰি ইয়াৰ ওচৰে-পাজৰে বহুতো গাঁৱৰ সৃষ্টি হৈছে। বৰ্তমান ঘগ্ৰাপাৰ এই অঞ্চল বা গাঁওবোৰত কৃষি ব্যৱসায় বানিজ্য, শিক্ষা, স্বাস্থ্যখণ্ড আদিৰ প্ৰাণ কেন্দ্ৰ হৈ পৰিছে। কিন্তু দুখৰ বিষয় যে বৰ্তমান সময়ত ঘগ্ৰাজানটোৰ সৌন্দৰ্য লোপ পোৱাৰ লগতে মৃতপ্ৰায় অৱস্থালৈ গতি কৰিছে ঘগ্ৰাজান। শেহতীয়াভাৱে ঘগ্ৰাজানৰ পুতিগন্ধময় অৱস্থাই কাঢ়িছে বৃহত্তৰ ঘগ্ৰাপাৰ অঞ্চলৰ সৌন্দৰ্য।জানিব পৰা মতে চৰকাৰ, জনপ্ৰতিনিধি তথা প্ৰশাসনৰ সুদৃষ্টিৰ অভাৱত ঘগ্ৰাজানৰ কদৰ্য ৰূপ ধাৰণ কৰা উপৰিও একাংশ কল কাৰখানাৰ পৰা দুখিত পানী নিৰ্গত হৈ আহি জানটোৰ পানী সময়ে সময়ে গন্ধময় কৰা উপৰিও মাছ,সাপ ভেকুলী নিধন হৈ আহিছে।অঞ্চলটোৰ কৃষি সকলে উক্ত জানটোৰ পৰা পুৰ্বৰ দৰে পানী নাপায় কৃষি কাৰ্য কৰাত হাহাকাৰ কৰিবলগীয়া হৈছে।সেয়েহে বৃহত্তৰ নলবাৰী গণ সেৱা সংস্থা, ঘগ্ৰাপাৰ আঞ্চলিক ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, ঘগ্ৰাপাৰ আঞ্চলিক সমিতি, বৃহত্তৰ ঘগ্ৰাপাৰ অঞ্চলৰ কেইগৰাকী বিশিষ্ট তথা জেষ্ঠ নাগৰিক উমেশ বৈশ্য, ফণীধৰ দাস,জমছেদ আলী,মনহৰি কলিতা,দেৱী দাস আদিয়ে ঘগ্ৰাজানৰ ঐতিহ্য পুনৰ ঘুৰাই আনি সৌন্দৰ্যবৰ্ধন কৰিবলৈ নলবাৰী সমষ্টিৰ বিধায়ক তথা মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, নলবাৰী জিলা আয়ুক্ত তথা স্থানীয় পঞ্চায়ত আৰু জিলা পৰিষদৰ সদস্যক আহ্বান জনাইছে।



# হাউলীৰ নগৰঝাৰত স্বামীৰ প্ৰহাৰত পত্নীৰ মৃত্যু ঃঅভিযুক্তক জেল হাজোতলৈ প্ৰেৰণ

**বাতৰি কাকত, জনীয়া, ১৬ জুলাইঃ** বৰপেটা জিলাৰ হাউলী আৰক্ষী থানাৰ অন্তৰ্গত নগৰঝাৰ গাঁৱত সংঘটিত হোৱা এক হৃদয়বিদাৰক ঘটনাই সমগ্ৰ অঞ্চলজুৰি শোকৰ ছাঁ পেলাইছে। স্বামীৰ নিৰ্মম প্ৰহাৰৰ ফলত গুৰুতৰভাৱে আহত হোৱা দুই সন্তানৰ মাতৃ মমিৰণ নেছা চিকিৎসাধীন অৱস্থাত মৃত্যু হোৱাৰ ঘটনাই অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। মৃতকৰ পৰিয়ালে থানাত দাখিল কৰা এজাহাৰ অনুসৰি হাউলী থানাৰ নগৰঝাৰ অঞ্চলৰ অস্থায়ী বাসিন্ধা চান মিএঃা আলীয়ে পৰকীয়া প্ৰেমত লিপ্ত হৈ প্ৰথমা পত্নী মমিৰণ নেছাক দীৰ্ঘদিন ধৰি যৌতুকৰ দাবী কৰি শাৰীৰিক আৰু মানসিকভাৱে নিৰ্যাতন চলাই আহিছিল বুলি পৰিয়ালৰ লোকে অভিযোগ উত্থাপন কৰে। স্বামী চান মিএঃা আলীয়ে মমিৰণ নেছাক মূৰত নিৰ্মমভাৱে প্ৰহাৰ কৰি হত্যাৰ চেষ্টা চলায় যদিও সৌভাগ্যক্ৰমে ঘটনাৰ সময়ত মৰিমৰন নেছাক পৰিয়ালৰ লোকে খবৰ লবলৈ আহোতেই মজিয়াত ৰক্তাক্ত অৱস্থাত প্ৰত্যক্ষ কৰে। পত্নীক হত্যাৰ চেষ্টা চলাই স্বামী চান মিএঃা আলীয়ে পলায়নৰ চেষ্টা কৰে যদিও স্থানীয় ৰাইজ আৰু মমিৰন নেছাৰ পৰিয়ালৰ সহযোগত লম্পট স্বামী চান মিএঃা আলীক ধৰি হাউলী আৰক্ষীক চমজাই দিয়ে। মূৰত গুৰুতৰ ভাৱে আঘাতপ্ৰাপ্ত মমিৰন নেছা নামৰ মহিলাগৰাকীক সংকটজনক অৱস্থাত পৰিয়ালৰ লোকে প্ৰথমে তেওঁক স্থানীয় হাউলী চিকিৎসালয়লৈ নিয়ে যদিও উন্নত চিকিৎসাৰ বাবে বৰপেটা চিকিৎসা মহাবিদ্যালয়লৈ চিকিৎসাৰ বাবে প্ৰেৰণ কৰে। চিকিৎসাধীন অৱস্থাত ১০ জুলাইত মণিৰাম নেছাৰ মৃত্যু হোৱা বুলি চিকিৎসকে ঘোষণা কৰে। মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে কুমুল্লীপাৰাস্থীত বাসগৃহ আৰু নগৰঝাৰ অঞ্চলত শোকাকুল পৰিৱেশৰ সৃষ্টি হয়। আত্মীয়-স্বজন আৰু স্থানীয় বাসিন্দাসকলে ঘটনাটোৰ ন্যায়িক তদন্ত কৰি দোষীক কঠোৰ শাস্তি প্ৰদানৰ দাবী জনাইছে। ইফালে মৃতকৰ পৰিয়ালে এই ঘটনাক যৌতুকজনিত নিৰ্যাতনৰ পৰিণতি বুলি অভিযোগ উত্থাপন কৰি আৰক্ষীৰ ওচৰত ৪ জুলাইত হাউলী থানাত এজাহাৰ দাখিল কৰিছে। হাউলী আৰক্ষীয়ে ১০৪-২০২৬ নম্বৰৰ গোচৰৰ ভিত্তিত ভাৰতীয় ন্যায় সংহিতাৰ ৮৫/১০৯ ধাৰাত অভিযুক্ত আচামী চান মিএঃা আলীক জেল হাজোতলৈ প্ৰেৰণ কৰিছে বুলি জানিব পৰা হৈছে। অভিযোগৰ ভিত্তিত আৰক্ষীয়ে ঘটনাৰ তদন্ত অব্যাহত ৰাখিছে। আৰক্ষীৰ তদন্ত সম্পূৰ্ণ হোৱাৰ পাছতহে মৃত্যুৰ আচল কাৰণ আৰু ঘটনাটোৰ সকলো দিশ পোহৰলৈ আহিব। দুই সন্তানক মাতৃহীন কৰি চাৰি মাহৰ অন্তঃসত্বা দূৰ্ভগীয়া মহিলাৰ মৃত্যুৰ এই মৰ্মান্তিক ঘটনাই পুনৰ এবাৰ সমাজত নাৰী নিৰ্যাতন আৰু পাৰিবাৰিক হিংসাৰ দৰে সমস্যাৰ প্ৰতি উদ্বেগ বৃদ্ধি কৰিছে। স্থানীয় ৰাইজ আৰু পৰিয়ালৰ লোকে এই ঘটনাৰ নিৰপেক্ষ তদন্তৰ জৰিয়তে দোষীৰ বিৰুদ্ধে আইন অনুসৰি কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাৰ দাবী জনাইছে।

# বালিকুৰিৰ জৰিণা খাঁনমৰ মৃত্যুত শোক

**বাতৰি কাকত, কলগাছিয়া, ১৬জুলাইঃ** বৰপেটা জিলাৰ নৱগঠিত মন্দিয়া বিধান সভা সমষ্টিৰ অন্তৰ্গত বালিকুৰি গাঁৱৰ এজনী বয়জ্যেষ্ঠ মহিলাৰ মৃত্যু হোৱাত অঞ্চল জুৰি এক শোঁকৰ বন্যা প্ৰৱাহিত হৈছে। জানিব পৰা মতে বালিকুৰি গাঁৱৰ পুৰস্কাৰপ্ৰাপ্ত শিক্ষক প্ৰয়াত খন্দকাৰ আব্দুছ ছাত্তাৰৰ স্ত্ৰী তথা কলগাছিয়া জিলা পৰিষদৰ প্ৰাক্তন সদস্য খন্দকাৰ জাকিৰ হুছেইনৰ মাতৃ জৰিণা খাঁনমৰ নিজ বাসভৱনত ইহলীলা সম্বৰণ কৰে। জানিব পৰা মতে ধৰ্মপ্ৰাণ মহিলা গৰাকী বহু দিন ধৰি বাৰ্ধক্যজনিত বেমাৰত ভুগি আছিল।মৃত্যুৰ সময়ত তাই দুজন পুত্ৰ আঠ জনী জীয়েকৰ উপৰিও নাতি-নাতিনীয়েক আৰু বহুতো গুণমুগ্ধ ব্যক্তিক ইহ সংসাৰত এৰি থৈ যায়। আবেলি ৫ বজাত জানাজা সম্পন্ন কৰা হয়। ধৰ্মপ্ৰাণ মহিলা জৰিণা খাঁনমৰ মৃত্যুত বৃহত্তৰ বালিকুৰি অঞ্চলত এক শোকৰ ছাঁ বিৰাজ কৰিছে।

# জিলা প্ৰশাসনৰ নিষেধাজ্ঞাৰ পিছতো অবৈধভাৱে মৎস্য চিকাৰ শোণিতপুৰতঃদুই মহলদাৰৰ বিৰুদ্ধে গোচৰ ৰুজু

**বাতৰি কাকত ,তেজপুৰ, ১৬ জুলাইঃ** বাৰিষাৰ সময়ছোৱাত ৰাজ্যৰ বিভিন্ন নদ ,নদী ,প্ৰাকৃতিক হোলা ,বিল ,খাল আদিত মৎস্য চিকাৰ শোণিতপুৰ জিলা প্ৰশাসনে নিষিদ্ধ ঘোষণা কৰাৰ পিছতো জিলাখনৰ বিভিন্ন প্ৰান্তত কণীযুক্ত মাছ যিকোনো মাছধৰা সঁজুলিৰে চিকাৰ কৰি বজাৰত গোপনে বা মুকলিকৈয়েই বিক্ৰী কৰি থকা হৈছে ।কণীযুক্ত মাছ বজাৰৰ পৰা ক্ৰয় কৰিবলৈ গ্ৰাহকেও কুণ্ঠাবোধ নকৰাৰ বাবেই প্ৰশাসনৰ নিষেধাজ্ঞা থকাৰ পিছতো চলি থকা এই অবৈধ মৎস্য চিকাৰৰ বিৰুদ্ধে শোণিতপুৰ জিলা প্ৰশাসনে অভিযান অব্যাহত ৰখাৰ সময়ত আজি বৰছলা সমষ্টিৰ বৃহত্তৰ বিহগুৰি অঞ্চল তিনিখৰীয়া এৰা সূঁতিত ব্ৰহ্মপুত্ৰৰ পানীযুঁৱলীত মহলদাৰৰ নিৰ্দেশত মছুৱৈয়ে জালেৰে কণীযুক্ত মাছ ধৰি থকা অৱস্থাত হাতে লোটে ধৰা পেলাবলৈ সক্ষম হয় ।শোণিতপুৰ জিলাৰ সহকাৰী আয়ুক্ত তথা কাৰ্যবাহী দণ্ডাধীশ জানে আলমৰ নেতৃত্বত জিলা মীন বিভাগৰ এটা অভিযানকাৰী দলে এখন নাৱৰে জাল লৈ মৎস্য চিকাৰ কৰি থকা অৱস্থাতে নগাঁও জিলাৰ নতুন চুখৰি অঞ্চলৰ আবু চামা নামৰ মাছমৰীয়া জনক বুজন পৰিমাণৰ থলুৱা মাছ সহ হাতে লোটে কৰায়ত্ত কৰি স্থানীয় বিহগুৰি আৰক্ষীক গতাই দিয়ে ।উল্লেখ্য যে মছুৱৈ আবু চামাক গ্ৰেপ্তাৰ কৰাৰ লগতে এখন কাঠৰ নাওঁ আৰু এখন জাল জব্দ কৰা হয় ।আনহাতে, এই অবৈধ মৎস্য চিকাৰৰ স'তে জড়িত মহলদাৰ কৃষ্ণ দাস আৰু ক্ষিতিশ দাসৰ বিৰুদ্ধেও মীন আইন উলংঘাৰ এক গোচৰ ৰুজু কৰা হৈছে।আনহাতে জিলা আয়ুক্ত গৰাকীয়ে কণীযুক্ত মাছ ধৰা খবৰ লাভ কৰাৰ লগে লগেই জিলা প্ৰশাসনে তাৎক্ষণিক ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে বজাৰত কণীযুক্ত মাছ বিক্ৰী হোৱাৰ উমান পালে বিক্ৰেতাৰ ওপৰতো আইনগ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি প্ৰকাশ কৰিছে।

# মাৰৈ বিজুলীবাৰী স্বৰ্ণ শাখা সাহিত্য সভাৰ উদ্যোগত কৃতী ছাত্ৰ-ছাত্ৰীৰ অভিন্দন অনুষ্ঠান

**বাতৰি কাকত, ছিপাঝাৰ,১৬ জুলাইঃ** ছিপাঝাৰৰ মাৰৈ বিজুলীবাৰী স্বৰ্ণ শাখা সাহিত্য সভাই দেওবাৰে অঞ্চলটিৰ দহ গৰাকী কৃতী ছাত্ৰ ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। সুস্থ সৱল আৰু নিকা সমাজ গঢ়াত আত্ম প্ৰকাশ কৰিৱলৈ উৎসাহিত কৰাৰ উদ্দেশ্যে অনাগত দিনত প্ৰতিযোগিতা মূলক সকলো পৰীক্ষাত যাতে ভাল ফলাফল দেখুৱাবলৈ সক্ষম হয় যি আশাৰে কৃতী ছাত্ৰ-ছাত্ৰীসকলক ফুলাম গামোছা আৰু মান পত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। মাৰৈ বিজুলীবাৰী স্বৰ্ণ শাখা সাহিত্য সভাৰ সম্পাদক বিজুফুকন বৰুৱাই আঁতধৰা আৰু এম হাফিজ আলিৰ সভাপতিত্বত অনুষ্ঠিত অনুষ্ঠানত মুখ্য অতিথি হিচাপে দৰং জিলা সাহিত্য সভাৰ সম্পাদক মৃণাল কুমাৰ ৰাজবংশী , ৰাষ্ট্ৰীয় শিক্ষাৰত্ন বঁটা প্ৰাপক তথা বিশিষ্ট নিৱন্ধকাৰ চন্দ্ৰ চহৰীয়া বিশিষ্ট অতিথি ,অৱসৰপ্ৰাপ্ত মহকুমা পশু চিকিৎসা বিষয়া ডাঃ বাজৰুল ইছলাম সন্মানীয় অতিথি , দৰং জিলা সাহিত্য সভাৰ সাংগঠনিক সম্পাদক ধীৰাজ বৰা , কবি পপী চহৰীয়া আমন্ত্ৰিত অতিথি হিচাবে উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলৰ উদ্দেশ্যি বহুমূলীয়া বক্তব্য আগবঢ়ায়। শাখা সাহিত্য সভাৰ উপ সভাপতি ৰমাকান্ত চহৰীয়া , প্ৰাক্তন সভাপতি চাহজামাল হক , প্ৰতিস্থাপক সদস্য চালেহ উদ্দিন আহমেদ ,আৰু কৃতী ছাত্ৰ হিবজুৰ ৰহমানে বক্তব্য আগবঢ়াই। অনুষ্ঠানত পৰিৱেশন কৰা গীত আৰু কবিতা আবৃত্তিয়ে আপ্লুত কৰে উপস্থিত ৰাইজক।

No.GDB/RD/BTC/15THFC/174/2020-21/888 Date 14/07/2026

**SHORT NOTICE INVITING TENDER (SNIT)**

Sealed tenders affixing a non-refundable Court Fee Stamp of Rs. 8.25 (Rupees Eight and Twenty Five Paise only) are invited from registered contractors of Class-III and Class-IV under APWD (Roads/Building) for execution of the following works under the 15th Finance Commission during the financial year 2024–25/2025–26. The tenders will be received by the undersigned up to the prescribed date and time and will be opened on the same day at 2:30 PM.

| Name of Work | A/A Amount | Estimated Amount | Earnest Money | Time of Completion | Cost of Bid Document |
|---|---|---|---|---|---|
| Const of Community Toilet at Jyotinagar Kali Mandir | 11.00L | 11.00L | 11000.00 (1%) For ST, SC & OBC 22000.00 (2%) For General | 3 Months | 330.00 |

The detailed NIT may be seen during office hours in the office of the undersigned. Tender papers will be issued from 14.07.2026 to 04.08.2026 on payment of the prescribed cost through Demand Draft/Fixed Deposit/Term Deposit from any Nationalised Bank, pledged in favour of the Principal Secretary, BTC, Kokrajhar.

Sd/-
Block Development Officer
Gobardhana Development Block,
Barpeta Road

IPR(BTC)/C/2026-27/808

## নগাঁৱৰ পাথৰি চাৰিআলিত মণিকাঞ্চন অসমৰ উদ্যোগত অনুষ্ঠিত হোৱা কৰ্মশালা

**বাতৰি কাকত, নগাঁও, ১৮ জুলাই ঃ** নগাঁও চহৰৰ কিছু নিলগৰ পাথৰি চাৰিআলিৰ ৰাজহুৱা ভৱনত সংগীত সত্ৰ পৰীক্ষা পৰিষদ তথা এটি সকলোৰে পৰিচিত সাংস্কৃতিক প্ৰতিষ্ঠান মণিকাঞ্চন অসমৰ উদ্যোগত ৭ দিনীয়াকৈ আয়োজন কৰা সত্ৰীয়া নৃত্য, অংকীয়া নাটৰ লগতে খোল বাদন প্ৰশিক্ষণ শিবিৰৰ বৃহস্পতিবাৰে সফলতাৰে সামৰণি পৰে। সত্ৰীয়া নৃত্য পাৰ্গত কেহুৰাম বৰা, অংকীয়া নাটৰ প্ৰশিক্ষক আনন্দ মুক্তিয়াৰ আৰু খোল বাদনৰ বৰ বায়ন প্ৰদীপ বৰাৰ নেতৃত্বত আয়োজন কৰা প্ৰশিক্ষণ শিবিৰত স্থানীয় অঞ্চলৰ লগতে নগাঁৱৰ ভিন্ন প্ৰান্তৰ পৰা প্ৰায় শতাধিক যুৱক-যুৱতীয়ে অংশগ্ৰহণ কৰে। জানিব পৰা মতে- অনুষ্ঠানৰ শেষৰ দিনা প্ৰশিক্ষণ লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা মঞ্চত প্ৰথমে খোলবাদন, মাটি আখৰাৰ লগত মাধৱদেৱে ৰচিত 'চোৰ ধৰা' নাটক খনৰ বৰ আখৰা কাৰ্যসূচীৰে কৰ্মশালাৰ সামৰনি পৰে। ইপিনে সামৰণি অনুষ্ঠানত নগাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক বসন্ত বৰা, কেইবাজনো অঞ্চলৰে বিশিষ্ট ব্যক্তি সকলৰ লগতে অভিভাৱক সকল উপস্থিত থাকে। উল্লেখ যে অভিভাৱক সকলৰ অনুপ্ৰেৰণাত তথা উঠি অহা যুৱ চামটোৰ জৰিয়তে গুৰুজনাৰ কলা-সংস্কৃতি সমাজত প্ৰতিষ্ঠা কৰাৰ বাবে এনেধৰণৰ কৰ্মশালাৰ অনুষ্ঠিত কৰা প্ৰয়োজনীয়তা আছে বুলি কৰ্মশালাখনিৰ মুখ্য গুৰি ধৰোঁতা কেহুঁৰাম বৰাই নগাঁৱৰ সমাজ সচেতন লোক সকললৈ এক বাৰ্তা প্ৰেৰণ কৰে।

### বানাক্ৰান্ত অঞ্চলত বিনামূলীয়া পশু চিকিৎসা শিৱিৰ সম্পন্ন

## দুহেজাৰ পশুধন-পক্ষীৰ স্বাস্থ্য পৰীক্ষা- ঔষধ বিতৰণ

**বাতৰি কাকত, শিৱসাগৰ, ১৮ জুলাই ঃ** শিৱসাগৰ জিলাৰ বৰাহীবাৰী ৰাজ্যিক পশু চিকিৎসালয়ৰ উদ্যোগত আৰু আমগুৰি ভ্ৰাম্যমাণ পশু চিকিৎসা সেৱাৰ সহযোগত কালি আমগুৰি ৰাজহ চক্ৰৰ অধীনৰ সদ্য বান প্ৰভাৱিত অঞ্চলত এটি বিনামূলীয়া পশু চিকিৎসা আৰু সজাগতা শিৱিৰ সফলভাৱে সম্পন্ন হয়। বানপীড়িত অঞ্চলসমূহৰ পশুধনৰ সুৰক্ষা আৰু স্বাস্থ্য ৰক্ষাৰ উদ্দেশ্যেৰে আমগুৰিৰ শেনচোৱা আৰু ডোম গাঁও সামৰি এই বিশেষ শিৱিৰৰ আয়োজন কৰা হয়। এই চিকিৎসামূলক শিৱিৰটো বৰাহীবাৰী ৰাজ্যিক পশু চিকিৎসালয়ৰ ভাৰপ্ৰাপ্ত পশু চিকিৎসা বিষয়া ডাঃ হেমেন গগৈ আৰু আমগুৰি ভ্ৰাম্যমাণ পশু চিকিৎসা সেৱাৰ দায়িত্ববাহী চিকিৎসক ডাঃ বিতোপন গগৈৰ যুটীয়া নেতৃত্বত পৰিচালিত হয়। বানৰ পাছত পশুধনৰ মাজত হ'ব পৰা বিভিন্ন সংক্ৰামক ৰোগ প্ৰতিৰোধৰ বাবে চিকিৎসক দলটোৱে অঞ্চলটোৰ ঘৰচীয়া জীৱ-জন্তুসমূহৰ স্বাস্থ্য পৰীক্ষা কৰে। দিনজোৱা এই শিৱিৰত বানাগ্ৰস্ত অঞ্চলটোৰ প্ৰায় ১৩০ টা গৰু-ম'হ, ৯৬ টা ছাগলী, ১৪৪ টা গাহৰি আৰু ১,৫৮৮ টা হাঁহ-কুকুৰাকে ধৰি পক্ষীৰ স্বাস্থ্য পৰীক্ষা কৰি থিতাতে বিনামূলীয়া প্ৰতিষেধক আৰু আৱশ্যকীয় ঔষধ-পাতি বিতৰণ কৰা হয়। বানৰ তাণ্ডৱৰ পাছত পশুধনক লৈ চিন্তিত হৈ পৰা স্থানীয় বানপীড়িত ৰাইজ চৰকাৰী বিভাগৰ এই তৎপৰতাত যথেষ্ট উপকৃত হয় আৰু চিকিৎসাধীন দলটোক ধন্যবাদ জ্ঞাপন কৰে।

### নৰ্থ গুৱাহাটী জাৰ্ণেলিষ্ট ফ'ৰামৰ উদ্যোগত

## স্বভাৱসুলভ ৰসিকতাৰে জনতাৰ হৃদয় জয় কৰা ডাঃ অঞ্জনজ্যোতি চৌধুৰীলৈ 'ৰসসূৰ্য' সন্মান প্ৰদান

**সুস্বাস্থ্য দীৰ্ঘ জীৱনৰ বাবে প্ৰাণ খুলি হাহক ঃ ডাঃ অঞ্জনজ্যোতি চৌধুৰী**



**উত্তৰ গুৱাহাটী, ১৮ জুলাই ঃ** নৰ্থ গুৱাহাটী জাৰ্ণেলিষ্ট ফ'ৰামৰ উদ্যোগত স্বভাৱসুলভ ৰসিকতাৰে সহস্ৰ জনতাৰ হৃদয় জয় কৰা বিশিষ্ট শিল্পী ডাঃ অঞ্জনজ্যোতি চৌধুৰীলৈ আগবঢ়োৱা হয় 'ৰসসূৰ্য' সন্মান। আজি গুৱাহাটীৰ আমবাৰীৰ চৌধুৰীৰ বাসভৱনত ফ'ৰামে তেওঁক এই সন্মান প্ৰদান কৰে। এই সন্মান তেওঁক আনুষ্ঠানিকভাৱে প্ৰদান কৰে জাৰ্ণেলিষ্ট ফ'ৰামৰ বিষয়ববীয়া সকলৰ লগতে কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে। সন্মান গ্ৰহণ কৰি ডাঃ চৌধুৰীয়ে অসমবাসীক হাঁহিবলৈ আহ্বান জনায়। লগতে তেওঁ কয় যে মনখুলি হাঁহিলে মানুহৰ সুস্বাস্থ্য অটুট থাকে আৰু মানুহ দীৰ্ঘায়ু হয়। এনে মহান উদ্দেশ্যেৰেই তেওঁ অসমৰ বিভিন্ন স্থানত সভা সমিতিত অংশগ্ৰহণ কৰি মানুহক হহুৱাই ক্ষন্তেকৰ বাবে হ'লেও দুখ কষ্ট পাহৰাই ৰাখিবলৈ চেষ্টা চলাই বুলি তেওঁ কয়। অনুষ্ঠানত অংশগ্ৰহণ কৰি দৈনিক জনমভূমি কাকতৰ মুখ্য সম্পাদক সঞ্জীৱ ফুকনে কয় যে ডাঃ অঞ্জনজ্যোতি চৌধুৰীয়ে হাঁহিবলৈ পাহৰি যোৱা অসমীয়া জাতিক আকৌ হাহিবলৈ শিকালে। প্ৰখ্যাত ৰাজনীতিক আৰু সাহিত্যিক তথা পিতৃ লক্ষ্যধৰ চৌধুৰীৰ সুযোগ্যপুত্ৰ হোৱাৰ লগতে এটি অসমৰ গৌৰৱোজ্জল পৰিয়ালৰ বাসগৃহত উপস্থিত হৈ এনে এক অনুষ্ঠানত উপস্থিত থাকিবলৈ পাই ধন্য মানিছে বুলি কয়। নৰ্থ গুৱাহাটী জাৰ্ণেলিষ্ট ফ'ৰামৰ এই সন্মান সদায় স্মৰণীয় হৈ থাকিব বুলি ফুকনে আশা কৰে। অনুষ্ঠানত ভাষণ দি উত্তৰ গুৱাহাটী কলেজৰ অৱসৰী অধ্যাপক যতীন চৌধুৰীয়ে স্কুলীয়া সতীৰ্থ ডাঃ অঞ্জন জ্যোতি চৌধুৰীৰ সৈতে কটোৱা বিভিন্ন মুহূৰ্তৰ বিষয়ে আলোকপাত কৰে। কবি কমল বৰাই আঁত ধৰা অনুষ্ঠানটিৰ আৰম্ভণিতে ফ'ৰামৰ সম্পাদক কৌশিক দাস আৰু কাৰ্যকৰী সভাপতি ৰাজকমল চাং কাকতিয়ে ভাষণ দিয়ে। ৰসসূৰ্য সন্মান গ্ৰহণ কৰি ডাঃ চৌধুৰীয়ে নিজৰ ৰসাল ভাষণেৰে উপস্থিত সকলোকে মুগ্ধ কৰে। এনে এটি সন্মান প্ৰদান কৰা বাবে তেওঁ নৰ্থ গুৱাহাটী জাৰ্ণেলিষ্ট ফ'ৰামক ধন্যবাদ জনায়। এই সন্মান প্ৰদান কৰি ফ'ৰামে ডাঃ চৌধুৰীক গামোছা, চেলেং, জাপি, স্মাৰক আৰু মানপত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰে। অনুষ্ঠানত ডাঃ চৌধুৰীৰ নাতিয়েক আদৃদে গণশিল্পী ড° ভূপেন হাজৰিকাৰ এটি গীত পৰিৱেশন কৰি সকলোকে আপ্লুত কৰে। আজিৰ অনুষ্ঠানত উত্তৰ গুৱাহাটীৰ বিশিষ্ট সমাজকৰ্মী পাৰ্থ বৰকাকতি, জয়ন্ত কুমাৰ নাথ, ফ'ৰামৰ উপদেষ্টা কুমুদ তালুকদাৰ আৰু মুনীন ডেকা, জ্যেষ্ঠ সাংবাদিক দিগন্ত বৰদলৈ, অনুপ দাস প্ৰমুখ্যে কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উল্লেখ্য যে ডাঃ চৌধুৰীয়ে বিগত বহু বছৰ ধৰি অসমৰ লগতে বহিঃৰাজ্যতো ৰাজহুৱা অনুষ্ঠানত ৰসাল বক্তৃতাৰে সকলো শ্ৰেণীৰ লোকক হাহিৰ খোৰাক যোগাই আহিছে। এগৰাকী সু-চিকিৎসক হিচাপে আৰু সাহিত্য কৰ্মৰ জৰিয়তেও সেৱা আগবঢ়াই অহা ডাঃ চৌধুৰীৰ দীৰ্ঘদিনৰ কৰ্মৰাজিৰ স্বীকৃতিৰূপে নৰ্থ গুৱাহাটী জাৰ্ণেলিষ্ট ফ'ৰামে তেওঁক এই সন্মান প্ৰদান কৰে।

**Name Correction**

Vide an affidavit sworn before the Notary, Gossaigaon on 17/07/2026, I, Basiron Bibi, D/o Babur Ali Sheikh, R/o Vill. Serfanguri No. 2, P.O. Gossaigaon, Dist. Kokrajhar, Assam, declare that my name and my father's name have been wrongly recorded in my SBI Passbook (A/C No. 32781966817) at gossaigaon branch as Mrs. Basiran Khatun, D/o Mr. Babar Ali SK instead of my correct name Basiron Bibi, D/o Babur Ali Sheikh. Both names refer to the same and one identical person, and both father's names refer to the same and one

**Name Correction**

Our two brothers actual and correct name is Nurul Haque choudhury and nuruzzaman choudhury S/O late Musleh Uddin Ahmed which has been recored in official and non official documents. but our name has been wrongly recored Nur Jaman and Nurul Haque S/O-Muslem Uddin in the land jamabande copy of Ding Rev Circle vide patta no- 273, 274, 383, 357 Dag no - 463, 465, 464

### মহাকাশত ইতিহাস

## কক্ষপথত উপনীত হ'ল ভাৰতৰ প্ৰথমটো ব্যক্তিগত খণ্ডৰ ৰকেট স্কাইৰুটৰ 'বিক্ৰম-১'




**মুম্বাই, ১৮ জুলাই ঃ** স্কাইৰুট এৰোস্পেচে আজি ইতিহাস ৰচনা কৰিলে। ভাৰতত নিৰ্মিত ৰকেট উৰুৱাই প্ৰথমবাৰৰ বাবে কক্ষপথত উৰুৱাই দিয়া প্ৰথমটো ব্যক্তিগত কোম্পানী হিচাপে পৰিগণিত হয়। মিছন আগমন অৰ্থাৎ 'আগমন', শ্ৰীহৰিকোটাৰ সতীশ ধৱন মহাকাশ কেন্দ্ৰৰ ফাৰ্ষ্ট লঞ্চ পেডৰ পৰা উৰা মাৰিছিল আৰু বিক্ৰম-১ এ ৬০ ডিগ্ৰী হেলনীয়া অৱস্থাত প্ৰায় ৪৫০ কিলোমিটাৰ লক্ষ্য নিম্ন পৃথিৱী কক্ষপথত উপনীত হ'বলৈ নামমাত্ৰ প্ৰফাইল উৰুৱাইছিল, য'ত ই নিজৰ পেলোডসমূহ সফলতাৰে নিয়োগ কৰিছিল কক্ষপথত উপনীত হোৱা। দলটোৱে আজীৱন সন্মান বুলি অভিহিত কৰা এক মুহূৰ্তত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ব্যক্তিগতভাৱে ফোন কৰি বিক্ৰম-১ৰ সফলতাত স্কাইৰুট দলটোক অভিনন্দন জনায়। তেওঁ বিক্ৰম-১ত 'বন্দে মাতৰম', লিখা হাতে লিখা পোষ্টকাৰ্ড এখনো মহাকাশলৈ প্ৰেৰণ কৰিছে। 'বিক্ৰম-১' অভিযানৰ সফল সাফল্যৰ বাবে টিম স্কাইৰুটলৈ মই আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো। এই কৃতিত্ব বছৰ বছৰ ধৰি উদ্ভাৱন, অধ্যৱসায় আৰু অভিযান্ত্ৰিক উৎকৰ্ষতাৰ পৰিণতি, আৰু ই ভাৰতৰ ব্যক্তিগত মহাকাশ খণ্ডৰ ক্ৰমবৰ্ধমান পৰিপক্কতাক প্ৰতিফলিত কৰে। ভাৰতীয় উদ্যোগে প্ৰযুক্তিগত সামথ্যক উৎক্ষেপণ ক্ষমতালৈ অনুবাদ কৰা, আমাৰ ৰাষ্ট্ৰীয় মহাকাশ কাৰ্যসূচীৰ পৰিপূৰক হিচাপে পৰিগণিত হোৱাটো উৎসাহজনক ভাৰতৰ মহাকাশ উচ্চাকাংক্ষাক আগুৱাই নিয়া এক সজীৱ, বিশ্বব্যাপী প্ৰতিযোগিতামূলক মহাকাশ পৰিৱেশ তন্ত্ৰ গঢ়ি তোলাৰ বাবে উদ্যোগৰ অংশীদাৰসকলৰ সৈতে ঘনিষ্ঠভাৱে কাম কৰিবলৈ IN-SPACe প্ৰতিশ্ৰুতিবদ্ধ হৈ আছে।

**ইছৰোৰ অধ্যক্ষ ড° ভি নাৰায়ণ ঃ** এইটো এটা গৌৰৱৰ দিন, কেৱল স্কাইৰুটৰ বাবেই নহয় সমগ্ৰ দেশৰ বাবে। মাত্ৰ মুষ্টিমেয় জাতিয়েহে নিজাববীয়াকৈ স্থানত উপনীত হ'ব পাৰে আৰু আজি এটা ব্যক্তিগত ভাৰতীয় কোম্পানীয়ে সেই একচেটিয়া ক্লাবত যোগদান কৰিলে। আজি যিটোৰে উত্থাপন কৰিলে সেয়া হৈছে বছৰ বছৰ ধৰি কৰা কাম, হাজাৰৰো অধিক লোকৰ এটা দল আৰু ইয়াৰ সৈতে প্ৰায় চাৰিশ যোগানকাৰীৰ প্ৰচেষ্টাৰ শিখৰ। স্কাইৰুটৰ দললৈ অভিনন্দন। আপুনি আমাক ভাৰতক এটা মুহূৰ্ত দিছে।

**ড° পৱন গোৱেংকা, অধ্যক্ষ, (IN-SPACe) ঃ** আমি আজি ইয়াত থিয় হৈ অসীম গৌৰৱান্বিত। বিক্ৰম-১ নিজৰ নিৰ্দিষ্ট কক্ষপথত উপনীত হৈ আমাৰ নিজা SCOPE উপগ্ৰহ, গ্ৰহা স্পেচৰ ছ'লাৰাছ উপগ্ৰহ, আৰু অন্যান্য কক্ষপথত পৰীক্ষা নিয়োগ কৰিলে যাৰ ফলত স্কাইৰুটক প্ৰথমটো উৰণত কক্ষপথলৈ ৰকেট লৈ যোৱা প্ৰথমটো ব্যক্তিগত কোম্পানী হিচাপে পৰিগণিত হয়। আজি বিশ্বই যি দেখিছে সেয়া হৈছে সমগ্ৰ দেশৰ আমাৰ দল, আমাৰ অংশীদাৰ আৰু যোগানকাৰীসকলৰ বছৰ বছৰ ধৰি কৰা কামৰ ফল। ইয়াৰ দ্বাৰা প্ৰমাণিত হয় যে ভাৰতত বিশ্বৰ মানদণ্ড পূৰণ কৰা লঞ্চ বাহন নিৰ্মাণৰ প্ৰতিভা, প্ৰযুক্তি আৰু উদ্যোগিক শক্তি আছে আৰু ইয়াৰ পৰাই বিশ্বক সেৱা আগবঢ়াব পাৰে। আমাৰ মিছন সদায় সকলোৰে বাবে ঠাই মুকলি কৰা। আজি আমি সেই দুৱাৰখন অলপ বহলকৈ খুলিলোঁ। এয়া গন্তব্যস্থান নহয়। ই আৰম্ভণি। ইয়াৰ পৰা আমি জপিয়াই যাওঁ।

**স্কাইৰুট এৰ'স্পেচৰ সহ-প্ৰতিষ্ঠাপক আৰু মুখ্য কাৰ্যবাহী বিষয়া পৱন কুমাৰ চন্দনা ঃ** উৰণৰ সময়ত বিক্ৰম-১এ প্ৰতিটো প্ৰধান মিছনৰ মাইলৰ খুঁটি সম্পূৰ্ণ কৰিছিল, প্ৰকৃত কাৰ্যকৰী পৰিস্থিতিত ইয়াৰ প্ৰপালচন, এভিয়নিকছ, আৰু গাইডেন্স, নেভিগেচন আৰু কণ্ট্ৰল চিষ্টেমৰ কাৰ্যক্ষমতাক বৈধতা প্ৰদান কৰিছিল। বাহনখনে ইয়াৰ গ্ৰাহকৰ পেলোড নিয়োগ কৰিছিল আৰু বিমানৰ ভিতৰতে বহুতো তথ্য সৃষ্টি কৰিছিল যিয়ে ভৱিষ্যতৰ বিক্ৰম অভিযান আৰু স্কাইৰুটৰ উৎক্ষেপণ কাৰ্যসূচীৰ অবিৰত বিৱৰ্তনৰ বিষয়ে প্ৰত্যক্ষভাৱে অৱগত কৰিব।

মিছন আগমন হৈছে বছৰ বছৰ ধৰি চলি অহা অভিযান্ত্ৰিক, কঠোৰ পৰীক্ষণ আৰু মহাকাশৰ কিছুমান কঠিন সমস্যা সমাধানৰ বাবে এক অটল দায়বদ্ধতাৰ শিখৰ। আজিৰ প্ৰতিটো মাইলৰ খুঁটিয়ে শ শ অভিযন্তা, কাৰিকৰী আৰু মিছন বিশেষজ্ঞৰ নিষ্ঠাক প্ৰতিফলিত কৰে যিসকলে সম্ভৱপৰ সীমা ঠেলি দিয়াত বিশ্বাস কৰিছিল। আমি ISRO, IN-SPACe আৰু আমাৰ কাষত থিয় দিয়া প্ৰতিজন গ্ৰাহক, বিনিয়োগকাৰী আৰু অংশীদাৰৰ প্ৰতি গভীৰভাৱে কৃতজ্ঞ। আনকি আমি উদযাপন কৰাৰ সময়তো আমি ইতিমধ্যে আজিৰ শিক্ষণসমূহ বিক্ৰম ধাৰাবাহিকৰ পৰৱৰ্তী অধ্যায়ত প্ৰয়োগ কৰিছো আৰু ভাৰতৰ পৰা, বিশ্বৰ বাবে বিশ্বমানৰ উৎক্ষেপণ ক্ষমতা গঢ়ি তুলিছো।

**নগা ভাৰত ডাকা, সহ-প্ৰতিষ্ঠাপক আৰু চি অ' অ', স্কাইৰুট এৰ'স্পেচ ঃ** বিক্ৰম-১ হৈছে সম্পূৰ্ণ কাৰ্বন-কম্পোজিট গঠনৰ চাৰিওফালে নিৰ্মিত আৰু ঘৰতে বিকশিত প্ৰপালচনৰ দ্বাৰা চালিত সাতমহলীয়া, বহু-পৰ্যায়ৰ কক্ষপথৰ উৎক্ষেপণ বাহন, য'ত থ্ৰীডি-প্ৰিণ্টেড ইঞ্জিন আৰু হাই-থ্ৰাষ্ট কঠিন ইন্ধন মটৰ অন্তৰ্ভুক্ত আৰু ইয়াক ৩৫০ কিলোগ্ৰাম পৰ্যন্ত সৰু উপগ্ৰহক নিম্ন পৃথিৱীৰ কক্ষপথলৈ কঢ়িয়াই নিব পৰাকৈ ডিজাইন কৰা হৈছে। ইয়াৰ অতি কম শ্বকযুক্ত, মাটিত পৰীক্ষা কৰিব পৰা পৃথকীকৰণ ব্যৱস্থাসমূহ ই কঢ়িয়াই নিয়া সুক্ষ্ম উপগ্ৰহসমূহক সুৰক্ষিত কৰিবলৈ অভিযন্তা কৰা হৈছে। এই বিমানখনত বিক্ৰম-ৰ-এ স্কাইৰুটৰ নিজা SCOPE উপগ্ৰহৰ সৈতে গ্ৰহা স্পেচ, কচমোচাৰ্ভ আৰু ডিকিউবেডৰ প্ৰযুক্তি-প্ৰদৰ্শন পেলোড কঢ়িয়াই লৈ ফুৰিছিল, লগতে কচমছ ডাইমগুছৰ কলাকৰ্ম 'কচমিক ব্লুম' আৰু এটা মাইক্ৰ'-আৰ্ট টুকুৰা - মহাকাশলৈ প্ৰৱেশে কি কঢ়িয়াই নিব পাৰে তাৰ এটা সৰু, মানৱীয় সোঁৱৰণী। বিক্ৰম-ৰ সফলতাই স্কাইৰুটৰ বাণিজ্যিক উৎক্ষেপণ কাৰ্যসূচীৰ ভেটি স্থাপন কৰাৰ লগতে বিশ্ব মহাকাশ অৰ্থনীতিৰ এক প্ৰধান শক্তি হিচাপে ভাৰতৰ উত্থানক শক্তিশালী কৰে। কোম্পানীটোৰ ৰোডমেপত ২০২৭ চনৰ বাবে লক্ষ্য কৰি লোৱা প্ৰথম উৰণৰ লক্ষ্যৰে নিম্ন পৃথিৱীৰ কক্ষপথলৈ ১০০০ কিলোগ্ৰাম পৰ্যন্ত কঢ়িয়াই নিব পৰা বিক্ৰম-চ আৰু বুষ্টাৰ আৰু আপাৰ ষ্টেজ দুয়োটাকে পুনৰুদ্ধাৰ আৰু পুনৰ ব্যৱহাৰৰ বাবে অভিযন্তা কৰা হৈছে, যিটো কক্ষপথত উপনীত হোৱাৰ খৰচ আৰু অধিক কম কৰিবলৈ ডিজাইন কৰা হৈছে। স্কাইৰুটৰ মিছন হৈছে সকলোৰে বাবে ঠাই মুকলি কৰা। আজি ভাৰতীয় মাটিৰ পৰা সেই অভিযানে উৰণ আৰম্ভ কৰিলে, আৰু তাৰ লগে লগে মহাকাশলৈ যোৱাৰ বিশ্বৰ মানচিত্ৰত এক নতুন গন্তব্যস্থান মুকলি হ'ল।

**স্কাইৰুট এৰোস্পেচৰ বিষয়ে ঃ** স্কাইৰুট এৰ'স্পেচ হৈছে এক ব্যক্তিগত মহাকাশ উৎক্ষেপণ কোম্পানী, যিয়ে বিশ্বজুৰি ক্ষুদ্ৰ উপগ্ৰহ অপাৰেটৰসকলৰ বাবে অন-ডিমাণ্ড আৰু মহাকাশলৈ নিবেদিত প্ৰৱেশ প্ৰদান কৰিবলৈ বিক্ৰম-ছিৰিজৰ উৎক্ষেপণ বাহন নিৰ্মাণ কৰে। পৱন কুমাৰ চন্দনা আৰু নগা ভাৰত ডাকাৰ দ্বাৰা প্ৰতিষ্ঠা কৰা এই কোম্পানীটোৱে লঞ্চ বাহনৰ পৰিয়াল ডিজাইন, বিকাশ আৰু মুকলি কৰি মহাকাশ প্ৰৱেশৰ গণতান্ত্ৰিক কৰাৰ লক্ষ্য লৈছে। ২০২২ চনত মহাকাশলৈ যোৱা ভাৰতৰ প্ৰথমটো ব্যক্তিগতভাৱে নিৰ্মিত ৰকেট বিক্ৰম-এছ উৎক্ষেপণেৰে স্কাইৰুটে ইতিহাস ৰচনা কৰে। ২০২৬ চনৰ জুলাই মাহত কোম্পানীটোৱে ইয়াৰ কক্ষপথ উৎক্ষেপণ বাহন বিক্ৰম-ৰ প্ৰথম উৰণ সফলতাৰে উৰণ কৰি ভাৰতৰ প্ৰথমটো ব্যক্তিগত কক্ষপথ উৎক্ষেপণৰ চিন স্বৰূপ। বিক্ৰম-১ই ৩৫০ কিলোগ্ৰাম পৰ্যন্ত সৰু সৰু উপগ্ৰহসমূহক পৃথিৱীৰ নিম্ন কক্ষপথত নিয়োগ কৰিব পৰাকৈ ডিজাইন কৰা হৈছে। সম্পূৰ্ণ কাৰ্বন কম্পোজিট গঠনৰ সৈতে নিৰ্মিত আৰু থ্ৰীডি-প্ৰিণ্টেড ইঞ্জিনকে ধৰি ঘৰতে বিকশিত কঠিন আৰু তৰল প্ৰপালচন ব্যৱস্থাৰে চালিত এই ৰকেটটো দ্ৰুত নিৰ্মাণ আৰু উচ্চ উৎক্ষেপণৰ কেডেন্সৰ বাবে অভিযন্তা। স্কাইৰুটৰ প্ৰযুক্তি ষ্টেক কাৰ্বন কম্পোজিট ৰকেট গঠন, আৰু কঠিন (কালাম ছিৰিজ), লিকুইড (ৰমন ছিৰিজ), আৰু ক্ৰাইজেনিক (ধাৱান ছিৰিজ) প্ৰপালচন চিষ্টেম, এই সকলোবোৰ ইয়াৰ মে'-কিউ (৫৫,০০০ বৰ্গফুট), ইনফিনিটি (২,০০,০০০ বৰ্গফুট) কেম্পাছত ঘৰতে বিকশিত কৰা হৈছে। শেহতীয়াকৈ স্কাইৰুটে তেলেংগানাৰ হায়দৰাবাদৰ এৰো টাৱাৰ্ছ (১০,০০০ বৰ্গফুট)ত এটা কেম্পাছ মুকলি কৰিছে। ১.১ বিলিয়ন মাৰ্কিন ডলাৰতকৈ অধিক মূল্যৰ স্কাইৰুটক জিআইচি, টেমাচেক, শ্বাৰপালো ভেঞ্চাৰছ, আৰু ব্লেকৰকে পৰিচালনা কৰা ধনকে ধৰি মাৰ্কিন গ্লোবেল বিনিয়োগকাৰীৰ দ্বাৰা সমৰ্থিত। ইয়াৰ মিছন: মহাকাশ যাত্ৰাক বিমান ভ্ৰমণৰ দৰে নিয়মীয়া, নিৰ্ভৰযোগ্য আৰু সুলভ কৰি তোলা- সকলোৰে বাবে স্থান মুকলি কৰা।

## ওদালগুৰি জিলা আক্ৰাছুৰ নতুন সমিতি গঠন ঃ নাম সলনি কৰি একত্ৰিকৰণ

**বাতৰি কাকত, ওদালগুৰি, ১৮ জুলাই ঃ** ওদালগুৰিত ১৫ জুলাইত সদৌ কোচ-ৰাজবংশী ছাত্ৰ সন্থা উজনি-মধ্য কেন্দ্ৰীয় সমিতিৰ এখনি গুৰুত্বপূৰ্ণ কাৰ্যনিৰ্বাহক সভা সভাপতি বিক্ৰম দাসৰ সভাপতিত্বত অনুষ্ঠিত হৈ যায়। উক্ত কাৰ্যনিৰ্বাহক সভাতেই গুৰুত্বপূৰ্ণ সিদ্ধান্ত অনুসৰি সংগঠনৰ সমুহ সতীৰ্থ, উপদেষ্টা মণ্ডলী, জিলা সমিতি সমূহৰ মতামতৰ ওপৰত ভিত্তি কৰি লোৱা সিদ্ধান্ত মতে আক্ৰাছু উজনি-মধ্য সমিতিত নামনি অসমৰ বহু কেইখন জিলা সমিতি সংযুক্ত কৰা হয়। সভাত সদৌ কোচ- ৰাজবংশী ছাত্ৰ সন্থা উজনি-মধ্যৰ নামটো সলনি কৰি সদৌ কোচ-ৰাজবংশী ছাত্ৰ সন্থা (একত্ৰিত) নামটো নামাকৰণ কৰা হয় আৰু এতিয়াৰে পৰা সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থা উজনি-মধ্য নামৰ ঠাইত সদৌ কোচ-ৰাজবংশী ছাত্ৰ সন্থা (একত্ৰিত) নামেৰে কাৰ্যকৰী হোৱাকৈ সিদ্ধান্ত লোৱা হয়। উক্ত সভাতেই হৰেশ্বৰ কোচা সভাপতি আৰু ৰাজীৱ মহলীয়াক সাধাৰণ সম্পাদক হিচাপে লৈ ওদালগুৰি জিলা আক্ৰাছুৰ জিলা সমিতি গঠনখন গঠন কৰা হয়।।




## বঙাইগাঁৱৰ গেৰুকাবাৰীত মেচাৰ্ছ বিমল অটোৰ সৈতে অশোক লেলেণ্ডৰ নতুন থ্ৰী এছ কেন্দ্ৰ মুকলি

**বাতৰি কাকত, বঙাইগাঁও, ১৮ জুলাইঃ** উত্তৰ-পূৰ্বাঞ্চলত বাণিজ্যিক বাহন খণ্ডত নিজৰ উপস্থিতি অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে হিন্দুজা গোটৰ অগ্ৰণী প্ৰতিষ্ঠান অশোক লেলেণ্ডে বৃহস্পতিবাৰে মেচাৰ্ছ বিমল অটো কমাৰ্চিয়েল প্ৰাইভেট লিমিটেডৰ সহযোগত বঙাইগাঁৱত এক অত্যাধুনিক সমন্বিত থ্ৰী এছ (বিক্ৰী, সেৱা আৰু খুচৰা যন্ত্ৰাংশ) ডিলাৰশ্বিপ উদ্বোধন কৰে। চিৰাং জিলাৰ বিজনীৰ নিকটৱৰ্তী তথা বঙাইগাঁও জিলাৰ গেৰুকাবাৰীত ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাই পথৰ কাষত প্ৰায় ৪২ হেজাৰ বৰ্গফুট এলেকাজুৰি গঢ়ি তোলা এই ডিলাৰশ্বিপত ১০টা সম্পূৰ্ণ সা-সঁজুলিৰে সজ্জিত ছাৰ্ভিচ বেক্স স্থাপন কৰা হৈছে। ইয়াত একেটা স্থানতে বাহন বিক্ৰী, মেৰামতি সেৱা আৰু প্ৰকৃত খুচৰা যন্ত্ৰাংশৰ সুবিধা উপলব্ধ হ'ব। নামনি অসমৰ বিশেষকৈ বঙাইগাঁও, চিৰাং, কোকৰাঝাৰ, বাগসা, বৰপেটা, বজালী, নলবাৰী, গোৱালপাৰা, ধুবুৰী আৰু কামৰূপ জিলাৰ বাণিজ্যিক বাহন ব্যৱহাৰকাৰী আৰু পৰিবহণ ব্যৱসায়ীসকলক অধিক দ্ৰুত আৰু মানসম্পন্ন সেৱা আগবঢ়োৱাৰ উদ্দেশ্যে এই ডিলাৰশ্বিপ স্থাপন কৰা হৈছে। ডিলাৰশ্বিপটোত আধুনিক কাৰ্যশালা আন্তঃগাঁথনি, অত্যাধুনিক ডায়েগনষ্টিক সঁজুলি, হুইল এলাইনমেণ্ট সুবিধা, দুৰ্ঘটনাগ্ৰস্ত বাহন মেৰামতিৰ ব্যৱস্থা, নিউমেটিক সঁজুলি আৰু মোবাইল ছাৰ্ভিচ সুবিধা উপলব্ধ থাকিব। ইয়াৰ ফলত গ্ৰাহকে উন্নত মানৰ সেৱা লাভ কৰাৰ লগতে বাহনৰ কাৰ্যক্ষম সময় বৃদ্ধি পাব। বৃহস্পতিবাৰে বিয়লি অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানত অশোক লেলেণ্ডৰ ৰাষ্ট্ৰীয় বিক্ৰী বিভাগৰ মুৰব্বী মাধৱী দেশমুখে কেন্দ্ৰটি মুকলি কৰি কয় যে 'গ্ৰাহকৰ অধিক সুবিধা নিশ্চিত কৰাৰ লক্ষ্যৰে অশোক লেলেণ্ডে দেশৰ গুৰুত্বপূৰ্ণ বজাৰসমূহত নিজৰ সেৱা নেটৱৰ্ক সম্প্ৰসাৰণ অব্যাহত ৰাখিছে। বঙাইগাঁৱৰ এই নতুন ডিলাৰশ্বিপে পশ্চিম অসমৰ গ্ৰাহকসকলৰ বাবে উন্নত বিক্ৰীৰে সেৱা নিশ্চিত কৰিব। লগতে কয়, মেচাৰ্ছ বিমল অটো কমাৰ্চিয়েল প্ৰাইভেট লিমিটেডৰ সৈতে অংশীদাৰিত্বৰ জৰিয়তে আমি বিশ্বমানৰ সামগ্ৰী আৰু সেৱা আগবঢ়াবলৈ প্ৰতিশ্ৰুতিবদ্ধ। আনহাতে, মেচাৰ্ছ বিমল অটো কমাৰ্চিয়েল প্ৰাইভেট লিমিটেডৰ সঞ্চালক অমিত ছাৱাৰগীয়ে কয়— 'বঙাইগাঁৱৰ এই নতুন ডিলাৰশ্বিপ আমাৰ আৰু অশোক লেলেণ্ডৰ দীৰ্ঘদিনীয়া অংশীদাৰিত্বৰ এক উল্লেখযোগ্য মাইলৰ খুঁটি। আধুনিক আন্তঃগাঁথনি, দক্ষ কৰ্মীবাহিনী আৰু গ্ৰাহককেন্দ্ৰিক দৃষ্টিভংগীৰে পশ্চিম অসমৰ পৰিবহণ ব্যৱসায়ী আৰু উদ্যোগসমূহক অধিক মানসম্পন্ন সেৱা আগবঢ়াবলৈ আমি বদ্ধপৰিকৰ। এই নতুন ডিলাৰশ্বিপৰ জৰিয়তে অশোক লেলেণ্ডৰ ইণ্টাৰমিডিয়েট কমাৰ্চিয়েল ভেহিকল, হ'লেজ ট্ৰাক, ট্ৰেক্টৰ-ট্ৰেইলাৰ, সকলো শ্ৰেণীৰ টিপাৰ, ষ্টাফ বাছ, স্কুল বাছ আৰু ৰুট বাছসহ কোম্পানীটোৰ সম্পূৰ্ণ বাণিজ্যিক বাহনৰ পৰিসৰ উপলব্ধ হ'ব। লগতে প্ৰকৃত খুচৰা যন্ত্ৰাংশ আৰু বিক্ৰীৰ পিছৰ সেৱাৰ সুবিধাও গ্ৰাহকসকলে লাভ কৰিব। এই ডিলাৰশ্বিপৰ উদ্বোধনে উত্তৰ-পূৰ্বাঞ্চলত অশোক লেলেণ্ডৰ ক্ৰমবৰ্ধমান নেটৱৰ্ক অধিক শক্তিশালী কৰাৰ লগতে পশ্চিম অসমৰ গ্ৰাহকসকলৰ ওচৰলৈ উন্নত মানৰ সামগ্ৰী আৰু সেৱা অধিক সহজলভ্য কৰি তুলিব বুলি কোম্পানীটোৱে আশা প্ৰকাশ কৰিছে। এই অনুষ্ঠানতে ভালে সংখ্যক ক্ৰেতাক নতুনকৈ ডিলাৰটোত বাহন ক্ৰয় কৰা বাহনৰ চাবি আৰু মানপত্ৰ বিশিষ্ট অতিথিসকলে প্ৰদান কৰে।



# প্ৰণৱ দলেৰ গ্ৰেপ্তাৰক তীব্ৰ গৰিহণা গ্ৰামীণ শ্ৰমিক সন্থাৰ

**বাতৰি কাকত বিশেষ,নগাঁও, ১৮ জুলাইঃ** সদৌ অসম গ্ৰামীণ শ্ৰমিক সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি শুভজ্যোতি বৰ্ধন আৰু সাধাৰণ সম্পাদক অৰূপ কুমাৰ মহন্তই এক প্ৰেছ বিবৃতি যোগে ভূমি অধিকাৰ যৌথ সংগ্ৰাম সমিতিৰ অন্যতম আহ্বায়ক লগতে বৃহত্তৰ কাজিৰঙা ভূমি আৰু মানৱ অধিকাৰ সুৰক্ষা সমিতিৰ আহ্বায়ক প্ৰণৱ দলেক যোৱা ৰচজুলাইত গুৱাহাটীৰ পৰা অসম আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা কাৰ্যক তীব্ৰ ভাষাত গৰিহণা দিয়ে। লগতে তেওঁক তাৎক্ষণিক ভাবে বিনাচৰ্তে মুক্তি দিয়াৰো দাবী জনায়।প্ৰেছ বিবৃতিটোত নেতাদ্বয়ে লগতে আৰু কয় যে, "আদিত্য ৰাভা আৰু প্ৰণৱ দলেক গ্ৰেপ্তাৰ কৰাৰ মাজেৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপি চৰকাৰখনৰ বৃহৎ ব্যৱসায়ী তথা কৰ্পৰেটৰ বহতীয়া চৰিত্ৰ প্ৰমাণ হৈছে। দুয়োগৰাকী ভূমি অধিকাৰ ৰক্ষাৰ সংগ্ৰামৰ নেতাক গ্ৰেপ্তাৰ কৰি হিমন্ত বিশ্ব শৰ্মাই সমাজখনক বিভাজন কৰিবলৈ হে খিল গীয়া শব্দ ব্যৱহাৰ কৰিছিল।" প্ৰেছ বিবৃতিটোত চৰকাৰক সমালোচনা কৰি আৰু কয়, আদিবাসী ৰাইজক ভূমি প্ৰদানৰ বিষয়টো উত্থাপনৰ কথাটো মাথোঁ নিৰ্বাচনকেন্দ্ৰিক যে আছিল সেই কথাও আজি স্পষ্ট হৈ পৰিল । চেটেলাইট টাউনশ্বিপ , পঞ্চ তাৰকা হোটেল, সৌৰ শক্তি নিৰ্মাণ আৰু চৰকাৰী ভূমি মুক্ত কৰাৰ নামত হাজাৰ হাজাৰ বিঘা ভূমি বিভিন্ন জাতি-ধৰ্ম-জনগোষ্ঠীৰ দুখীয়া কৃষকৰ পৰা কাঢ়ি নিয়া বুলি বিবৃতিটোত উল্লেখ কৰি ইয়াৰ বিৰুদ্ধে এক শক্তিশালী ঐক্যবদ্ধ সংগ্ৰামৰ বিকল্প নাই বুলিও কয়। বিবৃতিত নেতাদ্বয়ে নিৰকুংশ আৰু একক সংখ্যাগৰিষ্ঠ আসনৰে শাসনত অধিষ্ঠিত হোৱা হিমন্ত বিশ্ব শৰ্মা চৰকাৰে ফেচিষ্ট দমন আৰু বৃদ্ধি কৰাৰ আশংকা ব্যক্ত কৰি কয়, চৰকাৰী বিভাজনৰ বিৰুদ্ধে জনগণৰ ব্যাপকতম ঐক্যই যে আজি প্ৰধান হৈ পৰিছে য'ত জীৱন-জীৱিকাৰ সুৰক্ষাৰ কথা নিহিত হৈ আছে।

# নগাঁৱৰত জিলা পৰ্যায়ত বিশ্ব জনসংখ্যা দিৱস উদ্‌যাপন

**বাতৰি কাকত কচুৱা, নগাঁও বিশেষ ,১৮ জুলাইঃ** বিশ্ব জনসংখ্যা দিৱস উপলক্ষে অনুষ্ঠিত হোৱা কাৰ্যসূচীৰ অংশ হিচাপে নগাঁও জিলাৰ শিঙিমাৰী খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত তাৰাবাৰী এম.পি.এইচ.চি.-ত জিলা পৰ্যায়ৰ উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত কৰা হয়। উক্ত কাৰ্যসূচীত নগাঁও জিলাৰ যুটীয়া স্বাস্থ্য সঞ্চালক , ডাঃ পঞ্চম কুমাৰ বৰা, জিলা ন'ডেল বিষয়া (MDSR), ডাঃ কৃষ্ণ কে. বৰা, এছ.ডি.এম. এইচ.অ', শিঙিমাৰী বি.পি.এইচ.চি., ডাঃ এল. পি. শৰ্মা, জিলা প্ৰবন্ধক, অনিৰ্বাণ বৰঠাকুৰ, জিলা সংবাদ বিশেষজ্ঞ, পৰীস্মিতা বুঢ়াগোহাই, জিলা কমিউনিটি মবিলাইজাৰ, ৰাখি শইকীয়া, জ্যেষ্ঠ সমন্বয়ক, (IPAS), শেখৰজ্যোতি হাজৰিকা, সংবাদ মাধ্যমৰ বিশিষ্ট ব্যক্তি সকল , BPMU-ৰ সমূহবিষয়ববীয়া, আশা কৰ্মী সকল , যোগ্য দম্পতী আৰু অন্যান্য বিষয়াসকল উপস্থিত থাকে। অনুষ্ঠানৰ লগত সংগতি ৰাখি পৰিয়াল পৰিকল্পনা আৰু ইয়াৰ গুৰুত্ব সম্পৰ্কে বিশেষভাৱে আলোকপাত কৰা হয়। কাৰ্যসূচীৰ অংশ হিচাপে চাৰিগৰাকী নৱবিবাহিত দম্পতীক "নয়ী পহেল কিট" (Nayi Pehel Kit) বিতৰণ কৰা হয় যাতে তেওঁলোক সচেতন আৰু দায়িত্বশীল পৰিয়াল পৰিকল্পনা গ্ৰহণ কৰিবলৈ উৎসাহিত কৰিব পৰা যায়। লগতে শিঙিমাৰী খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত তিনিগৰাকী শ্ৰেষ্ঠ আশাকৰ্মী ক্ৰমে মিনাৱা খাতুন, মৰ্জিনা খাতুন আৰু হাচনাৱা খাতুনক পৰিয়াল পৰিকল্পনাৰ বিভিন্ন শিতানত আগবঢ়োৱা উল্লেখযোগ্য অৱদানৰ বাবে সম্বৰ্ধনা জনোৱা হয়। ইয়াৰোপৰি আশা কৰ্মীসকলৰ জ্ঞান বৃদ্ধি আৰু পৰিয়াল পৰিকল্পনা বিষয়ক ধাৰণা অধিক সুদৃঢ় কৰাৰ উদ্দেশ্যে এখন কুইজ প্ৰতিযোগিতাৰো আয়োজন কৰা হয় আৰু শ্ৰেষ্ঠ তিনিটা দলক পুৰস্কৃত কৰা হয়।

# ডিব্ৰুগড়ৰ গ্ৰীনউড চাহ বাগিচাত সঙ্গীতমৰ সপ্তাহজোৰা গ্ৰীষ্মকালীন শিবিৰ সফল সামৰণি

**বাতৰি কাকত, ডিব্ৰুগড় ,১৮ জুলাইঃ** ডিব্ৰুগড়স্থিত সাংস্কৃতিক সংস্থা সঙ্গীতমে ডিব্ৰুগড় জিলাৰ গ্ৰীনউড চাহ বাগিচাত এক সপ্তাহজোৰা গ্ৰীষ্মকালীন শিবিৰ সফলভাৱে আয়োজন কৰে। বিশ্ববিখ্যাত তথা বিশ্বৰ প্ৰথম চাহ উৎপন্ন হিচাপে পৰিচিত অসম চাহ কোম্পানী ইণ্ডিয়া লিমিটেডৰ অন্তৰ্গত এই চাহ বাগিচাত অনুষ্ঠিত শিবিৰত ১৫০ জনতকৈ অধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। শিবিৰত প্ৰতিদিনে যোগ, সংগীত, নৃত্য, চিত্ৰাংকন আৰু হস্তশিল্পৰ সমান্তৰাল প্ৰশিক্ষণ শ্ৰেণী অনুষ্ঠিত হয়। সামৰণি অনুষ্ঠানত সকলো অংশ গ্ৰহণকাৰীক প্ৰমাণপত্ৰ প্ৰদান কৰা হয়। ইয়াৰ পিছতে শিবিৰৰ শিক্ষাৰ্থীসকলে মনোমোহা সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰে।অনুষ্ঠানত গ্ৰীনউড চাহ বাগিচাৰ জ্যেষ্ঠ প্ৰবন্ধক মোহন সিং জামৱালে সঙ্গীতমৰ প্ৰতি আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে। তেওঁ কোম্পানীৰ মুখ্য চিকিৎসা বিষয়া ডাঃ পূৰ্ণানন্দ খাউণ্ড আৰু সঙ্গীতমৰ উপ-সভানেত্ৰী ডাঃ তৃষ্ণা দুৱৰা কলিতাক চাহ জনগোষ্ঠীৰ শিশু-সন্তানসকলৰ বাবে এনে এক অনুপ্ৰেৰণাদায়ক কাৰ্যসূচীৰ শুভ সূচনা কৰাৰ বাবে বিশেষভাৱে প্ৰশংসা কৰে।সভানেত্ৰীৰ ভাষণত সঙ্গীতমৰ সভানেত্ৰী মিনাক্ষী



বৰুৱাই গ্ৰীনউড পৰিয়ালৰ আন্তৰিক সহযোগিতা আৰু আতিথ্যৰ উচ্চ প্ৰশংসা কৰে। বিশেষকৈ কল্যাণ বিষয়া নীতু সিং, অংগনবাড়ী কেন্দ্ৰৰ কৰ্মীসকল, সঙ্গীতমৰ সম্পাদক আত্ৰেয়ী বৰুৱা, উপ-সভানেত্ৰী ডাঃ তৃষ্ণা দুৱৰা কলিতা, সমন্বয়ক ডাঃ মৰমী তালুকদাৰ, শ্যামলী ভট্টাচাৰ্য, সঙ্গীতমৰ সদস্যসকল আৰু সকলো ব্যক্তিৰ আন্তৰিক সহযোগিতাৰ বাবেই এই অৰ্থবহ শিবিৰ সফলভাৱে সম্পন্ন হোৱা বুলি তেওঁ উল্লেখ কৰে।জানিব পৰা মতে, অসমৰ চাহ উদ্যোগৰ ইতিহাসত এই ধৰণৰ অনুষ্ঠান প্ৰথম হোৱাত সকলোৱে ধন্যবাদ জ্ঞাপন কৰে।

# জোনাকী শাখাত তৃতীয় স্থানত উজ্বলিল বজালীৰ অভিলাষা কলিতা

**পাঠশালা, ১৭ জুলাইঃ** অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদে ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উপলক্ষে আয়োজন কৰা অসম আবৃত্তি মহাৰণ—২০২৬ ত বজালী জিলাৰ এগৰাকী প্ৰতিভাৱান ছাত্ৰী অভিলাষা কলিতাই সফলতা অৰ্জন কৰিছে। বজালী জিলাৰ ঘটবৰ সাদেৰী গাঁৱৰ নিবাসী তথা পাঠশালাস্থিত আনন্দৰাম বৰুৱা একাডেমীৰ নৱম শ্ৰেণীৰ ছাত্ৰী অভিলাষা কলিতাই প্ৰতিযোগিতাৰ 'জোনাকী' শাখাত ৰাজ্যজুৰি তৃতীয় স্থান লাভ কৰি বজালী জিলালৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে।গুৱাহাটী বিশ্ববিদ্যালয় চৌহদত অনুষ্ঠিত হোৱা এই ৰাজ্যিক পৰ্যায়ৰ আবৃত্তি প্ৰতিযোগিতাত জোনাকী শাখাৰ মুঠ ৭১গৰাকী প্ৰতিযোগীৰ মাজত নিজৰ অনবদ্য আবৃত্তি প্ৰতিভাৰ জৰিয়তে অভিলাষাই তৃতীয় স্থান দখল কৰে। এই সাফল্যই শিক্ষা নগৰী বজালীৰ লগতে ঘটবৰ সাদেৰী গাঁৱৰ বাবে এক গৌৰৱৰ মুহূৰ্ত কঢ়িয়াই আনিছে।অভিলাষাৰ এই কৃতিত্বত তেওঁৰ পৰিয়াল, শিক্ষক-শিক্ষয়িত্ৰী, বিদ্যালয় কৰ্তৃপক্ষ আৰু সমগ্ৰ গাঁও বাসীয়ে আনন্দ প্ৰকাশ কৰাৰ লগতে ভৱিষ্যতেও তেওঁ অধিক সফলতা অৰ্জন কৰক বুলি শুভকামনা জ্ঞাপন কৰিছে।

# শিৱসাগৰত জাপানীজ এনকেফেলাইটিছত-এনকেফেলাইটিছত সদৃশ ৰোগত মুঠ ৩৩ জন আক্ৰান্ত

**বাতৰি কাকত, নাজিৰা,১৮ জুলাইঃ** শিৱসাগৰ জিলাত জাপানীজ এনকেফেলাইটিছ আৰু এনকেফেলাইটিছত সদৃশ ৰোগত ৩৩ জন লোক আক্ৰান্ত হোৱাৰ তথ্য পোহৰলৈ আহিছে। প্ৰাপ্ত তথ্য মতে, খেলুৱা স্বাস্থ্য খণ্ডত ১১ গৰাকী , গেলেকী স্বাস্থ্য খণ্ডত ৫ গৰাকী , ডিমৌ স্বাস্থ্য খণ্ডত ৬ গৰাকী, গৌৰীসাগৰ আৰু কালুগাঁও স্বাস্থ্য খণ্ডত ৫ গৰাকীকৈ আৰু মৰাবজাৰ স্বাস্থ্য খণ্ডত ৩ গৰাকী এই ৰোগত আক্ৰান্ত হৈছে । অৱশ্যে এতিয়ালৈকে এই ৰোগত কোনো লোকৰ মৃত্যু হোৱা নাই বুলি শিৱসাগৰ জিলা স্বাস্থ্য বিভাগৰ সূত্ৰে জানিব পৰা গৈছে ।ৰোগবিধৰ সংক্ৰমণ ৰোধ কৰাৰ লক্ষ্যৰে জিলা স্বাস্থ্য বিভাগে বিভিন্ন প্ৰতিৰোধমূলক ব্যৱস্থা গ্ৰহণ কৰিছে। বিভিন্ন এলেকাত ফগিং, আঁঠুৱা ঔষধিকৰণ, মহ নিয়ন্ত্ৰণ কাৰ্যসূচী আদিৰ লগতে জনসাধাৰণৰ মাজত সজাগতা বৃদ্ধিৰ বাবে ব্যাপক সজাগতামূলক কাৰ্যসূচী চলাই আছে। স্বাস্থ্য বিভাগে জনসাধাৰণক মহৰ কামোৰৰ পৰা ৰাখি থাকিবলৈ সাৱধানতা অৱলম্বন কৰাৰ লগতে পৰিষ্কাৰ-পৰিচ্ছন্নতা বজাই ৰাখিবলৈ আৰু জ্বৰ বা এনকেফেলাইটিছৰ লক্ষণ দেখা দিলে তৎক্ষণাত চিকিৎসকৰ পৰামৰ্শ ল'বলৈ আহ্বান জনাইছে শিৱসাগৰ জিলা স্বাস্থ্য বিভাগে ।

# ঘগ্ৰাপাৰত প্ৰয়াত প্ৰভাত শৰ্মাৰ স্মৃতিত স্মৃতিগ্ৰন্থ প্ৰকাশৰ প্ৰস্তুতি

**বাতৰি কাকত, ঘগ্ৰাপাৰ, ১৮ জুলাইঃ** নলবাৰী জিলাৰ বৃহত্তৰ ঘগ্ৰাপাৰ অঞ্চলৰ সমাজ জীৱনৰ লগত ওতঃপ্ৰোত ভাৱে জড়িত এগৰাকী সমাজকৰ্মী তথা কৃতী শিক্ষক প্ৰভাত শৰ্মাৰ মৃত্যুৰ পৰিপ্ৰেক্ষিতত তেওঁৰ জীৱনকালৰ স্মৃতি যুগমীয়া কৰি ৰখাৰ লগতে ভৱিষ্যত প্ৰজন্মই তেওঁক জনাৰ সুবিধা হোৱাকৈ এখন স্মৃতিগ্ৰন্থ প্ৰকাশৰ বাবে ঘগ্ৰাপাৰস্থিত শংকৰদেৱ শিশু নিকেতনত কালি এখন সভা অনুষ্ঠিত হৈ যায় । পূৰ নলবাৰী সাংস্কৃতিক পৰিষদৰ সভাপতি ধীৰেন্দ্ৰ নাথ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনত আঁত ধৰে ৰাজ্যিক পুৰস্কাৰপ্ৰাপ্ত কৃতী শিক্ষক গিৰীন্দ্ৰ কাশ্যপে। সভাত বিশিষ্ট নিবন্ধকাৰ পৰমানন্দ মজুমদাৰ, অৱসৰপ্ৰাপ্ত অধ্যক্ষ ফনীধৰ ডেকা, বিশিষ্ট সমাজকৰ্মী ৰবীন মিশ্ৰ, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক খগেন ৰামচিয়াৰী, বিশিষ্ট সাংস্কৃতিক কৰ্মী মনোৰঞ্জন ভাগৱতীৰ লগতে যথেষ্ট সংখ্যক গণ্যমান্য ব্যক্তিসকল উপস্থিত থাকি প্ৰয়াত শৰ্মাৰ জীৱন আৰু কৃতী সম্পৰ্কে বক্তব্য ৰাখে। শেষত প্ৰয়াত শৰ্মাৰ বছৰেকীয়া তিথিৰ লগত সংগতি ৰাখি এখন স্মৃতিগ্ৰন্থ প্ৰকাশ কৰি উলিওৱাৰ বাবে ফনীধৰ ডেকাক সভাপতি আৰু পৰমানন্দ মজুমদাৰক মুখ্য সম্পাদক হিচাপে লৈ এখন ২৯ জনীয়া সমিতি গঠন কৰা হয়।

# গ্ৰাম্য অৰ্থনীতিৰ বুনিয়াদ হাঁহ-কুকুৰা বেমাৰত মৰিছে জাকে জাকে ৫৬ খন গাঁৱৰ ৰাইজৰ মাজত এখন মাত্ৰ ৰাজ্যিক পশু চিকিৎসালয়

**বাতৰি কাকত,ছিপাঝাৰ,১৮ জুলাইঃ** দৰং জিলাৰ পশ্চিম দৰং অঞ্চলত থকা দুনী ৰাজ্যক পশু চিকিৎসালয়খনে ৰাইজৰ অভাৱ পূৰণ কৰিব নাই।কিয়নো অঞ্চলটোৰ ৫৬ খন গাঁৱৰ মাজত এখন পশু চিকিৎসালয় ।যি এপাচি শাকত এটা জলকীয়া সদৃশ যাৰ বাবে অতীৱ প্ৰয়োজন হৈছে এখন পশু চিকিৎসালয়ৰ।ইয়াৰ বিপৰীতে অঞ্চলটোৰ বৃহত্তৰ চেঙেলীয়াঝাৰ নিকটৱৰ্তী তেৰ খনমান গাঁওবাসী জনসাধাৰণৰ পশুধনৰ চিকিৎসাৰ বাবে পশু চিকিৎসালয় এখন স্থাপনৰ বাবে দীৰ্ঘদিন ধৰি দাবী জনাই অহাৰ পাছতো আজিও বিভাগে কোনো ব্যৱস্থা গ্ৰহন নকৰাতো দুৰ্ভাগ্যজনক ।ইয়াৰ কুমাৰপাৰা, বাঘমাৰা,ঘোপেলী, চমুখা,নাওপোটা, দুবদুবীয়া, বগাচলা, কেন্দুগুৰি, দুৰবীপাৰা,তৰাগাওঁ গোপালপুৰ, বামণপাৰা, জানভাঙা আদি গাঁৱৰ মধ্যমণি চেঙেলীয়াঝাৰত এখন পশু চিকিৎসালয় হ'লে ৰাইজৰ পৰম উপকাৰ সাধিত হ'ব বুলি ক'ব খোজে। উল্লিখিত অঞ্চলটোৰ প্ৰায় ৯৫ শতাংশ লোকেই কৃষি আৰু পশুপালনৰ ওপৰত নিৰ্ভৰশীল যি সকল মানুহে ঘৰত পশুধন পালন কৰিয়েই পৰিয়ালক পোহপাল দি আহিছে। কিন্তু সময়ে সময়ে আবিৰ্ভাৱ হোৱা অচিন ৰোগত আক্ৰান্ত হৈ মৃত্যু মুখত পৰাত বৃহৎ ক্ষতিগ্ৰস্ত হৈ আহিছে অঞ্চলটোৰ কৃষিজীৱি লোক সকল ।সঘনাই অঞ্চলটোত গাঁৱে- গাঁৱে গৰু, হাঁহ - কুকুৰাৰ অচিন ৰোগত মৃত্যুমুখত পতিত হৈ আহিছে।সম্প্ৰতি অঞ্চলটোত গঞা লোক সকলৰ পোহনীয়া হাঁহ- কুকুৰা জাকে জাকে অচিন বেমাৰত মৰিছে। চিকিৎসালয়ৰ অভাৱত গাঁৱৰ বেজ -কবিৰাজ, মৌলবীৰ জৰাফুকা পানীকেই পশু চিকিৎসকৰ ঔষধৰ ৰূপত ব্যৱহাৰ কৰিবলগীয়া হৈছে।যিটো কথা বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ বিকাশৰ যুগত দুৰ্ভাগ্য জনক হিচাপে চিহ্নিত হৈছে। ইফালে পোহনীয়া জীৱ জন্তুয়েই জীৱন ধাৰণৰ মূল সম্বল এনে অস্বাভাৱিক মৃত্যুত কৃষিজীৱি লোক সকল অৰ্থনৈতিক ভাবে দুৰ্বল হৈ পৰি দুৰ্ভিক্ষৰ আশংকাত ভুগিছে। চৰকাৰে অঞ্চলটোৰ মধ্যমণি চেঙেলীয়াঝাৰত এখন পশু চিকিৎসালয় স্থাপন কৰিলে উল্লিখিত গাঁওবাসী কৃষক ৰাইজ উপকৃত হ'ব বুলি কক্কৰ খোজে।বিষয়টো পশুপালন মন্ত্ৰীৰ কৃপাদৃষ্টি কামনা কৰিছে অঞ্চলটোৰ ৰাইজে স্থানীয় বিধায়ক ডঃ পৰমানন্দ ৰাজবংশীয়ে এই ক্ষেত্ৰত এটা বিশেষ ভূমিকা গ্ৰহন কৰাৰ আশা কৰিছিল ৰাইজে । পিছে জনপ্ৰতিনিধি গৰাকীৰ যেন ৰাইজৰ গুৰুত্বপূৰ্ণ সমস্যাকলৈ নাই কোনো গুৰুত্ব।



# পাথৰি চাৰিআলিত মণিকাঞ্চন অসমৰ উদ্যোগত অনুষ্ঠিত কৰ্মশালাৰ সফল সামৰণি

**বাতৰি কাকত নগাঁ, ১৮ জুলাইঃ** নগাঁও চহৰৰ কিছু নিলগৰ পাথৰি চাৰিআলিৰ ৰাজহুৱা ভৱনত সংগীত সত্ৰ পৰীক্ষা পৰিষদ তথা এটি সকলোৰে পৰিচিত সাংস্কৃতিক প্ৰতিষ্ঠান মণিকাঞ্চন অসমৰ উদ্যোগত ৭ দিনীয়াকৈ আয়োজন কৰা সত্ৰীয়া নৃত্য,অংকীয়া নাটৰ লগতে খোল বাদন প্ৰশিক্ষণ শিবিৰৰ জ সফলতাৰে সামৰণি পৰে। সত্ৰীয়া নৃত্য পাৰ্গত কেন্দ্ৰৰাম বৰা,অংকীয়া নাটৰ প্ৰশিক্ষক আনন্দ মুক্তিয়াৰ আৰু খোল বাদনৰ বৰ বায়ন প্ৰদীপ বৰাৰ নেতৃত্বত আয়োজন কৰা প্ৰশিক্ষণ শিবিৰত স্থানীয় অঞ্চলৰ লগতে নগাঁৱৰ ভিন্ন প্ৰান্তৰ পৰা প্ৰায় শতাধিক যুৱক - যুৱতীয়ে অংশগ্ৰহণ কৰে। জানিব পৰা মতে- অনুষ্ঠানৰ শেষৰ দিনা প্ৰশিক্ষণ লাভ কৰা ছাত্ৰ-ছাত্ৰী সকলৰ দ্বাৰা মঞ্চত প্ৰথমে খোলবাদন,মাটি আখৰাৰ লগতে মাধৱদেৱৰ ৰচিত 'চোৰ ধৰা' নাটক খন ৰবআখৰা কাৰ্যসূচীৰে কৰ্মশালাৰ সামৰণি পৰে।ইপিনে সামৰণি অনুষ্ঠানত নগাঁ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক বসন্ত বৰা, কেইবাজনো অঞ্চলৰে বিশিষ্ট ব্যক্তি সকলৰ লগতে অভিভাৱক সকল উপস্থিত থাকে। উল্লেখ যে এনে অভিভাৱক সকলৰ অনুপ্ৰেৰণাত তথা উঠি অহা যুৱ চামটোৰ জৰিয়তে গুৰুজনাৰ কলা - সংস্কৃতি সমাজত প্ৰতিষ্ঠা কৰাৰ বাবে এনেধৰণৰ কৰ্মশালাৰ অনুষ্ঠিত কৰা প্ৰয়োজনীয়তা আছে বুলি কৰ্মশালাখনিৰ মুখ্য গুৰি ধৰোঁতা কেন্দ্ৰৰাম বৰাই নগাঁৱৰ সমাজ সচেতন লোক সকলৈ এক বাৰ্তা প্ৰেৰণ কৰে।

# তেজপুৰত কাঞ্চনজংঘাৰ সপ্তাহজোৰা কৰ্মশালাৰ সফল সামৰণি

**তৰুণ বৰা,তেজপুৰ,১৮ জুলাইঃ** সাহিত্য সংস্কৃতি ক্ৰীড়া অনুষ্ঠান তেজপুৰৰ কাঞ্চনজংঘাৰ উদ্যোগত যোৱা পাঁচ জুলাইৰ পৰা আৰম্ভ কৰা জুবিন গাৰ্গৰ গীতৰ কৰ্মশালাৰ অন্ত পৰে। তেজপুৰ কলেজিয়েট উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হোৱা কৰ্মশালাৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীৰ মাজত চিত্ৰাংকন আৰু জুবিন গাৰ্গৰ জীৱন ভিত্তিক লেখনি প্ৰতিযোগিতাও অনুষ্ঠিত হয়। ইয়াৰ পিচতে কাঞ্চনজংঘাৰ সভাপতি ৰবীন্দ্ৰ কুমাৰ বৰাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা মুকলি সভাত বিজয়ী প্ৰতিযোগী সকলক একোটিকৈ একোকালিন ট্ৰফি আৰু মানপত্ৰ প্ৰদান কৰা হয়। তদুপৰি কৰ্মশালা, চিত্ৰাংকন আৰু লেখনি প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰা প্ৰতিগৰাকী প্ৰতিযোগীলৈ কাঞ্চনজংঘাৰ তৰফৰ পৰা একোখনি প্ৰমাণ পত্ৰ আগবঢ়োৱা হয়। চিত্ৰাংকন প্ৰতিযোগিতাৰ ক শাখাত প্ৰথম,দ্বিতীয় আৰু তৃতীয় স্থান অধিকাৰ কৰে ক্ৰমে ৰাখায়াত ইছলাম, লিয়ান লহকৰ আৰু নিবিজ্ঞ আদিত্য নাথে। আৰোহী দেৱনাথ আৰু ভাৰ্গৱী চহৰীয়াই বিচাৰকৰ বিশেষ বঁটা লাভ কৰে। সেইদৰে খ শাখাত প্ৰথম,দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে ক্ৰমে জোমনি চহৰীয়া, প্ৰজ্ঞান জ্যোতি নাথ আৰু ইৰ্চিতা তপ্তৰই। গীতাৰ্থ বৈশ্যই আৰু মুকুতা বৈশ্যই বিচাৰকৰ বিশেষ বঁটা লাভ কৰে। শিল্পী জুবিন গাৰ্গৰ ওপৰত থিতাতে লিখা লেখনি প্ৰতিযোগিতাৰ ক শাখাত প্ৰথম লিয়ান লহকৰ আৰু ভাৰ্গৱী চহৰীয়াই দ্বিতীয় স্থান লাভ কৰে।আনহাতে খ শাখাত প্ৰথম জ্যোতিৰ্পল শইকীয়া দ্বিতীয় বেদশ্ৰী কাশ্যপ আৰু তৃতীয় স্থান লাভ কৰে অনুস্কা শইকীয়াই।সভাত জুবিন গাৰ্গৰ খুড়াক অনন্ত বৰঠাকুৰ, বিদ্যালয়ৰ অধ্যক্ষ ৰবীন বৰুৱা, মানৱ অধিকাৰ আয়োগৰ জিলাধ্যক্ষ পৰশমণি সিংহ, বিশিষ্ট সমাজকৰ্মী দীপক শইকীয়াই কাঞ্চনজংঘাৰ জন্মৰ এবছৰ নহওঁতেই ইতিপূৰ্বে কেইবাটাও অনুষ্ঠান সফলতাৰে উদযাপন কৰাৰ পাচত সপ্তাহজোৰা এই কাৰ্যসূচীৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী আৰু যুৱ প্ৰজন্মক সমাজত প্ৰতিষ্ঠিত কৰাত অনুপ্ৰাণিত কৰাৰ লগতে সহায়ক হ'ব বুলি মন্তব্য কৰে। অনুষ্ঠানৰ সাধাৰণ সম্পাদক প্ৰদীপ কুমাৰ বৰাই আঁত ধৰা সভাখনত সমজুৱাৰ পৰা কেইবাগৰাকী ব্যক্তিয়ে কাঞ্চনজংঘাৰ এনে কৰ্মশালাই শিক্ষাৰ্থীসকলক যথেষ্ট উপকৃত কৰাৰ কথা ব্যক্ত কৰি প্ৰতিবছৰে বিদ্যালয়ৰ গ্ৰীষ্মকালিন বন্ধৰ সময়ছোৱাত এনে কৰ্মশালা অনুষ্ঠিত কৰিবলৈ আহ্বান জনায়।উল্লেখযোগ্য যে,চিত্ৰাংকনৰ বিচাৰক সুশীল কুমাৰ দাস, মালামনি বৰা, জুবিন গাৰ্গৰ ওপৰত লেখনি প্ৰতিযোগিতাৰ বিচাৰক হিচাপে জ্যেষ্ঠ শিক্ষক ভূপেন বৰদলৈ আৰু শুকদেৱ নাথ উপস্থিত থাকে। কৰ্মশালাত শিক্ষাৰ্থী সকলক জুবিনৰ গীতৰ প্ৰশিক্ষণ দিয়ে পাৰ্থ প্ৰতিম শইকীয়াই।আনহাতে,অহা ৰচছক্টোবৰত কাঞ্চনজংঘাৰ এবছৰ পূৰ্ণ হ'ব আৰু ইয়াৰ বাবে প্ৰতিষ্ঠা দিৱস দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে পালন কৰাৰ বাবে কাঞ্চন জংঘাৰ উপদেষ্টা পৰশ মণি সিংহই গুৰুত্ব আৰোপ কৰে আৰু সভাই দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে প্ৰতিষ্ঠা দিৱসটি পালন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। কাঞ্চন জংঘাৰ সদস্যা মহিলাসকলে পৰিৱেশন কৰা জুবিন গাৰ্গৰ এটি সমবেত সংগীতেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰা হয়। উল্লেখ্য যে, সপ্তাহজোৰা কৰ্মশালাত অংশ গ্ৰহণ কৰা শিক্ষাৰ্থী সকলে পৰিৱেশন কৰা জুবিন গাৰ্গৰ গীতৰ সমবেত সংগীতে অনুষ্ঠানটি জীপাল কৰি তোলে।প্ৰনিধানযোগ্য যে,কাৰ্যসূচীৰ আৰম্ভণিতে কাঞ্চন জংঘাৰ সভাপতি ৰবাই হিয়াৰ আমঠু শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলী অনুষ্ঠান মুকলি কৰে।

## বস্ত্ৰশিল্পক বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠা

তেওঁ শিপিনী সকলৰ লগত পোনপটীয়াকৈ কথা-বাৰ্তা পাতি তেওঁলোকৰ সমস্যা সমূহৰ বিষয়ে জানিব বিচাৰে। কাপোৰৰ মজুৰি কিমান পাই তেওঁলোকৰ পৰিয়াল কেনেদৰে চলে আদি বিষয়বোৰো তেওঁ শিপিনী সকলৰ লগত আলোচনা কৰে। শুৱালকুছিৰ অবিনাশ বৈশ্যৰ কাপোৰ উৎপাদন কেন্দ্ৰত উপস্থিত হৈ তেওঁ কেনেদৰে শিল্পটি চলাই আছে তাৰ বিষয়েও অৱগত হয়। তেওঁ উৎপাদিত পাট-মুগাৰ বস্ত্ৰ সমূহ ক'ত কেনেদৰে বিক্ৰী কৰে তাৰো মন্ত্ৰী গৰাকীয়ে আভাস লয়। শিল্পীটিয়ে যে এক বিপৰ্যয়ৰ সন্মুখীৰে চলিছে সেয়াও মন্ত্ৰী গৰাকীক অৱগত কৰে অবিনাশ বৈশ্যই। মন্ত্ৰী দৈমাৰীয়ে এই সমস্যা সমূহ কিদৰে সমাধান কৰিব পাৰি তাৰ বিষয়ে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগত শীঘ্ৰে এক আলোচনাত মিলিত হব বুলি উল্লেখ কৰে। নকল কাপোৰ সন্দৰ্ভত তেওঁ কয় যে, আমি প্ৰতিগৰাকী অসমীয়াই যদি সাৱধানতা অৱলম্বন কৰি নকল কাপোৰ ক্ৰয় নকৰো তেন্তে সি আপোনা আপুনি বন্ধ হৈ পৰিব। মঞ্চত ১০ গৰাকীক নকল গামোচাৰে সম্বৰ্ধনা জনোৱাতকৈ মূল ব্যক্তি গৰাকীক শিপিনীৰ হাতেবোৱা গামোচাৰে সম্বৰ্ধনা জনালে হ'ল। শিপিনী সকলৰ কষ্ট আৰু পৰিশ্ৰমক আমি মূল্য দিব নিবিচাৰো বাবে নকল বস্ত্ৰ পয়োভৰ আজি বৃদ্ধি পাইছে। ইয়াক আমি সকলোৰে বৰ্জন কৰিব লাগিব। তেওঁ পুনৰ কয় যে পাট-মুগাৰ কাপোৰৰ যথেষ্ট চাহিদা আছে। কিন্ত আমি সেই চাহিদা সমূহ বিভিন্ন কাৰণত পূৰণ কৰিব নোৱাৰো। শুৱালকুছিৰ শিপিনীয়ে চাহিদা পূৰণ কৰিব পৰা বস্ত্ৰ উৎপাদনত গুৰুত্ব দিব লাগিব। পৰম্পৰা সাজপাৰৰ লগতে অন্য দেশ বা ৰাজ্যত চলা কাপোৰো উৎপাদন কৰিলেহে শুৱালকুছিৰ শিল্পই বিশ্বৰ বজাৰ দখল কৰাৰ সুযোগ পাব। তেওঁ পুনৰ কয় যে, এইবাৰৰ চৰকাৰখনে শুৱালকুছিৰ বস্ত্ৰশিল্পক ন-ৰূপ দিব বিচাৰিছে। সকলোৱে সহযোগ কৰিব লাগিব। হস্তঁতাত বস্ত্ৰশিল্প বিভাগে শুৱালকুছি বস্ত্ৰ উদ্যানৰ সমীপত থকা দুবিঘা মাটিত শিল্পটিক জড়িত কৰি এখন মাৰ্কেট নিৰ্মাণ কৰাৰ প্ৰস্তুতি চলোৱা বুলিও উল্লেখ কৰে। মন্ত্ৰী গৰাকীয়ে শুৱালকুছিৰ নৱ নিৰ্মিত ক্ৰীড়া প্ৰকল্পটি পৰিদৰ্শন কৰি অভিভূত হৈ পৰে আৰু গ্ৰামাঞ্চলত নিৰ্মিত এনে ক্ৰীড়া প্ৰকল্পই ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় খেলুৱৈ সৃষ্টিত এক ব্যাপক ইন্ধন যোগাব বুলি উল্লেখ কৰে। ক্ৰীড়া প্ৰকল্পটিত প্ৰয়োজনীয় সকলো ব্যৱস্থা কৰিবলৈ ৰাজ্যৰ ক্ৰীড়া বিভাগক তেওঁ দ্বায়িত্ব দিয়ে। ইফালে খেলুৱৈৰ বাবে নিৰ্মাণ হৈ থকা হোষ্টেল সমূহৰ কাম শীঘ্ৰে সমাপ্ত কৰিবলৈ সংশিষ্ট নিৰ্মাণ কনষ্ট্ৰাচনক নিৰ্দেশ দিয়ে। তেওঁ কয় যে শুৱালকুছিৰ ক্ৰীড়া প্ৰকল্পত এখন একাডেমী মুকলি কৰা হব যাৰ জৰিয়তে খেলুৱৈ সকলে বিভিন্ন খেলৰ প্ৰশিক্ষণ গ্ৰহণ কৰি নিজৰ প্ৰতিভা বিকাশৰ সুযোগ ল'ব পাৰিব। ইয়াৰ পিছতে তেওঁ শুৱালকুছিৰ বস্ত্ৰ উদ্যান, মুগাফাৰ্মৰ আৰু শুৱালকুছি ফেশ্বন প্ৰযুক্তি প্ৰতিষ্ঠান চমুকৈ 'চিফট' পৰিদৰ্শন কৰি সকলো কামৰে বুজ লয়। তেওঁ চিফটৰ প্ৰদৰ্শনী এখনো পৰ্যবেক্ষণ কৰে। মন্ত্ৰী গৰাকীৰ লগত উপস্থিত থাকে স্থানীয় বিধায়ক প্ৰকাশ চন্দ্ৰ দাস, ক্ৰীড়া বিভাগৰ সঞ্চালক অংকুৰ ভৰালী, কামৰূপৰ জিলা ক্ৰীড়া বিষয়া বন্দিতা গগৈ, সহকাৰী ক্ৰীড়া বিষয়া পংকজ ভৰালী, হস্ততাঁত বস্ত্ৰশিল্প বিভাগৰ সঞ্চালক ময়ুৰী ওঁজা, অতিৰিক্ত সঞ্চালক ৰণজিৎ ডেকা, সহকাৰী সঞ্চালক নিশিকান্ত শৰ্মা, বিপুল দাস, কামৰূপৰ অতিৰিক্ত উপায়ুক্ত গীতাশ্ৰী লাচিত, শুৱালকুছি জিলা পৰিষদৰ সদস্য ধীৰাজ মহন্ত, চিফট'ৰ অধ্যক্ষ নিৰাঞ্জলী কাকতি প্ৰমুখ্যে কেবাগৰাকী চৰকাৰী বিষয়া-কৰ্মচাৰী।

## মহাকাশলৈ উৰা মাৰিলে

ছেটেলাইটোৰ উৎক্ষেপণ কৰা হয়। উল্লেখ্য, এই 'বিক্ৰম-১' ভাৰতৰ প্ৰথমটো ব্যক্তিগতভাৱে বিকশিত কৰা 'অৰ্বিটেল-ক্লাছ'ৰকেট। ইয়াৰ অৰ্থ হৈছে এই ৰকেটটোৱে উপগ্ৰহসমূহক পৃথিৱীৰ চাৰিওফালে থকা নিৰ্দিষ্ট কক্ষপথত স্থাপন কৰিবলৈ সক্ষম। ভাৰতীয় মহাকাশ বিজ্ঞানৰ পিতৃপুৰুষ ড° বিক্ৰম সাৰাভায়ৰ সন্মানত এই ৰকেট শৃংখলাটোৰ নাম 'বিক্ৰম'ৰখা হৈছে। ৰকেটটো প্ৰায় এটা ৭ মহলীয়া অট্টালিকাৰ সমান ওখ। ই এটা বহু-স্তৰীয় উৎক্ষেপণ বাহন। বিক্ৰম-ৰ ৰকেটৰ মূল গাঁথনিটো উচ্চ প্ৰযুক্তিযুক্ত কাৰ্বন কম্প'জিট সামগ্ৰীৰে নিৰ্মাণ কৰা হৈছে, যাৰ ফলত ই অত্যন্ত পাতল কিন্তু তীখাতকৈও অধিক শক্তিশালী। এই ৰকেটত ব্যৱহাৰ কৰা ইঞ্জিনসমূহ অত্যাধুনিক প্ৰিণ্টিং প্ৰযুক্তিৰে প্ৰস্তুত কৰা হৈছে, যি বিশ্বৰ মহাকাশ প্ৰযুক্তি অতি বিৰল। ই প্ৰায় ৩০০ কিলোগ্ৰাম পৰ্যন্ত ওজনৰ উপগ্ৰহ নিম্ন পৃথিৱীৰ কক্ষপথলৈ কঢ়িয়াই লৈ যাব পাৰে। উল্লেখ্য যে, স্কাইৰুট এৰ'স্পেচে এই বিশেষ উৎক্ষেপণ অভিযানটোক 'মিছন আগমন' নাম দিছে। ইয়াৰ পূৰ্বে ২০২২ চনত কোম্পানীটোৱে 'বিক্ৰম-এছ'নামৰ এটা চাব-অৰ্বিটেল ৰকেট সফলতাৰে উৎক্ষেপণ কৰিছিল, কিন্তু কক্ষপথত উপগ্ৰহ স্থাপন কৰিব পৰা ক্ষমতা থকা পূৰ্ণাংগ ৰকেট হিচাপে বিক্ৰম-১ ৰ এয়াই প্ৰথম উৰণ। ইছৰোৰ ৰকেটসমূহৰ তুলনাত বিক্ৰম-১ অতি কম খৰচত আৰু কম সময়ৰ প্ৰস্তুতিৰে উৎক্ষেপণ কৰিব পাৰি। ইয়াৰ ফলত বিশ্বৰ বাণিজ্যিক উপগ্ৰহ উৎক্ষেপণৰ বজাৰত ভাৰতৰ আধিপত্য বৃদ্ধি পাব। এই মিছনৰ সফলতাই ভাৰতৰ মহাকাশ ষ্টাৰ্ট-আপসমূহলৈ দেশী-বিদেশী পুঁজি আৰু নতুন প্ৰযুক্তিৰ আগমন ঘটাব। আনহাতে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে এই অভিযানক এক 'ঐতিহাসিক নতুন আৰম্ভণি' বুলি অভিহিত কৰিছে। ইছৰো আৰু ইন-স্পেচ ৰ সহযোগত ব্যক্তিগত খণ্ডই লাভ কৰা এই সফলতাই অনাগত দিনত ভাৰতক মহাকাশ বাণিজ্যৰ বিশ্বজোৰা কেন্দ্ৰবিন্দু কৰি তুলিব।

## পোষ্টাৰ, বেনাৰ-হ'ৰ্ডিং লগালেই

নলাৰ বেৰ, বিদ্যুতৰ খুঁটা আৰু যিকোনো ৰাজহুৱা সম্পত্তিৰ ওপৰত এই নিষেধাজ্ঞা জাৰি কৰা হৈছে। প্ৰায়েই দেখা যায় যে বিভিন্ন বিজ্ঞাপন, ৰাজনৈতিক তথা সামাজিক কাৰ্যসূচীৰ পোষ্টাৰ মাৰি মহানগৰীৰ দেৱালসমূহ লেতেৰা কৰা হয়। ইয়াৰ ফলত গুৱাহাটীৰ স্বাভাৱিক সৌন্দৰ্য বিনষ্ট হয়। এই কদৰ্য ৰূপ ৰোধ কৰাৰ বাবেই পৌৰ নিগমে এই জৰিমনা বিহাৰ সিদ্ধান্ত লৈছে। এতিয়াৰে পৰা কোনো ধৰণৰ জাননী বা অনুজ্ঞা অবিহনে ৰাজহুৱা স্থানত পোষ্টাৰ লগোৱাটো এক দণ্ডনীয় অপৰাধ বুলি গণ্য কৰা হ'ব।

## ৰাজ্যত আৰম্ভ হৈছে শক্তিশালী উদ্যোগ গঢ়াৰ

উদ্যোগীসকলক নিৰন্তৰ পৰামৰ্শ আৰু সহযোগিতা প্ৰদান কৰা হয়, যাতে তেওঁলোকে নিজৰ ব্যৱসায় প্ৰতিষ্ঠা আৰু শক্তিশালী কৰিব পাৰে, বহনক্ষম জীৱিকাৰ সুযোগ সৃষ্টি কৰিব পাৰে আৰু অসমৰ অৰ্থনৈতিক উন্নয়নত অৱদান আগবঢ়াব পাৰে। CMAAA ১.০ আৰু CMAAA ২.০ৰ জৰিয়তে অসম চৰকাৰে ৰাজ্যজুৰি মুঠ ৯৯,৯৭১ জন হিতাধিকাৰীক সামৰি লৈছে, যিয়ে উদ্যোগ বিকাশ আৰু আত্মনিৰ্ভৰ অসম গঢ়ি তোলাৰ ক্ষেত্ৰত চৰকাৰৰ দৃঢ় প্ৰতিশ্ৰুতি প্ৰতিফলিত কৰে। CMAAA ১.০ মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান (CMAAA) ১.০ৰ অধীনত মুঠ ২৫,২৭৭ জন হিতাধিকাৰী অন্তৰ্ভুক্ত কৰা হৈছিল। ইয়াৰে ২৫,০৫৬ জন সাধাৰণ শ্ৰেণীৰ আৰু ২২১ জন পেছাদাৰী শ্ৰেণীৰ হিতাধিকাৰী আছিল। সকলো হিতাধিকাৰীয়ে নিজৰ উদ্যোগ স্থাপন আৰু শক্তিশালী কৰাৰ উদ্দেশ্যে প্ৰথম কিস্তিৰ বিত্তীয় সহায় লাভ কৰিছিল। ইয়াৰ পিছত, ১২,৯৭৬ জন হিতাধিকাৰীৰ বাবে দ্বিতীয় কিস্তি সুদমুক্ত ঋণ (Interest-Free Loan) অনুমোদন আৰু বিতৰণ কৰা হৈছে, যি তেওঁলোকৰ কাৰ্যক্ষমতা আৰু যোগ্যতাৰ মূল্যায়নৰ ভিত্তিত প্ৰদান কৰা হৈছে। বাকী ১২,৩১৩ জন হিতাধিকাৰীক পৰ্যায়ক্ৰমে পুনৰ মূল্যায়ন কৰা হ'ব আৰু যোগ্য বিবেচিত হিতাধিকাৰীসকলক আঁচনিৰ নিৰ্ধাৰিত নিৰ্দেশনা অনুসৰি দ্বিতীয় কিস্তি প্ৰদান কৰিব। মূল্যায়নৰ মানদণ্ডত বিত্তীয় প্ৰদৰ্শন, হিচাপ-নিকাচ সংৰক্ষণ, কৰ্মসংস্থাপন সৃষ্টি, উৎপাদনশীলতা আদি বিষয় অন্তৰ্ভুক্ত আছে। CMAAA ২.০ CMAAA ২.০ৰ অধীনত চৰকাৰে প্ৰথম কিস্তিৰ বিত্তীয় সহায় মুঠ ৭৪,৬৯৪ জন হিতাধিকাৰীলৈ সম্প্ৰসাৰিত কৰিছে। ইয়াৰ ভিতৰত ৭৪,৩৫০ জন সাধাৰণ আৰু পেছাদাৰী শ্ৰেণীৰ হিতাধিকাৰী আছে, যাৰ ভিতৰত ৭৪,১৪৪ জন সাধাৰণ শ্ৰেণীৰ আৰু ২০৬ জন পেছাদাৰী শ্ৰেণীৰ হিতাধিকাৰী। ইয়াৰ উপৰিও ৩৪৪ জন OBB শিক্ষকক প্ৰতিজনক এককালীন ২.০০ লাখ টকা বিত্তীয় সহায় প্ৰদান কৰা হৈছে। উদ্যোগীসকলৰ দক্ষতা বৃদ্ধি আৰু বিত্তীয় সহায়ৰ ফলপ্ৰসূ ব্যৱহাৰ নিশ্চিত কৰাৰ উদ্দেশ্যে, উদ্যোগ বিকাশ কাৰ্যসূচী (EDP)ৰ প্ৰশিক্ষণ ৰাজ্যৰ সকলো জিলাত ৭৪,৬৯৪ জন হিতাধিকাৰীৰ বাবে আৰম্ভ কৰা হৈছে। এই প্ৰশিক্ষণ ৩১ জুলাই, ২০২৬ৰ ভিতৰত সম্পূৰ্ণ কৰা হ'ব।

## মুখ্যমন্ত্ৰী-বিত্তমন্ত্ৰীয়ে বিধানসভাত দাঙি ধৰা

চালে-বেৰে কোবাই মূল প্ৰসংগৰ পৰা ফালৰি কাটিছে বুলি মুখপাত্ৰগৰাকীয়ে অভিযোগ কৰে। সংবাদমেলত মুখপাত্ৰ শ্ৰীমেধিয়ে অৰ্কিড পাৰ্ক সন্দৰ্ভত কেইটাও নতুন তথ্য ফাদিল কৰে। এটা বছৰত কাজিৰঙা অৰ্কিড আৰু জৈৱ-বৈচিত্ৰ্য উদ্যানৰ সংগৃহীত ৰাজহৰ পৰিমাণ প্ৰায় ১০-১২ কোটি টকা। তাৰে প্ৰায় ৭-৮ কোটি টকা প্ৰবেশ মূল্যৰ পৰা সংগৃহীত ধন। ৭-৮ কোটি টকাৰ ১৮ শতাংশ জিএছটি অৰ্থাৎ প্ৰায় ১.৫ কোটি টকা বছৰে চৰকাৰী তহবিলত জমা হ'ব লাগে। প্ৰতিবছৰে ১.৫ কোটি টকাকৈ যোৱা আঠটা বছৰত জিএছটিৰ ক্ৰ ৰ পৰা ১৫ কোটি টকাৰ হিচাপ লুকুৱাইছে অখিল গগৈয়ে। সেই প্ৰৱেশ মূল্যৰ ধনৰ সবিশেষ সমবায় সমিতিৰ চূড়ান্ত মূল্যৰ ধনৰ হিচাপো লুকুৱাই গগৈয়ে। সেই প্ৰৱেশ মূল্যৰ ধনৰ সবিশেষ সমবায় সমিতিৰ চূড়ান্ত বছৰেকীয়া হিচাপত কিয় দেখুওৱা নহয় বুলিও গুৰুতৰ অভিযোগ আনি প্ৰশ্ন উত্থাপন কৰিছে ৰাজ্যিক বিজেপিয়ে। উদ্যানখনৰ প্ৰৱেশ মূল্যৰ সংগৃহীত ধন কৰ্মচাৰীৰ বেংক একাউণ্টত জমা ৰখাৰ তথ্য সদৰি কৰি মুখপাত্ৰ কমল কুমাৰ মেধিয়ে এই সন্দৰ্ভত অখিল গগৈৰ পৰা স্পষ্টীকৰণ বিচাৰে। যোৱা আঠটা বছৰত উদ্যানলৈ আগমন ঘটা পৰ্যটকৰ সংখ্যা ৰাজহুৱা কৰিবলৈ আহ্বান জনাই মুখপাত্ৰগৰাকীয়ে আৰু কয় যে, বিপদৰ উমান পাই এতিয়া অখিল গগৈয়ে উদ্যানখনৰ বিত্তীয় লেনদেনৰ সম্পৰ্কে অৱগত নহয় বুলি কৈ ছি এ আৰু সম্পাদক সচিবৰ গাঁত সম্পদ দায়িত্ব অৰ্পণ কৰি পলায়নৰ ৰাস্তা উলিয়াই লৈছে। এয়া সকলোৰে জনা কথা যে অখিল গগৈৰ অনুমতি অবিহনে উদ্যানৰ এটা টকাও ইফাল-সিফাল নহয়। অখিল গগৈৰ অজ্ঞাতে ইমান কোটি কোটি টকাৰ হেৰফেৰ হ'বনে ? উদ্যানখনৰ কৰ্মচাৰীয়ে প্ৰতি সন্ধিয়া প্ৰৱেশ কৰা দিনটোৰ বিত্তীয় তথ্যও গগৈক ৰাজহুৱা কৰিবলৈ শ্ৰীমেধিয়ে প্ৰত্যাহ্বান জনায়। আনহাতে, উদ্যানখনৰ বাবে অনুমোদিত ভূমিৰ পৰিমাণ আছিল ২৬ বিঘা। কিন্তু বৰ্তমান উদ্যানখনত ১০০ বিঘাতকৈ অধিক মাটি সংযোজিত হৈছে। কৰ্মচাৰীক দৰমহা দিবলৈ পইচা পত্নীৰ পৰা ধাৰ কৰিবলগীয়া হয় বুলি সংবাদমেলত কোৱা অখিল গগৈয়ে

## সুখ্যাতিৰে উত্তীৰ্ণ নাজিৰাৰ দীক্ষিতা কলিতা

কলিতাই হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৯১.৩৩ শতাংশ আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ৮৬.৪ শতাংশ নম্বৰ লাভ কৰি সুখ্যাতিৰে উত্তীৰ্ণ হৈছিল । বৰ্তমান "Potential and Concept Education" অধ্যয়নত দীক্ষিতা কলিতাৰ এই সফলতাত শ্ৰী শ্ৰী চলিহা বাৰেঘৰ সত্ৰ বাসীৰ লগতে নাজিৰা বাসী উৎফুল্লিত হৈ পৰিছে।

## ৰূপহীহাটৰ শিঙিমাৰীত দুৰ্ঘটনাত

কলেজ হস্পিটেললৈ প্ৰেৰণ কৰে। পথ দুৰ্ঘটনাক কেন্দ্ৰ কৰি শিঙিমাৰীত এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। ঘটনাস্থলীত ৰূপহীহাট আৰক্ষী উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰি তদন্ত আৰম্ভ কৰিছে।

## চাৰিবাৰৰ প্ৰচেষ্টাত সফলতা অৰ্জন

৫৫৩১৬ সংখ্যক স্থান লাভ কৰি উক্ত পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ হৈছে। আনহাতে মেধাবী ছাত্ৰ গৰাকীৰ এনে সফলতাত হাঠিনাপুৰ গাঁওখনকে ধৰি সমগ্ৰ অঞ্চলটোত এক উৎসাহজনক পৰিৱেশৰ সৃষ্টি হৈছে। মেধাবী ছাত্ৰ গৰাকীয়ে সৰ্বভাৰতীয় 'নীট' পৰীক্ষাত চতুৰ্থবাৰৰ বাবে অৱতীৰ্ণ হৈ এই সফলতা লাভ কৰাৰ কথা জানিব পৰা গৈছে। আনহাতে মধুৰ কণ্ঠৰ অধিকাৰী, গীত গাই, গীত শুনি ভালপোৱা কৌস্তুভে আজি সাংবাদিকৰ আগত বিষ্ণুপ্ৰসাদ ৰাভা ৰচিত 'মোৰ জীৱনৰে আকাশতে ইন্দ্ৰধনু গঢ়িম...' গীতটি আওৰাই নিজৰ সফলতাৰ বৰ্ণনা দাঙি ধৰিলে। ইতিপূৰ্বে 'নীট' পৰীক্ষাত তিনিবাৰকৈ অৱতীৰ্ণ হোৱা আৰু কোনো কাৰণতেই হাৰ মানিব নোখোজা কৌস্তুভে তেওঁৰ এই সফলতাৰ বাবে শুভাকাংক্ষী আৰু মাতুল পক্ষৰ লগতে পিতৃ-মাতৃৰ সাহচৰ্য আৰু ভগৱানৰ ওপৰত আস্থা স্থাপন কৰি আগবাঢ়ি যোৱাৰ বিষয়ে বিশেষভাৱে উল্লেখ কৰিলে। ঘাইকৈ পিতৃ কিশোৰ মেধিয়ে তেওঁ তিনিবাৰকৈ অনুত্তীৰ্ণ হোৱাৰ পিছতো আগুৱাই যাবলৈ দিয়া অনুপ্ৰেৰণাৰ লগতে ইউ টিউবত উপলব্ধ বহুতো অনুপ্ৰেৰণামূলক ভিডিঅ' কৌস্তুভক যোগান ধৰি মনোবল অটুত ৰাখিবলৈ প্ৰয়াস কৰাৰ কথা জানিবলৈ দিয়ে। সৰুৰে পৰাই মেধাবী ছাত্ৰ গৰাকীয়ে 'লক্ষ্য নিৰ্দিষ্ট হ'লে আৰু ইয়াৰে সৈতে একাগ্ৰতা আৰু মনোবলৰ সংযোগ ঘটিলে নিৰ্দিষ্ট লক্ষ্য পূৰণৰ ক্ষেত্ৰত কোনো বাধাই হেঙাৰ হ'ব নোৱাৰে' বুলি জানিবলৈ দিয়ে। অন্‌লাইনৰ জৰিয়তে 'নীট' পৰীক্ষাৰ প্ৰস্তুতি চলোৱাৰ কথা জানিবলৈ দি ইয়াৰ বাবে তেওঁ দৈনিক ১২-১৪ ঘণ্টাকৈ অধ্যয়ন আৰু অনুশীলন চলাই যোৱাৰ কথা জানিবলৈ দিয়ে। আত্মীয়-স্বজন, শিক্ষক-শিক্ষয়িত্ৰী আৰু শুভাকাঙ্খীসকলে মেধাবী ছাত্ৰ গৰাকীৰ উজ্বল ভৱিষ্যৎ কামনা কৰিছে।

## কালমুৱা কাপলাবড়িত গাঞ্জাসহ এজনক গ্ৰেপ্তাৰ

মুকালমুৱা আৰক্ষীৰ অভিযানকাৰী দলটোৱে আটক কৰে। ধৃত গাঞ্জা সৰবৰাহকাৰীটো মুকালমুৱা থানাৰ অন্তৰ্গত নদিয়া চৰৰ চবদুল আলীৰ পুত্ৰ জাহেদুৰ ৰহমান বুলি জানিব পৰা গৈছে । আৰক্ষীয়ে গাঞ্জা ব্যৱসায়ী জাহেদুৰ ৰহমানৰ মটৰ চাইকেলখনো জব্দ কৰিছে । ধৃত গাঞ্জা সৰবৰাহকাৰীটোৰ বিৰুদ্ধে মুকালমুৱা থানাত গোচৰ ৰুজু কৰি এনডিপিএছ আইনৰ অধীনত গ্ৰেপ্তাৰ কৰিছে । উল্লেখ্য যে মুকালমুৱা থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া জ্যোতিষ গয়াৰীৰ নেতৃত্বত মুকালমুৱা থানা এলেকাধীন অঞ্চলত ড্ৰাগছ, গাঞ্জা আদিকে ধৰি নিচাজাতীয় সামগ্ৰীৰ বিৰুদ্ধে শূন্যসহনশীল নীতিৰে ধাৰাবাহিক অভিযান অব্যাহত ৰাখিছে।

## প্ৰধানমন্ত্ৰীলৈ জৰুৰী পত্ৰ

জৰিয়তে চৰকাৰৰ সংশোধিত প্ৰস্তাৱসমূহৰ ওপৰত আলোচনা কৰিবলৈ সৰ্বদলীয় বৈঠক আহ্বান কৰাৰ দাবীও জনায়। সামাজিক মাধ্যমত পত্ৰখন শ্বেয়াৰ কৰি খাৰ্গেই লিখিছে- 'মই পুনৰ এবাৰ প্ৰধানমন্ত্ৰী মোডীলৈ পত্ৰ লিখি অনুৰোধ জনাইছো যে, সীমা পুনঃনিৰ্ধাৰণ আদি বিষয়ত চৰকাৰৰ সংশোধিত প্ৰস্তাৱসমূহৰ ওপৰত আলোচনা কৰিবলৈ এখন সৰ্বদলীয় বৈঠক আহ্বান কৰা হওক।

## আন্তঃৰাজ্যিক সীমান্তৰ বনজ অপৰাধৰ

ক্ষেত্ৰভিত্তিক প্ৰশাসন ব্যৱস্থা অধিক শক্তিশালী কৰিবলৈ এলানি জৰুৰী পদক্ষেপৰ কথা ঘোষণা কৰে। অসম-অৰুণাচল প্ৰদেশ সীমান্তৱৰ্তী বিহালী বন সংমণ্ডলত ব্যাপক বনাঞ্চল ধ্বংসৰ তথ্য পোহৰলৈ অহাৰ পিছতে এই পৰীক্ষণ চলোৱা হয়। বিগত ছয় মাহৰ উপগ্ৰহৰ ছবি তেওঁ স্পষ্ট কৰি দিয়ে যে অসমৰ বনাঞ্চল সুৰক্ষাত নিয়োজিত বিষয়াসকলক তেওঁলোকৰ আইনী দায়িত্ব পালন কৰাৰ সময়ত চৰকাৰৰ সম্পূৰ্ণ সমৰ্থন থাকিব। তেওঁ বিষয়াসকলক নিৰ্দেশ দিয়ে যাতে কোনো ধৰণৰ বেআইনী কাৰ্যকলাপ ধৰা পৰিলে কোনো সংকোচ নকৰাকৈ বন সুৰক্ষাৰ ব্যৱস্থাসমূহ কাৰ্যকৰী কৰা হয়। অসম-অৰুণাচল প্ৰদেশ সীমান্তৰ বিষয়টো উত্থাপন কৰি মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই কয় যে সীমান্ত সম্পৰ্কীয় বিষয়সমূহ ইতিমধ্যে বাহাল থকা ৰাজনৈতিক আৰু প্ৰশাসনিক ব্যৱস্থাৰ জৰিয়তে সমাধানৰ প্ৰচেষ্টা চলাই থকা হৈছে যদিও কোনো পৰিস্থিতিতে বনাঞ্চল ধ্বংস কৰাটো গ্ৰহণযোগ্য হ'ব নোৱাৰে । তেওঁ লগতে আঙুলিয়াই দিয়ে যে মাননীয় গুৱাহাটী উচ্চন্যায়ালয়েও স্পষ্ট কৰি দিছে যে বনাঞ্চল ধ্বংসক কোনো সীমান্ত বিবাদৰ সৈতে সাঙুৰি ল'ব নোৱাৰি বা ইয়াৰ অজুহাতত বনাঞ্চল ধ্বংস কৰাটো উচিত নহয়। তেওঁ কয় যে আলোচনাৰ জৰিয়তে সীমান্ত সম্পৰ্কীয় বিষয়সমূহ সমাধানৰ বাবে ইতিমধ্যে আঞ্চলিক সমিতিসমূহ গঠন কৰা হৈছে, কিন্তু পৰিৱেশ সুৰক্ষাৰ ক্ষেত্ৰত কোনো ধৰণৰ আপোচ কৰা নহ'ব। মন্ত্ৰীগৰাকীয়ে বিষয়াসকলক নিৰ্দেশ দিয়ে যে যেতিয়াই অসমৰ ন্যায়িক অঞ্চলত বেআইনী বেদখল, অনুপ্ৰৱেশ বা বনভূমি ধ্বংসৰ ঘটনা ঘটে, তেতিয়াই আইন অনুসৰি যথোপযুক্ত আইনী ব্যৱস্থা গ্ৰহণ কৰিব লাগে। তেওঁ গুৰুত্ব আৰোপ কৰে যে অসমৰ বনাঞ্চলত অবৈধ অনুপ্ৰৱেশৰ সকলো ঘটনা প্ৰতিষ্ঠিত আইনী প্ৰক্ৰিয়াৰ জৰিয়তে দৃঢ়তাৰে মোকাবিলা কৰিব লাগিব। বনমন্ত্ৰীগৰাকীয়ে ঘোষণা কৰে যে ক্ষতিগ্ৰস্ত এলেকাসমূহত কাইলৈৰ পৰাই বৃক্ষৰোপণ আৰু পৰিৱেশ পুনৰুদ্ধাৰৰ কাৰ্যসূচী আৰম্ভ হ'ব । ইয়াৰ সমান্তৰালভাৱে সংৰক্ষিত বনাঞ্চলখনৰ কাৰ্যকৰী সুৰক্ষা নিশ্চিত কৰিবলৈ আন্তঃগাঁথনি শক্তিশালী কৰা, পথৰ উন্নতি সাধন আৰু অতিৰিক্ত নিৰাপত্তা বাহিনী মোতায়েন কৰাৰ কাম অগ্ৰাধিকাৰৰ ভিত্তিত হাতত লোৱা হ'ব। কঠোৰ প্ৰশাসন, পৰিৱেশ পুনৰুদ্ধাৰ, উন্নত আন্তঃগাঁথনি আৰু সকলো সংশ্লিষ্ট বিভাগৰ সমন্বিত পদক্ষেপৰ জৰিয়তে নিজৰ বনাঞ্চলসমূহ সুৰক্ষিত কৰিবলৈ অসম চৰকাৰ সম্পূৰ্ণপ্ৰতিশ্ৰুতিবদ্ধ। আজিৰ পৰিদৰ্শনকালত ঘোষণা কৰা এইপদক্ষেপসমূহৰ মূল লক্ষ্য হৈছে ভৱিষ্যতে যাতে বনাঞ্চলৰ কোনো ক্ষতি নহয়, ক্ষতিগ্ৰস্ত পৰিস্থিতিতন্ত্ৰৰ পুনৰুদ্ধাৰ কৰা আৰু ৰাজ্যৰ এই অমূল্য বনজ সম্পদসমূহ অনাগত প্ৰজন্মৰ বাবে সুৰক্ষিত কৰি ৰখা।

## জুবিন গাৰ্গৰ সোঁৱৰণত নিৰ্মাণ হ'বলগীয়া বোলছবিত গীত গোৱাৰ সুযোগ বিজয়ীলৈ

**বাতৰি কাকত, তেজপুৰ, ১৮ জুলাই ঃ** সদৌ অসম জুবিন গাৰ্গ ফেনক্লাৱৰ উদ্যোগত আৰু জুবিন গাৰ্গ তেজপুৰ ফেনক্লাৱৰ সহযোগত তেজপুৰত আজি জুবিন গীত শীৰ্ষক প্ৰতিযোগিতা আজি তেজপুৰত অনুষ্ঠিত হয়। উল্লেখযোগ্য যেহিয়াৰ আমঠু জুবিন গাৰ্গৰ গীতৰ এই প্ৰতিযোগীতাত মুঠ ৭ গৰাকী প্ৰতিযোগীয়ে অংশ লয়। প্ৰনিধানযোগ্য যে, ১৮ নৱেম্বৰ নামৰ এখন অসমীয়া বোলছবিৰ বাবে এই প্ৰতিযোগিতাখনৰ আয়োজন কৰা হৈছিল। ছবিখনৰ প্ৰিমিয়াৰ ১৮ নৱেম্বৰতে কৰা হ'ব আৰু ২০ নৱেম্বৰত মুক্তি পাবল। উল্লেখযোগ্য যে, ১৮ নৱেম্বৰ নামৰ অসমীয়া বোলছবি খনত জুবিন গাৰ্গে নিজেই অভিনয় কৰাৰ লগতে গীত গোৱাৰো কথা আছিল। কিন্তু হিয়াৰ আমঠু শিল্পী জনৰ অবৰ্তমানত এতিয়া তেওঁৰ স্মৃতিত ছবিখন নিৰ্মাণ কৰিবলৈ আগবঢ়া হৈছে আৰু এই প্ৰতিযোগিতাৰ আয়োজন কৰি প্ৰতিযোগিতাত সফল হোৱা প্ৰতিযোগীয়ে ছবিখনত এটি গীতত গীত গাবলৈ সুবিধা পাব। এই প্ৰতিযোগীতা অসমৰ প্ৰতিখন জিলাতে অনুষ্ঠিত হ'ব বুলি আয়োজকে সদৰি কৰিছে।তেজপুৰৰ শোণিতপুৰ জাৰ্ণেলিষ্ট ইউনিয়নৰ সভা কক্ষত আজি পুৱাৰে পৰা অনুষ্ঠিত হোৱা প্ৰতিযোগিতা খনৰ আৰম্ভণিতে ৰাজ্যৰ এগৰাকী বিশিষ্ট অভিনেতা অৰুণ নাথ আৰু প্ৰবীন অভিনেত্ৰী বিনা পটঙ্গীয়াই জুবিন গাৰ্গ আৰু ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি প্ৰতিযোগী সকলক জুবিন গাৰ্গক স্মৰণ কৰি গীত গাবৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে।উল্লেখযোগ্য যে, প্ৰতিযোগিতাৰ বিচাৰক হিচাপে ৰাজ্যৰ এগৰাকী জনপ্ৰিয় কণ্ঠশিল্পী বৰণ বিকাশ উপস্থিত থাকে।

## কাইলৈ সংসদ চলো অভিযান ঘোষণা

হাস্পতাল লৈ যোৱা সন্দৰ্ভত অভিজিৎ দীপকে কয়, 'যদি কোনোবাই ভাবিছে যে সোনম ছাৰক আঁতৰাই নিলে এই আন্দোলন সমাপ্ত হ'ব, তেন্তে সেয়া ভুল ধাৰণা। আমি ইয়াতেই থাকিম আৰু ২০ জুলাইত সংসদ অভিমুখে পদযাত্ৰা কৰিম।' তেওঁ লগতে কয় যে 'এতিয়ালৈকে আমি কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰৰ পদত্যাগ দাবী কৰি আহিছিলোঁ। কিন্তু এই ঘটনাৰ পিছত আমি এতিয়া প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰো পদত্যাগো দাবী কৰিম।' আনহাতে, সোনম ৱাংচুকৰ স্বাস্থ্য সন্দৰ্ভত হাস্পতাল কৰ্তৃপক্ষই প্ৰকাশ কৰা বিবৃতিত উল্লেখ কৰিছে যে, দীঘলীয়া উপবাস আৰু শৰীৰত পানীৰ অভাৱ (ডিহাইড্ৰেচন)ৰ ফলত ৱাংচুক যথেষ্ট দুৰ্বল হৈ পৰিছে। বৰ্তমান তেওঁৰ স্বাস্থ্যৰ অৱস্থা স্থিৰ যদিও শৰীৰৰ প্ৰয়োজনীয় স্বাস্থ্য সূচকসমূহ স্বাভাৱিক অৱস্থালৈ ঘূৰাই আনিবলৈ নিয়মীয়া পৰ্যবেক্ষণ, পৰীক্ষা আৰু চিকিৎসাৰ প্ৰয়োজন আছে।

## সুস্থ চিকিৎসক অবিহনে সুস্থ সমাজ অসম্ভৱ

অনুষ্ঠানত ৰাজ্যৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, চিকিৎসা শিক্ষা আৰু গৱেষণা বিভাগৰ মন্ত্ৰী অশোক সিংহলে মুখ্য অতিথি হিচাপে উপস্থিত থাকি সুস্থ জীৱনশৈলী গঢ়ি তোলাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰে। আজিৰ এই অনুষ্ঠানত ভাষণত মন্ত্ৰী অশোক সিংহলে কয়, 'সমাজক সুস্থ কৰি তোলাৰ দায়িত্ব বহন কৰা ভৱিষ্যতৰ চিকিৎসকসকলে প্ৰথমে নিজৰ স্বাস্থ্য আৰু জীৱনশৈলীৰ যত্ন ল'ব লাগিব।' তেওঁ বৰ্তমান সময়ত বৃদ্ধি পোৱা ডায়েবেটিছ, উচ্চ ৰক্তচাপ, হৃদৰোগ আৰু মানসিক চাপৰ দৰে জীৱনশৈলীজনিত অসংক্ৰামক ৰোগ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত চিকিৎসাতকৈ প্ৰতিৰোধমূলক ব্যৱস্থাক অধিক গুৰুত্ব দিয়াৰ আহ্বান জনায়। মন্ত্ৰীগৰাকীয়ে স্বাস্থ্যকৰ জীৱনশৈলীৰ পাঁচটা মূল স্তম্ভৰ ওপৰত আলোকপাত কৰি সুষম আহাৰ, নিয়মীয়া শাৰীৰিক ব্যায়াম, মানসিক স্বাস্থ্যৰ যত্ন, ধঁপাত-মদ্যপান আৰু অন্যান্য আসক্তিৰ পৰা আঁতৰি থকা, লগতে নিয়মীয়া স্বাস্থ্য পৰীক্ষা কৰাটো অত্যন্ত প্ৰয়োজনীয় বুলি উল্লেখ কৰে। তেওঁ লগতে কয় যে স্বাস্থ্যসেৱাৰ আৰম্ভণি কেৱল চিকিৎসালয়ত নহয়, পৰিয়াল, বিদ্যালয়, কৰ্মস্থলী আৰু দৈনন্দিন জীৱনত লোৱা সঠিক সিদ্ধান্তৰ পৰাই হয়। তেওঁ শিক্ষাৰ্থীসকলক মানসিক স্বাস্থ্যৰ সুৰক্ষা, নিয়মীয়া যোগাভ্যাস, দৈনিক শাৰীৰিক সক্ৰিয়তা আৰু চেতনাৰ বিজ্ঞানক জীৱনৰ অবিচ্ছেদ্য অংশ হিচাপে গ্ৰহণ কৰিবলৈ আহ্বান জনায়। মন্ত্ৰী অশোক সিংহলে নিজা বক্তব্যত

## আউনীআটী কমলদেৱ উঃ মাঃ বিদ্যালয়ত ১৫ দিনীয়া গ্ৰীষ্মকালীন কৰ্মশালা




**উত্তৰ গুৱাহাটী, ১৮ জুলাই ঃ** উত্তৰ গুৱাহাটীৰ অগ্ৰণী শিক্ষানুষ্ঠান আউনীআটী কমলদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত কামৰূপ মহানগৰ প্ৰশাসন আৰু । আয়োজক জণকল্যাণ ছ'চাইটি আৰু সাংস্কৃতিক বিদ্যালয়ৰ সহযোগত বিধান সভা সমষ্টি ভিত্তিত ১৫ দিনীয়া গ্ৰীষ্মকালীন আজিৰে পৰা আৰম্ভ হৈছে। আজি এই কৰ্মশালা খনি ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালা, কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা, সুধাকণ্ঠ ড° ভূপেন হাজৰিকা আৰু গণশিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰি আনুষ্ঠানিক ভাৱে শুভাৰম্ভ কৰে উত্তৰ গুৱাহাটী সতদল সাহিত্য সভাৰ সাধাৰণ সম্পাদক কমল বৰাই। আয়োজক জণকল্যাণ ছ'চাইটি আৰু সাংস্কৃতিক বিদ্যালয়ৰ সভাপতি কুমুদ নাথে আদৰণি ভাষণ প্ৰদান কৰা কৰ্মশালাৰ উদ্দেশ্য ব্যাখ্যা কৰে । জণকল্যাণ ছ'চাইটি আৰু সাংস্কৃতিক বিদ্যালয়ৰ সাধাৰণ সম্পাদক দীপ কান্ত পাঠকে। আজিৰে পৰা আৰম্ভ হোৱা আৰু অহা ২ আগষ্টত সামৰণি পৰিবলগীয়া ১৫ দিনীয়া এই কৰ্মশালাত বিশেষকৈ জ্যোতি, ৰাভা, ভূপেন্দ্ৰ সংগীতৰ লগতে লোকগীতৰ প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। কৰ্মশালাখনত সংগীত শুদ্ধ কৈ উচ্চাৰণ কৰি শুদ্ধ কৈ পৰিৱেশন কৰাৰ ওপৰত প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। আজিৰ উদ্বোধনী অনুষ্ঠানত ছাত্ৰ ছাত্ৰীসকলৰ লগতে শিক্ষাৰ্থী সকলক জ্যোতি সংগীতৰ প্ৰশিক্ষণ প্ৰদান কৰে বিশিষ্ট কণ্ঠশিল্পী চিঙ্কা চমুৱা বায়নে। কৰ্মশালাখনত গীত প্ৰশিক্ষণ প্ৰদান কৰিব কণ্ঠশিল্পী চিঙ্কা চমুৱা বায়ন আৰু কণ্ঠশিল্পী প্ৰাণজিতা কৃষ্ণা তামুলীয়ে। আজি উদ্বোধনী অনুষ্ঠানত অসম চৰকাৰৰ পৰ্যবেক্ষক ৰঞ্জন ভট্টাচাৰ্য, ৰাগশ্ৰী সংগীত মহাবিদ্যালয়ৰ অধ্যক্ষ পিংকু মণি চৌধুৰী, বিশিষ্ট বাদ্যযন্ত্ৰী শিল্পী হেমন্তবড়া, জনকল্যাণ ছ'ছাইটি আৰু সাংস্কৃতিক বিদ্যালয়ৰ ক্ৰীড়া আৰু সাংস্কৃতিক সম্পাদক বিজয়ানন্দ শৰ্মা বৰুৱা, সাংবাদিক দ্বয় ক্ৰমে উৎপল তামুলী আৰু ৰূপক ডেকাৰ লগতে কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

## শ্বহীদ হিমাংশু তামুলীৰ একাদশ মৃত্যু বাৰ্ষিকী

**কুমুদ বৰ্মন, টিহু, ১৮ জুলাই ঃ** টিহুক নলবাৰী জিলাৰ দ্বিতীয় মহকুমা ঘোষণা কৰাৰ দাবীত ৰূপায়িত আন্দোলনৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি নিৰাপত্তাৰক্ষীৰ গুলিত প্ৰাণ আহুতি দিয়া টিহু মহকুমা আন্দোলনৰ শ্বহীদ হিমাংশু তামুলীক আজি একাদশ মৃত্যু বাৰ্ষিকী উপলক্ষে টিহু আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত সমগ্ৰ টিহু অঞ্চলবাসীয়ে সুঁৱৰিলে। এই উপলক্ষে আজি টিহুৰ শ্বহীদ স্মৃতি উদ্যান ঘাটত থকা টিহু আছুৰ কাৰ্যালয় প্ৰাংগণত শ্বহীদ হিমাংশু তামুলীৰ প্ৰতিচ্ছৱিত বন্তি প্ৰজ্বলন কৰে শ্বহীদ গৰাকীৰ আত্মীয় ভাৰতী তামুলীয়ে। টিহু আঞ্চলিক ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদিকা মিতালী কলিতাই আঁতধৰা অনুষ্ঠানটোৰ পাছতে ৰাজহুৱা শ্ৰদ্ধাঞ্জলি ৰূপায়ণ কৰা হয়। বিয়লি সমুহীয়া বন্তি প্ৰজ্বলনৰ ভাগৱত পাঠ আদি ৰূপায়ণ কৰা হয় । উল্লেখ্য যে ২০১৫ চনৰ ১৭ জুলাইত টিহুক মহকুমা ঘোষণা কৰাৰ দাবীত ৩১ নং ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কাৰ্যসূচীত চিআৰপিএফৰ নিৰ্বিচাৰ গুলীচালনাত নিহত হৈছিল টিহু আঞ্চলিক ছাত্ৰ সন্থাৰ সদস্য তথা টিহু হাইস্কুলৰ ছাত্ৰ হিমাংশু তামুলী । পৰৱৰ্তী সময়ত হিমাংশু তামুলীক মহকুমা আন্দোলনৰ আৰু আছুৰ সাংগঠনিক শ্বহীদ হিচাপে ঘোষণাা কৰা হয়। ইপিনে, নিজৰ একমাত্ৰ পুত্ৰ সন্তানক অকালতে হেৰুৱাই আজিও উচুপি উঠে হিমাংশুৰ মাতৃ সবিতা তামুলীয়ে। তীব্ৰ আৰ্থিক সংকটত পৰা পৰিয়ালটোৱে চৰকাৰীভাৱে আৰ্থিক সাহায্য লাভ কৰিছে যদিও আজিও পৰিয়ালৰ এজনেও নাপালে চৰকাৰী সংস্থাপন। কেন্দ্ৰীয় সমিতিৰ কাৰ্যনিৰ্বাহক গুণজোতি পাঠকে উন্নয়নৰ নামত ফটা ঢোল বজোৱা চৰকাৰখনক শ্বহীদ পৰিয়ালটোৰ সংস্থাপনৰ বাবে আহ্বান জনায় । বিগত এঘাৰ বছৰে শ্বহীদ গৰাকীৰ পৰিয়ালৰ প্ৰতি ৰাজনৈতিক নেতাসকলে কোনো ধৰনৰ খা খবৰ নোলোৱাত গভীৰ আক্ষেপ প্ৰকাশ কৰে। উল্লেখযোগ্য যে ঘটনাটো সংঘটিত হোৱাৰ নিশাই টিহুত উপস্থিত হৈ অগপৰ কাৰ্যকৰী সভাপতি তথা মন্ত্ৰী কেশৱ মহন্ত, প্ৰাক্তন বিধায়ক সত্যব্ৰত কলিতা আৰু প্ৰাক্তন বিধায়ক পবিন্দ্ৰ ডেকাই দুৰ্ভগীয়া পৰিয়ালটোৰ এজনক চৰকাৰী সংস্থাপনৰ দাবী উত্থাপন কৰিছিল। আনহাতে, চল্লিশ বছৰীয়া সংগ্ৰামৰ অন্তত ২০১৬ চনৰ জানুৱাৰীত টিহুক মহকুমা ঘোষণা কৰা হ'ল কিন্তু কাৰ্যকৰী নহ'ল। পৰৱৰ্তী সময়ত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই টিহু সমজিলা ঘোষণা কৰিলে। অৱশ্যে টিহুত টিহু সমজিলাৰ সদৰ কাৰ্যালয় স্থাপন নোহোৱাত টিহুবাসী ৰাইজে আক্ষেপ প্ৰকাশ কৰাৰ লগতে শীঘ্ৰে টিহু সমজিলাৰ সদৰ কাৰ্যালয় টিহুত স্থাপন কৰিবলৈ দাবী উত্থাপন কৰিছে।

## সদ্য ঘোষিত নীট পৰীক্ষাত উজলি উঠিল ছিপাঝাৰৰ বৰদৌলগুৰিৰ ৰিয়ান আফ্ৰিদি

**ইন্দাদুল হক, ছিপাঝাৰ, ১৮ জুলাই ঃ** সদ্য ঘোষিত NEET (UG) পৰীক্ষাত ৫৯১ নম্বৰ লাভ কৰি ছিপাঝাৰৰ বৰদৌলগুৰিৰ ৰিয়ান আফ্ৰিদি। এগৰাকী সু-চিকিয়সক হোৱাৰ সপোন বুকুত বান্ধি দৈনিক ১২/১৪ ঘন্টাকৈ চলাইছিল প্ৰস্তুতি।আজমল চুপাৰ ৪০ৰ মেধাৱী ছাত্ৰ ৰিয়ান আফ্ৰিদি ২০২৬ বৰ্ষত উচ্চতৰ মাধ্যমিক বিজ্ঞান শাখাৰ চূড়ান্ত পৰীক্ষাত ৯১.৪ শতাংশ নম্বৰ লৈ প্ৰথম বিভাগত উত্তীৰ্ণ হৈছিল। কোনো দিনে মাক -দেউতাকে পঢ়া শুনাত অনুশাসন কৰিবলগীয়া হোৱা নাছিল।পুত্ৰৰ সাফল্যত পিতৃ- মাতৃ নিজকে আজি অতিকৈ আনন্দিত আৰু সুখী। ইফালে ৰিয়ান আফ্ৰিদি তেওঁৰ এনে সাফল্যত পিতৃ মাতৃ, ঘৰৰ পৰিয়াল, ৰাইজৰ লগতে বিদ্যালয়ৰ গুৰুমণ্ডলী অৰিহণাৰ থকাৰ কথা উল্লেখ কৰে।ৰিয়ান আফ্ৰিদি বৰদৌলগুৰি নিৱাসী ফাৰুক আহমেদ আৰু হাফিজা চুলতানৰ প্ৰথম পুত্ৰ।

### শিশুৱে যদি দিনটোত ১১ পৰা ৪ ঘণ্টা মোবাইল ফোন চায় তেন্তে তেওঁলোকৰ বুদ্ধিমত্তাৰ বিকাশত পলম হয়

# ২ বছৰৰ তলৰ শিশুৱে মোবাইল ফোন বেছিকৈ চালে কথা ক'বলৈ শিকিব নোৱাৰিব বুলি দাবী কৰা হৈছে অধ্যয়নত



**মোবাইলত** কাৰ্টুন নাচলে শিশুৱে খাবলৈ মন নাযায়। এই অভিযোগ বহু অভিভাৱকে। বহুতে গৌৰৱ কৰে যে তেওঁলোকৰ সন্তানে এটা শব্দও উচ্চাৰণ কৰা নাই, কিন্তু তেওঁ মোবাইলত ফটো তুলিবলৈ শিকিছে। তেওঁ ইউটিউব খুলি নিজাববীয়াকৈ এটাৰ পিছত এটাকৈ ভিডিঅ' বজাইছে। শেহতীয়া গৱেষণাৰ মতে বহু অভিভাৱকে গোটেই দিনটো মোবাইল ফোনত ফিডজিং কৰি থকা ২ বা ৩ বছৰৰ তলৰ শিশুৰ বাবে মোবাইল ফোন কিমান বিপজ্জনক হৈ পৰিছে তাৰ কোনো ধাৰণা নাই। দেখা গৈছে যে যি শিশুৱে দিনটোত ৪ ঘণ্টাৰো অধিক সময় নিজৰ মোবাইল ফোন চাই থাকে, তেওঁৰ বুদ্ধিমত্তাৰ বিকাশ অতি পলমকৈ হ'ব। সেই শিশুটিয়েও বহু পলমকৈ কথা ক'বলৈ শিকিব। স্মাৰ্টফোনৰ পৰা নিৰ্গত বিকিৰণে মগজু, কাণকে ধৰি বিভিন্ন অংগৰ ক্ষতিসাধন কৰে। শিশুৰ স্বাভাৱিক বৃদ্ধিৰ সময়ত ই অধিক ক্ষতিকাৰক। মগজু আৰু কাণত 'নন-মেলিগনেণ্ট টিউমাৰ' হোৱাৰ ভয় নুই কৰিব নোৱাৰি। হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়ৰ গৱেষকসকলে এই বিষয়ত অধ্যয়ন কৰি আছে। তেওঁলোকে কয় যে ৰৰ পৰা চ বছৰ বয়সৰ হাজাৰৰো অধিক শিশুৰ ওপৰত এক অধ্যয়ন কৰা হৈছিল। দেখা গৈছে যে দিনটোৰ বেছিভাগ সময় মোবাইল ফোন চোৱা বেছিভাগ শিশুৰে মগজুৰ সামগ্ৰিক বিকাশ স্তব্ধ হৈ পৰিছে। সেই ল'ৰা-ছোৱালীবোৰে এই বয়স পোৱাৰ পাছতো ভালকৈ কথা ক'বলৈ শিকিব পৰা নাই। বহুতে অটিজিম ৰোগতো আক্ৰান্ত হৈছে। সাধাৰণতে শিশুৰ মগজুৰে ছাল, কোষ আৰু হাড় বহুত কোমল আৰু পাতল হোৱাৰ বাবে প্ৰাপ্তবয়স্কতকৈ প্ৰায় ৬০ শতাংশ বেছি বিকিৰণ শোষণ কৰে। সেয়ে শিশুসকল বেছিকৈ আক্ৰান্ত হয়। পৰ্দাৰ উজ্জ্বল পোহৰ আৰু দ্ৰুতগতিত পৰিৱৰ্তিত ছবিয়ে শিশুৰ মগজুত 'ড'পামিন' নামৰ ৰাসায়নিক পদাৰ্থ নিৰ্গত কৰে, যিয়ে এক প্ৰকাৰৰ নিচাৰ সৃষ্টি কৰে। ফলত শিশুটিয়ে বাস্তৱ জগতৰ পৰা বিচ্যুতি ঘটাবলৈ আৰম্ভ কৰে। একাগ্ৰতাৰ অভাৱ ঘটে। শেহতীয়াকৈ বহু অভিভাৱকে এই সমস্যাৰ সন্মুখীন হৈছে। গৱেষকসকলে কয় যে শিশুৰ মনোযোগৰ ক্ষমতা কম হোৱাই নহয়, শিশুটিয়ে সঠিকভাৱে কথাও ক'ব নোৱাৰে। নিজৰ আৱেগ প্ৰকাশ কৰিবলৈও অক্ষম। কাৰণ ঘৰত কোনেও তাৰ লগত তেনেকৈ কথা নাপাতে। এটা মোবাইল বা টেবলেট তেওঁৰ হাতত তুলি দিয়া হয়। ইয়াৰ ফলত শিশুটি ব্যস্ত হৈ থাকে। আৰু অভিভাৱক সকাহ পায়। শিশুটিয়ে হাজাৰ হাজাৰ দাবী চম্ভালিব নালাগে। তাক খুৱাই দিয়াৰ ভয় নাইকিয়া হৈ যায়। হাতত টেব বা মোবাইল এটা ধৰিলে শিশুটিয়ে নিমিষতে গিলিবলৈ বন্ধ কৰি দিয়ে। শিশুটিও দীৰ্ঘদিন ধৰি শান্ত হৈ থাকে। আৰু এইটোৱেই বিপদৰ সৃষ্টি কৰিছে। শিশুটিৰ বৌদ্ধিক বিকাশ স্তব্ধ হৈ পৰে। এফালে মগজুৰ ভাৰসাম্য ধ্বংস হৈছে, আনফালে সৰুৰে পৰা বিভিন্ন স্নায়ুজনিত ৰোগ হোৱাৰ আশংকাও বাঢ়িছে।

## কান্দোন বন্ধ কৰিবলৈ শিশুক ম'বাইল দিয়ে নেকে? বহু অভিভাৱকে সন্তানক অন্যমনস্ক কৰিবলৈ ফোন দিয়ে

### দিন-ৰাতি মূৰত চিন্তাৰ জটিলতা, অকাৰণতে বেছি চিন্তা কৰিছে নেকি?

# চিন্তাৰ পৰা মুক্ত হোৱাটো সহজ নহয়, অপ্ৰয়োজনীয় চিন্তাৰ ওপৰত নিয়ন্ত্ৰণ ৰখাৰ গুৰুত্বপূৰ্ণ কৌশল



**পুৱা** সাধাৰণ কাজিয়া এটা হৈছিল যদিও দুপৰীয়াও তাৰ পৰা ওলাই আহিব নোৱাৰি? আপুনি টিভিত শুনিছিল যে ভূমিস্খলনে ৰাস্তাটো বন্ধ কৰি দিছে, লগে লগে আপুনি ভাবিবলৈ ধৰিলে যে আপুনি ভৱিষ্যতে সেই ৰাস্তাৰে যাত্ৰা কৰিব নে নকৰে। চিন্তাবোৰৰ আঁৰত এটা কাৰণ আছে। কিন্তু কেতিয়াবা সেই চিন্তাবোৰো অকাৰণতে হ'ব পাৰে। কথাটো অতি সৰু, বহুতে দিনে-নিশাই চিন্তা কৰে। আপুনিও এনে তালিকাৰ অন্তৰ্গত নেকি? আপোনাৰ ব্যক্তিগত জীৱনত বা পেছাদাৰী জীৱনত এনে বহু ঘটনা ঘটিব পাৰে যিয়ে ৰাতি টোপনি কাঢ়ি নিব পাৰে। এনে নহয় যে সকলো ৰাতি শেষ হোৱাৰ সময়ত যিদৰে আছিল, তেনেকৈয়ে ঘূৰি আহিব। তাৰ পৰাই আৰম্ভ হয় চিন্তা আৰু চিন্তা। কিছুমান কথা সততাৰে চিন্তা কৰাটো যেনেকৈ বহুতে অপ্ৰয়োজনীয় চিন্তা-চৰ্চা কৰিও নিজকে আঘাত দিয়ে। চিন্তাৰ পৰা মুক্ত হোৱাটো সহজ নহয়, কিন্তু অপ্ৰয়োজনীয় চিন্তাৰ ওপৰত নিয়ন্ত্ৰণ ৰখাটো গুৰুত্বপূৰ্ণ। মনোবিজ্ঞানীসকলে কয় যে অত্যধিক চিন্তাই মগজুক ভাগৰুৱা কৰি তোলে। ইয়াৰ বাহিৰেও চিন্তাৰ উৎস যেনেকৈ নিজৰ হাতত থাকে, তেনেকৈয়ে তাক বন্ধ কৰাৰ কৌশল শিকিব লাগিব। কোনো এটা পৰিঘটনা বা বিষয়ৰ ওপৰত অভিযোগ আৰু অনুশোচনা কৰি থাকেনে? ইয়াৰ ফলত আপোনাৰ মূৰত নেতিবাচক চিন্তাও ঘূৰি ফুৰে। গোটেই দিনটো ইয়াৰ পৰা নিজকে আঁতৰাই ৰাখিবলৈ চেষ্টা কৰিব পাৰে। যদি এনে এটা কথা মনলৈ আহে তেন্তে সেই চিন্তাৰ পৰা নিজকে আঁতৰাই ৰাখিবলৈ চেষ্টা কৰিব পাৰি। যদিও কথাটো সহজ নহয়, চেষ্টা কৰিলে ক্ৰমান্বয়ে এই অভ্যাস দূৰ কৰা সম্ভৱ হ'ব। বহুতৰে অপ্ৰয়োজনীয় চিন্তা হ'বলৈ আৰম্ভ কৰে যেনে এনেকুৱা হ'লে কি হ'ব, তেনেকুৱা হ'লে মই কি কৰিম। কাল্পনিক সমস্যাত মগজু ডুব যাবলৈ আৰম্ভ কৰে। এনে পৰিস্থিতিত আপুনি বিনিময়ত আপোনাৰ মনটোক ইতিবাচক প্ৰশ্ন সুধিব পাৰে। যদি এনেকুৱা নহয়, তেন্তে সেয়াও হ'ব পাৰে। ভাল হ'ব পাৰে। বিপৰীত প্ৰশ্নৰ হেঁচাত নেতিবাচক চিন্তা বন্ধ কৰিব পাৰি। মনটোক ব্যস্ত ৰাখিবলৈ কিবা এটা কামত নিজকে ব্যস্ত কৰিবলৈ বাধ্য কৰিব পাৰে। নেতিবাচক খবৰেও মনত উদ্বেগ জগাই তোলে। এনে কথা-বতৰা, বাতৰি বা পৰ্দাত দেখিলে বৈ অলপ চিন্তা কৰিব লাগিব, আনকি এই মুহূৰ্তত সেইবোৰ প্ৰাসংগিক নেকি। যদি আপোনাৰ মনত উদ্বিগ্নতা উদ্ভৱ হয়, যদি আপোনাৰ চিন্তাবোৰ বিচৰণ কৰি থাকে, তেন্তে আপুনি ১০ ছেকেণ্ডৰ বাবে বৈ ভাবিব পাৰে যে এই বিষয়ে চিন্তা কৰাটো যুক্তিসংগত নে নহয়। সেই সময়ত মগজুৱে অপ্ৰয়োজনীয় হওক বা নহওক এটা সংকেত দিব। বহু সময়ত মনটো কাল্পনিক দুৰ্যোগৰ কথা চিন্তাত ডুব যায়। ভৱিষ্যতে কি হ'ব পাৰে তাৰ ৰচনামূলক ছবি সৃষ্টি কৰে। যদি মনটো অনবৰতে বেয়া চিন্তাত ব্যস্ত থাকে তেন্তে শৰীৰতো ইয়াৰ প্ৰভাৱ পৰে। সচেতনভাৱে নিজৰ চিন্তাক নিয়ন্ত্ৰণ কৰিবলৈ চেষ্টা কৰিব লাগিব।

### পিলাটেছৰ পাঁচটা সহজ পদ্ধতিৰ অভ্যাস গঢ়ক

# ব্যায়ামে ওজন বৃদ্ধি-হৰম'নৰ সমস্যা সমাধানত সহায় কৰিব



**জিম** বা মেচিন ভিত্তিক ব্যায়াম সকলো বয়সৰ বাবে নহয়। বহুতে যোগাসন বাছি লয় কাৰণ তেওঁলোকে মেচিনৰ সহায়ত ব্যায়াম কৰিবলৈ জিমলৈ যোৱাটো ভাল নাপায়। পিলাটেছ হৈছে ব্যায়ামৰ এক পদ্ধতি যিয়ে একেলগে শৰীৰক টানিব পাৰে আৰু কাৰ্ডিঅ' বা শক্তি প্ৰশিক্ষণৰ দৰে সুবিধা প্ৰদান কৰে। ৪০ বছৰ সম্পূৰ্ণ হোৱাৰ পিছত মহিলাৰ শৰীৰত বিভিন্ন পৰিৱৰ্তন ঘটে।হৰম'নৰ সমস্যা দেখা দিয়াৰ লগে লগে বহুতৰে ওজনো বাঢ়ে। বাতবিষৰ আশংকা বৃদ্ধি পায়। গতিকে তেনে ক্ষেত্ৰত কম কষ্ট কৰি কৰিব পৰা কিছুমান ব্যায়াম অভ্যাস কৰিব পাৰি। তাৰ বাবে পিলাটেছ আদৰ্শ। এই ব্যায়াম যিকোনো বয়সতে কৰিব পাৰি। পদ্ধতিটোও সহজ। পেট আৰু কঁকালৰ চৰ্বি হ্ৰাস কৰাৰ লগতে পোৱালিৰ পেশীৰ শক্তি বৃদ্ধিৰ বাবে এই ব্যায়াম উপযোগী। শুই দুয়োখন হাত মূৰৰ পিছফালে ৰাখক। এইবাৰ এখন ভৰি ভাঁজ কৰি চাইকেল চলোৱাৰ দৰে বুকুৰ ওচৰলৈ আনি সেই ভৰিখনৰ আঁঠুটো বিপৰীত কঁকালেৰে স্পৰ্শ কৰিবলৈ চেষ্টা কৰক। আনখন ভৰিৰে একে ধৰণেৰে ব্যায়াম কৰক। এই ব্যায়ামৰ দ্বাৰা উৰু আৰু নিতম্বৰ পেশীৰ চৰ্বিও কমি যাব। এইটো পিলাটেছৰ এটা পদ্ধতি যিটো মেটত পৰি থাকিব পাৰি। ইয়াৰ কাম হ'ল পেটৰ পেশীবোৰ টান কৰি ৰখা, বিপাকীয় ক্ৰিয়া বৃদ্ধি কৰা আৰু চৰ্বি জ্বলোৱা। ব্যায়ামটো কৰিবলৈ প্ৰথমে মেটত শুব লাগিব। আপোনাৰ হাত দুখন শৰীৰৰ দুয়োফালে থাকিব। এইবাৰ দুয়োখন ভৰি ৪৫ ডিগ্ৰী কোণত ওপৰলৈ তুলিব লাগে। একে সময়তে মূৰ আৰু কান্ধ দুটা মেটৰ পৰা অলপ ওপৰলৈ তুলি ল'ব লাগে। উশাহ-নিশাহ স্বাভাৱিক কৰি ৰাখি শৰীৰৰ দুয়োফালে হাত দুখন অবিৰতভাৱে ওপৰলৈ আৰু তললৈ নমাই থওক। এই প্ৰক্ৰিয়াটো ৩০-৪০ ছেকেণ্ডৰ বাবে কৰক। মাজত প্ৰায় এক ফুট দূৰত্ব ৰাখি বেৰৰ ফালে মুখ কৰি থিয় হওক। দুয়োখন হাতৰ তলুৱা বেৰত (কান্ধৰ কাযেৰে) ৰাখক। এইবাৰ কঁকাল দুটা বেঁকা কৰি বুকু আৰু কান্ধ দুটা বেৰৰ ফালে লৰচৰ কৰি আকৌ বাহু দুটা পোন কৰি আগৰ অৱস্থালৈ ঘূৰি আহক। নিশ্চিত হওক যে আপোনাৰ শৰীৰটো পোন হৈ থাকে। এই কামটো ১০-১২ বাৰ কৰক। সাধাৰণ তক্তাখন মাটিত কৰা হয়, কিন্তু ইয়াত দুয়োখন হাতৰ কঁকাল বা হাতৰ তলুৱা বলটোৰ ওপৰত থাকিব। শৰীৰটো পোনে পোনে ৰাখিব লাগিব আৰু বলৰ ওপৰত ভাৰসাম্য ৰক্ষা কৰিব লাগিব আৰু স্থিৰ হৈ থাকিব লাগিব। দুয়োখন ভৰি পোন হ'ব, আৰু ওজন গোৰোহাত থাকিব। ৩০ ছেকেণ্ডৰ পৰা ১ মিনিটলৈকে এই কাম কৰিবলৈ চেষ্টা কৰক। মেটত শুই থাকক। দুয়োখন হাত শৰীৰৰ দুয়োফালে পোনকৈ ৰাখিব লাগে। এইবাৰ মূৰ, ডিঙি আৰু কান্ধ দুটা মেটৰ ওপৰত অলপ ওপৰলৈ তুলি লওক। একে সময়তে মেটৰ পৰা ৪৫ ডিগ্ৰী কোণত দুয়োখন ভৰি একেলগে ওপৰলৈ তুলিব লাগে। এই অৱস্থাৰ পৰা দুয়োফালে পাল পাতি দুয়োখন হাত ওপৰলৈ তুলি নমাই দিব লাগে।

# যোগ পদ্ধতিয়ে খোজ কঢ়াৰ সময়ত ভৰিৰ-গোৰোহাৰ বিষ কম কৰিব পাৰি

**প্ৰায়** সকলোৱে ভৰিৰ বিষত ভুগিছে। কিছুমানৰ ভৰি দুখন বেছি সময় বহি থকাৰ পিছত ফুলি উঠে, কিছুমানৰ গোৰোহাত গোৰোহা পিন্ধিলে বিষ হয়। বাতবিষ হ'লে কোনো সমস্যা নহয়, উঠি বহি বহিলে গাঁঠিৰ বিষত ভোগে। ভৰিৰ বিষ কেৱল বৃদ্ধই নহয়। শেহতীয়াকৈ যুৱক-যুৱতীসকলে অধিক ক্ষতিগ্ৰস্ত হৈছে। অফিচত ঘণ্টাৰ পিছত ঘণ্টা একেখন চকীতে বহি থকা আৰু তাৰ ওপৰত খোজ কঢ়াৰ কোনো বিশেষ অভ্যাস নাই, গোটেই দিনটো ভৰি ওলোমাই বহি থকাৰ পিছত খোজ কাঢ়িলে ভৰি দুখন টিংটিং শব্দ হোৱা যেন লাগে। ৰাতি শুই উঠাৰ পিছত বুজা যায় যে বিষ ক্ৰমান্বয়ে বাঢ়িছে। ভৰিৰ গোৰোহা ফুলি গৈছে। পুৱা সাৰ পালেও তেওঁৰ টিংটিং চেনচেচন এটা অনুভৱ হয়। বিচনাৰ পৰা উঠি মাটিত ভৰি দিলে যেন বিদ্যুৎস্পৃষ্ট হয়। আৰু চিৰিৰে নামিলে ডাঙৰ কথা নহয়। গোটেই ভৰিখন যেন অজ্ঞান হৈ পৰিছে। যোগে ভৰিৰ বিষ কম কৰিব পাৰে। অৱশ্যে কিছুমান বিশেষ কৌশলৰ অভ্যাস কৰিব লাগিব। তললৈ মুখ কৰা কুকুৰৰ ভংগীমাক তললৈ মুখ কৰা কুকুৰৰ ভংগীমা বুলিও কোৱা হয়। এই আসন অনুশীলনত হাত, ভৰি, পেট, কঁকাল, আৰু নিতম্বৰ পেশীৰ ব্যায়াম কৰা হয়। প্ৰথমে হাত আৰু আঁঠুত বহি যেন হাঁহাকাৰ কৰি আছে। এইবাৰ কঁকাল আৰু পিঠি পোন কৰি লওক। হাতৰ তলুৱা মাটিত থাকিব লাগে, পিঠিখন



ওপৰলৈ ওপৰলৈ তুলিব লাগে আৰু ভৰি দুখন মাটি স্পৰ্শ কৰিব লাগে। ইংৰাজী 'V' আখৰৰ দৰে দেখাব লাগে। মূৰটো যিমান পাৰি মাটিৰ ফালে হেলনীয়া কৰি গভীৰভাৱে উশাহ লওক। এই ভংগীমাত ২০ ছেকেণ্ডৰ পিছত আগৰ অৱস্থালৈ উভতি যাওক। প্ৰথমে মেটত পোনে পোনে থিয় হওক। ভৰিৰ মাজত দুই ইঞ্চি দূৰত্ব ৰাখক। উশাহ-নিশাহ স্বাভাৱিক কৰি ৰাখক। দুয়োফালৰ পৰা হাত দুখন ওপৰলৈ তুলি কঁকাল দুটা বেঁকা কৰি মূৰৰ পিছফালে আনিব। এইবাৰ আঙুলিবোৰ একেলগে আনিব। হাতৰ তলুৱা মূৰৰ পিছফালে ৰাখক ? এইবাৰ উশাহ লওঁতে হাত দুখন মূৰৰ ওপৰলৈ আগবঢ়াই দিব। গোৰোহা পিন্ধি থকাৰ দৰে মাটিৰ পৰা গোৰোহা তুলি লওক। কেৱল ভৰিৰ আঙুলিয়ে মাটি স্পৰ্শ কৰিব লাগে। এই অৱস্থাত আপুনি সমগ্ৰ শৰীৰত টেনচন অনুভৱ কৰিব। ২০ৰ পৰা ৩০ ছেকেণ্ড এই অৱস্থাত থাকিব। প্ৰথমে ভৰি দুখন আগলৈ মেলি মেটত বহিব। বাওঁ আঁঠুটো বেঁকা কৰি গোৰোহাটো নিতম্বৰ তলত ৰাখক। একেদৰে সোঁ আঁঠুটো বেঁকা কৰি গোৰোহাটো নিতম্বৰ তলত ৰাখক। মেৰুদণ্ড পোন কৰি ৰাখক আৰু পিঠিৰ পেশীবোৰ টান কৰক। এইবাৰ হাত দুখন দুয়োফালে ৰাখি লাহে লাহে পিঠিখন পিছলৈ হেলান দিব। যিমান পাৰি পিঠিখন হেলান দিব। উশাহ-নিশাহ স্বাভাৱিক হ'ব লাগে। ২০ ছেকেণ্ড সেই অৱস্থাত থাকিব আৰু তাৰ পিছত আগৰ অৱস্থালৈ উভতি যাব।

### জাপানী নাগৰিকে দিনে-ৰাতিয়ে এন্টিঅক্সিডেণ্টযুক্ত খাদ্য খায় বেছি দিন জীয়াই থাকিবলৈ

# জাপানীজ জীৱনশৈলীৰ সৈতে জড়িত ৫ বিধ খাদ্য

**জাপানীসকলৰ** দীৰ্ঘায়ু বুলি কোৱা হয়। জাপান ভ্ৰমণলৈ অহা পৰ্যটকৰ পৰা আৰম্ভ কৰি পুষ্টিবিদ আৰু চিকিৎসকলৈকে এই বিষয়টোৰ ওপৰত বিভিন্ন ধৰণে আলোচনা হোৱা শুনা যায়। সৰ্বাধিক সংখ্যক শতবৰ্ষীয় লোক জাপানৰ অকিনাৱা দ্বীপত বাস কৰে আৰু এই ঠাইখন গৱেষকসকলৰ বাবে আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰিছে। মানুহে কয় যে সুখ আৰু সুস্থ জীৱন যাপনৰ চাবিকাঠি জাপানী দৰ্শনত লুকাই আছে। জাপানীসকলে সচেতনভাৱে আৰু সুস্থভাৱে জীয়াই থকাত বিশ্বাস কৰে। সেয়ে পৃথিৱীত যেতিয়া স্বাস্থ্য সচেতন লোকৰ সংখ্যা বাঢ়িছে, তেতিয়া জাপানীজ জীৱনশৈলীয়ে দৃষ্টি আকৰ্ষণ কৰিছে। আৰু জীৱনৰ এটা বৃহৎ অংশ খাদ্যাভ্যাসৰ লগত জড়িত। স্বাস্থ্য সচেতন লোকসকল এতিয়া এন্টিঅক্সিডেন্টৰ সৈতে পৰিচিত। এইবোৰ কিছুমান প্ৰাকৃতিক বা কৃত্ৰিম যৌগ (যেনে ভিটামিন চি, ভিটামিন ই, বিটা-কেৰটিন), যিয়ে শৰীৰৰ ক্ষতিকাৰক ফ্ৰী ৰেডিকেল নিষ্ক্ৰিয় কৰে। কোষৰ অক্সিডেচন ৰোধ কৰিলে বয়স বৃদ্ধি



লেহেমীয়া হয় আৰু কেন্সাৰ আৰু হৃদৰোগৰ দৰে জটিল ৰোগৰ সম্ভাৱনা কমি যায়। সেয়েহে সমগ্ৰ বিশ্বতে খাদ্যত থকা এন্টিঅক্সিডেন্টৰ সন্ধান চলি আছে। আনহাতে জাপানী মহিলাসকলে ইতিমধ্যে দিনে নিশাই এন্টিঅক্সিডেন্টৰে ভৰপূৰ খাদ্য খায়। জাপানীজ খাদ্য সংস্কৃতিৰ এটা প্ৰধান বৈশিষ্ট্য হৈছে টেঙা খাদ্য। ইয়াৰ উপৰিও ইয়াত প্ৰচুৰ পৰিমাণে এন্টিঅক্সিডেন্ট, খনিজ পদাৰ্থ, ভিটামিন আৰু অন্ত্ৰৰ বাবে স্বাস্থ্যকৰ উপাদান থাকে। এনে খাদ্য তেওঁলোকৰ দৈনন্দিন খাদ্যৰ অংশ। এনে খাদ্যই অন্ত্ৰত থকা উপকাৰী বেক্টেৰিয়াবোৰ সক্ৰিয় কৰি ৰখাত সহায় কৰে। ফলত হজম শক্তিৰ পৰা আৰম্ভ কৰি ৰোগ প্ৰতিৰোধ ক্ষমতালৈকে সকলো উন্নত হয়। আনকি ভাল পুষ্টিৰ বাবে মানসিক স্বাস্থ্যও ভাল। গতিকে এই ৫ টা এন্টিঅক্সিডেন্ট খাদ্যৰ ভিতৰত টেঙা খাদ্যৰ

### খাদ্যত এন্টিঅক্সিডেন্টৰ সন্ধান চলি আছে সমগ্ৰ বিশ্বত

শক্তি আটাইতকৈ বেছি। কবি মেৰিনেট কৰি খোৱা হয়। ইউৰোপত ইয়াক টেঙা কবি বা চ'ৰক্ৰাউট বুলি কোৱা হয়। সেই দেশত বিভিন্ন ধৰণৰ আচাৰ বা ভিনেগাৰ আৰু সাগৰীয় নিমখত মেৰিনেট কৰা শাক-পাচলি খোৱাৰ পৰম্পৰা আছে। ভাত বা আন যিকোনো ব্যঞ্জনৰ লগত খোৱা হয়। ঠিক কোৰিয়ান কিমচিৰ দৰেই কলকাতাতো ই অতি জনপ্ৰিয়। দুপৰীয়া আৰু ৰাতিৰ আহাৰ খোৱাৰ আগতে অলপ আচাৰ কৰা কবি খালে হজম শক্তি দ্ৰুত হোৱাত সহায়ক হয়। ইয়াত প্ৰ'বায়'টিক থাকে, যিয়ে অন্ত্ৰত উপকাৰী বেক্টেৰিয়াৰ সংখ্যা বৃদ্ধি কৰাত সহায় কৰিব পাৰে। ইয়াৰ উপৰিও ইয়াত কেলৰি অতি কম আৰু ভিটামিন চি প্ৰচুৰ, যিটোও এটা গুৰুত্বপূৰ্ণ এন্টিঅক্সিডেন্ট। কুজু হৈছে কুজু গছৰ শিপাৰ পৰা তৈয়াৰী এক প্ৰকাৰৰ আটা। জাপানীজ ৰন্ধন প্ৰণালীত ইয়াক ঘনকৰণ হিচাপে ব্যৱহাৰ কৰা হয়। পুষ্টিবিদসকলৰ মতে কুজু খোৱাটোৱে পাচনতন্ত্ৰৰ স্বাস্থ্য বজাই ৰখাত সহায় কৰে। তেজৰ চেনিৰ ভাৰসাম্য আৰু এন্টিঅক্সিডেন্ট গুণৰ বাবেও ই সুপৰিচিত। ইয়াক চুপ, জোল, চচ বা গৰম পানীয় তৈয়াৰ কৰাত ব্যৱহাৰ কৰা হয়। এসময়ত হৃদযন্ত্ৰ ৰক্ষাৰ বাবে কুজু ব্যৱহাৰ কৰা হৈছিল। এই বিশেষ জাপানীজ চাহ চাহ গছৰ ঠাৰি আৰু ঠাৰিৰ পৰা তৈয়াৰ কৰা হয়, পাতৰ পৰা নহয়। ফলত ইয়াত থেইনৰ পৰিমাণো অতি কম। ১ শতাংশতকৈও কম। থিইন আন এক প্ৰকাৰৰ কেফেইন, যিয়ে স্নায়ুতন্ত্ৰক কিছু সময়ৰ বাবে অতিৰিক্ত সজাগ কৰি তোলে আৰু ভাগৰ দূৰ কৰে। যিসকলে চাহত কেফেইনৰ দৰে কোনো উপাদান নিবিচাৰে তেওঁলোকৰ বাবে কুকিচা উপযোগী হ'ব পাৰে। ইয়াৰ উপৰিও এই চাহত ভিটামিন, খনিজ পদাৰ্থ, এন্টিঅক্সিডেন্ট আদিও অধিক পৰিমাণে থাকে। এই গৰম পানীয় হজম শক্তিৰ বাবেও উপকাৰী। ই জাপানীজ ব্ৰেকফাষ্টৰ বিখ্যাত খাদ্য। এই চুপটো কিম্বন কৰা সৰিয়হ, সাগৰীয় নিমখ, আৰু কোজি ভেঁকুৰৰ পৰা তৈয়াৰী মিছ' পেষ্টৰ পৰা তৈয়াৰ কৰা হয়। ইয়াত প্ৰ'বায়'টিক, প্ৰ'টিন, খনিজ পদাৰ্থ, ভিটামিন আদি থাকে। ই অন্ত্ৰৰ সুস্বাস্থ্য বজাই ৰখাত সহায় কৰে আৰু দিনৰ আৰম্ভণিতে পাচনতন্ত্ৰ সক্ৰিয় কৰে। ইয়াৰ উপৰিও ২০ শতাংশ প্ৰটিন এই চুপৰ পৰা পোৱা যায়। এই পেষ্টটো বিশেষ ধৰণৰ জাপানীজ প্লামৰ দ্বাৰা তৈয়াৰ কৰা হয়। এইটোও এটা সুস্বাদু খাদ্য। ইয়াত চৰ্বি কম, কেলৰি কম, প্ৰ'বায়'টিক বেছি। ই অন্ত্ৰৰ স্বাস্থ্যৰ যত্ন ল'ব পাৰে আৰু লগতে মূৰৰ বিষৰ পৰাও উপশম পাব পাৰে। আপুনি খোৱাৰ আগতে আধা চামুচ উমেবোছি পেষ্ট খাব পাৰে বা যিকোনো চুপৰ দৰে খাদ্যত ব্যৱহাৰ কৰিব পাৰে।

## হেনচেলৰ উপাদানৰ মিশ্ৰণ পানীত মিহলাই দিলে কীটনাশকবোৰ ধুই পেলোৱা হয়

# বজাৰৰ পৰা কিনা শাক-পাচলি পানীৰে ধুলে কীটনাশক বাহিৰ নহয়

**সুস্থ** শৰীৰৰ বাবে সতেজ ফল-মূলৰ বিকল্প নাই। যদিও ইয়াত ভিটামিন, প্ৰটিন, বিভিন্ন খনিজ পদাৰ্থ থাকে, ফল-মূল আৰু শাক-পাচলিতো প্ৰচুৰ পৰিমাণে কীটনাশক পদাৰ্থ থাকে। খাদ্যৰ যোগেদি এই কীটনাশক দ্ৰব্যই শৰীৰত উপস্থিত হ'লে তেজৰ লগত মিহলি হৈ বিভিন্ন ৰোগৰ সৃষ্টি কৰে। ইহঁতে স্নায়ুতন্ত্ৰৰ কাম-কাজত ব্যাঘাত জন্মায়। কেৱল সেয়াই নহয়, যদি এই বিষটো শৰীৰৰ লগত দীৰ্ঘদিন মিহলি হৈ থাকে তেন্তে কেন্সাৰৰ দৰে দুৰাৰোগ্য ৰোগত আক্ৰান্ত হোৱাৰ আশংকা এৰাই চলিব নোৱাৰি। খাদ্যত দিয়া এই কীটনাশকবোৰে প্ৰজননত আনকি ভ্ৰূণৰ বিকাশতো সমস্যাৰ সৃষ্টি কৰিব পাৰে। বজাৰৰ পৰা কিনা শাক-পাচলি ঘৰলৈ অনা বহু লোকে ভাবে যে ভালদৰে ধুলে তেওঁলোকৰ সকলো সমস্যা সমাধান হ'ব। কিন্তু পানীৰে ধুলে বা পানীত বহু সময় তিয়াই থাকিলে ফল-মূলৰ পৰা কীটনাশক আঁতৰি নাযায়। এতিয়া অনলাইনযোগে বিভিন্ন পেকেটত ভৰোৱা ফলমূল উপলব্ধ। যেনে ব্লুবেৰী আৰু আঙুৰ। বহুতে নোধোৱাকৈয়ে খায়। যদি আপুনি সাৱধান নহয় তেন্তে আপুনি আপোনাৰ শৰীৰৰ গুৰুতৰ ক্ষতি কৰিছে। এটা পাত্ৰত বৃহৎ পৰিমাণৰ পানী লৈ তাত বেকিং চোডা ভালদৰে মিহলাই ডাঠ মিশ্ৰণ এটা বনাব। সিজোৱাৰ আগতে সেই মিশ্ৰণত ফল-মূল বা শাক-পাচলি পোন্ধৰ মিনিট ডুবাই ৰাখিব। ইয়াৰ পিছত সেই পানী পেলাই দি পুনৰ পৰিষ্কাৰ পানীত ধুলে স্বাস্থ্যৰ বিপদ অলপ কমি যাব।



এ বি পাব্লিকেশ্যনৰ হৈ অনিল বৰ্মনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, গুৱাহাটী-১৬ত মুদ্ৰিত। কাৰ্যালয় ঃ পেঞ্চনপাৰা ৰোড, গোস্বামী ছাৰ্ভিচ, গুৱাহাটী-৩, ফোন ঃ ২৬৬০২৬০, বিজ্ঞাপন ঃ লক্ষ্যধৰ ডেকা, ৯৮৬৪৪-৯১৫৯৫ ■ কোকৰাঝাৰ কাৰ্যালয়, জে ডি ৰোড, ফোন ঃ ৯৪৩৫৪-৮৩৮৩৬। তেজপুৰ কাৰ্যালয় ঃ তুলিকা কাৰ্ফ, অপূৰ্ব বৰা ৯৮৫৪২-১১৩০৪, ৯০৮৫০-৭১৩০৪, চাৰ্কুলেচন ঃ অৰুণ শৰণীয়া (৯৭০৭৬-৮৩১১২)
Owner, Publisher & Printer Anil Barman, Published from Pension Para Road, Goswami Service, Silpukhuri, Guwahati-781003 and Printed at Pee Gee India, MIE, Kalapahar, Guwahati-781016. Editor: Anil Barman. Phone : 0361-2660260 ■ Fax : 0361-2665919 ■ batorikakot@rediffmail.com
■ মুখ্য সম্পাদক ঃ ভুৱনেশ্বৰ শৰ্মা
■ সম্পাদকঃ অনিল বৰ্মন